# এশ বছৰৰ অসমীয়া কবিতা

# এশ বছৰৰ অসমীয়া কবিতা

সম্পাদক

হোমেন বৰগোহাঞি

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১ ০২১

**ESHA BACHARAR ASAMIYA KABITA** : An anthology of Assamese poetry of a century in Assamese, edited by Homen Bargohain and published by Bimal Kumar Hazarika, Secretary, Publication Board Assam, Guwahati 781 021, Assam, India.
First edition December 2000. Price- Rs. 200.00

অসম প্ৰকাশন পৰিষদ

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেকট্ৰনিক বা যান্ত্ৰিক উপায়েৰে, অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপতে ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক

**বিমল কুমাৰ হাজৰিকা**

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১ ০২১

প্ৰথম প্ৰকাশ ঃ ডিছেম্বৰ ২০০০

মূল্য ঃ ২০০০০ টকা

ডি টি পি কম্পোজ ঃ অসম প্ৰকাশন পৰিষদ

মুদ্ৰক ঃ

ভাৰত অফ্‌ছেট

জু-ৰোড তিনিআলি, গুৱাহাটী ৭৮১ ০২৪

# পাতনি

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণ বিকাশ আৰু সমৃদ্ধিৰ ক্ষেত্ৰত ১৮৮৮ চনটো এক অতীব গুৰুত্বপূৰ্ণ বছৰ। এই বছৰতে কলিকতাত মুষ্টিমেয় কেইগৰাকীমান অসমীয়া ছাত্ৰৰ উদ্যোগত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ জন্ম হয়। আনহাতে পিছৰ বছৰ ১৮৮৯ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত জোনাকী প্ৰকাশিত হয়। জোনাকী প্ৰকাশিত হোৱাৰ পিছৰ পৰাই অসমীয়া ভাষা-সাহিত্যৰ কবিতা, গীত, নাটক, গল্প, উপন্যাস আদি প্ৰায়ভাগ শাখাই বহু-পল্লবিত হৈ উঠে।

১৮৮৯ চনৰ পৰা ১৯৮৯ চনলৈ সুদীৰ্ঘ এশটা বছৰ পৰিক্ৰমণৰ ৰসোত্তীৰ্ণ কালোত্তীৰ্ণ হ'ব পৰা কবিতা 'এশ বছৰৰ অসমীয়া কবিতা' গ্ৰন্থত সন্নিবিষ্ট হৈছে। উল্লেখযোগ্য যে যোৱাটো শতিকাত অসমত অনেক প্ৰতিভাবান শ্ৰেষ্ঠ কবিৰ কবিতা প্ৰকাশিত হৈছে। এই দিশৰ পৰাই কবিতা সংকলনটো সম্পাদনাৰ কামত আগ বঢ়া হৈছে বুলিও সম্পাদক শ্ৰীহোমেন বৰগোহাঞিদেৱে তেখেতৰ মুখবন্ধত প্ৰকাশ কৰিছে। প্ৰসংগক্ৰমে এটি কথা বিশেষভাৱে উল্লেখ কৰাটো প্ৰয়োজন যে বৰগোহাঞিদেৱক অসম প্ৰকাশন পৰিষদে কবিতা সংকলনখনি সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰাৰ আৰু শ্ৰীবৰগোহাঞিদেৱে সেই দায়িত্ব সুকলমে সম্পাদনা কৰি পাণ্ডুলিপিখন পৰিষদক দিয়াৰ পাছতো বহু বছৰ আমাৰ অসুবিধাৰ বাবে সময়মতে পুথিখনৰ প্ৰকাশত পলম হ'ল। সম্ভৱতঃ প্ৰকাশ-বিলম্ব ঘটাৰ বাবেহে পিছৰ কালৰ ২০০০ চন পৰ্যন্ত কেইবাগৰাকীও প্ৰতিভাবান তৰুণ কবিৰ কবিতা সংকলন-অন্তৰ্ভুক্ত নোহোৱাকৈ থাকি যোৱাৰ ধাৰণা এটা আহিব পাৰে। সি যি কি নহওক, অসমীয়া ভাষা-সাহিত্যৰ এখনি শ্ৰেষ্ঠ কবিতা সংকলন সম্পাদনা কৰি দিয়া বাবে শ্ৰীবৰগোহাঞিদেৱক আন্তৰিক কৃতজ্ঞতা জনাইছো।

আৱশ্যকীয় ক্ষেত্ৰত কবিসকল বা তেওঁলোকৰ উত্তৰাধিকাৰীসকলৰ পৰা সংকলনত কবিতা প্ৰকাশৰ অনুমতি লোৱা হৈছে। অৱশ্যে দুগৰাকীমানৰ পৰা আমি দিয়া চিঠিৰ কোনো উত্তৰ পোৱা নগ'ল। আশা ৰাখিছো তেখেতসকলে পৰিষদে পালন কৰা এনে জাতীয় দায়িত্বৰ শলাগ ল'ব আৰু পৰিষদৰ কামৰ প্ৰতি অকুণ্ঠ সহায়-সহযোগিতা আগবঢ়াব।

সঙ্কলনখনিত নিৰ্বাচিত কবিতা সংগ্ৰহ কৰি দিয়াত অনেক শ্ৰদ্ধেয় কবি, উত্তৰাধিকাৰী আৰু শুভাকাঙ্ক্ষীয়ে পৰিষদক অনেক প্ৰকাৰে সহায়ৰ হাত আগ বঢ়াইছে। আমি সদৌটিলৈকে শলাগৰ শৰাই আগ বঢ়ালো।

সঙ্কলনখনিয়ে সকলোৰে সমাদৰ লাভ কৰিব বুলি আমি আশা কৰিলো।

**বিমল কুমাৰ হাজৰিকা**
সচিব
অসম প্ৰকাশন পৰিষদ

গুৱাহাটী
ডিছেম্বৰ ২০০০

# মুখবন্ধ

অসম প্ৰকাশন পৰিষদে এই কবিতা-সংগ্ৰহখনিৰ সংকলন আৰু সম্পাদনাৰ দায়িত্ব মোক দিয়াৰ সময়ত স্পষ্টভাৱে মোক এই বুলি নিৰ্দেশ দিছিল যে মই কবিতা-সংগ্ৰহখনিৰ ভূমিকা হিছাপে অসমীয়া কবিতাৰ বিষয়ে এটা দীঘলীয়া সমালোচনামূলক প্ৰবন্ধ লিখিব লাগিব। পৰিষদৰ এই নিৰ্দেশ মই অমান্য কৰিবলৈ ঠিক কৰিছো। কবিতা-সংকলন বিভিন্ন ধৰণৰ হ'ব পাৰে। তাৰে কিছুমানত দীঘলীয়া পাতনিৰ আৱশ্যকতা নিশ্চয় আছে। উদাহৰণ স্বৰূপে কলেজ-বিশ্ববিদ্যালয়ৰ পাঠ্য-পুথি হিছাপে যুগুতোৱা কবিতা-সংকলনত ব্যাখ্যামূলক পাতনি থাকিলে বেয়া নহয়। তেনে পাতনি ছাত্ৰ আৰু শিক্ষকৰ কিবা কামত লাগিবও পাৰে। ঠিক সেইদৰে ঐতিহাসিক দৃষ্টিকোণৰ পৰা প্ৰস্তুত কৰা কবিতা-সংকলন বা এটা বিশেষ যুগৰ ভাবাদৰ্শ প্ৰতিফলিত কৰিব খোজা কবিতা-সংকলনতো সমালোচনামূলক ভূমিকাৰ প্ৰয়োজন থাকিব পাৰে। কিন্তু মই যিটো উদ্দেশ্য আগত ৰাখি এই সংকলনখন কৰিছো তাত দীঘলীয়া পাতনিৰ কোনো প্ৰয়োজন নাই। অসমীয়া ভাষাৰ অন্যান্য কবিতা-সংকলনবোৰৰ পৰা এই সংকলনটোৰ বিশেষ পাৰ্থক্য এইখিনিতেই যে এই সংকলনটো কৰা হৈছে কেৱল কবিতা ভাল পোৱা আৰু জীৱনৰ কোনো কোনো মুহূৰ্তত কবিতা পঢ়িবলৈ অনিবাৰ্য তাড়না অনুভৱ কৰা মানুহবোৰৰ কথা মনত ৰাখি। তেনেকুৱা মানুহে কবিতা পঢ়াৰ আগতে পাতনি বা সমালোচনা নিশ্চয় পঢ়ি নলয়। প্ৰণয়ী-যুগলে যেনেকৈ ইজনে সিজনক নিবিড়ভাৱে পাব খোজাৰ মুহূৰ্তবোৰত তৃতীয় কোনো ব্যক্তিৰ উপস্থিতি সহ্য নকৰে, ঠিক তেনেকৈ কবিতা প্ৰকৃততে ভাল পোৱা মানুহেও কবিতাৰ মুখামুখি হোৱাৰ সময়ত সম্পূৰ্ণ অকলশৰীয়া হ'ব খোজে। অৱশ্যে প্ৰণয়ী-যুগলৰ মাজত কেনেবাকৈ ভুল বুজাবুজি হ'লে তৃতীয় ব্যক্তিৰ হস্তক্ষেপ যেনেকৈ অনিবাৰ্য হ'ব পাৰে, ঠিক তেনেকৈ কবিতা বুজিবলৈ টান হ'লেও ব্যাখ্যা কৰি দিয়া মানুহৰ প্ৰয়োজন অনুভূত হ'ব পাৰে। কিন্তু সেইটো সকলো সময়তে নহয়। অন্ততঃ কবিতাৰ লগত নিবিড় মিলনৰ মুহূৰ্তবোৰত নহয়। মই এইটো নিবিচাৰোঁ যে এই সংকলনত সন্নিবিষ্ট কবিতাবোৰৰ মাজত প্ৰবেশ কৰাৰ আগতে কবিসকল আৰু তেওঁলোকৰ কবিতাৰ বিষয়ে মই কি ভাবোঁ সেই কথা পাঠকসকলে জানি লওক।

এইবোৰ কথা ভাবি-চিন্তিয়েই মই সংকলনটোৰ প্ৰকাশকে বিচৰা বিধৰ পাতনি নিলিখিবলৈ ঠিক কৰিলো।

অসমীয়া ভাষাৰ অন্যান্য কবিতা-সংকলনবোৰৰ পৰা এই সংলনটোৰ এটা বিশেষ পাৰ্থক্যৰ কথা ওপৰত কৈ অহা হৈছে। আৰু এটা পাৰ্থক্যৰ কথাও বোধ হয় এইখিনিতে উল্লেখ কৰিব পাৰি। অসমীয়া ভাষাৰ প্ৰথম উল্লেখযোগ্য কবিতা-সংকলন 'কাব্য-প্ৰতিভা'ই (সংকলয়িতা— ডিম্বেশ্বৰ নেওগ) ঊনৈশ শতিকাৰ পৰা আৰম্ভ কৰি কুৰি শতিকাৰ মাত্ৰ প্ৰথম দশককেইটাৰ কবিতা সামৰি লৈছিল। যতিনাৰায়ণ শৰ্মাৰ 'আধুনিক অসমীয়া কবিতা'ত ঠাই পাইছিল প্ৰগতিশীল বুলি চিহ্নিত হোৱা ত্ৰিশ আৰু চল্লিশ দশকৰ বিশেষ এক শ্ৰেণীৰ কবিতাই। মহেন্দ্ৰ বৰাৰ 'নতুন কবিতা'ৰ নামটোৱেই কয় যে তেওঁৰ সংকলনটোৰ প্ৰধান উদ্দেশ্য আছিল যুদ্ধোত্তৰ যুগত আৰু বিশেষকৈ পঞ্চাশৰ দশকত আত্ম-প্ৰকাশ কৰি প্ৰতিষ্ঠা লাভ কৰা নতুন কবিসকলৰ লগত পাঠকক চিনাকি কৰি দিয়া। পাঠ্য-পুথি হিছাপে যুগুতোৱা 'কাব্য-প্ৰভা' আৰু 'কবিতা-কুঞ্জ' আদি সংকলনবোৰৰ উদ্দেশ্য স্বাভাৱিকতেই সীমাৱদ্ধ। মহেশ্বৰ নেওগৰ 'সঞ্চয়নে' প্ৰায় ছশ বছৰৰ অসমীয়া কবিতা সামৰি লৈছে— যাৰ ফলত আধুনিক যুগৰ কবিতাৰ মাত্ৰ কেতবোৰ প্ৰতিনিধিত্বমূলক চানেকিহে তাত সন্নিবিষ্ট কৰিব পৰা হৈছে। এই ফালৰ পৰা চাবলৈ গ'লে আধুনিক অসমীয়া কবিতাৰ একমাত্ৰ সাৰ্থক আৰু প্ৰতিনিধিত্বমূলক সংকলন হ'ল অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত আৰু নীলমণি ফুকনৰ দ্বাৰা সংকলিত 'কুৰি শতিকাৰ অসমীয়া কবিতা'। কিন্তু আলোচ্য কবিতা-সংকলনৰ নামটোৱেই কয় যে 'কুৰি শতিকাৰ অসমীয়া কবিতা'তকৈ এই সংকলনটোৰ পৰিসৰ বেছি ব্যাপক। অসমীয়া কবিতাৰ আধুনিক যুগৰ সূচনা কৰিছিল ১৮৮৯ খৃষ্টাব্দত আত্ম-প্ৰকাশ কৰা 'জোনাকী'ৰ প্ৰথম সংখ্যাতে প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতাটোৱে। ১৯৮৯ চনত আধুনিক অসমীয়া কবিতাৰ এশ বছৰ পূৰ্ণ হ'ল। এই এশ বছৰৰ বাছক-বনীয়া কবিতা চয়ন কৰি যুগুতোৱা হৈছে 'এশ বছৰৰ অসমীয়া কবিতা'।

'গ'ল্ডেন ট্ৰেজাৰি'ৰ সংকলয়িতা ফ্ৰান্সিছ টাৰ্নাৰ পলগ্ৰেভে তেওঁৰ বহু-পঠিত সংকলনৰ পাতনিৰ আৰম্ভণিতেই কৈ লোৱাৰ দৰে ময়ো এই কথা কৈ থোৱা উচিত যে এই সংকলনত এনেকুৱা বহুতো কবিতা আছে— যিবোৰ কবিতা পাঠকসকলে অন্যান্য সংকলনত বা কবিসকলৰ ব্যক্তিগত সংকলনত ইতিমধ্যে অনেকবাৰ পঢ়িছে। কিন্তু পলগ্ৰেভৰ ভাষাকে ধাৰ কৰি ময়ো ক'ব খোজো— **the editor will regard as his fittest readers those who love**

**Poetry so well, that he can offer them nothing not already known and valued.**

এই কথা কৈ লৈয়ো মই কিন্তু লগতে এই বুলিও ক'ব খোজোঁ যে এই সংকলনত এনেকুৱা অনেক কবিতা সন্নিবিষ্ট কৰা হৈছে— যিবোৰ কবিতাই স্থানাভাবতেই হওক বা আন যি কোনো কাৰণতেই হওক— অন্যান্য সংকলনত ঠাই পোৱা নাই। বহুতো অবহেলিত কিন্তু প্ৰতিভাবান কবিৰ সাৰ্থক কবিতাক এই সংকলনত ঠাই দি অসমীয়া কবিতাৰ বৈচিত্ৰ্য আৰু সৌন্দৰ্য আৱিস্কাৰ কৰিবলৈ পাঠকক অধিক সুযোগ দিয়া হৈছে। এনে ধৰণৰ সংকলনত প্ৰধান নহ'লেও এটা গুৰুত্বপূৰ্ণ ভূমিকা লয় সংকলয়িতাৰ ব্যক্তিগত ৰুচি আৰু বিচাৰ-বুদ্ধিয়ে। অমুক অমুক কবিতা কিয় বাদ দিয়া হ'ল আৰু অমুক অমুক কবিতাক কিয় ঠাই দিয়া হ'ল— এনে ধৰণৰ প্ৰশ্ন উঠা অস্বাভাৱিক বা অযুক্তিকৰ নহয়। তাৰ উত্তৰত ক'বলৈ এযাৰেই মাত্ৰ কথা আছে। সংকলয়িতাজনক নিৰ্বাচন কৰোতেই এই কথা ধৰি লোৱা হৈছে যে তেওঁৰ কাব্য-ৰুচি আৰু বিচাৰ-বুদ্ধিৰ ওপৰত নিৰ্বাচকসকলৰ আস্থা আছে। তদুপৰি এই কথাও মনত ৰখা দৰকাৰ যে কোনো ব্যক্তিগত প্ৰকাশকে সংকলয়িতাজনক নিৰ্বাচন কৰা নাই ; সেইটো কৰিছে বহু-সদস্য-বিশিষ্ট অসম প্ৰকাশন পৰিষদে। সংকলয়িতাই স্বেচ্ছা-প্ৰণোদিত হৈয়ো এই কষ্ট-সাধ্য কামত হাত দিয়া নাই। গতিকে এই সংকলনৰ কাৰণে কবিতা বাছনি কৰিবলৈ সংকলয়িতাই প্ৰয়োগ কৰা মাপকাঠিৰ লগত কাৰোবাৰ অমত হ'লেও তেওঁ মনে মনে থকাৰ বাহিৰে আন একো কৰিবলগীয়া নাই। কিন্তু যিহেতু এই সংকলনত সন্নিবিষ্ট বেছিভাগ কবিতাই সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে আৰু সুদীৰ্ঘ এটা শতাব্দী ধৰি সেই কবিতাবোৰ ৰসিকজনৰ দ্বাৰা সমাদৃত হৈছে, গতিকে মাত্ৰ কেইটামান কবিতাৰ ক্ষেত্ৰত সংকলযিতাৰ ৰুচি আৰু বিচাৰ-ক্ষমতাৰ লগত কোনো কোনো পাঠকৰ মতৰ অমিল হ'লেও সামগ্ৰিক বিচাৰত আপত্তি বা বিতৰ্কৰ বিশেষ থল নাথাকিব বুলি আশা কৰা হ'ল।

নকওঁ নকওঁ বুলিও পৰিশেষত আৰু এষাৰ কথা ক'বলৈ মন গ'ল। নৰকান্ত বৰুৱাৰ বয়স যেতিয়া ত্ৰিশ হোৱাই নাই আৰু তেওঁৰ সৰ্বশ্ৰেষ্ঠ কবিতাবোৰ তেতিয়াও অলিখিত হৈয়ে আছে সেই সময়তে যৌৱনসুলভ দুঃসাহস আৰু আবেগাতিশয্যৰ বশবৰ্তী হৈ মই তেওঁক কৈছিলো যে মই তেওঁক অসমীয়া ভাষাৰ দহজন সৰ্বশ্ৰেষ্ঠ কবিৰ এজন বুলি ভাবোঁ। এইটো বোধ হয় ১৯৫৫ চনৰ কথা। ইয়াৰ প্ৰায় দুকুৰি বছৰৰ মূৰত অলপতে নৰকান্ত বৰুৱাক কিবা কামত লগ পাওঁতে কথা-প্ৰসংগত মই তেওঁক ক'লো যে তেওঁ সঁচাকৈয়ে নিজকে অসমীয়া

ভাষাৰ দহজন সৰ্বশ্ৰেষ্ঠ কবিৰ এজন বুলি প্ৰমাণ কৰিলে। অৰ্থাৎ মোৰ ভৱিষ্যদ্বাণী সঁচা বুলি প্ৰমাণিত হ'ল।

নৰকান্ত বৰুৱা যদি সৰ্বশ্ৰেষ্ঠ দহজন কবিৰ এজন, তেন্তে বাকী নজননো কোন ?

নৰকান্ত বৰুৱাই মোক এই প্ৰশ্ন সোধা নাই। আন কোনেও সোধা নাই। কিন্তু যোৱা বহুদিন ধৰি এশ বছৰৰ অসমীয়া কবিতাৰ মাজত ডুব গৈ থাকি মোৰ নিজকে সুধিবলৈ মন গৈছে— অসমীয়া কবিতাৰ আটাইতকৈ গৌৰৱময় এই শতাব্দীটোৰ দহজন সৰ্বশ্ৰেষ্ঠ কবি কোন ?

মোৰ মতে সেই দহজন কবি হ'ল— চন্দ্ৰকুমাৰ আগৰৱালা, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা. দেৱকান্ত বৰুৱা, ৰত্নকান্ত বৰকাকতী, নৰকান্ত বৰুৱা, অজিৎ বৰুৱা, নীলমণি ফুকন আৰু হীৰেন ভট্টাচাৰ্য।

সাহিত্যৰ অন্যান্য বহু শাখাত অসমীয়া সাহিত্য দুখীয়া হ'লেও বিশেষকৈ চুটি গল্প আৰু কবিতাৰ ক্ষেত্ৰত ই চহকী বুলি কোৱা হয়। অসম প্ৰকাশন পৰিষদৰ হৈ মই ইয়াৰ আগতে দুটা খণ্ডত অসমীয়া চুটি গল্পৰ সংকলন আৰু সম্পাদনা কৰিছিলো। এইবাৰ কবিতাৰ সংকলন আৰু সম্পাদনাৰ দায়িত্ব পালো। দুয়োটা কাম কৰি মই বিমল আনন্দ লাভ কৰিছো আৰু মোক এই সুযোগ দিয়াৰ কাৰণে অসম প্ৰকাশন পৰিষদক আন্তৰিক ধন্যবাদ জনাইছো।

**হোমেন বৰগোহাঞি**

# কবিতা-সূচী


**জীৱনৰ ৰহস্য ঃ** ১—৮২

| | | |
|---|---|---|
| ঈশ্বৰ আৰু ভকত | লক্ষ্মীনাথ বেজবৰুৱা | ৩ |
| সৌন্দৰ্য | চন্দ্ৰকুমাৰ আগৰৱালা | ৪ |
| অন্তৰ সোঁত | চন্দ্ৰকুমাৰ আগৰৱালা | ৫ |
| মুনিচুনি বেলি | মফিজুদ্দিন আহমদ হাজৰিকা | ৬ |
| দিন-কণা | মফিজুদ্দিন আহমদ হাজৰিকা | ৮ |
| জীৱন সন্ধিয়া | পদ্মনাথ গোহাঞিবৰুৱা | ১১ |
| ফুলশয্যা | ৰঘুনাথ চৌধাৰী | ১২ |
| লীলা-ৰহস্য | অম্বিকাগিৰী ৰায়চৌধুৰী | ১৪ |
| আত্মদান | অম্বিকাগিৰী ৰায়চৌধুৰী | ১৫ |
| উদাস প্ৰশ্ন | অম্বিকাগিৰী ৰায়চৌধুৰী | ১৬ |
| মৰাৰ পিছত | দুৰ্গেশ্বৰ শৰ্মা | ১৭ |
| প্ৰশ্ন | দুৰ্গেশ্বৰ শৰ্মা | ১৮ |
| কিবা যেন নাই নাই | দুৰ্গেশ্বৰ শৰ্মা | ১৯ |
| অতীতক নেযাবা পাহৰি | যতীন্দ্ৰনাথ দুৱৰা | ২০ |
| কোনে মোক দিবহি বুজাই | যতীন্দ্ৰনাথ দুৱৰা | ২২ |
| আশা | যতীন্দ্ৰনাথ দুৱৰা | ২৪ |
| বিশ্বাসৰ সমূলি বিনাশ | যতীন্দ্ৰনাথ দুৱৰা | ২৫ |
| আনন্দ | যতীন্দ্ৰনাথ দুৱৰা | ২৮ |
| জীৱনৰ দান | যতীন্দ্ৰনাথ দুৱৰা | ৩০ |
| ওমৰৰ আক্ষেপ | যতীন্দ্ৰনাথ দুৱৰা | ৩১ |
| সাগৰ-সংগীত | ধৰ্মেশ্বৰী দেৱী বৰুৱাণী | ৩৪ |
| তোমালৈ | ভগৱতীপ্ৰসাদ বৰুৱা | ৩৫ |
| সৃষ্টি-পাতনি | সূৰ্যকুমাৰ ভূঞা | ৩৭ |
| উতলা | সূৰ্যকুমাৰ ভূঞা | ৩৯ |
| মিলন | ৰত্নকান্ত বৰকাকতী | ৪১ |
| অনুসন্ধান | ৰত্নকান্ত বৰকাকতী | ৪৩ |

| | | |
|---|---|---|
| শুকতৰা | ৰত্নকান্ত বৰকাকতী | ৪৪ |
| উন্মনা | ৰত্নকান্ত বৰকাকতী | ৪৬ |
| কিয় | ৰত্নকান্ত বৰকাকতী | ৪৭ |
| মৰণ দেৱতা | লক্ষ্মীধৰ শৰ্মা | ৪৮ |
| পৰম তৃষ্ণা | নলিনীবালা দেৱী | ৫০ |
| জীৱন | ডিম্বেশ্বৰ নেওগ | ৫৩ |
| বীণ-বৰাগী | পাৰ্বতিপ্ৰসাদ বৰুৱা | ৫৬ |
| আমি দুৱাৰ মুকলি কৰোঁ | দেৱকান্ত বৰুৱা | ৫৮ |
| দেৱদাসী | দেৱকান্ত বৰুৱা | ৬০ |
| তিলোত্তমা | দেৱকান্ত বৰুৱা | ৬২ |
| চকুৰ আঁৰৰ সখি | শশীকান্ত গগৈ | ৬৩ |
| এটা সাপ | হেম বৰুৱা | ৬৫ |
| পখিলাৰ জন্ম | নৱকান্ত বৰুৱা | ৬৭ |
| জয়-পৰাজয় | নৱকান্ত বৰুৱা | ৭০ |
| জাতিস্মৰ | মহেন্দ্ৰ বৰা | ৭১ |
| মাছ | মহিম বৰা | ৭৩ |
| পুখুৰী | মহিম বৰা | ৭৪ |
| পাহাৰৰ কাষেদি | বীৰেশ্বৰ বৰুৱা | ৭৫ |
| জানো যে এদিন | বীৰেশ্বৰ বৰুৱা | ৭৬ |
| ইয়াৰ পৰা কিমান দূৰ | নীলমণি ফুকন | ৭৭ |
| বাট | হীৰেন্দ্ৰনাথ দত্ত | ৭৮ |
| সোণালী জাহাজ | ভবেন বৰুৱা | ৮০ |
| এনদ্ৰমিডাত জিব্ৰাঈল | চৈয়দ আব্দুল হালিম | ৮১ |

**জীৱনৰ সাধনা ঃ** ৮৩—১৮৫

| | | |
|---|---|---|
| অজেয় | চন্দ্ৰকুমাৰ আগৰৱালা | ৮৫ |
| কৰ্মদেৱ | চন্দ্ৰকুমাৰ আগৰৱালা | ৮৬ |
| বীণ-বৰাগী | চন্দ্ৰকুমাৰ আগৰৱালা | ৮৭ |
| কবিৰ প্ৰাৰ্থনা | ভোলানাথ দাস | ৯০ |
| গুহাত গদাপাণি | পদ্মনাথ গোহাঞিবৰুৱা | ৯২ |
| অকলে লগত | পদ্মনাথ গোহাঞিবৰুৱা | ৯৫ |

| | | |
|---|---|---|
| নৱবৰ্ষ | আনন্দচন্দ্ৰ আগৰৱালা | ৯৬ |
| স্বদেশৰ স্বাধীনতা | হিতেশ্বৰ বৰবৰুৱা | ৯৯ |
| কবি | হিতেশ্বৰ বৰবৰুৱা | ১০০ |
| মৰুভূমি | ৰঘুনাথ চৌধাৰী | ১০১ |
| প্ৰশস্তি | ৰঘুনাথ চৌধাৰী | ১০৪ |
| মানৱ-দেৱতা | ৰঘুনাথ চৌধাৰী | ১০৫ |
| দান | ৰঘুনাথ চৌধাৰী | ১০৬ |
| ই যে অগ্নি-বীণাৰ তান | অম্বিকাগিৰী ৰায়চৌধুৰী | ১০৭ |
| পৰিচয় | দুৰ্গেশ্বৰ শৰ্মা | ১০৮ |
| নিৰ্ভৰ | দুৰ্গেশ্বৰ শৰ্মা | ১০৯ |
| হোমৰ কাষত | শৈলধৰ ৰাজখোৱা | ১১১ |
| আপোন সুৰ | সূৰ্যকুমাৰ ভূঞা | ১১৪ |
| চিৰচেনেহী মোৰ ভাষা জননী | মিত্ৰদেৱ মহন্ত | ১১৭ |
| মহাত্মা | ৰত্নকান্ত বৰকাকতী | ১১৮ |
| সাৰথি | নলিনীবালা দেৱী | ১১৯ |
| নৱাগত | প্ৰসন্নলাল চৌধুৰী | ১২০ |
| পছোৱাৰ ডাক | প্ৰসন্নলাল চৌধুৰী | ১২৪ |
| আহে মানুহৰ দল | প্ৰসন্নলাল চৌধুৰী | ১২৭ |
| পুৰণি পুতলা | মহেন্দ্ৰনাথ ডেকাফুকন | ১৩০ |
| সৌ আকাশত নীহাৰিকা উৰে | জ্যোতিপ্ৰসাদ আগৰৱালা | ১৩৪ |
| অসমীয়া ডেকাৰ উক্তি | জ্যোতিপ্ৰসাদ আগৰৱালা | ১৩৫ |
| মৰণ নিৰ্মালি | পাৰ্বতিপ্ৰসাদ বৰুৱা | ১৪০ |
| গ্ৰন্থ-পৰিচয় | কমলেশ্বৰ চলিহা | ১৪২ |
| চিৰন্তনী | কমলেশ্বৰ চলিহা | ১৪৩ |
| নেপোলিয়ন আৰু গেঁটে | কমলেশ্বৰ চলিহা | ১৪৪ |
| দেৱদাসী | অতুলচন্দ্ৰ হাজৰিকা | ১৪৬ |
| জীৱন | মহেশ্বৰ নেওগ | ১৪৯ |
| কবিতা | মহেশ্বৰ নেওগ | ১৫০ |
| আক্ষেপ | চৈয়দ আব্দুল মালিক | ১৫২ |
| মুক্তিত নিস্পৃহ যিটো | অজিৎ বৰুৱা | ১৫৭ |
| জনতা | বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য | ১৫৮ |

| | | |
|---|---|---|
| বল্মীক | নৰকান্ত বৰুৱা | ১৬০ |
| পলস | নৰকান্ত বৰুৱা | ১৬২ |
| অন্নপ্ৰাশন | নৰকান্ত বৰুৱা | ১৬৩ |
| স্মৃতি | হোমেন বৰগোহাঞি | ১৬৪ |
| পথাৰ | ৰাম গগৈ | ১৬৫ |
| ফুলৰ নৰজন্ম | লক্ষহীৰা দাস | ১৬৭ |
| আন্তৰ্জাতিক | হীৰেন ভট্টাচাৰ্য | ১৬৮ |
| নীল-নক্ষত্ৰ | হীৰেন ভট্টাচাৰ্য | ১৬৯ |
| মুখ-আন্ধাৰিত আৰু হাড়-কঁপোৱা জোনাকত | নীলমণি ফুকন | ১৭০ |
| সমুদ্ৰ-ভীতি | হৰেকৃষ্ণ ডেকা | ১৭২ |
| এটা কবিতা | আনিছ উজ জামান | ১৭৪ |
| কবিতা | তোষপ্ৰভা কলিতা | ১৭৬ |
| মই মানুহৰ অমল উৎসৰ | সনন্ত তাঁতি | ১৭৯ |
| ৰ'দৰ আত্মজ | সনন্ত তাঁতি | ১৮১ |
| বাঁহী | ৰফিকুল হোচেইন | ১৮২ |
| জ্যোতিপ্ৰসাদ | চিৰঞ্জীৱ জৈন | ১৮৪ |
| গীতা পাঠ/১ | বিপুলজ্যোতি শইকীয়া | ১৮৫ |

**জীৱনৰ কাহিনী ঃ** ১৮৭—২২০

| | | |
|---|---|---|
| শেষৰ কবিতা | চন্দ্ৰ ফুকন | ১৮৯ |
| মমতাৰ চিঠি | হেম বৰুৱা | ১৯২ |
| সন্ধ্যাৰ চিলঙ | নৰকান্ত বৰুৱা | ১৯৫ |
| ইয়াত নদী আছিল | নৰকান্ত বৰুৱা | ১৯৬ |
| সোণজিৰা মাহীৰ নাড়ী | কেশৱ মহন্ত | ১৯৮ |
| সন্ধিয়াৰ ধোঁৱা | হৰি বৰকাকতি | ২০৩ |
| লিলিৰ আবেলি | বীৰেশ্বৰ বৰুৱা | ২০৬ |
| শুৱনি আমাৰ গাঁওখন অতি (১) | অজিৎ বৰুৱা | ২০৭ |
| শুৱনি আমাৰ গাঁওখন অতি (২) | অজিৎ বৰুৱা | ২০৮ |
| ধান কটাৰ পৰ | হীৰেন ভট্টাচাৰ্য | ২০৯ |
| দৃশ্যান্তৰ | হৰেকৃষ্ণ ডেকা | ২১০ |

| | | |
|---|---|---|
| ৰেল ষ্টেছনলৈ | হৰেকৃষ্ণ ডেকা | ২১২ |
| বয়স | কবীন ফুকন | ২১৪ |
| গুৱাহাটী | কিশোৰ ভট্টাচাৰ্য ✓ | ২১৫ |
| অৰ্ধপৰিণত বৰ্তমান | কিশোৰ ভট্টাচাৰ্য | ২১৮ |
| **প্ৰকৃতিৰ ৰহস্য ঃ** | | **২২১—২৮৬** |
| মালতী | লক্ষ্মীনাথ বেজবৰুৱা | ২২৩ |
| ভ্ৰম | লক্ষ্মীনাথ বেজবৰুৱা | ২২৪ |
| বসন্ত | লক্ষ্মীনাথ বেজবৰুৱা | ২২৬ |
| বিহুৱান | লক্ষ্মীনাথ বেজবৰুৱা | ২২৭ |
| বলে নোৱৰা সুদৰ্শন | লক্ষ্মীনাথ বেজবৰুৱা | ২২৮ |
| জলকুঁৱৰী | চন্দ্ৰকুমাৰ আগৰৱালা | ২৩০ |
| বনকুঁৱৰী | চন্দ্ৰকুমাৰ আগৰবালা | ২৩৪ |
| প্ৰকৃতি | চন্দ্ৰকুমাৰ আগৰৱালা | ২৩৮ |
| নিযৰ | চন্দ্ৰকুমাৰ আগৰৱালা | ২৩৯ |
| পুৱা | হেমচন্দ্ৰ গোস্বামী | ২৪০ |
| বিশ্ব-বীণ | পদ্মনাথ গোহাঞিবৰুৱা | ২৪২ |
| দহিকতৰা | ৰঘুনাথ চৌধাৰী | ২৪৪ |
| পেঁপা | দুৰ্গেশ্বৰ শৰ্মা | ২৫২ |
| কবি-প্ৰিয়া | দুৰ্গেশ্বৰ শৰ্মা | ২৫৩ |
| সাক্ষী | লক্ষ্মীনাথ ফুকন | ২৫৫ |
| আইৰ দৰে শান্ত স্নিগ্ধ | জ্যোতিপ্ৰসাদ আগৰৱালা | ২৫৬ |
| লুইতৰ বুকুতে | পাৰ্বতিপ্ৰসাদ বৰুৱা | ২৫৯ |
| বালিচৰ | অতুলচন্দ্ৰ হাজৰিকা | ২৬০ |
| সোণপাহি | অতুলচন্দ্ৰ হাজৰিকা | ২৬৩ |
| নগাচাঙলই | অতুলচন্দ্ৰ হাজৰিকা | ২৬৪ |
| পোনাহঁতৰ মাক | আনন্দচন্দ্ৰ বৰুৱা | ২৬৮ |
| বাৰিষা | শশীকান্ত গগৈ | ২৬৯ |
| সুমথিৰাটিৰ গোন্ধ উঠিছেনে | মহেশ্বৰ নেওগ | ২৭০ |
| সৃষ্টি ওলোটাৰ কথা | অজিৎ বৰুৱা ✓ | ২৭১ |
| ৰঙা জিঁয়া | মহিম বৰা | ২৭২ |

| | | |
|---|---|---|
| ঋতু | নিৰ্মলপ্ৰভা বৰদলৈ | ২৭৩ |
| বনৰীয়া | হীৰেন্দ্ৰনাথ দত্ত | ২৮১ |
| বিজুলী | জ্ঞানানন্দ শৰ্মা পাঠক | ২৮৩ |
| নদী-বিলাস | বিপুলজ্যোতি শইকীয়া | ২৮৪ |
| নদীয়ে মানুহক | বিপুলজ্যোতি শইকীয়া | ২৮৬ |

**প্ৰেমৰ বিচিত্ৰ আবেগ ঃ** **২৮৭—৩৩০**

| | | |
|---|---|---|
| প্ৰিয়তমাৰ চিঠি | হেমচন্দ্ৰ গোস্বামী | ২৮৯ |
| 'তুমি'ৰ পৰা | অম্বিকাগিৰী ৰায়চৌধুৰী | ২৯০ |
| পূৰ্ণতা | অম্বিকাগিৰী ৰায়চৌধুৰী | ২৯২ |
| পোৱাৰ আভাস | অম্বিকাগিৰী ৰায়চৌধুৰী | ২৯৩ |
| পোনতে | সূৰ্যকুমাৰ ভূঞা | ২৯৪ |
| অমৃত | ৰত্নকান্ত বৰকাকতি | ২৯৬ |
| প্ৰেম | ঘনশ্যাম চলিহা | ২৯৯ |
| পাপৰি | গণেশ চন্দ্ৰ গগৈ | ৩০১ |
| সোণটিহঁতৰ ঘৰ | আনন্দচন্দ্ৰ বৰুৱা | ৩০৪ |
| ভাবী প্ৰিয়া | আনন্দচন্দ্ৰ বৰুৱা | ৩০৫ |
| কবিৰ কামনা | দেৱকান্ত বৰুৱা | ৩০৮ |
| বিষকন্যা | দেৱকান্ত বৰুৱা | ৩১০ |
| বিহু পেঁপা | দেৱকান্ত বৰুৱা | ৩১২ |
| তুমি বিনে | শশীকান্ত গগৈ | ৩১৪ |
| তোমালৈ | অমলেন্দু গুহ | ৩১৫ |
| ৰাৱণ | নৱকান্ত বৰুৱা | ৩১৭ |
| আঘোণৰ কুঁৱলী | কেশৱ মহন্ত | ৩২০ |
| উভতি অহাৰ কথা | মহিম বৰা | ৩২২ |
| হৈমন্তী | হোমেন বৰগোহাঞি | ৩২৩ |
| বিষাদ | হোমেন বৰগোহাঞি | ৩২৫ |
| সংজ্ঞা ঃ প্ৰেমৰ | নিৰ্মলপ্ৰভা বৰদলৈ | ৩২৬ |
| মৈথুন সঙ্গীত | নীলমণি ফুকন | ৩২৭ |
| অৰুণিমা সভাপণ্ডিতৰ | প্ৰবীণা শইকীয়া | ৩২৮ |
| তোমাৰ ফাগুনে মোৰ বহাগক | কবীন ফুকন | ৩৩০ |

**অনির্বচনীয় অভিজ্ঞতা ঃ** ৩৩১—৩৪৮

| | | |
|---|---|---|
| মন-কুঁৰলী সময় | অজিৎ বৰুৱা | ৩৩৩ |
| পাঠকলৈ বিদায় সম্ভাষণ | অজিৎ বৰুৱা | ৩৩৪ |
| নিলগলৈ | মহেন্দ্ৰ বৰা | ৩৩৫ |
| ৰূপৰ টিলিঙাৰ মাত | মহেন্দ্ৰ বৰা | ৩৩৬ |
| কবিৰ সভাত | হীৰেন ভট্টাচাৰ্য | ৩৩৭ |
| জোনাকী মন | হীৰেন ভট্টাচাৰ্য | ৩৩৮ |
| নীলা চিঠি | নিৰ্মলপ্ৰভা বৰদলৈ | ৩৩৯ |
| দৃশ্য | নীলমণি ফুকন | ৩৪০ |
| ওলমি থকা গোলাপী জামুৰ লগন | নীলমণি ফুকন | ৩৪১ |
| দুপৰৰ হাঁহ | ভবেন বৰুৱা | ৩৪২ |
| নীৰৱতা | ভবেন বৰুৱা | ৩৪৩ |
| ভঙা টোপনিৰ স্বৰ | ভবেন বৰুৱা | ৩৪৪ |
| নাজিয়া হাচান | জ্ঞানানন্দ শৰ্মা পাঠক | ৩৪৫ |
| কেতিয়াবা হৃদয়ত | তৰুণ বৰুৱা | ৩৪৬ |
| অন্তৰংগ অনুভৱ | কৰবী ডেকা হাজৰিকা | ৩৪৭ |

**ব্যাখ্যাতীত বিষাদ ঃ** ৩৪৯—৩৫৬

| | | |
|---|---|---|
| তেজীৰ তৃষ্ণা | আনন্দেশ্বৰ শৰ্মা | ৩৫১ |
| ভুৰ বন্ধা ঘাট | হীৰেন ভট্টাচাৰ্য | ৩৫২ |
| মৰ্মান্তিক | নিৰ্মলপ্ৰভা বৰদলৈ | ৩৫৩ |
| হে উদ্ভাৱিত মুহূৰ্ত | নীলমণি ফুকন | ৩৫৪ |
| নীলাভ অনিদ্ৰা এক | ভবেন বৰুৱা | ৩৫৫ |

**অস্তিত্ব-পীড়া ঃ** ৩৫৭—৩৬৮

| | | |
|---|---|---|
| বাদুলি-ওলোমা ৰাতি | অজিৎ বৰুৱা | ৩৫৯ |
| বিকল্প | হোমেন বৰগোহাঞি | ৩৬০ |
| দুঃখময়তা | প্ৰফুল্ল ভূঞা | ৩৬১ |
| কেনে আছো মোক নুসুধিবা | নীলমণি ফুকন | ৩৬২ |

| | | |
|---|---|---|
| কালবেলা | দিনেশ গোস্বামী | ৩৬৪ |
| হত্যাকাণ্ড | দিনেশ গোস্বামী | ৩৬৫ |
| ৩১ ডিছেম্বৰ, ১৯৭২ | হৰেকৃষ্ণ ডেকা | ৩৬৬ |
| ঊষা | হৰেকৃষ্ণ ডেকা | ৩৬৭ |
| দুখৰ দিনৰ কঠিন শব্দবোৰে | ৰবীন্দ্ৰ বৰা | ৩৬৮ |

**বিদ্ৰোহ আৰু প্ৰতিবাদ ঃ** ৩৬৯—৪০৬

| | | |
|---|---|---|
| নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা | হেমাঙ্গ বিশ্বাস | ৩৭১ |
| ওভতনি | হেমাঙ্গ বিশ্বাস | ৩৭৩ |
| বেশ্যা | অমূল্য বৰুৱা | ৩৭৪ |
| অৰণ্যত খঙাল ল'ৰা | নলিনীধৰ ভট্টাচাৰ্য | ৩৭৯ |
| ইস্তাহাৰ | নলিনীধৰ ভট্টাচাৰ্য | ৩৮০ |
| বিষ্ণুৰাভা এতিয়া কিমান ৰাতি | বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য | ৩৮২ |
| প্ৰতিটো ৰাতিপুৱাকেই | বীৰেশ্বৰ বৰুৱা | ৩৮৪ |
| শৰ-সন্ধান | হীৰেন ভট্টাচাৰ্য | ৩৮৫ |
| মোৰ বুকুৰ কামিহাড়েৰেই | ৰাম গগৈ | ৩৮৭ |
| কাঠ মিস্ত্ৰিৰ ঘৰ | ধীৰেন দত্ত | ৩৮৮ |
| ফেউৰা | হীৰেন গোহাঁই | ৩৯০ |
| নৰকত বসন্ত | ৰবীন্দ্ৰ সৰকাৰ | ৩৯২ |
| এজন কবিৰ কবিতা পঢ়ি | ৰবীন্দ্ৰ সৰকাৰ | ৩৯৩ |
| শব্দবোৰৰ নখৰ আঁচোৰ | ৰবীন্দ্ৰ বৰা | ৩৯৪ |
| কবি আৰু কবিতাৰ কাৰণে | অৰনী চক্ৰৱৰ্তী | ৩৯৫ |
| শিকলি | চিৰঞ্জীৱ জৈন | ৩৯৮ |
| তেজেৰে মোৰ | জ্ঞান পূজাৰী | ৩৯৯ |
| তেজস্বীমলা | ৰফিকুল হোচেইন | ৪০০ |
| তোমাৰ ওচৰলৈ যোৱা এই যে তৰুণ কবি | সনন্ত তাঁতি | ৪০২ |
| জোনাক ৰাতি তোমাক খোজ কাঢ়ি যোৱা দেখিছোঁ | সমীৰ তাঁতী | ৪০৪ |
| তোমালোকক মই দেখিছোঁ | সমীৰ তাঁতী | ৪০৬ |

**স্মৃতি আৰু স্বপ্ন ঃ** **৪০৭—৪৮০**


| | | |
|---|---|---|
| ফুলকোঁৱৰ | আনন্দচন্দ্ৰ আগৰৱালা | ৪০৯ |
| বলম | আনন্দচন্দ্ৰ আগৰৱালা | ৪১১ |
| স্মৃতি | চন্দ্ৰধৰ বৰুৱা | ৪১৫ |
| নাৱঁৰীয়া যায় ভটিয়াই | যতীন্দ্ৰনাথ দুৱৰা | ৪১৮ |
| সোণৰ সপোন | শৈলধৰ ৰাজখোৱা | ৪২০ |
| মৰু-প্ৰবাসীৰ আক্ষেপ | শৈলধৰ ৰাজখোৱা | ৪২২ |
| পূৰ্বস্মৃতি | ৰত্নকান্ত বৰকাকতী | ৪২৫ |
| মোৰ গাঁও | ডিম্বেশ্বৰ নেওগ | ৪২৭ |
| বিৰহ | কমলেশ্বৰ চলিহা | ৪৩০ |
| টীয়ক | বিনন্দ চন্দ্ৰ বৰুৱা | ৪৩১ |
| ৰংপুৰ | বিনন্দ চন্দ্ৰ বৰুৱা | ৪৩৬ |
| গড়গাঁও | বিনন্দ চন্দ্ৰ বৰুৱা | ৪৪০ |
| হাফিজ আৰু মই | আনন্দ চন্দ্ৰ বৰুৱা | ৪৪৪ |
| ডিহাৰ স্বপ্ন | আনন্দ চন্দ্ৰ বৰুৱা | ৪৪৫ |
| স্মৃতি | সীতানাথ ব্ৰহ্মচৌধুৰী | ৪৪৬ |
| কলঙ্-পাৰত | দেৱকান্ত বৰুৱা | ৪৪৭ |
| কটন কলেজলৈ | অমলেন্দু গুহ ৮ | ৪৪৯ |
| স্মৃতি | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ৪৫১ |
| এজনী বান্ধবীৰ মৃত্যত | হৰি বৰকাকতি | ৪৫৫ |
| কোনোবা শীতৰ এটা কণা সন্ধিয়াত | হৰি বৰকাকতি | ৪৫৬ |
| চিনাকি গাঁৱৰ বাট | মহেন্দ্ৰ বৰা | ৪৫৮ |
| এইখন চোতালতে | মহেন্দ্ৰ বৰা | ৪৬৪ |
| গৰখীয়া সপোন | হীৰেন্দ্ৰ নাথ দত্ত | ৪৬৭ |
| স্বগতঃ | হীৰেন্দ্ৰ নাথ দত্ত | ৪৬৯ |
| আঘোণ | হীৰেন্দ্ৰ নাথ দত্ত | ৪৭১ |
| চিনাকি গাঁৱৰ বাটে | বীৰেন বৰকটকী | ৪৭৩ |
| অকস্মাৎ | নীলিমা দত্ত | ৪৭৮ |
| মন দিয়া নদী | অজিৎ বৰুৱা | ৪৭৯ |

**দেশপ্ৰেম ঃ** **৪৮১—৫০৪**

| | | |
|---|---|---|
| অসম অসম সোণৰ অসম | মিত্ৰদেৱ মহন্ত | ৪৮৩ |
| অসম গৌৰৱ | পদ্মধৰ চলিহা | ৪৮৫ |
| ব্ৰহ্মপুত্ৰৰ প্ৰতি | লক্ষ্মীনাথ ফুকন | ৪৮৭ |
| জন্মভূমি | নলিনীবালা দেৱী | ৪৮৯ |
| জন্মভূমি | বিনন্দ চন্দ্ৰ বৰুৱা | ৪৯১ |
| লাচিত ফুকন | দেৱকান্ত বৰুৱা | ৪৯৪ |
| স্বয়ংবৰা | অমলেন্দু গুহ | ৪৯৭ |
| মোৰ আইতা | হোমেন বৰগোহাঞি | ৫০২ |

**সহজ সুখৰ সুধা ঃ** **৫০৫—৫২১**

| | | |
|---|---|---|
| আমাৰ গাঁও | আনন্দচন্দ্ৰ আগৰৱালা | ৫০৭ |
| সন্ধিয়া | সিংহদত্ত দেৱ অধিকাৰী | ৫০৮ |
| বিহুৱান | ডিম্বেশ্বৰ নেওগ | ৫০৯ |
| ভৱানীৰ আলুপিটিকা | মহেশ্বৰ নেওগ | ৫১১ |
| মোৰ স্বৰ্গ | চৈয়দ আব্দুল মালিক | ৫১৩ |
| বোধিদ্ৰুমৰ খৰি | নৱকান্ত বৰুৱা | ৫১৭ |
| স্বনিমন্ত্ৰিত | নৱকান্ত বৰুৱা | ৫১৯ |
| কুঠৰী (১) | চন্দ্ৰ ফুকন | ৫২০ |
| উপহাৰ | লক্ষহীৰা দাস | ৫২১ |

**বৰ্ণানুক্ৰমে কবিসকলৰ নাম আৰু কবিতা থকা পৃষ্ঠা-সংখ্যা ৫২২**

# জীৱনৰ ৰহস্য



আহিছো বৰাগী এন্ধাৰ বাটত জীৱনৰ জোঁৰ লৈ
চিৰ-অভেদ্য মহা-ৰহস্য সমুখত আছে ৰৈ।
দূৰণিৰ সৌ ক'লা যৱনিকা,
তাৰ সিপাৰত আছে কিনো লিখা
কোনে জানে তাৰ সন্ধান, আজি কোনে মোক দিব কৈ ?
আহিছো বৰাগী এন্ধাৰ বাটত জীৱনৰ জোঁৰ লৈ।

**পাৰ্বতিপ্ৰসাদ বৰুৱা**

১

# ঈশ্বৰ আৰু ভকত

বৈকুণ্ঠৰে পৰা হৰিয়ে সুধিলে—
"কোন কোন আহিবৰ হ'ল ?"
নাম-লোৱা ভকতে সাদৰি বুলিলে—
"নামতে গৈ আছো তল।"

বৈকুণ্ঠৰে পৰা গোসাঁয়ে মাতিলে—
"আহাঁ হে ভকতসকল !"
নাম-লোৱা ভকতে লাহেঁকৈ বুলিলে—
"ভকতিত পাই লওঁহক বল।'

প্ৰভুৱে মাতিলে, "বাপু মোৰ ভকতহে
প্ৰসাদ লববে হ'ল।"
ভকতে বুলিলে "প্ৰভু বাসুদেউ !
নামতে ভোক-পিয়াহ গ'ল।"

নাৰদক মাতিলে, উদ্ধৱক মাতিলে,
বিদুৰক প্ৰভু মাতিছে,
নাৰদে বিদুৰে উদ্ধৱে বুলিলে—
"যাম প্ৰসঙ্গৰ পিছে।"

"মৰতত ভকত, বৈকুণ্ঠত মুকুত,
লৰি আঁতেসকল আহাঁ।"
"নেযাৱেঁ নেযাৱেঁ প্ৰভু মোৰ গোৱিন্দাই !
মুকুতিৰ নকৰো বেহা।"

"নাহাহে যদি, মই যাবকেই লাগিল,
লগলৈ তোমালোকৰ,
ভকতক এৰি থাকিব নোৱাৰোঁ,
পলকেই একো বছৰ।"

**লক্ষ্মীনাথ বেজবৰুৱা**

২

# সৌন্দৰ্য

কি মোহনী মাৰি মোৰ ভুলালি হৃদয়
ভাঙিলি ব্ৰতৰ বান্ধ দুৰ্বল প্ৰাণৰ,
ক'ত ক'ৰবাত— এফেৰি ৰূপৰ কান্তি
—অজ্ঞানে সজ্ঞানে সেয়ে ধ্যান জ্ঞান মোৰ।

ভুমুকি মাৰোঁগৈ যতো নাই অধিকাৰ
উন্মত্তৰ দৰে ফুৰোঁ ঘৰত পৰত,
প্ৰাণৰ আকাঙ্ক্ষা মোৰ হ'ল বহুমুখী,
কৰ্তব্যৰ ঋণ দেখো নপৰে মনত।

ফুৰিছোঁ যাত্ৰীৰ বেশে স্বদেশ-বিদেশ
সৌন্দৰ্য আভাস যতে পাওঁ একণিকা,
সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় অন্তে মোৰ কাল-যৱনিকা।

**চন্দ্ৰকুমাৰ আগৰৱালা**

৩

# অন্তৰ সোঁত

কোন কাহানিৰ কথা, মৰণৰ পাৰে
জীৱনে মেলিলে শাখা,
নিতৌ এপাহি মেলে, অৰুণ কিৰণে
পিন্ধায় ধুনীয়া আশা।
নিতৌ এপাহি সৰে, কৰুণ নিযৰে তিতে,
সোঁতে নিয়ে দূৰ দেশ,
নিতৌ পখীটি আহি শুনায় প্ৰাণৰ কথা
উৰি যায দিন শেষ
ফুটে কি নুফুটে ফুল, সৰে কি নসৰে
—তলে সোঁত অবিৰাম চলিছে সৰ্বতিকাল

চন্দ্ৰকুমাৰ আগৰৱালা

৪

# মুনিচুনি বেলি

গধূলি হইছে মলয়া বইছে
বেলিটি গইছে বুৰি ;
সোণালী বৰণে পৰি হাবি-বনে
চমকে পৃথিৱী জুৰি।

ৰঙালী ছবিটি বুকুৰে সাবটি
নাচিছে ডিবৰু নই
জপনা জাপিছে ৰখীয়া চাপিছে
দমৰা-দামুৰি লই।

চৰাই- চিৰ্কটি আহিছে উলটি
আপোন বাহলৈ উৰি,
হলোৱা- হজুৱা কানীয়া ভঙুৱা
টোকোৰা পঁজালৈ ঘূৰি।

আমোলা মহৰী অফিচ সামৰি
বজাৰ-বেহানি লই,
ঘৰলৈ উভতি আহিছে বাবুটি
বিতত বিচূৰ্তি হই।

সন্ধিয়া নামিছে মেলানি মাগিছে
দিনেও ৰাতিলৈ চাই,
ৰ'দালি নুমালে ৰান্ধনী সোমালে
ল'ৰায়ো পাতিছে হাই।

পোহৰো বুৰিছে আখাটি জ্বলিছে
বোৱাৰী জীয়ৰীহঁতে,
কুটনি বাছনি লাচনি পাঁচনি
কৰিছে আপোনা মতে।

ল'ৰাই ধৰিছে আমনি কৰিছে
থিতাতে লাগে ঔ ভাত,
এনেকৈ থকাতে একেটি ঢকা
মাকেও কৰিছে সাঁত।

সকলো ঘৰতে এইটি পৰতে
জ্বলিছে অলেখ চাকি,
অজলা চগাই পীৰিতি লগাই
দিছেহি জীৱটি বাকি।

যেতেকে পৰিছে তেতেকে চৰিছে
নুশুনি নামানি হাক,
পদূলি পদূলি খেলিছে গধূলি
ল'ৰা-ছোৱালীৰ জাক।

ঝি-ই-ই বুলিয়ে গাইছে ঝিলিয়ে
প্ৰভুৰে মহিমা গীত,
একান্ত মনেৰে অনন্ত জনৰে
বিচাৰি আপোনা হিত।

**মফিজুদ্দিন আহমদ হাজৰিকা**

৫

# দিন-কণা

হেৰা, হেৰা, হাটকৰা মৰমৰ ভাইহঁত,
নেৰিবা, নেৰিবা মোক এই মায়া বজাৰত।
দুহাত যুৰিছো মই কাবউ-কাকুতি কৰি ;
অকলে নেৰিবা মোক আলাই-আথানি কৰি।

তোমালোকো যোৱাগই, মোক হেৰা লই যোৱা
দুখীয়া নিচলা বুলি এফেৰি উভতি চোৱা।
হাতৰ লাখুটি ই যে, মেলি দিছো, হেৰা ভাই,
ধৰা, ধৰি কোনোমতে নিয়া মোকো আগুৱাই।

কেনিনো যাবগৈ লাগে, চকুৰে নমনো মই ;
খুন্দা ও খুন্দলি খাই, যেনি তেনি পৰোঁগই !
আমাৰ নিচিনা এনে দুখীয়া লেহেৰ দেও
এই বিশ্ব-বজাৰত নাই আৰু ক'তো কেও,
সি দেখি মাতিছো মই, অত যে মিনতি কৰি ;
আহা, আহা, ভাইহঁত, নিয়া মোক বাহু ধৰি
বেছিতো নালাগে মোক, এফেৰি পোহৰ মুঠে ;
তাকে পালে উলাহতে, হিয়া মোৰ নাচি উঠে।

এটুপি চকুৰ লো, এখনি কোমল হিয়া,
এষাৰি 'আয়ে দেহি', আৰু এটি হুমুনিয়া ;
—ইয়াৰ উপৰি আৰু একোকে নেলাগে মোক
ইয়াকে পালেই, মোৰ গুচি যাব যত শোক।
আমনি নকৰো আৰু কাকো ক'তো, হেৰা ভাই,
আহা—আহা— ঘূৰি আহি, নিয়া মোকো আগুৱাই।
আগে আগে তোমালোকে, পিছে পিছেময়ো যাওঁ ;
তথু পোহৰেৰে যেন, এচেৰেঙা ময়ো পাওঁ,
নহ'লে মৰিম মই আলাই-আথানি হই ;
কেনিবাদি এন্ধাৰত খালে বামে পৰি অই।

ওখৰা-মোখৰা বাট তাতে ই এন্ধাৰ ঘোৰ,
তাৰোপৰি দুই কান্ধে, মেটমৰা বোজা মোৰ—
খোজে পতি উজুতিত চুলি আগে গৈছে জীৱ ;
হায় আগে জনা হ'লে, আজি এনে দশা কিয় ?
বজাৰত ভোল গ'লো, লীলা-মলা চাই চাই ;
চাকি, তেল, শলিতা যে নেৰেহালোঁ হায়, হায়,
এতিয়া বুৰিলে বেলি, হ'লেহি আন্ধাৰ ঘোপ ;
লাহে লাহে ভাগিলেহি গৰাকীৰো দল্ দোপ।

অকলে কেনেকৈ যাওঁ কি হ'ব উপায় মোৰ
সাৰথিও নাই, নাই কিম্বা চাকি-বন্তি জোঁৰ।
নিগমে মৰিলো মই, কোন কেনি আছাহক,
উধাৰাহি আজি এই দিনকণা অধমক।

এনেনো খেন্দেলা মোক বিধিয়ে কৰিলে হায়,
উহ্ কি কপাল-পোৰা ভৰিও পিছলি যায়!
খোজে পতি ঘৰামুটি ঘনে ঠেলেঙনি খাওঁ ;
"সহায় সহায়" কৰি ইপিনে সিপিনে চাওঁ ;
নেপাওঁ কেনিও হায়, এখনি সহায়হাত ;
নুশুনো কেনিও হায়, এষাৰি সুৰলা মাত।
যাৰেই গুৰিলৈ যাওঁ ; সেয়ে মুখ ওফোন্দায় ;
চকুহে টেলেকা কৰি, গোঙোৰাকৈ ঘূৰি চায় ;
যেয়ে সেয়ে ছেই ছেই, য'তে ত'তে দূৰ দূৰ ;
যাকে মাতো, সেয়ে মাৰে কিল-ভুকু, লাঠি, গোৰ !
হায় কি কপাল মোৰ, এয়েনে আছিল লেখা !
সাৰথি মাথোন এই— কণাৰ লাখুটিডালি,
তাৰেহে খোপনি পুত, কোনোমতে হালি জালি,
এখুজি দুখুজি কৰি আহিছো, হে ভাইহঁত,
নেঠেলিবা, —নেঠেলিবা, —লোৱা মোক কাষৰত
কাবউ কৰিছো মই, দুখনি ভৰিত পৰি
নিচলা আতুৰ বুলি, নিয়া মোকো ধৰি ধৰি।
খন্তেকলৈ খেনি কৰি, খন্তেকলৈ অপমান,
কিয় ভাই, নাহকতে বিনাশিবা এটি প্ৰাণ ?

এতেকেহে, লগে-ভাগে, নিয়া নিয়া বাহু ধৰি ;
কোনোমতে, ময়ো যাতে যাব পাৰোঁ, মৰি-পৰি।
দেখোঁ— অত কাকুতিতো নাহিলে যে কেও হায়
মানুহৰ পৰা তেন্তে আশা আৰু নাই নাই।
এবে তোমাকেসে খাটোঁ হে প্ৰভু দয়াময়—
আজি মহা বিপদত বিতত বিচূৰ্তি মই ;
কেৰে নেতাৰিলে মোক— নেলাগিলে কাৰো বেথা ;
তুমিয়েহে তৰোৱাহি, ভাঙ্গি এই মহা লেঠা ;
অগতিৰে গতি তুমি, অনাথৰ নাথ শুনো ;
তেন্তে ই বিলাই মোৰ, চাই আছা কেনেকৈনো ?
কণা অধমৰ ফালে, কৃপা-চকু মেলি চাই,
তাৰাহি হে দয়াময়, ৰসাতলে গ'লোঁ হায় !

**মফিজুদ্দিন আহমদ হাজৰিকা**

৬

# জীৱন সন্ধিয়া

সমনীয়া লগৰীয়া, হেৰা 'ৰাজখোৱা' !
আত্মাই আত্মাক শুনে দেহ দুৰ্গ ভেদি ;—
তোমাৰ 'সন্ধিয়া গীত' নিলগত গোৱা,
গোৱাৰ আগেয়ে মই শুনো কেনিবাদি !
মিলিছে তোমাৰ স'তে মোৰো সান্ধ্যগীত,
নাপাই বিচাৰি মনে সিপুৰীয়া থান,
মানৰী চকুৰে চাই,-পিত্-পিত্—
যুক্তিৰ বুজনি মাথোঁ ;—নাই একো আন !
আছো বাৰু দুযো আজি ধৰাতে উমলি,
চেমনীযা কাল ধৰি একে সমলেৰে ;
কাইলই দেহী গুচি যাম কেনি চলি,
নাভাৰিবা, জানিছানে সঁচা প্ৰমাণেৰে ?
যুক্তিৰ ধৰম সাৰ মন-পতিউৰা,—
প্ৰত্যক্ষ প্ৰমাণ তাৰ দিবলই নাই ,
নাপালে সন্ধান সেই পুৰীনো কেনুৱা,
কেনেকৈ বোলোঁ 'ভাল' ? কোৱাঁ মোৰ ভাই !

পদ্মনাথ গোহাঞিবৰুৱা

৭

# ফুল-শয্যা

আৰুনো কিমান দিয়া বেদনাৰ বোজা
হে মোৰ হৃদয় দেৱতা ?
কৰুণ ৰোদন তুলি ভাঙি দিলা কিয়
প্ৰাণৰ নিবিড় নীৰৱতা ?
সন্ধিক্ষণ বিয়লি বেলাত
হিয়া ধ্বনি উঠে কোলাহল ;
আৰু কিয় তিক্ত ব্যথা ৰিক্ত হৃদয়ত
ঢালি দিয়া তীব্ৰ হলাহল ?
কোন কাহানিয়ে তুমি হৰি নিছা মোৰ
প্ৰীতিভৰা প্ৰণয়ৰ লাড়ু,
অন্তৰ্দাহী ৰাৱণৰ চিতা জ্বইকুৰা
কোনদিনা নুমাব নো আৰু ?
আনন্দৰ পূৰ্ণ মাত্ৰ শূন্য আজি মোৰ
কেউপিনে দেখোঁ হাহাকাৰ—
দাবাগ্নিৰ দহনত দেৱদাৰু তৰু
পুৰি ডেই হ'ল ছাৰখাৰ।
মাৰিছিলা শক্তিশেল তাহানি যিপাট
যোৱা নাই সি বিষ জামৰি,
বেদনাৰ যত অস্ত্ৰ কৰিছা প্ৰয়োগ
বুকু পাতি লইছোঁ সামৰি।

হিয়া ভগা বিষাদৰ তিতি অশ্ৰু জলে
পাহৰিছোঁ সংসাৰ মৰম ;
ভাৰাক্ৰান্ত চিত আজি উদ্বেলিত কৰি
কিবা সুখ পালা প্ৰিয়তম ?
মৰহিছে জীৱনৰ দুৰ্লভ মাধুৰী
নোৱাৰিলোঁ আকাঙ্ক্ষা পূৰাব ;
আহিছে প্ৰাণত আজি ক্লান্তি অৱসাদ
দিয়া মোক শান্তিৰে জুৰাব।

যাতনাত নিপীড়িত ওৰে জীৱনত
কঢ়িয়ালোঁ যত আবৰ্জনা,
তোমোৰেই অৱদান বুকুত সাবটি
অন্তিমত লভিম সান্ত্বনা।
জ্বলিছে দূৰত সউ প্ৰলয়ৰ শিখা,
ধৰিছে কি ৰূপ বিতোপন
সেয়ে মোৰ ফুলশয্যা ৰক্তকমলৰ,
লম তাতে অনন্ত শয়ন।

ৰঘুনাথ চৌধাৰী

৮

# লীলা-ৰহস্য

যি ফালেদি ফুল ফুলে মোৰ,
সেইফালেদি চলে তোমাৰ গন্ধ,—
যিখিনিত মোৰ গীত পৰে ওৰ,
তাতেই তোমাৰ জীৱনো হয় বন্ধ।
আকাশ ভৰা উজ্জ্বল আভাখিনি
তোমাৰ মুখত জ্বলে ৰিণি-ৰিণি,—
তাৰ বুকেদি উচ্ছল মোৰ হাঁহি,
আকুল-বিকুল
উগুল-থুগুল,
কাৰফালে যায় ভাহি !

যি বাটেদি বাগৰি পৰে
শত খুন্দা খাই ভগ্ন মোৰ প্ৰাণ
সেই সৰেদি সোৰকি পৰে
তোমাৰ কিবা বিচিত্ৰতৰ দান ;—
কাৰ সিপাৰে কাৰ কি মহোৎসৱ,
ৰাতিয়ে দিনে কিহৰ কলৰৱ,—
মোৰ জীৱনে সেইফালে বাট ধৰি,
মন-প্ৰাণ লৈ
লাচপাচকৈ
যায় নো কিয় লৰি ?

আছে তোমাৰ উগ্ৰ হেঁপাহ
বিপুল, বিশাল, বিৰাট হিয়া ভৰি,
খন্তেকতে হৈ যাব জাহ—
দীন, হীন, ক্ষীণ প্ৰাণটো তাতে পৰি,—
সেইবাবে এই নানান পৰিণাম
ধাৰাসাৰে ঢালি অবিৰাম,
থাকা নানা ৰং-ধেমালি কৰি।

অম্বিকাগিৰী ৰায়চৌধুৰী

৯

# আত্মদান

ক'ৰ পৰানো আচম্বিতে অ' মোৰ তুমি প্রিয়
নিশাৰ সপোন নৌ বুৰোঁতে,
ঊষাৰ আঁচল নৌ উৰোঁতে,
হাঁহি হাঁহি মোৰ দুৱাৰত দিলা আহি থিয়,
অ' মোৰ তুমি প্রিয়।
কোন সৰগৰ সুধাৰ আধাৰ লুটি,
কোন অৰুণৰ উৰণ দোলাত উঠি,
কোন গগনৰ গড় পাৰ হৈ আহি পালা তুমি,
কোন অমৰাত নিশা খপি কিহৰ সুধা চুমি,
আহা ! কি বিমোহন তৃপ্তিৰ তেজ বইছে মুখত ফুটি !
নাইতো আজি মোৰ হৃদয়ত
গোন্ধ, গীতৰ কণা,
কি ৰসনো লবা চেপি
অ' মোৰ উদাৰ-মনা ?
যুগ-যুগান্ত বিৰহ-ভৰা ধুম-ধুপালিত পৰি,
ছিন্ন হৃদয় আছে কেৱল আশা উদি কৰি,—
ইয়াতেই অতৃপ্তি তোমাৰ
পলায় যদি ভাই,
লুপ্ত কৰি লোৱা তাকো
আনতো একো নাই।

অম্বিকাগিৰী ৰায়চৌধুৰী

১০

# উদাস প্ৰশ্ন

সৌ সন্ধ্যা-ৰাণীৰ আঁচল ধৰি—
ৰং-ৰসেৰে বিলাস কৰি,
গাইছে যে গীত নাচি-বাগি
হাঁহি মুখে
ৰক্ত-আভাৰ মন-মোহিনী মোৰ,
তাৰ তেজাল তৰল অঙ্গা ফালি
বৈছে যি ৰূপ হালি-জালি
তাত জানো সি আছে জাগি
মহাসুখে
গোন্ধ-গীতৰ ভিতৰ-বাহিৰ চোৰ ?
এটাক এৰি, আনটো ধৰি,
কোন অজানাক লক্ষ্য কৰি,
কত শত জনম-যুগৰ
ডেওনা চেৰাই
চেকুৰিছে উদাস প্ৰশ্ন মোৰ,—
কোন সুদূৰৰ সীমাৰ শেষত,
কোন অজানাৰ বিশাল দেশত,
চলি যোৱাৰ অবাধ-ভাগৰ
জুৰাই-সথাই
পৰিব তাল চঞ্চলতাৰ ওৰ ?

অম্বিকাগিৰী ৰায়চৌধুৰী

১১

# মৰাৰ পিছত

মৰিলে পামনে দেখা তৰা আকাশৰ,
শস্যেৰে শোভিত বসুন্ধৰা,
বিস্তৃত জগতখনি আকাশে আবৰা
কেউপিনে আনন্দেৰে ভৰা ?
পৃথিৱীৰ গাত গজা কোমল বনত
পৰি থকা কোমল নিয়ৰ,
মৰিলে পাম নে দেখা বায়ুৰ মাজত
গহীন চলন ডাৱৰৰ ?
কাণেৰে শুনিম জানো প্ৰকৃতিত বজা
শান্তিময় মোহিনী সংগীত,
তলত জিলীয়ে গোৱা মধুৰ মাতেৰে
বিভুৰ যশস্যা পৃথিৱীত ?
মৰিলে কাণত যদি একোকে নেবাজে,
একো ছয়া নপৰে বুকুতো
হৃদযৰ ভাব তাপ সিও যদি যায,
সুখ তেন্তে নাই মৰণতো।

দুৰ্গেশ্বৰ শৰ্মা

১২

# প্ৰশ্ন

হাঁহি থকা মুখখনি আৰু নেদেখিলোঁ
মাৰ গ'ল সাৰ পাওঁতেই,
চাত কৰে আঁতৰিল— ভাৱনাৰ মুখা
ভাগি গ'ল চাই থাকোঁতেই।

সাৰ পাই হেৰুৱালো স্বপ্নৰ ছবিটি
সাৰ পোৱা অতি নিদাৰুণ
অনিশ্চিত এৰি তেও নিশ্চিতকে পালোঁ,
মানি ললোঁ সেয়ে এটি গুণ।

মৰণ তুমিও জানো অনিশ্চিতত এৰি
দিবা কিবা নিশ্চিত জীৱন ?
বুজিব নোৱাৰি এই প্ৰশ্নৰ উত্তৰ
খুদুৰনি লাগে মোৰ মন।

**দুৰ্গেশ্বৰ শৰ্মা**

১৩

# কিবা যেন নাই নাই

সন্ধিয়াৰ চাকি শাৰী,
পুখুৰী-পানীত পৰি
দীঘলীয়া,—নাচিছে।
আকাশৰ ভোটা তৰা,
পৰিষদে বেৰি ধৰা
জিলিকিব লাগিছে।
দীঘল দ'লটি গ'ই,
লাহে লাহে সৰু হ'ই
আকাশত মিলিছে।
দুখ-শোক আঁতৰাই,
মন-প্ৰাণ নচুৱাই,
জুৰ বায়ু বলিছে।
ইয়াতে সদায় দেখা
দেখিলে মনত থকা
আহিলেই লগ পায়—
মনে মনে ভাল পোৱা
ভাবিলে কেনিবা যোৱা,
কিবা যেন নাই নাই।

দুৰ্গেশ্বৰ শৰ্মা

১৪

# অতীতক নেযাবা পাহৰি

চেনেহৰ সখা মোৰ শেষ অনুৰোধ
অতীতক নেযাবা পাহৰি,
সমাপি জীৱন খেলা বসুধা বুকুত
যাম গই যিদিনা আঁতৰি,
অতীতক নেযাবা পাহৰি ॥

সুখে দুখে জীৱনৰ ফুৰে পাছে পাছে
অতীতৰ মধুৰ সপোন,
নিমিষতে বিষাদত ধৰিছে আগত
এৰি অহা প্ৰেমৰ দাপোণ,
অতীতৰ মধুৰ সপোন ॥

কঁপি থকা ওঁঠ দুটি নোৱাৰে ফুটাব
যাওঁ বোলা বিদায়ৰ বাণী
দুগালে বাগৰি যায় চকুলো দুধাৰি
মাগো মাথোঁ শেষৰ মেলানি,
যাওঁ বোলা বিদায়ৰ বাণী ॥

বিষাদ-ডাৱৰে ঢাকে জীৱন-আকাশ
পোহৰৰ লেশ মাথোঁ নাই,
এখুজি দুখুজি কৰি ধীৰে ধীৰে দেহি
বাটৰুৱা যায় আগুৱাই,
পোহৰৰ লেশ মাথোঁ নাই ॥

আন্ধাৰ-মুন্ধাৰ বাট নমনি একোকে
সমুখত স্মৃতিৰ শ্মশান,
কতনো প্ৰেমৰ ছবি লই গই তাতে
তোলে এটি সকৰুণ তান,
সমুখত স্মৃতিৰ শ্মশান ॥

তাৰ মাজেদিয়ে যায় বাটৰুৰা মোৰ
সুখৰ দুখৰ গান শুনি,
আশা নিৰাশাৰ ৰেখ বুকুৰ মাজত
আঁকি লই অকলে আপুনি,
সুখৰ দুখৰ গান শুনি ।।

শুকুলা পাখিৰে সৌ নাওখনি বাই
নাৰৰীয়া আছে বাট চাই,
উঠিম যেতিয়া মই নাৰৰ বুকুত
নাও মেলি যাব ভটীয়াই
নাৰৰীয়া আছে বাট চাই ।।

দূৰত গৰজে শুনা অনন্ত সাগৰ
পৰ্বত সমান ঢৌ তুলি,
বাহু তোলা মৰণৰ শেষ আলিঙ্গনে
চিন-চাব নেৰাখে সমূলি,
পৰ্বত সমান ঢৌ তুলি ।।

অনাদৰ-অবহেলা যত জগতৰ
সুখ-দুখ সকলো পাহৰি,
সকলোকে অন্তৰৰ প্ৰণাম জনাই
নাও মেলি আহিলো আঁতৰি,
সুখ-দুখ সকলো পাহৰি ।।

সন্ধিয়াৰ আকাশৰ সৰু তৰাটিৰ
সাদৰৰ শেষ আৰাহন,
সেউজীয়া প্ৰকৃতিৰ কোমল কোলাত
খেলা মোৰ হ'ল সমাপন,
সাদৰৰ শেষ আৰাহন ।।

নাও মেলি আহিলোঁ আঁতৰি,
অতীতক নেযাবা পাহৰি ।।

যতীন্দ্ৰনাথ দুৱৰা

১৫

# কোনে মোক দিবহি বুজাই

(১)

সাগৰৰ সিপাৰৰ সোণোৱালী ৰেখা
লাহে লাহে জিলিকি পৰিছে ;
অলেখ বাসনা কত প্ৰাণৰ মাজত
ধীৰে ধীৰে ভুমুকি মাৰিছে।

(২)

অথিৰ অধীৰ হিয়া চাই হেঁপাহেৰে
কিনো আছে ভবিষ্যৎ পটত
আশাৰ প্ৰতিমাখনি অন্ধ আবৰণে
কিয় হায় ৰাখে গুপুতত ?

(৩)

আঁঠু কাঢ়ি সৰগক সুধিলোঁ কাতৰে
কিয় প্ৰভু এনুৱা বিধান ?
"অসীম ৰহস্যময় সৃষ্টিৰ কৌশল"
—পালো মাথোঁ এয়ে সমিধান।

(৪)

তেন্তে কিয় ভবিষ্যত আশা কৰি নৰে
সুখে-দুখে পাতিছে সংসাৰ ?
নতুন উছাহে কিয় ধীৰে আগুৱাই
সন্মুখত দেখিও আন্ধাৰ ?

(৫)

বুজিও নুবুজি কিয় অবুজ মানৱে
আশাতেই আছে ভোল গই ?
নুপূৰিলে আশা আজি ভাবিছে দুনাই
কালিলই পূৰিব নিশ্চয়।

(৬)

এইদৰে কত কালি আজিও পৰিছে
সহে কত আশাৰ ছলনা ;
তথাপি উঠিছে কিয় জগত মাজত
নিতে নিতে নতুন কল্পনা ?

(৭)

সকলো ৰহস্যময় আন্ধাৰ বুকুত,
জানিবৰ নেদেখো উপায
অদ্ভূত বিধিৰ লীলা নোৱাৰি ধৰিব
—কোনে মোক দিবহি বুজাই ?

যতীন্দ্ৰনাথ দুৱৰা

১৬

# আশা

মোৰ চিৰ জনমৰ চিৰ চেনেহৰ
যত অপূৰণ আশা
হয়তো কাৰোবাৰ মধু পৰশত
পাব কেতিয়াবা ভাষা।

দেৱৰ আশিষ হয়তো নামিব
ফুলাব শুকোৱা কলি
মাথোঁ মই যাম কেনিবা আঁতৰি
হ'ম ধৰণীৰ ধূলি।

**যতীন্দ্ৰনাথ দুৱৰা**

১৭

# বিশ্বাসৰ সমূলি বিনাশ

(১)

শূন্য মন শূন্য প্ৰাণ হায় কি কঠোৰ
এযেনে কি শ্ৰেষ্ঠ উপহাৰ ?
নেলাগে কিৰণকণা থক নিলগতে
অভাগাৰ জীৱন আন্ধাৰ
ভাবিছিলো সেইদিনা নতুন পুৱাত
বসন্তৰ মধুৰ কিৰণ
কুসুম সুবাসে ৰ'ব প্ৰাণ ভৰপূৰ
ব'ব ধীৰে মৃদু সমীৰণ
কোনে ভাবিছিল হায় লুকাব পোহৰ
ছিগি গ'ল মায়া-মোহ পাশ
অন্তস্থল ভেদি উঠে কৰুণ সুৰেৰে
বিশ্বাসৰ সমূলি বিনাশ।

(২)

চাইছিলো সেইদিনা পূৰ্ণিমা ৰজনী
উলাহেৰে আপোন পাহৰি
জোনাক জেউতি যেন নামি ধীৰে ধীৰে
চেনেহেৰে ললেহি সাদৰি
ভোল গ'লো অভাগাই প্ৰেম পৰশত
মেলি দিলো হিয়াৰ দাপোণ
নিজকে বিলাই নিজে লভিলো তৃপিতি
—জীৱনত প্ৰেমৰ সপোন
সুৰতে মিলাই সুৰ প্ৰকৃতি দেবীয়ে
দিলে আহি মধুৰ আশ্বাস

দিঠকত সপোনৰ ছয়া ময়া খেলা
বিশ্বাসৰ সমূলি বিনাশ।

(৩)

তেন্তে কিয় মিছাকৈয়ে মালাধাৰি লই
বহি বহি গাঁঠিছো দুনাই ?
হেঁপাহেৰে চৰণত যাচোঁতে যেতিয়া
দেৱতাই দিলে ওভোতাই
ধূপ-ধূনা, ফুল-পাত লেৰেলি শুকাল
শূন্য মাথোঁ পূজা আয়োজন
মিছাটে প্ৰদীপ কিয় মন্দিৰ মাজত
থক পৰি শূন্য সিংহাসন
এতিয়াও ভাবি আছা পৰাণ মাজত
কোনে যেন তুলিব উচ্ছ্বাস
মিছা আশা হাঁয় কিয় বুজিও নুবুজা
বিশ্বাসৰ সমূলি বিনাশ।

(৪)

হেঁপাহেৰে যাক তুমি ধৰিলা সাবটি
কেনিবাদি আঁতৰি লুকাল
চেনেহ সঁজাটি ভাঙি অনন্ত বুকুত
নতুনৰ উদ্দেশ্য ওলাল
নতুন বতাহ পাই নতুন ৰাজ্যত
পাহৰিলে অতীতৰ কথা
নুদূষিবা কাকো তুমি প্ৰবোধি মনক
ধৰা এই বাক্যহীন বেথা
শান্ত তাপসৰ দৰে থাকিবা এচুকে
এৰি দিয়া বাসনা বিলাস
ঘৰে ঘৰে কান্দি কান্দি নক'বা দুনাই
বিশ্বাসৰ সমূলি বিনাশ

(৫)

হব পাৰে দুটি এটি নতুন জীৱনে
. পূর্ণ প্রাণ সৰল অন্তৰ
সৌন্দর্যৰ ৰূপ-ৰাশি মায়া মৰীচিকা
দেখি ভাবে সংসাৰ সুন্দৰ
ক্ষন্তেকীয়া ছায়াবাজী তথা লাগি চাই
লক দেহি ক্ষন্তকীয়া সুখ
তাত তুমি নবজাবা বিষাদৰ সুৰ
নিদিবা মনত আৰু দুখ
আঁতৰিলে আবৰণ শূন্য লীলা খেলা
দেখি হব পৰাণ উদাস
আপুনি উঠিব বাজি অন্তৰ মাজত
বিশ্বাসৰ সমূলি বিনাশ।

যতীন্দ্ৰনাথ দুৱৰা

১৮

# আনন্দ

গোটেই ৰাতিটো বৰষুণ হৈ গ'ল। পুৱা যেতিয়া শুই উঠি গাঁৱৰ মাজেদি ফুৰিবলৈ আহিলো, তেতিয়া কাৰো টোপনি ভগা নাছিল।

গছবোৰ গোটেই ৰাতিটো তিতি এতিয়া লৰচৰ নোহোৱা কৰি থিয় হৈ আছে। পুখুৰীটোৰ পুণিবোৰ এদতীয়া হৈ আঁতৰি যোৱাত মাজত পানীবোৰ ফটফটীয়াকৈ ওলাই পৰিছিল। নতুন পানী পাই মাছবোৰে উলাহতে খলখলাই ফুৰিছিল।

আকাশৰপৰা ডাৱৰ আঁতৰা নাই, লাহে লাহে বতাহত ধোঁৱাৰ দৰে উৰি উৰি এখন ক'লা ঢাকনিৰে আকাশখন ঢাকি পেলালে, চাৰিওফালে নিমাত, নীৰৱ। এতিয়ালৈকে কোনোৱে সাৰ পোৱা নাই। মই মাথোঁ অকলে অকলে ভূতৰ দৰে গৈ আছোঁ।

অলপমান দূৰত এজোপা শিমলু গছ নিতাল মাৰি গহীন ভাৱেৰে থিয় হৈ আছে। তলতে এখন মৰিশালি— কিছুমান ভগা কলহ, পোৰা কাঠ, দুডোখৰ এডোখৰ ফটাকানি মাথোন তাত পৰি আছে। সেই মৰিশালিখনৰ এচুকত অলপমান পানী বন্ধ হৈ আছে। তাতে দুটামান ভেকুলীয়ে মনৰ আনন্দেৰে ডিঙি মেলি মাতিবলৈ ধৰিছে। ওচৰৰ বিৰিণা জোপাবিলাকৰ পৰা কিছুমান ফৰিং আৰু কুমটি ইত্যাদিয়ে সুৰ মিলাই সেই গানতে যোগদান দিছেহি।

চাৰিওফালে বিষাদৰ দিন, বতাহেও যেন বেজাৰতে হুমুনিয়াহ কাঢ়িছেহি, কিন্তু সেই ভেকুলী

আৰু পোকবিলাকে এই বিষণ্ণতাৰ মাজতে কি আনন্দৰ ৰাজ্য পাতিছেহি ! সিহঁতৰ কি উলাহ ! পৃথিৱীত যেন সিহঁতেই মাথোঁ ৰজা।

কথাটো দেখি মোৰো মনত খেলালে, যে আমিও ঠিক তেনেকৈয়ে টোপনিত অৱসন্ন বিষাদময় দুদিনীয়া পৃথিৱীৰ এচুকত সাৰ পাই উঠি মনৰ আনন্দেৰে দুদিনৰ কাৰণে জগতত কোঢ়াল লগাই দিছোঁ— যেন সংসাৰ গোটেইখন আমাৰেই, গোটেই পৃথিৱীখনেই যেন আমাৰ ৰাজত্ব আৰু আমি যেন গোটেই পৃথিৱীখনৰে ৰজা।

**যতীন্দ্ৰনাথ দুৱৰা**

১৯

# জীৱনৰ দান

জীৱনে মোৰ কাষলৈ আহি মোক এপাহি ফুল দি গ'ল।
মই সেই ফুলপাহি সাবটি বুকুত থলো। জীৱনে আকৌ
এবাৰ আহি মোক এটি ধুনীয়া মুকুতা দিলেহি ! মই
তাক সোণেৰে বন্ধাই বুকুত আঁৰি ললোঁ। মোৰ বৰ
পিয়াহ লাগিল......... প্ৰাণ যায় যায় যেন হ'ল..........
জীৱনে মোৰ কাষলৈ আহি এপিয়লা পানী দি গ'ল........
তাক মই বৰ হেঁপাহেৰে খাই শেষ কৰিলো। এইবাৰ
জীৱন আহি মোলৈ এটি ধুনীয়া উজ্জ্বল পোহৰ পেলালে !
মই এই পোহৰ ধৰিবলৈ যত্ন নকৰি মাথোন ক'লো
'ধুনীয়া পোহৰ ! আৰু ধুনীয়া হৈ দূৰদূৰণিৰ বাট
উজলাই দিয়া। তুমি হাতৰ মুঠিৰ মাজত থকা বস্তু
নহয়। তোমাৰ কাম দূৰ-সুদূৰৰ বাট উজলাই
আগুৱাই লৈ যোৱা.....আগলৈ......আৰু আগলৈ...... ।"

যতীন্দ্ৰনাথ দুৱৰা

২০

# ওমৰৰ আক্ষেপ

(ওমৰ-তীৰ্থৰ পৰা)

সোণালী ৰথত আলোকি বিমান
মাৰিলে সূৰুযে সোণৰ কাঁড
পলাল আন্ধাৰ— হৰিণীয়ে যেনে
হয় নিমিষতে চকুৰ আঁৰ।
ৰাজ-কাৰেঙক চুমিছে পোহৰে
উঠিছে মঙ্গল প্ৰভাতী গান,
জীৱন্ত জগত উঠাঁ উঠাঁ হেৰাঁ
এতিয়াও কিয় নিৰ্জীৱ প্ৰাণ।

ক'ত আজি সেই এৰেম ফুলনি
হাজাৰ গোলাপ ফুলিলে য'ত,
জাম্-চৈয়দৰ সাত বৰণীয়া
ভুবন বিজয়ী পিয়লা ক'ত ?
এতিয়াও আছে আঙুৰৰ বন
ঢালে এতিয়াও ৰাঙলী ধাৰা,
আছে তটিনীৰ কুলুকুলু গান
—নাই সেই প্ৰাণ উলাহ ভৰা।

আজি বসন্তৰ মধুৰ পৱন
বইছে ধীৰেৰে জুৰাই প্ৰাণ,
ঢালা ইয়াতেই অনুতাপ ৰাশি
জাৰৰ কুঁৰলি বিষাদ গান।
পিয়লাটি মোৰ ধৰাহি মুখত
আহা প্ৰাণ সখা সময় নাই,
পাখি মেলি সৌ জীৱন-পখীটি
অনন্তৰ পিনে উৰি যে যায়।

সৌ যে দেখিছা দূৰ দূৰণিৰ
মৰুৰ দাঁতিত এখনি পাম,
সেউজীয়া গছ লতাই বেৰিছে
সেয়ে মোৰ চিৰ পৱিত্ৰ ধাম।
ৰজা প্ৰজা তাত সকলো সমান
নাই বাদ্চাৰ গজনী পুৰ,
তাতে বহি আমি আকাশ তলত
নীল অসীমত মিলাম সুৰ।

সেই নিৰলাত থাকিম নিজানে
কাষত তোমাৰ মধুৰ গান,
ৰুটি এটুকুৰা সুৰাৰ পিয়লা
কবিতা কুঁৱৰী আকুল প্ৰাণ।
সি সুখ পুৰীৰ এয়েই সপোন
এয়ে হৃদয়ৰ বাসনা মোৰ,
মৰুৰ মাজত নামিব সৰগ
—জীৱন যাতনা পৰিব ওৰ।

ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা
জীৱন মদিৰা ভৰাই দিয়া,
অতীত ভবিষ্য শোক দুখ ভয়
আজিৰ ভাবনা উটাই নিয়া।
আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হ'ব ?
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থ'ব।

কোনোবা বলিয়া সুখ সুখ কৰি
এই পৃথিৱীকে সাবটি ধৰি,
কোনোৱে ভাবিছে মৰণৰ পাছে
পাম সঁচাকৈয়ে সুখৰ পুৰী।
তহঁতৰ সুখ নাই ক'তো হে'ৰ
নিঠুৰ মৰণে চিয়ঁৰি কয়,

মূৰ্খ তইঁত অলীক ভাবনা
ভাবি কৰ কিয় জীৱন ক্ষয় ?

যুৰি দুই কৰ সৰগ ধিয়াই
সুধিলোঁ কাতৰে জীৱন-স্বামী,
কোন পোহৰত যাওঁ আগবাঢ়ি
তিমিৰ পথৰ যাত্ৰী আমি।
গৰ্জিলে সৰগে গহীন সুৰেৰে
"নাই নাই ক'তো আলোক পথ,
অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত
চলে মানৱৰ জীৱন-ৰথ।"

ফুৰোঁতে সিদিনা সন্ধিয়া পৰত
গই পালোঁগৈ কুমাৰ গাঁও,
দুহাতে কুমাৰে সানিলে বোকা
কেনেকৈ মাটি খচিছে চাওঁ।
নিকৰুণভাৱে খচোঁতে খচোঁতে
মাটিৰ মুখত ওলাল মাত,
কয় কাতৰেৰে লাহে লাহে হে'ৰা,
আৰু কত দিয়া আঘাত গাত।

যুগে যুগে এই একেটি কাহিনী
ঠিক এনেদৰে আহিছে বই,
যিদিনা সৃষ্টিৰ প্ৰথম পুৱাতে
বিধাতাই মাটি হাতেৰে লই।

পেলালে চাকত গঢ়িলে মানুহ
কত ৰকমৰ যতন কৰি,
উঠিলে সিদিনা প্ৰকৃতি বুকুত
বিষাদৰ সুৰ বসুধা জুৰি।

**যতীন্দ্ৰনাথ দুৱৰা**

২১

# সাগৰ সংগীত

সাগৰৰ পাৰতে বহি মই অকলে
গণিম আকাশী তৰা
কেতেকী চৰায়ে গাব বিভু-গান
শুনিম দূৰৈৰে পৰা।
মনৰে কথাটি ক'ম বতাহক
বুকুখনি জুৰ কৰি
লাহৰি সখীৰে কৰিম ধেমালি
ডিঙিত সাবটি ধৰি।
নাদুৰি সাঁতুৰি ওপঙি ফুৰিম
নীলিম লগৰী সতে।
মেঘ-জীয়ৰীয়ে চকুৰ ঠাৰেৰে
মাতিব চেনেহী মাতে।
কত তলে যাম আকৌ উঠিম
গাম আবেগৰ গীতি,
বুকুৰ বেথাটি বুকুতে সামৰি
সোঁততে ফুৰিমে উটি।
কোনোবা খিনিতে দূৰ দূৰণিতে
পৰিম যেতিয়া গই,
আকুল সুৰেৰে হিয়া-বীণখনি
বাজিব বাজিব ঐ।

**ধৰ্মেশ্বৰী দেৱী বৰুৱানী**

২২

# তোমালৈ

গোলাপৰ কোমল কোলাত
নিয়ৰৰ একণি টোপাল,
নীৰৱতে পাহি মেল খায়,
সকলোটি নিমাত নিটাল।

দুপৰৰ সুৰুযে যেতিয়া
মেলিলেহি পোহৰৰ জাল,
হাঁহি মুখে নিয়ৰৰ প্ৰাণ
গোলাপৰ বুকুতে লুকাল।

শুনা আজি তাহানিৰ মোৰ
জীৱনৰ প্ৰথম অধ্যায়,
ধীৰে ধীৰে ধীৰে মেল খাই
তেতিয়াও মাৰ যোৱা নাই।

পুৱতিৰ সেই পোহৰত
তুমি মোৰ ওচৰ চাপিলা,
পোহৰতে এন্ধাৰেৰে মিলি
তুমি মোক সাবটি ধৰিলা।

পোহৰৰ এন্ধাৰৰ চাকি
চাটি কৰে এবাৰ নুমালে,
কিবা এক নতুন পোহৰে
জগতৰ জেউতি চৰালে।

এয়ে পোহৰৰ এন্ধাৰৰ মেলা
তুমি দেখোঁ সুত কৰে গই,
মোৰ হৃদয়ৰ পৱিত্ৰ থাপনা
তাতে বহি আছা মাত-বোল থই।

তেতিয়াৰেপৰা আৰু মোৰ
মাতিবৰ মন যোৱা নাই,
মাথোঁ ধূপ আৰু ধূনাৰ গোন্ধত
অন্তৰত নৈ বৈ যায়।

তেতিয়াৰেপৰা আৰু মোৰ
সকলোটি নিমাত নিটাল,
নীৰৱতা সোণৰ সঙ্গীত,
নীৰৱতা সুললিত তাল।

তোমাক বুকুত লই
নাও মোৰ নীৰৱে চলিছে,
এই মহাসিন্ধু নীৰৱতা ভেদি
ক'ত জানো অন্ত পৰিছে।

ভগৱতীপ্ৰসাদ বৰুৱা

২৩

# সৃষ্টি-পাতনি

সেই প্ৰলয়ৰ দিনা
তুমি প্ৰভু হাতত ল'লা
তোমাৰ ৰুদ্ৰ-বীণা।
আনন্দময় নাছিল কোনো,
আছিল নিমাত অৰুণ জোনো,
দিগন্তেদি উঠিল জ্বলি
ভীষণ উদ্দীপনা.
যিদিন তুমি হাতত ললা
তোমাৰ ৰুদ্ৰ-বীণা।

চন্দ্ৰ, সি গ'ল কক্ষ এৰি,
নতুন আকাশ বাঞ্ছা কৰি,
শূন্য-গলত জ্যোতিৰ্মালা
সিদিন দীপ্তিহীনা,
যিদিন তুমি হাতত ললা
তোমাৰ ৰুদ্ৰ-বীণা।

আকাশ সি হ'ল ডাৱৰ-ঢকা,
নাছিল ক'তো ভূমিৰ ৰেখা,
সৃষ্টি জুৰি পৰিল ব্যাপী
দোকোল-ডাকাল পানী,
তাৰে ওপৰে উৰিল প্ৰভু
তোমাৰ ৰুদ্ৰ-বীণা !

সেই এন্ধাৰত উদিল পুনু
লক্ষ তৰা,
সেই বিনাশত জন্ম পালে
পুষ্প ধৰা,

মুঞ্জৰিলে চিন্তা-লতা
নতুন সুৰৰ নতুন কথা,
বিশ্ব এৰি পৰিল হিয়াত
নতুন সৃষ্টি কণা,
সিদিন তুমি নমাই থ'লা
তোমাৰ ৰুদ্ৰ-বীণা।

সূৰ্যকুমাৰ ভূঞা

২৪

# উতলা

মই নোৱাৰোঁ কৰিব গান,
মই নোৱাৰোঁ মেলিব প্ৰাণ,
মোৰ হিয়াৰ তন্ত্ৰী উগুলি-থুগুলি ধৰিছে বিশ্বতান।
মোৰ বীণেও নেমানে সুৰ,
মোৰ হিয়াও নপৰে জুৰ
মই নিজেই বাঞ্ছা-অগনি জ্বলাই কৰিছোঁ হিয়া আতুৰ।
চোৱাঁ জিলিকে তৰাৰ মালা,
চোৱাঁ হাঁহিছে ত্ৰিদিববালা,
শুনা গ্ৰহ-নক্ষত্ৰ ঘূৰিছে গাইছে অনাদি প্ৰেমৰ লীলা।
চোৱাঁ মুনিৰ সাধন বন,
চোৱাঁ গিৰিৰ সিংহাসন,
চোৱাঁ স্বৰ্গ ধিয়াই মহাসমুদ্ৰ হই থাকে উচাটন !
মোৰ প্ৰাণত পুলক গঁথা
মোৰ চকুত নীৰৱ কথা,
মোৰ শূন্য গহীন আতমা বিয়পি কিবা এটি আকুলতা।
মোৰ লক্ষ্য থিৰতা নাই
মোৰ চাৱনি পিছলি যায়,
মোৰ চিন্তা-তটিনী বাগৰি বাগৰি পায়হি নেদেখা ঠাই।
সউ স্বৰ্গ নামিছে য'ত,
চোৱাঁ মৰ্ত্ত্য উঠিছে ত'ত,
তেনে মোৰ এই ঘোৰ মায়াৰ সপোন দিঠকে মিলিব ক'ত
মোৰ কাণত ৰিণিকি-ৰিণি
আজি পৰিছে আকাশী বাণী
আজি সৌৰ-জগত বলিয়া কিহত, কিহত বলিয়া প্ৰাণী ?
তুমি জীৱন কৰিলা জয়,
আজি হেৰোৱা আতমা লই।
আজি নিমাতে বিশ্ব প্ৰতি কাণে কাণে
তাৰেহে বতৰা কয়।

আজি আকাশত পাতি কাণ
আজি শুনিছোঁ নুশুনা গান,
মোৰ জীৱন-সিন্ধু সিপাৰৰপৰা ভাহিছে পুণ্য তান।
মই মাটিত নমালোঁ বীণ,
হ'লো গানত শকতি হীন ;
মোৰ বিদায় বাসনা আবেগৰ বীণা
জীৱনৰ আদি মন্ত্ৰ সাধনা
সকলো পুলকে লীন ।

**সূৰ্যকুমাৰ ভূঞা**

২৫

# মিলন

সমানে সমানে মিল
এই যে নিখিল
সমনীয়া-বিচাৰিয়ে
আকুল ব্যাকুল ;
নই বই সাগৰত গই
পানীয়ে পানীয়ে মিলি
মিলনৰ তৰঙ্গতে
সমুদ্ৰ বাতুল।

* * *

নোহোঁ যেবে সমনীয়া
তোমাৰ সমান বিভু,
নহওঁ বিৰাট মই
নহওঁ স্বৰাট,
মিলন তোমাৰে মোৰে
সম্ভব নে বাৰু কভু
অত ক্ষুদ্ৰ বিৰাটেৰে
অত অকস্মাৎ ?

মিলন তোমাৰে মোৰে
অত দূৰ দূৰণিৰ
ইমান অতুল
হায় ইমান অতুল,
নহয় নে বাৰু মোৰ
সমূলঞ্চে ভুল ?
তুমি মাটিৰ পৃথিৱী গঢ়ি
মিহলাই আন্ধাৰ পোহৰ,
তুলিছোঁ যি জীৱনত মোৰ
হৰ্ষ আৰু বিষাদৰ
বিজুলী লহৰ !

প্ৰত্যুত্তৰ যদি তাৰ
পাৰো মই দিব
স্বৰ্গ আজি মৰততে
সোণৰ বৰণ,
আপোন মনৰ মোৰ
মাধুৰী-ৰাশিৰে
পাৰো যদি জগতক
কৰিব বৰণ ;

* * *

স্বৰ্গ-দ্ৰষ্টাৰূপে মই
তেতিয়াহে ধাতা
সখিত্ব-গৌৰৱে আহা
তোমাৰ লগত,

মিলনৰ গৰ্ব লই
মিলন, মিলন কই
মিলি যাম মিলনেৰে
মহান বিশ্বত।

**ৰত্নকান্ত বৰকাকতী**

২৬

# অনুসন্ধান

এই ভুল ভৰা ভূলোকত
দ্যুতি হেৰা দ্যুলোকৰ
তুমিয়েনে প্ৰিয় মোৰ
মানুহ বেশেৰে

এই ভুল কৰা জীৱনৰ
নিৰ্ভুল আবেগত
তুমিয়ে নে মন-চোৰ
বিভোৰ বেশেৰে ?

তোমাৰ নে নয়নৰ
মধুৰ কোণত
কঁপিছে সি অৰ্দ্ধস্ফুট
বাৰ্তা অমৃতৰ,

কঁপিছে যিদৰে সউ
আকাশৰ নীলিমাত
অগ্নিশিখা অন্তহীন
চিৰ ৰহস্যৰ ?

চন্দ্ৰকান্ত বৰকাকতী

২৭

## শুকতৰা

এই যৌৱনৰ সন্ধিয়াৰ
বিলাপ-ডাৱৰে ৰঙা
ম্লান পৰি যোৱা মোৰ
হৃদয়ৰ উদাস আকাশ
পোহৰাই

নিষ্কলঙ্ক দীপ্তি তুমি !
কোন গগনৰ হেৰাঁ
শুভ্র-প্রাণ শুকতৰা,
জ্বলিছা কি মাধুৰীৰ চকু
টিপিয়াই।

জ্বলি জ্বলি অবিৰাম
জ্বলাবনে মুগ্ধ কৰি
আগন্তুক অন্ধকাৰ
জীৱনৰ মোৰ
বিভাবৰী ?

নতু হবা অকস্মাৎ
অদৃশ্য অনন্ত কিবা
চকুৰ আগতে হাঁয়
চাওঁতেই এটিবাৰ
প্ৰাণ ভৰি ?

জ্বলি তুমি মুগ্ধ কৰাঁ,
কৰাঁ নতু ছলি থই
দগ্ধ, এই ৰোদনৰ
বিক্ষিপ্ত জীৱন।

তেও তুমি মোৰে হেৰাঁ !
তোমাতেই জীৱনৰ
নিতউ নতুন কই
সাঁচি থোৱা অমৃতৰ
নিস্তব্ধ মৰণ !

**ৰত্নকান্ত বৰকাকতী**

২৮

# উন্মনা

আজি নাজানো কোনে মাতিছে মোক,
মেঘৰ লগত যাবলই,
আজি নুবুজোঁ কোনে গাইছে গান
বতাহে বতাহে অকলই !
আজি নিচিনো কাৰ হাতৰ লেখা
তৰায় তৰায় জ্বলিছে,
আজি নুবুজোঁ তাত কিয়নো মোৰ
হৃদয় ইমান মজিছে !
আজি উড়িম মাথোন মেঘৰ লগত
নীলিম গগন বিদাৰি,
পূবে-পছিমে যেনিয়ে পাওঁ
মধুৰ বাঁহীৰ সঁহাৰি !

ৰত্নকান্ত বৰকাকতী

২৯

# কিয়

যদি কামেই মোৰ কেৱল কৰ্ম
কামেই মোৰ কেৱল ধৰ্ম
কামেই ধৰাৰ প্ৰাণ,

কিয় তেন্তে জগৎ জুৰি
বাজে ইমান গান ?

কিয় তেন্তে পুৰাতে ইমান
পখীৰ ৰৱ নদীৰ গান ?
বিপুল পুলক হাঁয় !

সোণৰ সুৰত নাচে আকাশ
বতাহে কাৰ দিয়ে আভাস
হৃদয় ওপচায়।
কিয় তেন্তে নিতউ নিশা
তৰায় তৰায় জ্বলে শিখা
কিহৰ হোমানল ?
কিহৰ উছৱ কিহৰ গান
বৰ্ণ-গন্ধ-স্পৰ্শ ইমান
লগায় কৌতূহল ?

বক্ৰকান্ত বৰকাকতী

৩০

# মৰণ দেৱতা

কৰুণা মণ্ডিত শ্যামল সুন্দৰ স্নিগ্ধ হেমকান্তি,
মঙ্গল দেৱতা, নিত্য বৰষিছো প্ৰেম-সুধা শান্তি।
শোক-দুখ-তাপ-দগ্ধ জৰ্জৰিত প্ৰাণী জগতত,
শীতল তোমাৰ বিস্মৃতি-প্ৰলেপ শোভিছে হাতত।
অশ্ৰু-কুঁৱলিয়ে ঢাকি থয় নিতে সুন্দৰ বদন,
ক্ৰন্দনৰ স্বৰে স্তব্ধ কৰি ধৰে তয়ু আৱাহন।
শোক-কালিমাই অন্ধ কৰে চকু নেদেখে পোহৰ ;
দিব্য বিমোহন অপৰূপ জ্যোতি তোমাৰ ৰূপৰ।
জীৱনৰ  সখা, আহিছা যে আজি ওচৰ চাপি,
তোমাৰ পৰশে জগায় আনন্দ হৃদয় ব্যাপী।
নিচিনো দেৱতা, তোমাৰ ৰাজ্যৰ বাট, পথ ;
জানিছোঁ মাথোন, চাপিছে ওচৰ তোমাৰ ৰথ।
হয়তো কোনোবা অভিনয় কিবা জীৱন খেলা।
খেলিবা পুনৰ মোক লৈ দেৱ নকৰি হেলা।
হয়তো স্বৰগে, হয়তো নৰকে সাদৰি লব ;
তাতেই হয়তো অনন্ত কালত বসতি হব।
নতুবা ঘটিব প্ৰেম পুতুলী বিয়াৰ মিলন,
তোমাৰ কৃপাত লভিম অপূৰ্ব জীৱন।
পিতৃ সকলেও লব নেকি মোক ৰঙ্গেৰে বেঢ়ি,
অতীতে ধৰিব মূৰ্তি নতুন বিস্মৃতি এৰি ?
হয়তো পেলাবা মোৰ জীৱনত চিৰ যৱনিকা।
সাঁচি থৈ মোৰ হৃদয়ত থকা আনন্দ-কণিকা।
মোৰ প্ৰেমৰ সঁফুৰা দিবা ঢালি দেৱ বিৰহী বুকুত,
সপোন গৰিমা সানি দিবা ধীৰে প্ৰেমিক চকুত।
মোৰ অন্তৰৰ কল্পনাৰ ৰঙে পশ্চিম আকাশ,
ৰঙাই তুলিব জগতত হব অপূৰ্ব বিকাশ ;
বিৰহৰ মধু সুগন্ধি দ্ৰব্যৰে সজাবা সম্ভাৰ,
নৱ পৰিণীতা বালিকা বধূৰ কোমল হিয়াৰ।

ৰূপ তৃষা সানি দিবা দেৱ কিশোৰী জনৰ,
কাজলৰ দৰে বঢ়াই জেউতি চকুত সুন্দৰ।
প্ৰেম কূজনত বাজি উঠা, মৃদু মোক দিবা কণ্ঠ স্বৰ,
দিবা অকাতৰে কণ্ঠত দেৱতা নৱ প্ৰেমিকৰ।
অন্তৰৰ মোৰ সুন্দৰৰ সৃষ্টি নহব ব্যৰ্থ,
(সি যে) বিশ্ববিয়পি তোমাৰ কৃপাত লভিব অৰ্থ।
কেৱল হিয়াৰ পাৰাবাৰ হীন সুখৰ সাগৰ,
কঁপা যেন দেৱ তোমাৰ নিজৰ নিত্য সহচৰ।
জগতৰ কাকো নকৰি মলিন নকৰি বিমৰ্ষ,
থাকে যেন সি নকৰি কাকো অলপো স্পৰ্শ।
তোমাৰ মধুৰ চৰণৰ ধ্বনি কাণত বাজে,
আহিছা সুন্দৰ শান্তিৰ দেৱতা মোহন সাজে।
গানৰ তোমাৰ ললিত ঝংকাৰে পৰশে মোক,
তোমাৰ বুকুত চিৰকাল মোৰ বসতি হোক।

**লক্ষ্মীধৰ শৰ্মা**

৩১

# পৰম তৃষ্ণা

আজিৰ নোহোৱা মোৰ সুন্দৰী পৃথিৱী
জনমৰ যুগমীয়া তুমি,
অনন্ত কালৰ মোৰ শান্তিৰ জিৰণি
অতীতৰ স্বপ্ন লীলা ভূমি।

অতীত জন্মৰ কত অলেখ স্মৃতিৰ
গছে-পাতে পৰি আছে ৰেখা,
অস্ফুট ভাষাৰ কত কৰুণ কাহিনী
প্ৰকৃতি ৰূপত আছে লেখা।

কতবাৰ জনমিলো তোমাৰ কোলাত
গইছিলো আকউ উভতি,
অপূৰণ কৰমৰ ভাৰ বান্ধি লই
ঘূৰি ঘূৰি আহিছো উভতি।

পৰ্বতীয়া জুৰিটিৰ জিৰ্‌জিৰণিত
শুনো যেন বিননিৰ সুৰ,
আছে জানো দুচকুৰ চকুলো দুধাৰি
বই যোৱা কোনোবা যুগৰ ?

নিয়ৰ মুকুতা পিন্ধি, হেঙুলি আঁচল মেলি
উষা আহে সোণালী ৰথত,
নিশাৰ ওৰণি ঠেলি অৰুণে মিচিকি হাঁহে
প্ৰকৃতিৰ ৰূপহী বনত।

দূৰণিৰ পখীজাক মিলি যায় দিগন্তত
মাতি যায় আকুল সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত,

জীৱন লগৰী মোৰ পিঁজৰাৰ পখীটিও
মিলি যাব খোজে অনন্তত।
অসীমৰ অচিন বাটত।

পুৰতি নিয়ৰ সানি চেঁচা বাওছাটি
বই যায় কপাল তিয়াই
অজানিতে বাতৰি বিলাই।
মুদ খোৱা চকুযোৰ নৌ মেলোঁতেই
সপোন জড়তা মোৰ নৌ ভাগোঁতেই,
যুগান্তৰ ক্ষীণ স্মৃতি সপোন পাৰৰ
ভাহি উঠি ধীৰে মিলি যায়,
হিয়া মোৰ আবেগে কঁপাই।
শুনি বিহগীৰ গীতি সুৱলা মাতৰ
ভাহি উঠে স্মৃতি যেন কোন অতীতৰ ;
গাই যোৱা অতীজতে কুলি কেতেকীৰ সঁতে
পাহৰা সুন্দৰ কত গীত প্ৰভাতৰ।

সনা আছে শত স্মৃতি যুগান্তৰ প্ৰকৃতি-ৰূপত
জোনাকী জেউতি ঢলা সন্ধ্যা পৰনত ;
সেউজীয়া পথাৰৰ শ্যামল কোলাত
হহাঁ-কন্দা বেজাৰৰ ঘাত-প্ৰতিঘাত।
মোৰ এই হৃদয়ৰ অসীম তৰংগৰাশি
উঠলিছে প্ৰকৃতি বুকুত,
অতীতৰ পূৰ্ণ আকোগত।

গাঁথিছো অনন্ত মালা লক্ষ জীৱনৰ
আধৰুৱাকই এৰা শত কৰমৰ,
মানস-মুকুতা লই কল্পনাৰ হাৰ
বোজা বান্ধি লই যোৱা অসীম ব্যথাৰ।
কিয় আহিছিলোঁ বাৰু, গইছিলোঁ কিয়নো উভতি ?
কিহৰ ই অভিলাষ, কিয় এই সীমাহীন গতি ?
সকলো পাইছো, তেও কিবা যেন নাই নাই

মুখত নুফুটে ভাষা, প্ৰাণে ভাব বিচাৰি নেপায় !

কোনে বাৰু দিলে তেনে মানুহৰ আতমাত
বিশ্বগ্ৰাসী হেঁপাহৰ ক্ষুধা,
যদি তেও যোৱা নাই আতমাৰ চিৰশান্তি
পৰশমণিৰ প্ৰেম-সুধা ?
কোনেনো সদায় মাতে আকুল উতলা মাতে
কোন দূৰ সুদূৰৰ পৰা,
যদি তেওঁ থোৱা নাই বিয়াকুল জীৱনৰ
শান্তিময় সুখৰ নিজৰা ?

ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'লে
বাসনাও নোৱাৰে থাকিব ;
মানুহৰ বাসনাৰ সমাধি-শয়ন হ'লে
জীৱন মৰণো নেথাকিব।
মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য-তৃষ্ণা
সুখ-আশা, হেঁপাহ বুকৰ,
নহয় ই মৰতৰ ক্ষন্তেকীয়া জীৱনৰ
সুখ-আশা পৰমপদৰ,
ৰূপ-তৃষ্ণা চিৰসুন্দৰৰ।

নলিনীবালা দেৱী

৩২

# জীৱন

মোৰ নে জীৱন এক চিন্তাৰ সাগৰ,
নতু ইও আতমাৰ পথৰ ভাগৰ ?
সুধীৰ বসন্ত-বায়ু বয় সুশীতল,
তথাপি প্ৰাণত উঠে কিহৰ উতল ?
পৰনত চৰি আছে বিষাদ-ৰাগিণী,
মোৰো কি জীৱন তাৰে করুণ বিননি
নতু পূৰ্ব জনমৰ কিবা অভিশাপ
মোৰ ভগ্ন হৃদয়ৰ উত্তাপ বিলাপ ?
গ্ৰীষ্মৰ ৰ'দত ক'ৰ ছাটি ফুটি প্ৰাণ,
তাৰেহে চেঁপাত মোৰ যাতনা ইমান ?
মেঘত ওলমি থাকে ভৰ বাৰিষাৰ
কলীয়া ডাৱৰ ছটা ঘোৰ নিৰাশাৰ—
মোৰো নে জীৱন আছে সেয়ে ওন্দোলাই,
জীৱনত প্ৰীতিহীন অসূয়া বিলাই ?
মধুৰ বাসন্তী পুৱা উদিত তপন,
লগে লগে বাঢ়ি আছে হিয়াৰ যাতন।
উষাৰ ৰেঘাত জ্বলে শান্তিৰ কণিকা,
সিও মোৰ তৃপিতিৰ মিছা মৰীচিকা।
প্ৰীতিময়ী নীলিমাযে প্ৰীতিৰ আকৰ,
তাতো কিয় অগ্নিময়ী খেল ডাৱৰৰ ?
নোযোৱা-নুপুৱা মোৰ চিন্তাৰ ৰজনী,
প্ৰভাততো শান্তি তেও নাপাওঁ অকণি।
লাহে লাহে দুপৰৰ ছবি মূৰ্তিমান,
তাতো মোৰ অতৃপ্তিৰ নাই অৱসান।
কত আলো কত ছায়া যায় পাৰ হই,
মোৰ সুখ-সান্তি হেতু অলপো নৰয় !
তাৰ পাছে পছিমত কত ৰঙ খেলি
মাৰ যায় আকাশত ৰঙচুৱা বেলি ;
আনন্দৰ দোলযাত্ৰা কৰি সমাপন
ঢালে হৃদি-লোহিতত লোহিত ৰহন।

থৰ হৈ চাওঁ মই ৰবি অৱসান,
সৰগ–মৰত জোৰা স্তম্ভ বিদ্যমান !
ভাবোঁ, এই স্তম্ভ নেকি অজৰ অমৰ,
—জীৱন্ত চানেকি ৰূপ পৱিত্ৰ প্ৰেমৰ ?
এই যে কনক-স্তম্ভ অনন্তৰ হেতু
দুখনি হিয়াৰ মাথোঁ মিলনৰ সেতু ;
সৰল প্ৰেমৰ এয়ে আদৰ্শৰ পট,
ইয়াতেই প্ৰবৰ্তিছে সুন্দৰ জগত ?
কিন্তু মায়া-কুঁৱৰীৰ অদ্ভুত সৃজন,
নিমিষতে চূৰমাৰ শোণিত ৰহন ;
শূন্যত ধীৰেৰে কঁপে সাঁজৰ আৰতি,
তাতে পুনু মাৰ যায় প্ৰাণৰ তৃপিতি !
কেনিবাদি উটি যায় শান্তিৰ কণিকা,
সন্মুখত পৰি ৰয় ছায়া যৱনিকা।
মোৰ কি জীৱন তেনে দুখ-পয়োধৰ,
লগে লগে উঠি আহে পুৱা অৰুণৰ ;
সন্ধ্যা আকাশৰ গাত গুজৰি-গুমৰি
মাৰ যায় অগ্নিময় জীৱন সামৰি ?
নতুবা——আমাৰ এই মানৱ জনম,
উষাৰ আগতে হোৱা জীৱনৰ ৰণ ?
আলো-আন্ধাৰৰ কত তুমুল সংগ্ৰাম,
তাৰ পিছে জীৱনৰ ভূমানন্দ ধাম ;
নাচে তাত গৌৰাঙ্গাৰ মূৰতি মোহন,
শিৱ-সত্য-সুন্দৰেও চলায় চৰণ।
জগতে যেতিয়া পায় সৃষ্টিৰ জাননী,
মানৱ প্ৰাণতে তাৰ প্ৰথম কঁপনি ;
সৃষ্টি অভিনৱ লীলা ইয়াতে বিকাশ,
ইয়াকেই কেন্দ্ৰ কৰি বিশ্ব পৰকাশ।
সেইহে জীৱন পুণ্য ঋষি-তপোবন,
ফুৰে তাত কল্পনাৰ মুনি কন্যাগণ।
ওপৰত তৰা আছে অনন্ত গগন,
তলত জ্বলিছে কাৰ পূত হুতাশন ?

কোন মাযা কুহকীয়ে ৰাখে মোক ছলি,
মোৰ যে জীৱন সেই যাগৰেই বলি।
অনন্ত আস্ফালি উঠা ঢউ দেখি মই
পাহৰিছো মোৰ মূল মন্ত্ৰ দিগ্বিজয়।
শৃঙ্খলিত সংগীতৰ মহা কলৰৱ
তাকো শুনি প্ৰাণ মোৰ কিয় বা নীৰৱ ?
প্ৰকৃতিত সেই সুৰ শুনি এতিয়াও
উঠিবনে পৰাণত দুখৰ আৱাৰ ?
বয় মত্ত বসন্তৰ সমীৰ-বাহিনী,
তাত কিয় ভোল যায় বীণৰ ৰাগিণী ?
এইযে মানৱ-প্ৰাণ উদ্দেশ্য মহান,
মানৱ জীৱন মহা বিধাতাৰ দান ;
বিলাস-বিৰাগ মাথোঁ ছায়া জীৱনৰ,
একোটি নহয় সুখ-সামগ্ৰী প্ৰাণৰ।
নাই কেও, মই মাথোঁ, অকলশৰীয়া ;
এই পুণ্য অনন্তৰ দুৱাৰ ৰখীয়া।
ময়ে মহা মানৱৰ জীৱন-দুৱৰী,
অনন্তৰ চৰণৰ প্ৰসাদ ভিখাৰী।
মোৰ হাঁহি-অশ্ৰুজলে স্বাৰ্থৰ কাৰণে
মিছাতে ৰাখিছে মোক বান্ধি অতদিনে।
ক'ত সেই ধ্ৰুৱ সত্য মুকলি পদুম,
ক'ত এই মায়াময় আকাশ কুসুম !
ক'ত সেই অনন্তব্যাপী উদাৰ আকাশ,
য'ত মোৰ আতমাৰ ভাতি পৰকাশ—
ৰাতি-দিন সমভাৱে যাৰ উদ্দীপনা
জ্বলিছে অনন্তকাল প্ৰেম-জ্যোতিকণা ?
ক'ত ই পাৰ্থিৱ সুখ, মায়া মুগ্ধজীৱ ;
ক'ত মোৰ মায়ামুক্ত আত্মা-সদাশিৱ ?
মোৰ মুকুতিৰ থান্ মহাজীৱনৰ
ক'ত সেই জীৱনৰ কৈলাস শিখৰ—
য'ৰ ডম্বৰুৰ ধ্বনি কৰি আওকাণ
হৃদয়ত বাঢ়ে মোৰ উন্মাদ ইমান ?

**ডিম্বেশ্বৰ নেওগ**

৩৩

# বীণ-বৰাগী

আহিছোঁ বৰাগী এন্ধাৰ বাটত জীৱনৰ জোঁৰ লৈ,
চিৰ-অভেদ্য মহা-ৰহস্য সমুখত আছে বৈ।
দূৰণিৰ সউ ক'লা যৱনিকা,
তাৰ সিপাৰত আছে কিনো লিখা
কোনে জানে তাৰ সন্ধান, আজি কোনে মোক দিব কৈ ?
আহিছোঁ বৰাগী এন্ধাৰ বাটত জীৱনৰ জোঁৰ লৈ।

সিপাৰত সউ নীৰৱতা ভৰা গভীৰ এন্ধাৰ ঘোৰ।
তাৰ তলিতেই আছে হেনো যত সোণৰ সোলেঙবোৰ,
সোণৰ সোলেঙ, সুখৰ সপোন,
চৰম প্ৰাণৰ হেঁপাহ গোপন,
তাকেই বিচাৰি আহিছোঁ বৰাগী, জ্বলাই বুকুৰ জোঁৰ।
সিপাৰত সউ ভৰা নীৰৱতা এন্ধাৰ গভীৰ ঘোৰ।

মহা জীৱনৰ বন্তি জ্বলিছে, চৌদিশ উজ্বলাই,
দূৰণিৰ পৰা এফেৰি আভাস মাথোঁ দেখিবলৈ পায়।
জীৱনৰ চগা উৰা মাৰি যায়,
ধৰোঁ ধৰোঁ কৰে বিচাৰি নেপায়,
যিমানেই যায় কাষ চাপি তাৰ সিমানে আঁতৰি যায়
মহা জীৱনৰ বন্তি জ্বলিছে চৌদিশ উজ্বলাই।

দূৰণিৰ সেই ছাঁ-পোহৰৰ সপোন মাধুৰী চাই,
মৰতৰ জীৱ হাবাথুৰি খাই বাটকুৰি বাই যায়।
কত্ত বলিয়াই অনাই বনাই
সপোন দেখাৰ বাতৰি জনায়,
ফাগুন দিনত লিহিৰি বনত মিলন-ৰাগিণী গায়,
দূৰণিৰ সেই ছাঁ-পোহৰৰ সপোন মাধুৰী চাই।

কত সন্ধানী জেউতি বিচাৰি ফুৰে সংশয় ছেদি,
কত ৰহস্যী বনাই ফুৰিছে ছাঁ-জুই খেদি খেদি।
দেখি জীৱনৰ গতিৰ সপোন,
ওপৰে উৰিছে তাৰকা তপন,
পাষাণ হিয়াত নিজৰা জৰিছে গিৰি বন্দৰ ভেদি।
কত সন্ধানী বিচাৰে জেউতি শত সংশয় ছেদি।

হয়তো সপোন সাম্ফল হ'ব মায়াৰ কুঁৱলি যাব
সপোনত যাক বিচাৰি ফুৰিছে দিঠকত দেখা পাব।
সপোন দেখাতে সিজিব কৰ্ম,
এয়ে সপোনৰ গুপুত মৰ্ম,
বীণবৰাগীৰ জীৱন শেহত বীণৰ প্ৰাণটি পাব।
হয়তো সপোন সাম্ফল হ'ব মায়াৰ কুঁৱলি যাব ॥

পাৰ্বতিপ্ৰসাদ বৰুৱা

৩৪

# আমি দুৱাৰ মুকলি কৰোঁ

মোৰ মেজৰ ওপৰত এখন ছবি আছে
নিকোলাচ ৰ'ৰিকৰ— নাম তাৰ ?
তাৰ নাম— "আমি দুৱাৰ মুকলি কৰোঁ।"

কিহৰ দুৱাৰ ? পূবৰনে পছিমৰ ?
নে দক্ষিণৰ যমৰ দুৱাৰ ?
নে মহাপ্ৰস্থানৰ আমন্ত্ৰণ-মুখৰিত
উত্তৰাপথৰ সিংহদ্বাৰ ?

মই কবি দেৱকান্ত
যৌৱনৰ বিয়লি বেলিকা
বাটৰ কাষত বহি খন্তেক মাথোন—
দেখিছোঁ সপোন আজি দীঘল বাটৰ
অন্তহীন দীঘল বাটৰ।

জিৰণি ঘৰত শুনো হাঁহি-খিকিন্দালি
ঠাই ক'ত জিৰণিৰ ?
ৰুদ্ধ তাৰ দুৱাৰ-মুখত জনতাৰ হেঁচা-ঠেলা।
দুৱাৰ মুকলি ক'ত ?

জানো। জীৱনৰ উদ্‌ভ্ৰান্ত ছন্দৰ তালে
উতলা কৰিছে মোক।
জানো মোৰ গতি নাই গতিৰ বাহিৰে।
কিন্তু যাত্ৰাৰ শেহত ক'ত মুকলি দুৱাৰ ?

পাম জানো সিংহদ্বাৰ প্ৰাণৰ ছন্দত মোৰ
বাদুলি-সঁচাৰ যাৰ মেল খাব নিজে নিজে
যৌৱনৰ নিমন্ত্ৰণ যাচি ?

ভ্ৰমিলো বহুত বাট ;
পেৰুত ইঙ্কাৰ স'তে সোণ-ৰূপ খটোৱা পাল্কিত
মৰণ-মধুৰ সেই যৌৱনৰ বিৰাট যজ্ঞত, মেক্সিকোত
ঢালিলো আহুতি মই ৰূপ-কোঁৱৰৰ স'তে
ৰূপহীৰ নৃত্যৰ ছন্দত।

নিনেভাৰ পাখিলগা ষাঁড়ৰ আগত
অসুৰৰ বিজয় উৎসৱ। তাতো যোগ দিলোঁ মই।
শূন্যোদ্যান বেবিলন। ইস্টাৰৰ মন্দিৰৰ দুৱাৰ-ডলিত
প্ৰেমাকাঙ্ক্ষী শত দেৱদাসী।
প্ৰেমাঞ্জলি কৰিলোঁ গ্ৰহণ দেৱদাসী-ৰাজকুঁৱৰীৰ।
কত ৰং ধেমালিৰ কৰিলোঁ পাতনি
ডেকা গাভৰুৰ স'তে
উছৰ তলিত মই সমুদ্ৰস্তনিত সেই শুৱনি ক্ৰীটৰ।

ভ্ৰমিলোঁ বহুত বাট।
কিন্তু দুৱাৰ মুকলি ক'ত ?
বন্ধ দেখোঁ সকলো দুৱাৰ।
দুৱাৰ মুকলি মাথোঁ অচল ছবিৰ
কিতাপ দ'মত থকা নিকোলাচ ৰ'ৰিকৰ
এখনি ছবিৰ।

**দেৱকান্ত বৰুৱা**

৩৫

# দেৱদাসী

কাক দিবা ? দিবা কাক ? মনৰ মাধুৰীৰাশি, শৰীৰৰ
শোভা সুকুমাৰ ?
দেৱতাক ? দেৱতাৰ নুগুচে পিয়াহ হায়, অভাগিনী
প্ৰেমেৰে আমাৰ।

দেৱতাক লাগে তেজ, ৰঙা তেজ লাগে মাথোঁ মানুহৰ
আহত হিয়াৰ ;
তুমি তাক প্ৰেম দিবা ? চৰণত কান্দে যাৰ প্ৰেমাঞ্জলি
ৰম্ভা মেনকাৰ !

নন্দনৰ পাৰিজাতে, ময়াপী হাতেৰে গঁথা মন্দাৰৰ
মোহন মালাই
যাক আমুৰায়, তাক দিবা ধৰণীৰ ফুল ? পুৱা ফুলি
গধূলি শুকায়।

বিলাসী ধনীক দিবা মুখৰ গৰাহ কাঢ়ি ক্ষুধাতুৰ
দীন ভিখাৰীৰ ?
লুইতক দিবা তুমি পিয়াহৰ পানীটুপি তৃষাতুৰ
পাৰৰ বালিৰ ?

মাটিৰ সন্তান আমি, মাটিৰ বুকুত ফুলা কাঁইটীয়া
ফুলৰ সুষমা,
আমাৰ কাৰণে সখি ! আমাৰ কাৰণে কান্দে গাভৰুৰ
ওঁঠৰ লালিমা।

হিয়া নিয়া আমাৰ ধেমালি মাথোঁ, ভগা হিয়া মানুহৰ
নিজস্ব গৌৰৱ ;
বিৰহৰ চকুপানী মৰতৰ মন্দাকিনী, প্ৰেম তাৰ
মন্দাৰ সৌৰভ।

সংশয়ৰ ধুমুহাত নাচিছে আমাৰ নাও বেদনাৰ
মহাসাগৰত,
আমাৰ দুখত তুমি নলখানে ভাগ বাক ? ৰঙ চাই
থাকিবা পাৰত ?

ভুল, ভুল, হিংসামত্ত দেৱতাৰ ঈৰ্ষাৰ বেদীত আমি
বলি যে মাথোন
আদিম যুগৰ সেই শঙ্কাতুৰ মানুহৰ অন্তৰৰ
ভয়ৰ স্পন্দন।

সৃষ্টিৰ দিনৰে পৰা নিয়তিৰে স'তে হেৰা, মানুহৰ
সংগ্ৰাম অক্ষয়,
আমি তাৰে স্মৃতি-স্তম্ভ সোঁৱৰাও মানুহৰ বীৰ্য আৰু
নিয়তিৰ জয়।

**দেৱকান্ত বৰুৱা**

৩৬

# তিলোত্তমা

কোন ৰূপদক্ষ ভাস্কৰৰ তিলে তিলে গঢ়া তুমি ৰূপৰ প্ৰতিমা
চিৰ নিৰুপমা !
তোমাৰ কাৰণে ৰাণী ! সদা অবিৰাম ভায়ে ভায়ে কৰিছে সংগ্ৰাম
হেৰা তিলোত্তমা !
হেজাৰ শিল্পীয়ে লেখে তোমাৰ ৰূপৰ কাব্য ৰেখাৰ ভাষাৰে, সখি
সহস্ৰ ভাস্কৰে
শিলত ফুলাই তোলে তোমাৰ সৌন্দৰ্যফুল, শিলে শিলে শেৱালিৰ
লাৱণ্য বাগৰে।
বুভুক্ষু দেৱতা কাম গৰজিছে বিশ্ব জুৰি ; ৰূপদীপ্তা ! তুমি তাৰ
পূজাৰ গোলাপ ;
সন্ধ্যাৰ কোমল ছাঁতি প্ৰিয়াৰ হাতৰ তুমি চেতাৰৰ গুঞ্জৰণ,
অপূৰ্ব আলাপ।
বননিৰ তলে তলে জোনাকীৰ হিয়া জ্বলে, আকাশত কোটি কোটি
তৰাৰ দীপালী,
নুমাই জ্বলিছা তুমি তৰাৰ জেউতি স'তে, জোনাকীৰ ছেৱে ছেৱে
হেৰা ৰাংঢালী
দৃপ্তফণা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ,
তুমি তাৰ মণি ;
উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগন উতলা কৰা
তুমি তূৰ্যধ্বনি।

মিলনৰ স্বপ্ন সানি ক্ষণে ক্ষণে চিৰদিন অশ্ৰুম্লান বিৰহক
কৰিছা সোণালী ;
হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালি কাঢ়ি উমলিছা হেলাৰঙে
পাতিছা ধেমালি।
দেশ আৰু সময়ৰ সোণৰ শিকল ছিঙি কৰিছা বিলীন এই
সীমা ধৰিত্ৰীৰ ;
উষা আৰু সন্ধিয়াৰ এন্ধাৰ-পোহৰ সানি আঁকিছা নিতউ ছবি
নতুন সৃষ্টিৰ।

দেৱকান্ত বৰুৱা

৩৭

# চকুৰ আঁৰৰ সখি

চিৰদিন আছা তুমি মোৰ এই চকুৰ আঁৰৰ
কল্পনাৰো সপোন-পাৰত।
শৰতৰ আকাশৰ নীলা বুকু ভেদি,
পূৰ্ণিমাত অন্ধকাৰ ছেদি,
থাকা তুমি বহি নিৰলত।
মোৰ এই শত অশ্ৰুপাত,
যুগে যুগে কৰি অহা প্ৰাণ-ভৰা ধ্যান,
ব্যৰ্থ সকলোটি ; পোৱা নাই জগতত তোমাৰ সন্ধান
সজল চকুৰ মই ক্ষীণ দৃষ্টি লই
মিছাকৈয়ে থাকো ৰই।

নাই দেখা, তথাপিও নামতেই অসীম প্ৰেৰণা ;
হিয়া ভৰি জাগে উন্মাদনা !
অন্তৰত বাজি আছে তোমাৰেই গান,
তাতে মোৰ পিয়াহ ইমান !

বসন্ত কালত যত ফুলে ফুল-কলি,
বিহগৰ সুৰদী কাকলি,
শৰতৰ জোন-তৰা, বাৰিষাৰ ঢউ সোণোৱালী
যক্ষৰ ক'লীয়া দূত পাহাৰত ধৰা ম'ৰা-চালি,
সকলোটি ভাহি আহে তোমাৰ নামত ;
উছৰৰ সুৰ বাজে মোৰো এই শুকান প্ৰাণত।

ৰব পাৰা চিৰদিন মোৰ এই চকুৰ আঁৰত,
তেও সখি তুমি মোৰ নিচেই কাষত !
বাস্তৱৰ আকুল বেদনা
তুমিয়ে গুচাই দিয়া নতুন প্ৰেৰণা।

সন্ধিয়া-প্ৰদীপ জ্বালি কুটীৰত মোৰ,
ক্লান্ত দেহে শুনো যেবে বতাহত উটি অহা সুৰ,
এটি দুটিকই
কত স্মৃতি আহে মনলই !
কান্দো যদি ভাবি মই জীৱনৰ অসীম কান্দোন,
তোমাৰ নামতে মোৰ ভাহে পুনু অন্তৰত সোণৰ সপোন।

**শশীকান্ত গগৈ**

৩৮

# এটা সাপ

জেঠ মাহৰ এটা উত্তপ্ত দুপৰীয়া,
এক স্তব্ধ, সাৰসুৰহীন মুহূৰ্তত,
স্বৰ্ণ-দীপ্ত সাপ এটা অপ্ৰত্যাশিতভাৱে
মই লগ পাইছিলোঁ।
তাৰ শনখেৰ-চোকা জিভাখন
তেজাল লিপ্সাত মোৰ দৃষ্টি চুই
নাচিছিল।

মোৰ ফালে আকস্মিকভাৱে
সি মূৰ তুলি চাইছিল।
সেয়া জ্ঞান-গধুৰ তথ্যৰ চাৱনি।
তাত ধ্যান-ভগ্ন শিৰৰ উত্তাপ জ্বলিছিল।

তাৰ সোণালী গাটো আলফুলীয়াকৈ,
অঁকাই পকাই সাপটো মোৰ কাষ চাপিছিল।
সি যেন বহু দিনৰ, কোনোবা অস্পষ্ট মধুৰ
এক অতীতৰ, চিনাকি অচিনাকিৰ দোমোজাৰ বন্ধু।
বাকীবোৰ এলান্ধু-কলীয়া মকৰা জাল।

সি মোক অভিজ্ঞৰ দৰে সুধিছিল ঃ
"তুমি গান জানা ? সাপ বাজীকৰৰ গান ?"
মই গান নজনা বুলি জানি তাৰ অন্তৰ
মোৰ প্ৰতি ঘৃণা আৰু তিক্ততাৰে উপচি পৰিছিল।
"গান যদি নেজানা তেন্তে জানিলা কিটো ?
ভেকুলীবোৰেও গান জানে। তুমি নেজানা ?
তুমি সিহঁতকৈয়ো বহুত নিম্ন খাপৰ।"

আকৌ এবাৰ সি
মোৰ অকৰ্মণ্য, অভং মুখখনলৈ
মূৰ তুলি চাইছিল। তাৰ চেঁচা চকু দুটাত
অগণন প্ৰশ্নবোধকৰ কাঁড়।
"তুমি কিতাপ পঢ়িছা ? বহুত কিতাপ ?
নহয় জানো ? কি কি কিতাপ বাৰু ?
কিছুমান সোণ বৰণীয়া, কিছুমান ভাল ভাল ছবি
থকা নহয় জানো ?"

মোৰ ভীতি-বিহ্বল অন্তৰে তাৰ
প্ৰশ্নৰ উত্তৰ বিচাৰি নেপালে।

অৱশেষত কিয় ক'ব নোৱাৰোঁ,
সি মাথোন ফোঁচফোঁচাই কৈ গুচি গ'ল ঃ
"তুমি অজ্ঞ। তোমাৰ জ্ঞানৰ বন্তি
জ্বলিবলৈ এতিয়াও বহুত বাকী।"

**হেম বৰুৱা**

৩৯

# পখিলাৰ জন্ম

কুমাৰী কিশলয়ৰ আৰ্দ্ৰতা মোৰ ভোগ্যা
কেচেৰু·সোঁৱালু নুনি চোমনিত বন্দী বুদ্ধকন্যা পৰ্ণশবৰী
ধৰ্ষিতা
সংগম ছন্দৰ প্ৰহসনৰত মোৰ সৰ্বাঙ্গৰ ক্ষুধাত
[ নিৰ্গমনৰ পথেৰে ভোগ কৰাৰ কি আশ্চৰ্য পদ্ধতি মানুহৰ !

কি উৎকট শ্ৰম মৈথুনত
শ্ৰমত কি পবিত্ৰ দুৰ্গন্ধি মৈথুনৰ
দুয়োৰে কি সফল, নিৰৰ্থক সৃষ্টি ! ]
অন্ত্ৰৰ বাহিৰে আৰু কাৰ ক্ষুধা ?
হাৰিতীৰ সহস্ৰ সন্তানে শেষ কৰি দিব পৰাহেঁতেন
তোমালোকৰ কবিতাৰ ৰং !
কি সুন্দৰ হ'লহেঁতেন এই তাম বৰণীয়া শুষ্কতা
অপৰূপ মৰুভূমি জোনাকত
আকাশে ৰমণ কৰা নাৰীৰ দৰে চিতাত শায়িতা.......

গৃহ প্ৰৱেশৰ মন্ত্ৰ দগ্ধ তৰুৰ প্ৰশাখা
পৃথিবীক ৰমণ কৰিব খোজা পুৰুষৰ হাত
চিতাৰপৰা ওলমি পৰা.....

কি অপৰূপ এই মৃত্যু
এই মৃত্যুৰ ত্ৰাসত
অন্তৰৰ শ্যাম বুভুক্ষাত
তোমালোকে সৃষ্টি কৰিবা শস্যৰ পথাৰ, নগৰ, গাঁও
বন্ধ কোঠাত সন্ধান কৰিবা
হৃদয়হীন শুষ্কতাৰপৰা নিগৰি ওলোৱা এক মসৃণতা
তোমাৰ অহাৰ বাটেৰে তুমি ঘূৰি গুচি যাব খুজি বৈ গৈ
দ্বিধাত আকৌ যাবা বাৰে বাৰে
তোমাৰ ভৱিষ্যতৰ সন্ধানত

তোমাৰ স্নায়ুৰ মন্থনৰপৰা
তোমাৰ অৱসাদৰপৰা
তোমাৰ প্ৰাণকোষৰ অপচয়ৰপৰা
অভিস্ৰৱণেৰে শোষণ কৰি তোমাৰ ৰক্তৰস
ভৱিষ্যত ওলাই আহিব তোমাৰ প্ৰতিকৃতি হৈ
যেনেকৈ এদিন আহিছিল তোমাৰ ভয়ৰ সন্তান ঈশ্বৰ
[ মানুহৰ সৃষ্টিতেই ক্ষান্ত মানুহৰ ক্ৰমবিকাশ ?]

** বাপা কথাটু হ'ল বিধান ৰাখাৰ কথা। ধানৰ বিধান*
*গিলা ভালকে' টোপাত শুখেই থবা লাগে,*
*নহলি পচি যাবো। **

আৰু মই সযতনে সাঁচি থ'ম
বতাহে শুকান কৰা মোৰ প্ৰাণৰসৰ তন্তুৰে নিজক বন্দী কৰি
......শুকান বাহিৰৰ ভিতৰত এক উমাল আৰ্দ্ৰতা......
চন্দন-তৰুৰ ওলোটা পেৰেঙণিত ওলমি থকা
সযত্ন কোষ ৰক্ষিত তথাগতৰ গুপ্ত অজ্ঞাত
মই জীয়াই থাকিম
নিৰলস সহজ-অকৰ্মা কালভূক মহামুনি শবাসনত
সময়ৰ মৃতদেহৰপৰা আহৰণ কৰি মোৰ পুষ্টি।
মই যেতিয়া মোৰ ভৱিষ্যতক বিচাৰি পাম
তুমি মোক চিনি নাপাবা
[ ময়ো চিনি নাপাম। মইতো জাতিস্মৰ নহওঁ ]
মোৰ ভৱিষ্যতৰ জন্ম নহয় মোৰ সত্তাৰপৰা
কাৰণ
ময়েই মোৰ ভৱিষ্যত
মোৰ ভৱিষ্যত মোৰ প্ৰতিকৃতি নহয়
মোৰেই অপৰিচিত পৰিণতি
মোৰ ভৱিষ্যত মোৰ সন্তান নহয়
মোৰেই অমোঘ পূৰ্ণতা।
মোৰ
আৰ্দ্ৰতাই তেতিয়া ডেউকা মেলিব
পৰি ৰ'ব মোৰ শুষ্কতাৰ অসাৰ্থক ঐশ্বৰ্য

[ কিন্তু হায়
উৰণেই যে আকাশ !
চৌদিশে অনন্তৰ আত্ম-ভোজী সৰ্প-চক্ৰ
মোৰ ভৱিষ্যতে মোক আকৌ সৃষ্টি কৰিব সেই শংখিল আবৰ্তত
তোমাৰ দূৰেই সি আকৌ বিচাৰি যাব
জন্মপথৰ অন্ধ গহ্বৰেৰে মৰণশীল অমৃতৰ মন্থনী
অথবা
স্নায়ু বিকলিত উচ্ছ্রিত কোনো মন্থন-দণ্ড

মোৰ অযোনিজ সত্তা
ৰামধেনু আঁকি বিলীন হ'ব জন্মাবৰ্তৰ কুম্ভীপাকত ]

**নৱকান্ত বৰুৱা**

৪০

# জয়-পৰাজয়

নামঘৰৰ দুৱাৰমুখত জয়-বিজয়। একো নকয়।
আমাৰ মাথোন চেৰাই যাবৰ মন নাযায়।
গুলচ ফুলৰ খহুলা ঠানিৰ মাজেৰে দেখোঁ
গুৰু আসনৰ গামোচাখনত তেজৰ বুটা !
হাত ভৰি নাই জগন্নাথৰ ঠেং কোঙা। তেজৰ ডোঙাত
সাঁতুৰি আহি চকুৰ পানীত গা ধুইছে। জগন্নাথে।
ৰঙন ফুলৰ জহিল থোপা। চকু ঘোপা ঠৰঙা গাৰে
নীল তেলীয়া জয়-বিজয়। দুৱাৰমুখত থিয় দি আছে
অনৰ্থকৰ ৰখীয়া হৈ।

নৱকান্ত বৰুৱা

৪১

# জাতিস্মৰ

এদিন আছিলোঁ ফুল দুটি ফুল এটি হৈ বসন্ত-মালঞ্চৰ মল্লিকা ফুল
সৰু সৰু সুৰৰ টোপাল সৰি সৰি সৰণি উপচি পৰা সুৰৰ সুৰভি
মেঘৰ পকোৱা সূতাৰে নামি অহা সোণ বৰষুণ
মই সেই খিৰিকিৰে দেখা পোৱা কাঁচগুৰি হিমানীৰ মায়া
এদিন আছিলো মই সাগৰ তলিৰ কজলা পানীৰ স'তে উমলি
ফুৰা শেলুৱা সপোন
মোৰ দেহৰ নিমজ শীতল উত্তাপে এদিন ঘৰ ল'লে
শামুকৰ চোকোৰাত
সেইবোৰ বহু জনমৰ পাহৰা সাধুৰ খেলিমেলি সোঁৱৰণী
মই যে আছিলোঁ সাগৰ বুকুৰ ঘন ঘন কোমল পিছল বন
মই যে আছিলোঁ মাছে মাছে লুকাভাকু খেলা নীল আৱৰণ
এদিন সাঁতুৰি আহিলো মুকুতাৰ ভাৰ বৈ পাৰৰ সপোন খেদি
পাৰৰ ঘাঁহত কঁপি থকা জিঞাৰ পাখিৰ নাচোন
দেখি চক খালোঁ কণমান
মোৰ লাজ লাগিছিল মই যে নঙঠা শামুক এক কঠিন দিঠক
ক'ম জানো সেইবোৰ লাজে ঢকা অতীতৰ মিঠা মিঠা সাধু
কেৰেলুৱা কুমজেলেকুৱা কেঁচু আৰু কুমটিৰ জখলা বগাই
মৌ-মাখি ফৰিং আৰু উঁইচিৰিঙাৰ জীৱন সাঁতুৰি অহা
ফুলে ফুলে জোৰা বাচি দিয়া মই যে গণ্ক পখিলা
কাঁচৰ চিচাত সোমাই শিশুৰ চকুত চমক লগোৱা জোনাকী পৰুৱা
বহুবাৰ গা ধুই উঠি নতুন বেলিৰ ৰ'দত জিৰালোঁ মই
সলালোঁ কাপোৰ-কানি বহুবাৰ অসীমৰ আন্ধাৰ কোঠাত সোমাই
কমলা ৰঙৰ সপোন যদি কুহুমীয়া হয় আকৌ উলটি যাওঁ
আকৌ কুঁৱলি হওঁ
উলটি আহিব পাৰোঁ আকৌ এবাৰ দুচকুত নতুন সপোন পিন্ধি
সাগৰ বেলাৰ বালিৰে লেখিব নোৱাৰো সময় ঘূৰি ঘূৰি উলটি আহিলোঁ
নীলচীয়া এটি কণীৰ কুহুম প্ৰাণৰ উমেৰে উমাল কৰি
আকৌ আহিলোঁ মই বালিমাহী ঘৰশালিকাৰ ডেউকা পিন্ধি

উৰি গ'লোঁ কিজানিবা চুব পাৰোঁ আকাশৰ কপালত সেন্দূৰৰ ফোঁট
উম ললোঁ জোনৰ দেশৰ সোণ-শেঁতেলীত শুই
ৰ'বাচোন খুব ভালকৈয়ে মনত পৰিছে মোৰ
জোনৰ কোলাত থকা শহা পহু এটা নামি আহিছিল ঘাঁহ খাবলৈ

ধুঁৱলীয়া দৰ্শনৰ ডাৱৰৰ খটখটি সেইবোৰ হেজাৰ জন্মৰ সাধু
বহু কথা বুটলিলোঁ অনন্তৰ বাটে বাটে বহুবাৰ অহা-যোৱা কৰি
এদিন আছিল সূৰ্য ঘূৰিছিল আপোন কক্ষত পৃথিৱী তেতিয়া স্থানু
সৌ-সিদিনাৰ কথা পৃথিৱী স্পন্দিত হ'ল গতিৰ নিচাৰে
মই সেই দুখন পৃথিৱী দুবাৰ দুযুৰি চকুৰে চালোঁ
দুভৰিত লোহাৰ গজাল পিন্ধি মই দিলোঁ মানুহক তেজৰ পিয়লা
স্বৰ্গৰ একুৰা জুইৰ অঙঠা চুৰ কৰি অনা মোৰ সেই বলিয়া আত্মাৰ
তেজৰ আঁশিসে দিলে কুণ্ঠাহীন প্ৰত্যয়ৰ অমৃত আস্বাদ
তথাপিতো মই মাথোঁ পৰিণতি জীৱন চক্ৰৰ এক দৈৰিক সন্ধিৰ
মই জানো দূৰ বহুদূৰ দিগন্তত থকা মোৰ সেই অতীত জীৱন
মই চিনি পাওঁ উপকূলে উপকূলে খুলি অহা ছিন্ন পৰিধান
কিন্তু মোৰ আঙুলিত নাই সেই যাদুকৰী কাঁচৰ আঙঠি
কঁপি উঠে য'ত দিগন্ত-বিস্তৃত মোৰ জীৱনৰ উত্তৰ দিনৰ উত্তৰণ
মই মাথোঁ জানো মই মৃত্যুহীন গলি গলি শেষ হৈ

আকৌ কঠিন হওঁ

সাজ পিন্ধোঁ আকৌ প্ৰাণীৰ দেহৰ আকৌ বৰফ হওঁ

ডাৱৰ আৰু নিয়ৰ

মই এমুঠি কুঁৱলি সত্তাৰ আপোন বাটেদি ঘূৰাঘূৰি কৰা এমুঠি ছায়া
ৰতাহত সোণৰ সূতাৰে ফুৰাওঁ ঘৰ-জেউতিৰ মাকো
মোৰ বাবে ময়ে বওঁ নতুন দেহৰ নতুন কাপোৰ
মোৰ ক্ৰান্তি-পথ নাই তথাপিতো সনাতন তীৰ্থযাত্ৰী মই
শুভ্ৰ নিখিলৰ চিৰন্তন অধিবাসী মোৰ পৰিচয়
মই চূণ-শামুকৰ শিল বিছা-পখিলাৰ পাখি

দেৱদূত হৈ নামি অহা শান্তি

ডাৱৰৰ কাগজত লিখি যাওঁ তৰাৰ কবিতা
আছিলোঁ এদিন মই দুটি ফুল এটি হৈ বসন্ত-মালঞ্চৰ মল্লিকা ফুল

**মহেন্দ্ৰ বৰা**

৪২

# মাছ

সোণালী ৰূপালী মাছ, নীলা বেঙুনীয়া মাছ
উজ্জ্বল হীৰাৰ ছটা অযুত অৰ্বুদ মাছ
কামনা-ৰঙীন
সাগৰ দুধাৰ কৰা গতি ক্ষুৰধাৰ,
হে দুৰ্বাৰ।

উৰন্ত ফিছাৰে ঢাকি সাগৰৰো বিৰাট বিস্তৃতি
পৰ্বতৰ টিং চুমা টৌকো নেওচি
দুচকুত আদিগন্ত স্বপ্নৰ উজান
হে চিৰন্তন, কামনা-ৰঙীন
সৃষ্টিৰ প্ৰথম সন্তান।

সোণালী ৰূপালী মাছ, নীলা বেঙুনীয়া মাছ,
জন্মেৰে ৰঙীন মাছ, ৰঙেৰে ৰঙীন আৰু
অজস্ৰ মৃত্যুৰ ঃ
চেপা, খোকা, পল, দলঙাত,
ঘাট-জাল, খেৰালিত, ঘিলাধাৰী নৈৰ বুকুত,
তথাপি অমৰ।
হে মাছ, হে চিৰন্তন মাছ !

**মহিম বৰা**

৪৩

# পুখুৰী

শেষ জাক বৰষুণ এইমাত্র শেষ হৈ গ'ল,
এতিয়া আবেলি,
স্নিগ্ধ দেহ বননিত ছিটিকি জ্বলিল
নীলা, সেউজীয়া ফুল-জাৰিঃ উজ্জ্বল, শ্যামল !
(বন্ধ হ'ল মাদলৰ হাত,
চাওঁতালী নাচোনৰ জাক
হাঁহি হাঁহি ছিটিকি পৰিল
পুখুৰীৰ চাৰিও পাৰত ;
শ্যামল, উজ্জ্বল !!)

মুগ্ধ মোৰ ভৰি !
বিস্তীর্ণ সন্মুখ জুৰি পাৰে পাৰে ভৰি ৰ'ল
চপ্‌চপ্‌ এটি পুখুৰী।

পলৰীয়া এচেৰেঙা ৰ'দৰ ভৰত
দেহা টলবল,
স্থিতিৰ— মুক্তিৰ সীমা টল্‌মল্‌,
চপ্‌চপ্‌ পাৰ-ভৰা এটি পুখুৰী ;
অলস মন্থৰ দেহ, অশান্ত উদ্বেল প্রাণ
প্রতীক্ষা-বিহ্বল—
জীৱনৰ স্তৰে স্তৰে পোৰা কয়লাৰ খাদ
নতুন মৃত্যুৰ গোন্ধ প্রতি উশাহত,
কোনো এক
অভিশপ্ত শাম্বৱ গৰ্ভেৰে
গৰ্ভৱতী পৃথিৱী আমাৰ !

সেয়েহে ব্যাকুল আমি
বাট চাই তোমাৰ উত্তৰ
চিকোণ শ্যামল এটি তোমাৰ উত্তৰ।

মহিম বৰা

৪৪

# পাহাৰৰ কাষেদি

পাহাৰৰ কাষেদি যি পথ মিলি গৈছে দিগন্তত
সেই পথেদি আমাৰ মন ঢপলিয়ায়
আৰু তুমি য'ত আছা সেই চহৰৰ বাগিচাত
ইমান তৰহৰ ফুল যে আমি গণিব নোৱাৰোঁ।

এই চহৰৰ বাহিৰতো ফুল আছে
চৰায়ে চিঞৰে
কাষত কলহ লৈ ছোৱালীয়ে পানী আনে
গছৰ ছায়াত গৰু-ছাগলীয়ে ঘাঁহ পাগুলে
কিন্তু আমাৰ মনে
জিৰাফৰ দৰে দূৰলৈ ডিঙি মেলি
সেই ঠাইলৈকে যাব খোজে
য'ত চিৰ হৰিৎ অৰণ্য আছে
আৰু আছে মৃত্যুৰ দৰে সান্ত্বনা।

বীৰেশ্বৰ বৰুৱা

৪৫

# জানো যে এদিন

জানো যে এদিন সন্ধ্যা নামিব আমাৰ জীৱনৰ
যিদৰে শস্যৰ শীহবোৰ
বাঢ়ে আৰু সৰি পৰে অচিন পথাৰত
আমি গম নোপোৱাকৈয়ে।

ৰাতিৰ তৰাবোৰ ঢাকিছে ডাৱৰে
দূৰৰ পাহাৰ পোহৰাইছে বিজুলীয়ে
জানো যে এদিন থাকি যাব এইবোৰ
আমাৰেই প্ৰতিবিম্ব।

**বীৰেশ্বৰ বৰুৱা**

৪৬

# ইয়াৰ পৰা কিমান দূৰ

ইয়াৰ পৰা কিমান দূৰ
কুৰুৰাটো
য'ৰপৰা আহিছে উৰি

দল ঘাঁহ পাটিদৈয়ে থৈছেনে
আবৰি তাত
এজাক সোণালী ফিছাৰ মাছ

কাৰ দুচকুত জঁপিয়াই উঠে
এজাক সোণালী ফিছাৰ মাছ
কুৰুৰাটো আহিলে উৰি

কুৰুৰাটো আহিলে উৰি
এজাক সোণালী ফিছাৰ মাছ
কাৰ চকুলোত মৰে পুৰি

নীলমণি ফুকন

৪৭

# বাট

নাৰীৰ মনৰ দৰে সেউজীয়া হাবি
ডালে ডালে লাহী দোপ মুখৰ পখী
গন্ধক পুঙৰ ছন্দ সিহঁতৰ দীঘলীয়া স্ফুৰিত কণ্ঠত
আৰু কাঠৰোকা পখীটিৰ বিলম্বিত প্ৰশ্নৰ টোকৰ ঃ

এটা কেঁচা ৰঙা বাট ইয়াৰ মাজেৰে
উঠি আহে সৌ ঘাটেদিয়ে
য'ত জুমাজুমি ৰূপালী মাছৰ
যেন অবিৰল মোৰ মগজুৰ তৰল শূন্যতা হানি
বহু ঢৌ সূক্ষ্ম সংঘৰ্ষৰ
এই বাট ভেটি সি মূৰত উচ্চাশাৰ পাহাৰ চুম্বক
নহ'লেবা ক্ৰূৰযোনী অতৃপ্ত কন্দৰ ;

* * *

কোনো এক গভীৰ নিশাত
হঠাৎ জিলিকি উঠে পৰিক্ৰমা নেজাল তৰাৰ
এটা দীঘল কাহিনী যেন টিপ্পনীৰ পিতনিত
কবিৰ প্ৰেতৰ জুই টহলি ফুৰাৰ ;
তিৰবিৰ পণ্ডিতৰ বিতচকু মৰীচিকা দেখি
নিৰুদ্দেশ কতজন ধূলিয়ৰি গ্ৰন্থৰ বাটেৰে,
স্বপ্নালুৰ অন্বেষণ চেতাৰৰ স্পন্দিত সাঁকোৰে
জাগতিক সুবুদ্ধিৰ গতি চাৰ্কাচৰ জৰিৰ বাটেৰে,
কিন্তু
আজিৰ দিশৰ বেগ কাইলৈৰ ডোঙা এৰা সুঁতি
বাটৰ প্ৰতিটো ভাঁজ মাথোঁ দ'ম দ'ম মাটিৰ বিকৃতি
মোৰ শৰীৰৰ উপশিৰা-জাল যেন গোটেই পৃথিৱী মাথোঁ—
কাৰাগাৰ জঁটীয়া বাটৰ ;

চকুলোৰ প্লাৱন ভেটাৰ কেঁচা মথাউৰি বান্ধি
পৰিশেষে দুভৰিত দীঘলীয়া বাটৰ বেদনা
হাতত লাখুটি লৈ টহলিম নদীৰ পাৰত,
দেখা পাম বিচ্ছিন্ন স্মৃতিৰ দৰে দূৰণিৰ হাতীপটি
ধনঞ্জয় বায়ুৰ দিশত ;

তথাপি এতিয়া সঁচা সেউজীয়া বনানীৰ নিচা
মোৰ সন্মুখত ইন্দ্ৰজাল ৰাঙলী আলিৰ
ভৰি তলুৱাত কোমল মাটিয়ে অনা গতিবেগ নতুন স্প্ৰিঙৰ ঃ
চমক দোমোজা এটা হঠাৎ জিঁয়াৰ।

**হীৰেন্দ্ৰনাথ দত্ত**

৪৮

# সোণালী জাহাজ

যেতিয়া আন্ধাৰ ফালি আহে এই বন্দৰলৈ' সোণালী জাহাজ
ভৰি পৰে সুদূৰৰ সোণালী শস্যেৰে এই নীলাৰ ভাণ্ডাৰ ;
দুখৰ নাবিকবোৰে দেখা দিয়ে— সোণোৱালী কৰি নীলা সাজ ;
দুখৰ বণিকে— লৈ সোণালীত ডুব যোৱা কষটি-আন্ধাৰ।

যি জাহাজ ভাহে পোহৰত— তাৰ স্বৰ্ণপ্ৰভ পালৰ পোহৰ
আমাৰে তেজৰ ৰং উচ্ছল কঁপনি তুলি সূৰ্যৰ মুখত !
যি বণিজ আনে লৈ সোণালী জাহাজে সি প্লাৱন-ভূমিৰ
ক্লেদৰ নিৰ্যাস ভৰা শস্যৰাশি ! —সোণালীত নীলা ডুবে য'ত ?

**ভবেন বৰুৱা**

৪৯

# এনড্ৰমিডাত জিব্ৰাঈল

আতৰৰ ব্যৱসায়ী বুলি আজাজিলে মোক হাঁহিছিল !
আজাজিল চয়তান,
তেওঁ আজিকালি সকলোকে হাঁহে।
হাঁহি হাঁহি ধ্বংস হৈ যাব খোজে,
মৃৎপাত্ৰত সঞ্চাৰিত হোৱা তেজক,
যি তেজত প্লাৱিত হয় ঐশ্চৰ্যময় জীৱ-কোষাধাৰ,
অনুভূত হয় য'ত
ছশ কোটি পোহৰ বছৰ ব্যাপ্ত
প্ৰস্ফুটিত পুষ্পৰ সুবাস।

পাখিত মোৰ দুই নিযুত পোহৰ বছৰৰ ভাগৰ
শ্বেতাভ বামন তৰাৰ !
গচকি আহিলোঁ যেন পলকৰ বননিৰ
ভঙা টোপালৰ ৰঙা টেঙেচিৰ নিয়ৰ।
এপাট কাঁড়ৰ দৰে মই সৰকি আহিলোঁ
হাতীপটিৰ প্ৰাচীন মহাকাশ,
ৰক্ত ৰঞ্জিত দানৱ নক্ষত্ৰৰ হুঙ্কাৰ
অন্ধকাৰৰ ৰাক্ষসিনীৰ আত্মাৰ ক'লা গহ্বৰ,
যেন চেলেকি ৰয় অদৃশ্য জিহ্বাৰে আপোন মৃত্যু
মোহ আৰু নিৰ্মোহৰ বিকশিত হৃদয়,
প্ৰাবল্যৰ সীমাহীনতা ! মই দেহহীন,
ভস্ম হ'ল মোৰ দেহ অকথিত দুৰন্ত গতিত।

আতৰৰ ব্যৱসায় নহয়
গোলাপ ফুলৰ খেতি কৰাৰহে আচৰিত চখ
এটা আছিল মোৰ !
যদিও মই এপাহ ফুল চেপি কোনোদিন
এটোপা আতৰ উলিয়াব জনা নাছিলো।

পুৰণা হাতীপটিটোৰ পৰা এচাৰ খোৱা
যেন চেচামুখৰ গৰুবাটটোত বোকা ফালি যোৱা,
গৰু-গাড়ীৰ চকাটোৰ
বোকা আৰু পানীৰ চিটিকনি, বৰষুণে ধোৱা
য'ত পোত খোৱা,
এখুদ সূৰ্যটোৰ কণমান পৰিয়ালটো,
যাৰ এহাত মাটিত, সময়ৰ হেঙাৰেৰে বেৰি,
মই বহুত গোলাপ ফুল ৰুইছিলো !
মানুহৰ হৃদয়ক দগ্ধ কৰা জুইৰ শিখাৰ মাজত,
পাৰমাণবিক দহনত দগ্ধ হোৱা
জীৱ-জন্তুবোৰৰ অন্তৰত
ফেৰোৱাৰ প্ৰাসাদত,
জম্বু দ্বীপৰ বুভুক্ষা কাতৰ ভিকহু ল'ৰাৰ মুখত !
যদিও মই এপাহ ফুল চেপি
এটোপা আতৰ উলিয়াব জনা নাছিলো।

কোটি কোটি নক্ষত্ৰপুৰীৰ এনদ্ৰমিডাৰ এই তাৰকাপুঞ্জ,
এই উপকূল,
নিসংগতাৰ আৰ্ত এন্ধাৰৰ সমুদ্ৰ পাৰ হৈ।
পাৰ নাই যি স্বপ্নৰ, খুলি খায় দেহৰ প্ৰতিটো অণু
হৃদয়ৰ প্ৰতিটো স্পন্দন,
নিযুত গ্ৰহৰ সেই জান্তৱ হৃদয় !
ময়ো অন্ধকাৰ, পাষাণ, মই দেহহীন,
পোহৰ হৈ জ্বলোঁ কাঁইটনিৰ জোপোহাত।
অগনিত সূৰ্যৰ অলেখ সন্তান
অৰণ্যৰ দৰে উদ্ভৱ হয়
নিশব্দতাৰ কবৰতলীত !
উটি ফুৰে নাও বাই নীহাৰিকাৰ নীলা সন্ন্যাসী
বুকুৰ চিতাত পুৰি নীলা আৰ্তনাদ।

কাষৰত জ্বলি অসীম ব্যাসাৰ্দ্ধৰ পোহৰৰ এটা খালি নাদ !
মই ? মই যেন চকুৰাৰ গিৰিয়েক
লুণ্ঠিত কৰোঁ ফেৰোৱাৰ প্ৰাসাদ !

**চৈয়দ আব্দুল হালিম**

# জীৱনৰ সাধনা



হে নিযতি ! তই যদিও দুখৰ
পিহনি শিলত থৈ
ভাঙিলি মোৰ জীবন শস্য
চূৰ্ণ-বিচূৰ্ণ কৈ ,
বাৰু চাবি মোৰ চকুলোৰে তাকে
সানি-পুটকি লৈ
বান্ধিম আশাৰ পিঠা-পনা লাৰু
ভুঞ্জি নিচুকিব ঐ
সহস্ৰ হৃদয়— যালৈ নেমেলে
পথাৰৰ শস্যযো থোক,
তিতিকি কেতুৰি বন-খাৰধিও
মিলক বা নিমিলক !

চন্দ্ৰকুমাৰ আগৰৱালা

৫০

## অজেয়

হে নিয়তি ! তই যদিও দুখৰ
পিহনি-শিলত থই,
ভাঙিলি মোৰ জীৱন-শস্য
চূৰ্ণ-বিচূৰ্ণ কই ;
বাৰু চাবি মোৰ চকুলোৰে তাকে
সানি পুটিকি লই,
বান্ধিম আশাৰ পিঠা-পনা লাৰু
—ভুঞ্জি নিচুকিব অই।
সহস্ৰ হৃদয়— যালৈ নেমেলে
পথাৰৰ শস্যয়ো থোক,
তিতিকি কেতুৰি বন-খাৰখিও
মিলক বা নিমিলক !

হে নিযতি ! তই
যদিও দুখৰ জ্বলন্ত কুণ্ডত
ফুটন্ত জীৱন মোৰ,
ভস্ম কৰিলি ধূলি উৰুৱালি
গচকি পেলালি ওৰ।

চা, হে'ৰ চা
চাওঁতে চাওঁতে উপচি পৰিল
ফুলে-পাতে (মোৰ) কুঞ্জলতা,
স্নিগ্ধ প্ৰেমৰ জীৱন-দাযিনী
শাখা-প্ৰশাখা যুতা।
সহস্ৰ হৃদয় জিৰাব ইয়াতে
—ফুলিব মৰুৰ মাজে,
য'ত নাছিল একোৰেই কঠুৰা কালৰ
কাইট-কলিত বাজে !

চন্দ্ৰকুমাৰ আগৰৱালা

৫১

# কৰ্মদেৱ

কি দেখিছা ? শিলেৰে বন্ধালো এই হিয়া,
সাধনাৰ অসি হাতে ওলালোঁ এতিয়া।
কৰ্মফল উছৰ্গিলো কৰ্মদেৱলৈ
শৰীৰৰ ভস্মৰাশি দশদিশলৈ।
কি ভয় মৰণে-ৰণে, নাই, ভয় নাই,
কৰ্তব্য-মুকুট শিৰে পিন্ধালে গোসাঁই।
পুণ্যময় তেজকণ উঠক উছাহি
তেজঃপুঞ্জে প্লাৱিত কৰোক শৰৰাশি।
শক্তিৰ মন্ত্ৰেৰে আৰাধিলোঁ ইষ্টদেৱ
শক্তিৰ সন্তান মই নোহোঁ আৰু কেও।

চন্দ্ৰকুমাৰ আগৰৱালা

৫২

# বীণ-বৰাগী

(২)

লোকালোক সউ মুখৰিত হ'ল
উদিল পূজাৰ বেলি
জ্বলিলে হেঙুলী ধূপ-ধূনাৰেই
নীলিমাৰে খেলিমেলি,
কতনা কালৰ মানৱ সন্ততি
আৰাধিছে বিয়াকুল
বিশ্বৰ প্ৰেমত বিভোৰ মগন
উছৰ্গি ভকতি-ফুল।
মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত,
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হ'ক প্ৰতিভাত।

(৩)

আগতে সন্ধিয়া, দীঘলীয়া ৰাতি
বাটৰ পৰা নাই ওৰ,
বিশ্ৰাম বিচাৰি গছৰ তলত
বহিল বৰাগী মোৰ।
দিনৰ পিছত সন্ধিয়া আহিছে
খণ্ডিছে ভাগৰ-দুখ
পৰিছে পাছত, আছেও আগত
যুগৰ উপৰি যুগ।
বাটৰ আগত বাট বাঢ়ি যায়,
ক্ষন্তেক জিৰণি আহে,
ক্ষন্তেকতে মোৰ অন্তৰ সুখৰ
সোণালী সপোন হাঁহে।
সুলকিছে লাহে সংসাৰৰ বান্ধ
মুকলিছে মন মোৰ,

মুকলি আকাশ, মুকলি, মুকলি
প্ৰকৃতি আইৰ মুৰ।
দিয়াহে মুকলি কৰি মোৰ প্ৰাণ,
দিয়াঁ দেৱী দিয়া দিয়া,
দিয়া দিব্য চকু, বিমল জেউতি,
দেখি উধাৰোক হিয়া,
সুখৰ সঙ্গীত গোৱাঁ, দেৱি গোৱা
জগত নিচুক হ'ক,
দুখ দ্বন্দ্ব শোক পাহৰি কোঢ়াল,
শান্তিৰে বুৰোক লোক।
দেখিছোঁ পৃথিৱী স্বৰ্গতো অধিক,
মানুহৰ নিজাপী ঘৰ,
মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰাৎপৰ।
মানুহৰ প্ৰীতি সাধিবলৈ চোৱাঁ
বিশ্বজগত কল্পনা,
আল ধৰিবলৈ সহস্ৰ প্ৰদীপ
আৰতিৰ ধূপ-ধূনা।
ফল ফুল জল চন্দন ভূষণ,
মলয়াৰ শীতলী বা,
মানুহ সন্তোষ হক বুলি চোৱাঁ
আছে য'ত লাগে যিবা।
হাঁহিছে মানুহে, কান্দিছে মানুহে,
পাতিছে মানুহে প্ৰেম,
ধূলিতে উদয়, ধূলিতে বিলয়,
ধূলিও স্বৰ্গীয় হেম।

(৯)

দিব্য দৃষ্টিৰে ফুৰা মোৰ বন্ধু
অনন্ত দাপোণ মেলাঁ—
দিগন্ত প্ৰসাৰি আকাশী নেত্ৰেৰে
চোৱাঁচো সৃষ্টিৰ খেলা।

নীলিম পুণ্যৰ প্ৰভাই জিনিছে
শ্যামল পৃথিৱীখন,
মহাজলাশয় সাগৰে গৰ্জিছে
উত্তাল নিগমন।
সৰগী বায়ুৰ ৰিবৰিবনিত
পুনৰ থমকি ৰয়,
হৃদি-সিন্ধু বাৰি ফুটন্ত হাঁহিৰে
শতধা বাগৰি বয়।
সোণালী মেঘৰ প্ৰতিবিম্ব তাতে
স্বৰ্গীয় বিচিত্ৰ লীলা.
মহান আত্মাৰ আদৰ্শৰে লেখা
ফুলাম চানেকীখিলা।
বিচিত্ৰ মেঘৰ ভাবেৰে ৰঞ্জিত
মানৱী আত্মাৰ খেল,
মহামহত্ত্বৰ অভিলাষী নৰ
বিশ্বৰ প্ৰাণেৰে মেল।

চন্দ্ৰকুমাৰ আগৰৱালা

৫৩

# কবিৰ প্ৰাৰ্থনা

## (সীতাহৰণ কাব্যৰ পৰা)

লক্ষ্মণ সীতাৰ সহ, পিতৃসত্য পালি,
দাশৰথি ৰঘুপতি পঞ্চবটী বনে
তপস্বীৰ বেশে, ভক্ষি বন ফল মূল
তপস্বী-আহাৰ, যৱে ছিলা বনবাসে ;
কিৰূপে ৰাৱণ বলী লঙ্কা-অধিপতি
হৰিলা জনক-সুতা— যিটো অপৰাধে
মৰিলা সবংশে পাছে ৰাক্ষস-ঈশ্বৰ
দেবকুল-অৰি— সেহি ৰামায়ণ গীত
গাইবে বাঞ্ছিছোঁ আমি মূঢ় অকিঞ্চন
অমিত্ৰ-অক্ষৰ ছন্দে, হে মাতঃ বাগ্দেবি !
যি ছন্দে গাইলা বহু মধুময় গীত
তব অনুগ্ৰহে অতি প্ৰিয় পুত্ৰ তব
শ্ৰীমধুসূদন বঙ্গ কবিকুলমণি।
অতি দুৰাকাঙ্ক্ষা কিন্তু কৰিছোঁ মনত
হীন আমি, শ্বেতভুজে ! অবুজ অন্তৰে
কিয় হ'ল হেন ইচ্ছা নাজানো কাৰণ।
সুদূৰ আকাশস্থিত নক্ষত্ৰক দেখি,
উঠিবে ইচ্ছয় ক্ষুদ্ৰ খদ্যোত পিপৰা
প্ৰকাশিয়া নিজ তেজ অতি গৰ্ব মনে ;
কিন্তু ক্ষীণদেহী প্ৰাণী হীনবল অতি,
ইচ্ছিলে কি হ'ব ? পাছে অপাৰগ হুয়া
সলজ্জ অন্তৰে হায় অধোগামী হোৱে।
আমিও কৰিছোঁ, দেৱি, সিমত দুৰাশা,'
দেহে কিন্তু নাহি বল, নাহি কোনো গুণ ;
হাসে কিবা বুধজন বুদ্ধিহীন মোক,
ইভয়ে কম্পিত হিয়া, লেখনী স্থগিত।

কৰিও কৰুণা মূৰ্খে, মূৰ্খতা-নাশিনি !
দয়াময়ি ! দীনজনে কৰিওক দয়া ;
কি জানো ভকতি তব শ্ৰীপদ পঙ্কেজে
আমি অপদাৰ্থ দাসে ? কি বুজোঁ অবুজে
অনন্ত মহিমা তব, অনন্ত ৰূপিনি !
দিয়া পদছায়া. মাতঃ, গাওঁ আমি ৰচি
বৈদেহী হৰণ গীত, তব অনুগ্ৰহে !

ভোলানাথ দাস

৫৪

# গুহাত গদাপাণি

গদা ঃ নিৰ্জান গুহাত
অহ, অকলই মই !
অকলে আপোন মনে কৰিছোঁ বিহাৰ,
পাহৰি সংসাৰ চিত্ৰ, পুত্ৰ পৰিয়াল,
আৰু মোৰ ৰাজ্যচিন্তা, আত্ম বাহুবল।
তপস্যা সাধন নোহে ব্ৰত জীৱনৰ,
নাছিল সমূলি বৈৰাগী জনৰ ভাব
আদি জীৱনত। আজিও বীৰৰ তেজ
বয় প্ৰতিসিৰে ; বীৰভাব বীৰকাজ,
পালিছোঁ আজিও,— আজিও জীৱন-ব্ৰত।
তেন্তে এই ছদ্ম বেশ কিয় আজি মোৰ !
কিয়বা নিৰ্জান বাস ভৰ বয়সত ?
জন-প্ৰাণী অসঞ্চাৰ, নাই সমাগম ;
চৰাই-চৃকটি মাথোঁ পশে এই ঠাই,
চিন্তা শূন্য প্ৰাণ তাৰ, অতি নিৰমল,
উলাহত নাচি নাচি উৰে ! কিন্তু হায়,
চিন্তাৰ বিকাৰে যাৰ দহে মন-প্ৰাণ,
জন-সমাজত যাৰ নাই শান্তি লেশ,
নাই তৃষ্ণা, লিপ্সা গৌৰবত যাৰ,
সেই দুৰ্ভগীয়া নৰে প্ৰৱেশে ইঠাই,
অপাৰ চিন্তাৰ পাৰ পাওঁ বুলি ভাবি।
কাপুৰুষ সিটো, যদি সি সংসাৰী ;
সংসাৰ-ধুমুহা যিটে সহিব নোৱাৰি,
অকলই প্ৰাণ লই বিচাৰে জিৰণি।
তদ্ৰূপ মিলিছে দশা এই জীৱনত ;—
মানিলোঁ বিষম ঘাট সংসাৰ যুঁজত,
আহিলো অনাথ কৰি ভাৰ্যা-পুত্ৰ মোৰ,—
বাঘৰ চোঙত সিংহী, সিংহৰ পোৱালি !

এৰিলে প্ৰিয়াই দেহা পাপীৰ হাতত,—
থাকিলোঁ আগতে চাই ! ভুঞ্জিলে সাক্ষাতে
নিৰ্যাতন যতমানে,— নাযায় কথন—
তথাপি নহ'ল মোৰ শক্তি উদ্ধাৰৰ।
অনাথ সন্তান দুটি মাতৃ-বিয়োগত
উন্মাদ হইছে জানো ! বাঢ়িছে আৰাৰ
জানো নাৰী বিলাপৰ ! শত্ৰু-হাঁহিয়াতে
লগায় খলক জানো ! হিয়াভেদী ভাবে
কঁপাই মেদিনী যেন বাজিছে প্ৰাণত,
মৰ্মান্তিক খেদ তাৰ ; অতি অসহন।
দুৰ্বল হইছে হিয়া, নাই মনোবল,
ধৈৰ্যতাই দিছে এৰি বাট ! কিন্তু হায়
মৌন ব্ৰত জীৱনৰ উদ্দেশ্য নহয়,
নোশোভে সি ৰীতি এই কৰ্মজীৱনত।
কাপুৰুষ মই ?— পশুবত বনচৰ !
প্ৰাণৰ মায়াত কৰিছোঁহি গুপ্তবাস !
ভাবিছোঁ মঙ্গল আজি জন-সমাজৰ
ক্ষুদ্ৰ প্ৰাণ নিৰাপদে আছে দেখি মোৰ !
ধিক্ এই জীৱনত, ধিক্কাৰো শতেক !
মোৰ সম নৰাধম, পাশৰ পৰাণ,
নাই পৃথিৱীত !— সাধ্বী সতী জয়মতী
প্ৰিয় ভাৰ্যা যাৰ ; যাৰ হন্তে বীৰজায়া
হ'ল তনুত্যাগী, অসহ্য যন্ত্ৰণা সহি ,
ৰাখিলে যি কীৰ্তিৰাশি আদৰ্শ সতীৰ ;
যাৰ নামে নাৰীবল আজি ধৰণীত ;
সেই ভাৰ্যা ভাব ভুলি, আছোঁ নিজঞ্জালে,
আত্মচিন্তা কৰি সাৰ !— ধিক্, ধিক্, ধিক্ !
ধিক্ মোৰ বীৰনাম, ধিক্ বাহুবল,
ধিক্ আৰু উচ্চ আশা ৰাজপাটলই !
পাহৰিছোঁ বীৰ ধৰ্ম আজি ? বীৰ তেজ
সিৰে মোৰ নবয় এতিয়া ? নাই আৰু
সাহ-পিত, জীৱনৰ উদ্দেশ্য মহান্ ?—
নতুবা ই ছদ্মবেশ, গুপ্ত গুহাবাস,

কি সংতে বঞ্চিছোঁ আজি ? পাহৰিছোঁ আজি
বীৰ প্ৰতিজ্ঞা মোৰ,—প্ৰতিশোধ লোৱা ?
পীড়িলে যি প্ৰিয়া মোৰ পাশব পীড়নে,
নিতে নৰ শাস্তি ঘোৰ যাৰ আদেশত
সহিলে প্ৰিয়াই মোৰ ধৰণী সমানে,
নলওঁ যদ্যপি তাৰ নাৰীবধী প্ৰাণ
নুজুৰায় প্ৰাণ মোৰ নিশ্চয়  নিশ্চয়।
নাই মোৰ সৈন্যবল, ৰণৰ সমল,
নাই আৰু বন্ধুজন আলোচন হেতু ;
নুবুজো প্ৰজাৰ মন ; নাজানো যতেক
মিত্ৰৰাজ সম্প্ৰদায়,—কাৰ কিবা মতি।
তথাপি প্ৰতিজ্ঞা মোৰ, যুঁজিম অকলে ;
অকলে উভালি যত বিঘিনি বিৰিষ,
বায়ুবেগে প্ৰৱেশিম আপোন নগৰ,
আক্ৰমি বিক্ৰমে মোৰ লম সিংহাসন।
অকলেই হনুবীৰে দহি লঙ্কা পুৰী,
যিমতে সাধিলে সিদ্ধি সীতা উদ্ধাৰৰ ;
ছদ্মবেশী ভীমসেনে প্ৰদমি যিমতে
দুৰ্দান্ত নৃপতিদল সয়ম্বৰ দিনা,
ৰাখিলে গৌৰৱ ৰাশি দ্ৰৌপদী সতীৰ,
তদ্ৰূপ মোহাৰি মই সৈন্য সেনাপতি,
গৰাহত লম ৰজা, মন্ত্ৰী, পাৰিষদ,
আৰু যত পাত্ৰমন্ত্ৰী বিপক্ষ দলৰ।
কৰিম যুগুতি পাছে, প্ৰিয়াৰ গৌৰৱ
জিলিকাই ৰাখিবৰ হেতু ; প্ৰতিশ্ৰুত
হলোঁ আজি ধৰ্মসাক্ষী কৰি। লৰে
যদি হিমাচল,নলৰে বচন মোৰ। আৰু
ঘটে যদি বিপৰ্যয়— বিধি-বিপাকত,—
গদা নাম পৃথিৱীত নধৰোঁ, নধৰোঁ,
সত্যে, নধৰোঁ নিশ্চয়।

পদ্মনাথ গোহাঞিবৰুৱা

৫৫

# অকলে লগত

নিজান নিটাল, নাই প্ৰাণীৰ সঞ্চাৰ
সংসাৰী লগৰী যত, বহু নিলগত,
নুশুনি আৰাৰৰাৱ/জীৱিকা বেহাৰ ;
নিজম প্ৰকৃতি জীৱ বহু ভাগৰত।
উঠা-পৰা, হঁহা-কন্দা জীৱন-যুঁজৰ,
অশান্তিৰ নাই চিন্ ভৱ-দুপৰীয়া ;
নাই কোনো লগৰীয়া কথা পাতিবৰ,
বিৰহী পৰাণ এটি অকলশৰীয়া !
আলাপত নাই ৰাপ বিলাস নজনা
সমাজৰ মাজ হই জীৱন্তে নোপোৱা,
নিবোকা চামোন সিটি, সততে বিমনা,
সঙ্গত্যাগী ৰঙ্গাহীন সংহাৰ বেহোৱা,
আছে কোনো মুগ্ধ প্ৰাণ চিন্তালগৰীযা,
সাবটি সাহিত্য চৰ্চা উন্নতি কল্পত,
জীৱন উছৰ্গা কৰি ভৱ ভাৱৰীয়া,—
জিৰাবৰ ছেগ নাই,—অকলে লগত।

পদ্মনাথ গোহাঞিবৰুৱা

৫৬

# নৱবৰ্ষ

(১)

নৱ বৰষৰ নবীন সঙ্গীত
কাণত হইছে ধ্বনি।
দূৰ ভৱিষ্যৰ আশাৰ বেণুটি
শুনা যায় ৰিণি ৰিণি।

(২)

অসীম অনন্ত কালৰ সাগৰ
জনম নজনা ঠাই ;
মৰণ ক'তনো সিয়ো অগোচৰ,
আগগুৰি একো নাই।

(৩)

অনন্ত সাগৰ গৰজিছে সদা,
ঢউৰ উপৰি ঢউ ;
তাৰে এটি ঢউ মাৰ গ'ল আজি
কাজত একোকে নউ।

(৪)

আশাৰ মোহন মূৰতি আগত
হিয়াত কৰি থাপন ;
নৱ বৰষক নবীন উছাহে
আনো কৰি আৱাহন।

(৫)

পুৰতি নিশাৰ কুলিয়ে পুৱাতে
মঙ্গল উৰুলি গাই,
নৱ বৰষৰ দিলেহি জাননী
মলয়া চোঁৰৰ লই।

(৬)
হেঙুলী বেলিৰ নতুন কিৰণে
গগন উজ্জ্বল কৰে ;
বন-দেবী সৱে ফল-ফুল আনি
তোমাৰ যোগান ধৰে।

(৭)
ঘৰ-বাৰী মচি গৰু-গাই-ধুই
নতুন কাপোৰ লই ;
নতুন সাজেৰে উৎসৱৰ মাজে
আদৰি আনিছে গই।

(৮)
স্বৰগ, মৰত, প্ৰকৃতি, মানুহ
সকলো আনন্দময় :
মেঘে মেঘে মিলি সাৱটা সাৱটি,
জগত কবিতাময়।

(৯)
চাওঁতে চাওঁতে পল পল কৰি
দ্বাদশে মেলানি ল'লে
সৰিৎ, সাগৰ, আকাশ, পৃথিৱী
বিদায় সঙ্গীত গালে।

(১০)
চাওঁতে চাওঁতে এখোজ বঢ়ালোঁ
মৰণ-দেশৰ পোনে,
জীৱন-বুৰঞ্জী মেলি এবে চোৱাঁ
হাৰিল জিকিল কোনে।

(১১)
নতুন তেজেৰে নতুন বলেৰে,
নতুন টঙালি লই।

প্ৰতি মুহূৰ্ততে আগবাঢ়ো ব'লা
'অতীত' নিদিওঁ ঠাই।

(১২)
ওপৰে ঈশ্বৰ দয়াময় পিতা,
তলত মানুহ ভাই ;
সাহে বুকু বান্ধি ব'লাচোঁ সকলো
জগত জিনিম গই।

(১৩)
কুল্ কুল্ কুল্ বইছে তটিনী
সদায় সিন্ধুৰ ফালে,
আমি কি মানৱ নিজ লক্ষ্যলই
নেযাম কোনোবা কালে ?

(১৪)
নীল আকাশত হাতীপটি মাজে
তৰাই পাতিছে থূল,
সেই বুলি কোনো তৰাই নকৰে
আপোন লক্ষ্যৰ ভুল।

(১৫)
নতুন বছৰে দিছে সোঁৰৰাই
আমাক আপোন কাজে,
নতুন উৎসাহে হওঁ ব'লা সৱে
বিজয়ী জগত মাজে।

(১৬)
সৌভাগ্য বেলিৰ হিৰণ কিৰণ
পূবত ফুটিছে সৌৱা,
হাতত পতাকা লই ব'লা সৱে
উলাহ সঙ্গীত গোৱাঁ।

**আনন্দচন্দ্ৰ আগৰৱালা**

৫৭

# স্বদেশৰ স্বাধীনতা

স্বদেশৰ স্বাধীনতা, তাৰ অৰ্থে যিটো
জীৱন উৎসৰ্গ কৰি মৰে সমৰত—
মৃত্যু তাৰ হয় শান্তি ; মহানিদ্ৰা তাৰ
অনন্ত বিশ্ৰাম মাথোঁ বিশ্ব জননীৰ
কোলাত (শান্তিৰে ভৰা) ; অগ্নি তাৰ কাষে
সুধাংশুৰ ৰশ্মি যেন ; ভূমি শয্যা তাৰ
ফুলৰ কোমল শয্যা ; শেল-শূল গাত
মাথোঁ পুষ্প-বৰিষণ।

**হিতেশ্বৰ বৰবৰুৱা**

৫৮

# কবি

মৰতত থাকি তুমি নিতে লোৱা ঘ্ৰাণ
নন্দন বনত ফুলা পাৰিজাত ফুল ;
আঁকা কত ছবি তুমি সুন্দৰ অতুল
অমৰাপুৰৰ, কবি, অমৰ-পৰাণ !
সুখে আৰোহণ কৰি মানস ৰথত
কল্পনা-ৰাজ্যত তুমি কত ক্ৰীড়া কৰা ;
পিয়াহ আতুৰ, হায়, নৰৰ মুখত
অমৃতৰ ৰস আনি আঁজলিৰে ধৰা।
দেৱতা ! দেৱতা ! কবি, এই জগতৰ
তুমিয়ে জীৱন্ত দেৱ, প্ৰতিমা দেৱৰ ;
কি স্বৰগ, কি মৰত, কি পাতালপুৰী
কি নগৰ, কি অৰণ্য, তীৰ সাগৰৰ,
সকলোকে দেখা তুমি ; সকলোতে ফুৰি
আঁকা ছবি সকলোৰে, তুমি চিত্ৰকৰ।

**হিতেশ্বৰ বৰবৰুৱা**

৫৯

# মৰুভূমি

**(কাৰবালাৰ পৰা)**

হে দেৱি ! অনন্তৰূপা, বিশ্ব বিমোহিনী
মায়াময়ী মৰুবালা অনন্ত বিস্তাৰি
আহা কি অপূৰ্ব ধৰিছা মোহিনী-ৰূপ !
মানৱ দৃষ্টিৰ সীমা ব্যাপে যতদূৰ
কেৱল বালিৰে ভৰা দিক-দিগন্তৰ,
প্ৰস্তৰ কঙ্কৰময় মৰুভূমিখনি।
কিন্তু দেৱী ! তোমাৰ ই সুবিসাল বুকু
কৰিছে বঞ্চিত কিয় প্ৰীতি সুখকৰ,
সৌন্দৰ্য সুষমাৰাশি ৰম্য প্ৰকৃতিৰ !
বহুজীৱ সমাকীৰ্ণ নিবিড় আলয়,
অভ্ৰভেদী গিৰিমালা, উচ্চ শৃঙ্গ তুলি
কৰা নাই কিয় নিজ মহত্ত্ব বিস্তাৰ ?
কিয়বা নেদেখোঁ আৰু গিৰি নিতম্বত
শিখৰ তৰঙ্গামালা, মুক্ত কেশদাম !
বল্লৰী বেষ্টিত কুঞ্জ বিতানে বিতানে
সুবাসিত কুসুমিত কুসুম স্তবকে,
কৰা নাই কিয় বাৰু সৌন্দৰ্য বৰ্দ্ধন ?
শ্যামল বিটপীৰাজি ফলৰ ভৰত
হোৱা নাই অবনত ! নুশুনো কি হেতু
বিচিত্ৰ বৰ্ণৰ কলকণ্ঠী বিহঙ্গৰ
মধুৰ অস্ফুট ধ্বনি ? বিবিধ সুৰত
হোৱা নাই মুখৰিত নিকুঞ্জ কুটীৰ !
কোৱাচোন বাৰু, স্বাভাৱিক সৌন্দৰ্যৰ
ৰূপ-লাৱণ্যই তোমাৰ বুকৰ পৰা
লইছে বিদায় কিয় চিৰদিনলই ?
হুতাশৰ দীৰ্ঘশ্বাস দীৰ্ঘ দিন ধৰি
কাঢ়ি আছা অহৰহ উদাস ভাৱত !

গাইছা নিৰ্মম সুৰে, প্ৰাণ উন্মাদিনী
ভীতি সঞ্চাৰিণী গীতি 'হায় হায়' ৰৱে !
নিৰাশাৰ সহচৰী প্ৰেতিনীসকলে
কৰিছে তাণ্ডৱ নৃত্য বিবিধ ভঙ্গীৰে,
অসহায় জীৱকুল সংহৰণ হেতু
বলিছে প্ৰচণ্ড বেগে ৰাক্ষসী 'চামুণ্ড' ।
মাৰ্ত্তণ্ড ময়ুখ মালা দিগন্ত বিয়পি
জলন্ত অগনি শিখা আছে জিভা মেলি
তৰুতৃণ লতাহীন ঊষৰ ভূমিত ।
উত্তাল তৰঙ্গ তুলি মহাসিন্ধু যেন
কৰিছে আনন্দে নৃত্য শত বাহু মেলি,
ঠায়ে ঠায়ে আছে কত শোভি, মায়াৰূপা–
স্ৰোতঃশীলা তৰঙ্গিণী । তৰঙ্গে তৰঙ্গে
মোহন নৰ্তনে যেন বিশ্ব বিমোহিনী
খেলিছে বিবিধ খেলা । কত পথভ্ৰষ্ট
হতভাগ্য প্ৰৱেশিছে দলে দলে তাত ।
তৃষ্ণাত আতুৰ মোহমুগ্ধ জীৱদল ;
তীব্ৰ যাতনাত পৰি মৰ্মভেদী সুৰে
বিচাৰি ফুৰিছে পানী । কিন্তু মিছা আশা,
সকলো যে জলভ্ৰম ! তপত বালিত
প্ৰখৰ কিৰণকণা কৰি তিৰবিৰ,
দূৰ পথ ভ্ৰান্ত শ্ৰান্ত পথিক দলক
ওপজাই দিছে মাত্ৰ চিত্তত বিভ্ৰম ।
সকলো যে মায়াময়ী মৰীচিকা লীলা !
সংসাৰৰ মায়ামোহ স্নেহ মমতাৰ,
বান্ধ ছিঙি অকালতে, তোমাৰ কোলাত
সামৰি জীৱন লীলা লভিছে বিশ্ৰাম
চিৰদিনলই । শৰীৰ ৰোমান্স হয়
দেখি সেই ছায়াবাজী শ্মশান ক্ষেত্ৰত ।
যদিওবা ভয়াবহ ঘটনাৰাশিৰে
বান্ধি খাই আছে তথু তপ্ত বুকুখনি ;
কিন্তু সিক্ত সদা ফোৰাতৰ স্নিগ্ধজলে
বেলাভূমিখনি । সুন্দৰ শ্যামল তৃণে

শোভি আছা তুমি কাৰবালা 'কাৰবালা' !
কোনে সৰজিলে, কোন তেওঁ বিশ্বপিতা ?
কি দোষ বা কৰিছিলা অভাগিনী তুমি,
যিজনৰ কটাক্ষত চিৰদগ্ধ হই
ভুগিছিলা বহুকাল নিগ্ৰহ যাতনা ?
যদিও দুখৰ বোজা লইছা বুকুত
অহৰহ, কিন্তু নাই আৰু সেইদিন ;
উকলিছে কৰ্মভোগ, লভিছা সান্ত্বনা।
কোনেবা তোমাক দেৱি ! শাপ-মুক্ত কৰি
মচি দিছে হৃদয়ৰ কলঙ্ক কালিমা !
দাশৰথি পাদস্পৰ্শে অহল্যা পাষাণী
পালে যেন মোক্ষ ধাম ; লভিলে মুকুতি
তাড়কাৰ লীলা ক্ষেত্ৰ দণ্ডক কাননে।
ধন্যা তুমি ভাগ্যৱতী আৰব জীয়াৰী।
তোমাৰ কোলাতে 'ৰছুল'ৰ প্ৰিয় নাতি
পৱিত্ৰ এমাম বংশে ধৰ্ম যুদ্ধ হেতু
দিছে আত্ম-বলিদান আনন্দ মনেৰে।
গৌৰৱ মুকুট পিন্ধি তুলি উচ্চ চূড়া
জিলিকিছে হুচেনৰ সমাধি মন্দিৰ।
কত দেশ বিদেশৰ লক্ষ লক্ষ প্ৰাণী
কৰিছে জীৱন ধন্য লভি দৰশন।
বিভীষিকাপূৰ্ণ স্থান জন কোলাহলে—
মুখৰিত আজি ! দেৱী কাৰবালা তুমি
মৰুময় কায়া গুচি হ'লা ধৰ্মক্ষেত্ৰ।
বিষাদ-কাহিনী সমৃতি এমাম বংশৰ
ধৰিছা বুকুত দেৱী কত যুগ ব্যাপি !
মোচলেম জগতত কোটি কণ্ঠ ভেদি
উঠিছে সি প্ৰাণস্পৰ্শী 'মৰচিয়া' গীত ;
আজিও কৰুণ সুৰে গাইছে বুৰঞ্জী।
পৰিলে মনত সেই দূৰ অতীতৰ
হৃদয় বিদৰা স্মৃতি কৰুণ কাহিনী ;
বিষাদৰ অশ্ৰুজলে তিতি যায় বুকু।

**ৰঘুনাথ চৌধাৰী**

৬০

# প্ৰশস্তি

ঊষাৰ কুঙ্কুম ৰাগে ৰঞ্জিলে বসুধা
দশোদিশ উদ্ভাসিত কৰি,
নৱ কিশলয়দলে চামৰ ধুলাই
প্ৰকৃতিক আনিলে সাদৰি।

কৰি চিত্তহাৰী যত ফুল্ল কুসুমৰ
আনন্দত প্ৰাণ টলমল,
মন্দিৰৰ উপেক্ষিত ৰবাব ফুলেও
দিছে যাচি প্ৰেম-পৰিমল।

উঠে তৰু শিৰে শিৰে বন-বিহঙ্গৰ
ছন্দভৰা সুমধুৰ তান—
জল স্থল অন্তৰীক্ষ সকলোতে যেন
দেৱতাৰ মহা অভিযান।

কৰি দীৰ্ণ জৰাজীৰ্ণ পুঞ্জীভূত ক্লেদ
শেষ হ'ল মহা কালৰাত্ৰি,
উঠা হে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ,
উঠা যত মুক্তি পথযাত্ৰী।

মোহন কীচক বেণু অনাহত ছন্দে
গায় মহামহিমৰ গান—
মোহ তন্দ্ৰালস তেজি উঠা ভক্তবৃন্দ !
সুন্দৰৰ কৰা ৰূপধ্যান।

ৰঘুনাথ চৌধাৰী

৬১

# মানৱ-দেৱতা

ৰিক্ত পাত্ৰখনি মোৰ পৰিছে উপচি
বেদনাৰ অনুভূতি, বিপুল আৱেগ
আৰতিৰ উপচাৰে। অস্ফুট ভাষাত
নিৰানন্দ জগতৰ করুণ উচ্ছ্বাস ;
স্তৰে স্তৰে ছন্দে ছন্দে উঠিছে ঝঙ্কাৰি
সীমাহীন প্ৰান্তৰৰ উদাস সঙ্গীত।
বিশ্বৰ সভাত যি আসন হেৰাই
জীৰ্ণ শীৰ্ণ উপেক্ষিত আজিও যি জাতি
নৈৰাশ্যৰ অৱসাদে তন্দ্ৰা অভিভূত ;
শত শত লক্ষ্যভ্ৰষ্ট গণ জীৱনৰ
সুগভীৰ বেদনাৰ তীব্ৰ হাহাকাৰ,
বিধাতাৰ সিংহাসন উঠিছে আলোড়ি !
হে মানৱ ! প্ৰগতিৰ অগ্ৰদূত তুমি,
প্ৰেমৰ দেৱতা, সাম্য মৈত্ৰী স্বাধীনতা
বিজয় কেতন গৌৰৱৰ শিখৰত
উৰিছে সগৰ্বে হে সাধক কৰ্মযোগী !
মহাত্যাগী দধিচীৰ দৃঢ় সঙ্কল্পৰ
মহান প্ৰেৰণা লই চিত্ত কৰা জয় ;
কৰা মুক্তি-আহৱৰ দুৰ্লভ সাধনা
জয় হ'ক শুভ যাত্ৰা মুক্তি-অভিযান।

**ৰঘুনাথ চৌধাৰী**

৬২

# দান

পুঞ্জীভূত বেদনাৰ তীব্ৰ আঘাতত,
আলোড়িত হয় যেবে ক্ষুদ্ৰ বুকুখনি ;
ব্যৰ্থতাৰ অৰুন্তুদ কৰুণ সুৰত,
বাজি উঠে প্ৰলয়ৰ হাহাকাৰ ধ্বনি ;
নাজানো তেতিয়া কোন মাহেন্দ্ৰ ক্ষণত,
পাওঁ কাৰ সান্ত্বনাৰ কোমল পৰশ ;
অনাবিল কহ্লাৰৰ প্ৰেম-সৌৰভত,
সুৰভিত হয় মোৰ মানস-সৰস।

**ৰঘুনাথ চৌধাৰী**

৬৩

# ই যে অগ্নি-বীণাৰ তান

এইটো নহয় হাঁহি-তামাচাৰ ভাগৰ জুৰোৱা গান—
ই যে জীৱন-মৰণ একাকাৰ কৰা অগ্নি-বীণাৰ তান।

ই যে শত অপমান লাঞ্ছনা হানি উজৰা অসীম তাপ,
ই যে ৰুদ্ধ আত্ম-বেদনা নিজৰি ওলোৱা অনল ভাপ।

ই যে সুধাৰ কাৰণে দেৱ-দানৱৰ সিন্ধু-মথন গান,
ই যে মৃত্যুঞ্জয় পদৰ কাৰণে মহা হলাহল পান।

ই যে মাতৃ-চৰণ-পূজাৰ বেদীত হৃদয় ৰক্ত দান,
ই যে ভাই ভাই সৱে চকু পচাৰতে এক হৈ যোৱা প্ৰাণ।

ই যে হীনতা-নীচতা, ভীৰুতা-দীনতা জোঁকাৰি পেলোৱা ভাৱ,
ই যে এক ৰূপে ৰসে, এক ৰঙে-চঙে এক কৰি দিয়া ছাৱ।

ই যে মহা মানৱতা মূৰ্ছিত হোৱা অতি ঘোৰ অপমান,
ই যে উৎপীড়নৰ ঘৃণিত গৰ্ব গুৰি কৰা অভিযান।

ই যে সুপ্ত জীৱন-চকোৱা জগোৱা বজ্ৰ নিনাদ তান,
ই যে মানৱৰ অধিকাৰ হেতু কৰা শৃঙ্খল অভিযান।

ই যে নৰনাৰায়ণ লাঞ্ছিত হোৱা ভয়াবহ ইতিহাস,
ই যে জীৱনৰ হকে মৰিবৰ হেতু প্ৰাণভৰা অভিলাষ।

ই যে মুক্ত জীৱন বন্ধন কৰা কঠোৰ বেথাৰ হান,
ই যে মানৱতা অৱমাননাকাৰীক মৰ্দিত কৰা ধ্যান।

ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান,
ই যে মাতৃ-আদেশ, সন্তান-প্ৰাণ দিবলকে বলিদান।

**অম্বিকাগিৰী ৰায়চৌধুৰী**

৬৪

# পৰিচয়

কোন তুমি ক'ত ঘৰ কিহৰ কাৰণে
যোগ দিছা সংসাৰ-যুঁজত
আৰ্য মই, লুপ্তপ্ৰায় জীৱনৰ বাবে
যত্নবান এই জগতত।

নহ'ল তোমাৰ কথা, আকৌ এবাৰ
ভাবি চাই দিয়া সমিধান,—
প্ৰাচীন এচিয়াবাসী কৰ্মৰ কাৰণে
সঁপি দিছোঁ মোৰ মন-প্ৰাণ।

তোমাৰ উত্তৰ মোৰ মনে নধৰিলে,
ভাল কথা কোৱাঁ তাতোকৈ,-
মানুহ জগতবাসী ধৰ্মৰ উদ্দেশে
পৃথিৱীত ভাও দিছোঁ মই।

সিটিও তোমাৰ কথা ঠেক অন্তৰৰ,
দিয়া মোক যোগ্য সমাচাৰ,—
পৃথিৱীৰ জীৱ মই মোক্ষৰ কাৰণে
বিচাৰিছোঁ লগ কাৰোবাৰ।

অলপ ওচৰ হ'ল আৰু চাপি গ'ই
দিয়াঁ মোক ঠিক পৰিচয়,—
তেৱেঁ মই তেৱেঁ মই— পৰম আত্মা—
দুদিন ইয়াতে আছোঁ ৰ'ই।

অলপ বুজিছোঁ তুমি, নিজক চিনিছাঁ,
আৰু আছে বহু জানিবৰ,—
এইটি দেহেৰে আৰু একোকে নুবজোঁ
পিছেহে বুজিম বুজিবৰ।

দুৰ্গেশ্বৰ শৰ্মা

৬৫

# নিৰ্ভৰ

ক'তনো শিকিলা তুমি এনে অহংকাৰ,
কিয় খোজা উৰাও মাৰিব ?
যিমান পানীৰ মাছ সিমানতে থাকা,
নেলাগে লোকৰ খোজ ল'ব।

ভাবিছা ঈশ্বৰ ঠিক তোমাৰে নিচিনা,
পৰি আছে স্নেহৰ ডোলত,
প্ৰধান সৃজন তুমি প্ৰিয় পুত্ৰ বুলি
থিয় দিছা সবাৰো আগত।

হিংসা নাই ঈশ্বৰৰ কোনো জীৱলই,
সেইবাবে স্নেহো ক'তো নাই,
সকলো সমান, তুমি নোহোৱা আপোন
নাই থকা তোমাল'কে চাই।

তোমাৰ দেহতে চোৱাঁ কিমান জীৱৰ
বাস আছে লেখ-জোখ নাই
কাৰ বা দেহত তুমি আছা সেইদৰে
কোনে তাৰ উৱাদিহ পায় ?

অৱশ্যে ঈশ্বৰে চায় সমান চকুৰে
ঘাঁহ-বনডালিকো তোমাৰে
কিয় তুমি ঢাঁহি-মুহি নিজক পুহিছা,
কিয় ধনী লোকৰ ধনেৰে ?

জীৱন ধাৰণ মানে বলৰ বিজয়,
জীৱনৰ অন্ত দুৰ্বলীৰ
সংসাৰৰ পাতনিতে বল যাৰ তাৰ,
আজিও সেয়েই পৃথিৱীৰ।

ঈশ্বৰে তোমাক ৰক্ষা কদাপি নকৰে
পৰা যদি বলীৰ হাতত
নিজক ৰাখিবা তুমি নিজৰ বলেৰে,
নতু তুমি পৰিলা কালত।

সজা লোকে সাজি দিছে সকলো সঁজুলি,
দিছে বুদ্ধি তোমাৰ দেহত,
পাৰিলে চলাই খালা নহলে হটিলা,—
পৰাজয় জীৱন-যুঁজত।

ভাবা যদি,— ঈশ্বৰৰ বিধানৰ মতে
চলি আছা সকলো কামত,
তেন্তে কিয় বল শক্তি সাজি নো ঈশ্বৰে
আঁৰি দিলে তোমাৰ দেহত ?

কৰোঁতে নিজৰ কাম সজ উপায়েৰে
কৰা যদি অনিষ্ট লোকৰ,
কি কৰিবা সেইবাবে, নোৱাৰা এৰাব
বান্ধি থোৱা হাত কৰ্তব্যৰ।

নেলাগে নিজৰ তুমি গৌৰৱ বঢ়াব
ঈশ্বৰৰ প্ৰিয় পুত্ৰ বুলি
মহা উদ্দেশ্যৰ তুমি একোকে নুবুজা,—
—নাই শক্তি বুজাৰ সমূলি।

**দুৰ্গেশ্বৰ শৰ্মা**

৬৬

# হোমৰ কাষত

আজি মধুনিশা অগনি কাষত
বৰিলো তোমাক ত্রিদিব বালা,
দুখীয়া পঁজাত লক্ষ্মীৰূপিণী
জীৱনে মৰণে লগৰী হ'লা।
হোমৰ তিলক পিন্ধালোঁ শিৰত
পৰমান্ন সুধা যাচিলোঁ মুখত
বেদমন্ত্রে আজি বান্ধিলো তোমাক,
দেৱ-দ্বিজ-গুৰু অগনি সাখী,—
আজি হন্তে মোৰ পথৰ সহায়
শত জনমৰ সাদৰী সখী।

চৰণে পৰশি শীতল পাষাণ
সপ্ত পদ-ভূমি চাপিলা কাষ,
ধর্ম-অর্থ-কামে চিৰানুগামিনী
নোৱাৰো ছিঙিব মোহিনী পাশ।
অনলদীপ্তা আর্যকুমাৰী !
শুচিতা তোমাৰ চিৰ সহচৰী ;—

তুমি ৰ'বা মোৰ ভিতৰে-বাহিৰে
পাপৰ চিন্তা দহন কৰি,
তুমি সখী মোৰ সহধর্মিনী
অনন্ত জীৱন যৌৱন ধৰি।
দেখা নাই মুখ ইহ জনমত,
শুনা নাই সখী আষাৰি কথা,
জনমে জনমে দেখিলো তোমাক,
সপোনৰ ছবি হিয়াতে গঁথা।

বিসর্জিলো ছায়া কায়াটিক পাই,
তুমি ৰ'বা মোৰ হিয়া উজলাই ;

সুখে দুখে মোৰ ভাগ্য লখিমী
ঢালিবা কাণত অমিয়া সুৰ,
*বিপথে চলিলে সোঁৱৰাবা সখি !*
*শত অপৰাধ ক্ষমিবা মোৰ।*

কল্যাণি ! আজি জাগিছে প্ৰাণত
নব জীৱনৰ কতনো আশা,
কত কথা মোৰ পৰিছে মনত
নোৱাৰো বুজাব নোলায় ভাষা !
মায়াপুৰী মোৰ ৰচিছোঁ হিয়াত,
তুমি দেৱবালা বিৰাজিবা তাত,
গন্ধে, পুষ্পে, ধূপে, দীপে,
দেৱতা বাসৰ থাপনা পাতি
সজাবা মন্দিৰ, পূজাৰিণী মোৰ,
মনোমন্দিৰত জলাবা বাতি।

আশা আৰু আকাঙ্ক্ষাৰ কুসুম বুটলি
বাসন্তী ঊষাৰ ৰহন সানি,
মালাধাৰি গাঁথি সঁপিলোঁ তোমাক,
যতনে ৰাখিবা হৃদয়-ৰাণী।
কি আছে, কি দিম প্ৰীতি-উপহাৰ ?
মেলি দিলো মোৰ হিয়াৰ দুৱাৰ,
নিফিৰিবা মুখ অচলা কমলা !
পাহৰি পেলোৱা সোণালী ঊষা।
নব জীৱনৰ নতুন পাতনি
আজি মিলনৰ মাধৱী নিশা।

আজি নিশা সউ নীল আকাশত
সুধাকৰ আহি থমকি ৰ'ল,
নৱমিলনৰ মধুময় কথা
অমৰাপুৰত বিতৰি গ'ল।
বাজিছে দুন্দুভি দেৱ সমাজত
দেৱআশীৰ্বাদ পৰিছে শিৰত,—

দুখীয়া পঁজাত বন্তি জ্বলিব
ভোটা তৰাটিয়ে দেখাব পথ,
শত শৰতৰ জোনায়ে হাঁহিব
দেৱতাসকলে চলাব ৰথ।
উঠা সুন্দৰি ! নিশা অৱসান,
মাতিছোঁ তোমাক মিনতি কৰি
বাজিছে শঙ্খ, উৰুলিৰ ধ্বনি
উঠিছে বিদায় ৰাগিণী ধৰি।
অলকাৰ বালা চোৱা চকু তুলি,
বিৰহী যক্ষ আছোঁ আশা পালি ;
তুমি আহিছিলা আপোন বিচাৰি
স্বৰ্গ থাকিল দূৰতে পৰি,
মচা দুটি আখি মানস প্ৰতিমা।
বিগত জনম স্মৰণ কৰি।

প্ৰণমো সত্য-শিৱ-সুন্দৰৰ
প্ৰণমো মোহন বংশীধাৰী !
চৰণে প্ৰণমো দেৱ-দ্বিজ-গুৰু
প্ৰণমো অগনি পাতকহাৰী।
দিয়া পদছায়া পতিতপাৱন,
কৰা আশীৰ্বাদ নৰ-নাৰায়ণ।
আমি দুটি ক্ষুদ্ৰ অণু পৰমাণু
নিয়তি আদেশ শিৰত ধৰি,
প্ৰাণে প্ৰাণে মিলি মাগিছোঁ বিদায়
সবাৰে পদত প্ৰণতি কৰি।

**শৈলধৰ ৰাজখোৱা**

৬৭

# আপোন সুৰ

এই যে ৰচিলো গান সকলো মিছাই,
বীণাত আপোন সুৰ বাজি উঠা নাই,
ৰচিলো কতনা শোক পুলকৰ কথা,
ঢালিলো চৰণে মোৰ প্ৰাণৰ দেৱতা।
বসন্তৰ সন্ধিয়াত পুষ্পিতা ধৰণী
বননিত কলকণ্ঠে বিহঙ্গৰ ধ্বনি,
শেৱালিৰ গন্ধে ভৰা শৰত পুৱাত,
ফাগুনৰ জ্যোতিহীন পুৱতি নিশাত
হিয়াত উঠিল বাজি শতমুখী তান,
আনন্দ-বিষাদ গঁথা মিলনৰ গান।
তেওচোন কাৰহন্তে হৃদয় আতুৰ,
নেপাওঁ বিচাৰি ক'তো আপোনাৰ সুৰ
আকাশৰ সপ্তঋষি সপ্ত দীপ লই
সন্ধিয়াৰ আৰতি ধৰে মন্দিৰত গই,
মই চাওঁ একেথিৰে এয়েনেকি মোৰ
নীৰলে কোণত বজা সঙ্গীতৰ সুৰ ?
এয়েনেকি হেৰা মোৰ দেৱতা প্ৰাণৰ,
তোমাৰ চৰণ সেৱা জীৱনৰ বৰ ?
হৃদয়ৰ মন্দিৰত সঙ্গীত ৰচনা,
তৰ্কহীন অকুটিল ভক্তিৰ থাপনা !
সুদূৰ প্ৰান্তত সেই জ্বলে একা বেঁকা
স্বৰ্গ আৰু মৰতৰ মিলন ৰেখা,
জোনাক নামিছে সুপ্ত জলধিৰ গাত,
শুনা এটি আবেগৰ চুম্বনৰ মাত।
বুকুত জিলিকে চোৱাঁ তৰঙ্গৰ মালা,
সঘনে কঁপিছে কোন হৃদয় উতলা,
ওপৰত তাৰকাৰ মিলন সঙ্গীত,
জগতত পৰাণৰ উত্ৰাৱল চিত,

হৃদয় তলিত জ্বলে অগ্নিময় কণা,
সৃজনৰ প্ৰতি কোণে দুৰন্ত বাসনা।
কিম্বা হায় অতীতৰ সুখ সোঁৱৰণী
সেয়ে কি গানৰ মোৰ নীৰৱ ৰাগিণী ?
পাতৰ আঁৰত ফুল আছিলে লুকাই
প্ৰকৃতিৰ শান্তিময় হৃদয় জুৰাই,
উথলিল আচম্বিতে জেউতি মাধুৰী
ব্ৰহ্মাণ্ডত কোনে তাৰ বিলালে বাতৰি ?
শূন্যৰ ৰথত চৰি আহিলে কটকী,
প্ৰণয়ৰ নিকুঞ্জৰ উৰণীয়া পখী,
দুদিনৰ লীলা অন্তে কেনি গুচি যায়,
আঁজলী কুসুম পাহি নীৰৱে বিনায়।
প্ৰেমেই মস্তক-মণি সাধনাৰ ধন,
জীৱন শোকৰ লীলা অবিশ্ৰান্ত ৰণ,
মৰণৰ অনিৰ্বাণ মহিমাৰ শিখা,
তাৰ মাজে পুলকৰ মায়া-মৰীচিকা।
কত ছুঁয়া আহে আৰু কত ছুঁয়া যায়,
প্ৰেম কিন্তু ধ্ৰুৱজ্যোতি আদি অন্ত নাই।
প্ৰকৃতিৰ হাতে গঢ়া প্ৰণয় কানন
এই যে ব্ৰহ্মাণ্ডখনি অপূৰ্ব সৃজন,
তাৰে একোণত মই বান্ধিমনে ঘৰ
প্ৰেমকাব্য নিকুঞ্জৰ হই মালাকৰ ?
আৰু যে কতনা আছে বিচিত্ৰ কাহিনী,
অসীমৰ মহামন্ত্ৰ বাজে ৰিণি ৰিণি।
সমুখত গৰজিছে ভীষণ সাগৰ,
জীৱন তৰঙ্গ এটি অনন্ত বুকুৰ,
ক'ৰবাৰ এধা ফুটা সঙ্গীতৰ ধ্বনি,
কিম্বা পূৰ্বজনমৰ মৃদু সোঁৱৰণী।
এই যে আতমাকণি হিয়াৰ কোণত,
জনম মৰণ তাৰ কোন সীমান্তত ?
সৌৰজগতৰ ৰূপ বিস্ময়েৰে ভৰা,
ক'ত তাৰ যোগনীয়া জ্যোতিৰ নিজৰা ?

বাজিছে অনন্ত কাল সৃজনৰ সুৰ,
বিধাতাৰ মহাবাণী বিচিত্ৰ মধুৰ।
সুন্দৰ এখনি আৰু অন্তৰ জগত,
প্ৰতিদ্বন্দ্বী বাসনাৰ সংগ্ৰামৰ পট,
আদৰ্শৰ গ্ৰহকেন্দ্ৰ ঘূৰিছে নিতউ,
আজিৰ সিদ্ধান্ত কাল বিতণ্ডা আকউ,
কোন মই ? তুমি ক'ৰ ? তৰ্ক চিৰ দিন,
নিজৰ অস্তিত্ব সিয়ো সন্দেহত লীন।
এই যে ৰচিছে মায়া সৃজন-প্ৰলয়,—
ক'ত সেই আদিশক্তি ভূমানন্দময় ?
ন্যায় বা মীমাংসা সিয়ো দিঠকে সপোন,
বেদান্ততো অবিদ্যা মাথোন।
সাধ্য কি মানৱে পায় ৰহস্যৰ জ্ঞান ?
—যিমান ভাবিবা শঙ্কা বাঢ়িব তিমান ;
জীৱন সঙ্গীতময়, সৃষ্টি ৱিতোপন,
অমৃতৰ ৰহঘৰা, সুৱলা শাসন।
কবিৰ ধাউতি— ধৰা সৌন্দৰ্যৰ থল,
তাত যেন ফুলি উঠে প্ৰেম-শতদল।
প্ৰকৃতিত বাজে মহা উদ্দেশ্যৰ সুৰ,
তাৰ হন্তে হিয়া মোৰ উতলা আতুৰ।
বিশ্বৰ লগত যত ভাৱৰ বন্ধন,
সেয়ে মোৰ জীৱনৰ ধৰ্ম সনাতন।
সত্য যি সুন্দৰ যাৰ অনন্ত যৌৱন,
তাৰেই বুকুত মই পাতিম কানন।
হৃদয়ৰ বাসনাৰ বসন্ত সমীৰ
বীণাৰ মৃদুল তন্ত্ৰে কৰিব অধীৰ।
কবিৰ পুলক বাণী দেৱতাৰ বৰ,
আবেগৰ বন্দী কবি নোহে নিয়মৰ।

**সূৰ্যকুমাৰ ভূঞা**

৬৮

# চিৰচেনেহী মোৰ ভাষা জননী

চিৰচেনেহী মোৰ ভাষা জননী,
আই ধন্যে-পুণ্যে হৃত-পাৱনী
প্ৰকৃতি পৰশ-ৰসে অমল কমল
চঞ্চল হৃদি-জলে ঢালে পৰিমল,
কোমল চম্পাৰ কলি
ঢৌৱে ঢৌৱে ঢৌৱে তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী ?

সংসাৰ গুৰু-ভাৰে অৱশ পৰাণ,
হিয়াত বিলীন হয় হিয়া ভৰা গান ;
কাৰ নিচুকনি শুনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি।।

জীৱনে-মৰণে-ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শত ধাৰ
হে মোৰ মধুৰাননা
মাগিছোঁ মাধুৰি-কণা,
দিয়াঁ, দিয়াঁ, দিয়াঁ আই, মধুভাষিণী।।

**মিত্ৰদেৱ মহন্ত**

৬৯

# মহাত্মা

জীৱন্ত কবিতা তুমি আপুনি মহাত্মা !
কবিতা কি ? সি যে ক্ষীণ ধ্বনি হৃদয়ৰ
মাহাত্ম্য বিচাৰি ঘূৰি ফুৰে ত্ৰিভুবন
মৰ্ত্ত্য পিপাসাৰে, আকুল ব্যাকুল হই
কবিৰ প্ৰাণত ! কোটি কবিকণ্ঠ জিনি
তুমি আজি ভাৰতৰ মৰ্ম-বাণী, শত
শতাব্দীৰ, উদ্বোধিত কৰ্ম-শক্তি নৰ,
পতিত জাতিৰ ; জ্ঞান-দাতা, প্ৰাণ-দাতা
তুমি আজি মুক্তি-দাতা ছিন্ন কৰি এই
পাপ-লিপ্ত, ক্ষিপ্ত সভ্যতাৰ দুৰ্ভেদ্য
প্ৰাচীৰ ; পূৰ্ণেন্দু উদিত ধৰাত তুমি
জন-গণ-মন সিন্ধু কৰি উদ্বেলিত।
মানুহে চূৰ্ণিব য'ত নিজ মৰ্ত্ত্য সীমা,
তাতহে ৰঞ্জিছে তব দেৱত্ব মহিমা।

**ৰত্নকান্ত বৰকাকতী**

৭০

# সাৰথি

তোমাৰ পৰশে মোৰ
মচি দিয়ে হিয়াৰ দীনতা,
লক্ষ্য-হীন জীৱনত
দিযে নিতে শান্তিৰ বাৰতা।
নিৰাশাৰ হুমুনিয়া
বুকু ভাঙি আহিলে ওলাই,
জনোৱা নিৰৱে তুমি
আছো মই, নাই যোৱা নাই।
গহীন আন্ধাৰ নিশা
ফুৰোঁ যদি বাট খেপিয়াই,
বনৰ মালতী গোন্ধে
দিয়ে মোক বাট দেখুৱাই।
মলয় সুৰভি সানি
যোৱা তুমি আঁচল উৰাই,
জনোৱা নিৰৱে সখী
আছো মই, নাই যোৱা নাই।

নলিনীবালা দেৱী

৭১

# নবাগত

গগন মগন মেঘে, ফাগুনৰ শেষ
গৰজি আহিল লৰি
পছোৱাই ধৰি
ৰণমত্ত উদ্‌ভ্ৰান্ত বেশ !
আকাশত উৰে মেঘদল,
ধৰণীত ধূলা উত্ৰাৱল
পৰ্বতৰ অৰণ্য চঞ্চল
শালনিত জাগে দৈত্যদল
হুঙ্কাৰিছে তুলি মত্ত দৃপ্ত লক্ষ্যভুজ
টানি যেন আনিব সূৰুয।

নদীৰ বুকুত নাচে মৰণে তাণ্ডৱ,
কোন দিগন্তত জ্বলি দহিছে খাণ্ডৱ
ৰক্তশিখা উঠে লেলিহান
ঝঙ্কাৰ গৰ্জন ধ্বনি আন্দোলি উঠিছে
দহনৰ বিজয় নিচান !

ঢাকি আছে অন্ধকাৰে ঘোৰ মূৰ্তি ধৰি
অনিশ্চিত আতঙ্ক সঞ্চাৰি,
জনশূন্য বনপথ সঞ্চালিছে বন,
ত্ৰস্তমান পুৰবাসী নিৰুদ্ধ ভৱন,
আজি কাৰ ৰুদ্ৰ অভিযান ?
জগজন ভীত কম্পমান !
কাত লাগি নভস্তল উজলি উজলি
মেঘপুঞ্জ কৰে জ্যোতিমান ?
কোন তুমি চলাইছা ক্ষিপ্ত তুৰঙ্গম
বিদ্যুতেৰে কৰি কশাঘাত ?
হে বিৰাট, গৰ্জেতা ৰথ চক্ৰধ্বনি,
বজ্ৰ মন্দ্ৰ প্ৰচণ্ড নিৰ্ঘাত !

লক্ষ্য ক'ত—সঙ্গী কোন আজিৰ যাত্ৰাত ?
কাৰ সতে মিলিব সাক্ষাত,
ৰণৰ ক্ষেত্ৰত কিম্বা মিত্ৰৰ সভাত ?
প্ৰমত্ত ধ্বতাহে দিয়ে জাননী তোমাৰ
উৰুৱাই থৈ তৰাদল,
মহাকাশ ঢাকি ধৰি ৰুদ্ৰ শাখা মেলি,
মতলীয়া প্ৰলয়-মাদল !
যুগে যুগে ভয়ঙ্কৰ— তুমি হে নতুন,
তুলি ধৰা বিদ্ৰোহ কেতন
দিগ্বিজয়ী বীৰ সম কৰি সিংহনাদ
মৰণাপন্নৰ কৰি অন্তিম প্ৰমাদ।
তুমি ভাঙা সুখ স্বপ্ন মায়া মধুপুৰী
ঢালি দিয়া বিষকুম্ভ কণ্ঠপূৰ্ণ কৰি,
অকস্মাৎ কপালত ঢালা ৰক্তস্ৰোত,
মাৰি দিয়া শক্তিশেল— পঞ্জৰ মাজত,
নিৰ্দয় আঘাত কৰি হাঁহা অট্টৰোলে
দৃঢ় আলিঙ্গনে কৰি ধৰা গলে গলে,
চুমাত ওঁঠত লাগে উতলা ৰুধিৰ
জীৱনৰ শ্ৰেষ্ঠ ৰং গাঢ়তম স্থিৰ
গৌৰৱৰ প্ৰতীক গভীৰ
আনন্দৰ হোলীৰ আবিৰ
পাইছো তোমাৰ সত্য স্বৰূপ আভাস
ঊৰ্ধমুখে কৰোতে প্ৰয়াণ
বনব্যাপ্ত উলঙ্গ অগ্নিৰ আভৰণ
জীৰ্ণ বুলি কৰি বিসৰ্জন !
চমকি চমকি উঠো দেখি সপোনত
তোমাৰ কল্পনা মনোহৰ,
বজ্ৰবৰ্ম বিমণ্ডিত শোণিত ৰঞ্জিত
কপালত ভ্ৰূকুটি কঠোৰ।
দেখিছো তোমাৰ হাঁহি সুতীক্ষ্ণ নিৰ্মম
আকস্মিক মৃত্যুৰ মুখত,
প্ৰতিধ্বনি বাজিছে বুকুত
অসহ্য সুখত !

বিচিত্ৰ মঙ্গল মন্ত্ৰ গাই দিনে ৰাতি
মাহ ঋতু আহে পাল পাতি
বহু আয়োজন কৰি কৰে অৰ্ঘ্য আহুতি প্ৰদান
কাল যজ্ঞ কৰে সমপূৰণ ;
বৰ্ষৰ শেষত আহা তুমি কাম্যজন
আনা স্নিগ্ধ অনিৰুদ্ধ প্ৰস্ফুত যৌৱন,
জীৰ্ণ শীৰ্ণ ছিন্ন আভৰণ
কৰি বিবৰ্জন
দিয়া বিশ্বব্যাপী তেজোদীপ্ত দৰশন
হে জাগ্ৰত দেৱতা ভীষণ !

তোমাৰ প্ৰকাশে আনে প্ৰেৰণা বিপুল
হৃদয়ৰ ৰক্ত নাচে ওপোচাই কূল ;
তুমি জয় কৰা ক্ষিন্ন শুস্কতা দাৰুণ,
টানি আনা অতি প্ৰিয় নব বৰষুণ ;
বশ কৰা ধূমাকীৰ্ণ আবৰ্ত ঝঙ্কাৰ
মালতীৰ গন্ধৰেণু কৰাহি সঞ্চাৰ
সৰ্বজয়ী পৰিপূৰ্ণ উদ্দাম প্ৰবাহ
ঢালি দিয়া মহা তৃপ্তি ৰসৰ প্ৰকাশ ;
জীৱনে মৰণে সানি কৰা একাকাৰ।

সুধাত জ্বলাই তোলা তীব্ৰ সুৰাসাৰ
সৃষ্টি কৰা জ্বলন্ত তৃষ্ণাৰ !
তুমিতো নোহোৱা তুচ্ছ স্তুতিৰ ভিখাৰী
তোমাৰ নৈবেদ্য লোৱা দাঢ়ি ধুঁহি কাঢ়ি
সবলৰ দৃঢ় মুঠি প্ৰবলে মুছৰি !

ৰচিম তোমাৰ মন্ত্ৰ দিয়া আশীৰ্বাদ,
দুঃখৰ প্ৰসাদ।
হোমাগ্নিৰ অভ্ৰলেখা কৰিম প্ৰকাশ
প্ৰাণৰ সভাত।
দৃষ্টিত প্ৰকট হোৱা এৰি সূক্ষ্মৰূপ,
ধৰা বাস্তবৰ দৃঢ় নিষ্ঠুৰ স্বৰূপ ;

দুৰ্ভিক্ষৰ গ্ৰাহ মুখ ফালি দিয়া দেখা
গজেন্দ্ৰ সাক্ষাত !
প্ৰবল সংঘাত ৰূপে দেশ-বিদেশৰ
জীৱন ইচ্ছাত,
নিদ্ৰিত পুৰীত অহা তূৰ্যধ্বনি ৰূপে
সংকেত ৰণৰ
বৈৰীভাৱে প্ৰিয়বন্ধু দেখুৱা নিৰ্মম
সত্য জীৱনৰ।
ধ্বংসৰ ভৈৰৱ ৰূপে হোৱা অৱতাৰ।
গুচোৱা জঞ্জাল,
শিৰহীন দক্ষ যজ্ঞ কৰা বৃন্দামাৰ
আস্ফালন কৰি জটাজাল।
তোমাৰ প্ৰভাৱ ৰক অন্তৰে বাহিৰে
শিৰে শিৰে ভৰি
অৱসাদ ভয় লাজ দীনতা বিলাস
চূৰ্ণীকৃত কৰি।
জীৱনৰ পূৰ্ণভোগ কৰা অধিকাৰ
দুৰন্ত প্ৰবল
অমৰত্ব দিয়া আনি কৰি বিদাৰণ
মৃত্যুৰ কবল।

**প্ৰসন্নলাল চৌধুৰী**

৭২

## পছোৱাৰ ডাক

পছোৱাৰ আগে দিছে ডাক !
        ৰক্ত পত্ৰ দল উৰুৱাই
                প্ৰমত্ত দুৰ্বাৰ !
জাগ জাগ যৌবনৰ উগ্ৰ ৰক্ত ৰাগ
        জগত জীপাল কৰা সাৰ।

নৱযুগ সৃষ্টিকাৰী জাগিছে নতুন জুপিটাৰ,
তই সঙ্গী বজ্ৰনখী হিংস্ৰ ঈগলৰ দল
        তমোৰাশি কৰা বহিষ্কাৰ
                তীব্ৰ দৃষ্টি মুক্ত পক্ষ ফালি ফুৰা
                        ব্যোম পাৰাধাৰ।

তোৰ বাবে জগতৰ
দ্ৰাক্ষাকুঞ্জ ৰসে ৰসময়,
তয়ে তিক্ত কালকূটে কণ্ঠপূৰ্ণ কৰি
        হোৱা মৃত্যুঞ্জয়।

পশ্চিমৰ ৰণমত্ত জাতি
কৰে বিষবাষ্প বৰিষণ
        আত্মৰক্ষা শত্ৰুনাশ হেতু,
জগতৰ আতঙ্কৰ হয় অৱতাৰ
        সাজি ধূমকেতু ;
আছে তাৰ প্ৰতিকাৰ প্ৰতি আক্ৰমণ
        আছে তাৰো বাণী সাৱধান
                মুহূৰ্ততে মিলেহি মৰণ।

তোৰ বাবে বৈ আছে তাতোকে ভীষণ
কাৰাগাৰ ! আখ্যা লই শৃঙ্খলা শাসন
অন্ধকাৰ কক্ষ ভৰা বিষবাষ্প ঘন

তিলে তিলে বিলাব মৰণ,
জীৱনতে নৰকৰ যমৰ যাতনা
মনোবল প্ৰাণশক্তি কৰিব হৰণ,
হে নিৰ্ভীক, হব তাতে আতমাৰ
দীপ্ত জাগৰণ।
সিন্ধু-মথনত উঠা বিষ অগ্নি স্ৰোত
শিৱ বিনে কোনে কৰে ৰোধ !
নীলকণ্ঠ তোত বিনে অন্য আৰু নাই,
এই বাৰ্তা পছোৱাই আনিছে উৰাই
নতুন দিনৰ মন্ত্ৰ হৰিষে পূৰাই।

জগতৰ কোনো শাক্ত ধৰে
গঢ়া নাই এনে লোৰ বেড়ি
তই যাক সবলে মুছৰি
নোৱাৰ কৰিব গুড়ি।
খণ্ড খণ্ড কৰি।
গাথোঁ নাই এনে দুৰ্গ ষ্টীল-কংক্ৰিটৰ
অনিৰুদ্ধ ৰাখে তোক ধৰি !
দুৰ্যোগৰ ৰুদ্ৰ তাণ্ডবেও
অভ্ৰ ভেদি গিৰি পৰ্বতেও
পথ তোৰ নোৱাৰে ৰুধিব ;
শ্ৰাৱণৰ বিদ্যুৎ বিদীৰ্ণ ৰন্ধ্ৰ পথ
মুক্ত সদা তোৰ বাবে
জ্যোতিৰূপে যুগে যুগে প্ৰকাশি উঠিব।
তোৰ বাবে পক্ষীৰাজ ঘোঁৰা আছে বৈ
অতিষ্ঠ উন্মাদ
মন পৱনৰ বেগ উত্ৰাৱল আজি
পৰম দুৰ্মদ
অগ্নিগড় গিৰি দুৰ্গবন্দিনী উষাই
দেখিছে সপোন,
আকাশত চিত্ৰলেখা সখীয়ে কৰিছে
মায়াৰ সৃজন।
কৰ তোৰ যাত্ৰা আৰম্ভণ !

ৰুধিৰাক্ত বলিশাল খড়্গ উঠে নামে
আৰু লাগে বলি !
সশস্ত্ৰ অৰাতি দুৱাৰত উপস্থিত
খোজে গলাগলি
তোৰ বুক উঠক উতলি !
আজি কাঠ ভেদি কুঁহিপাত ফুটি উঠিবৰ
উন্মেষ গোপন
নিৰস ৰসত লাল ফুল ফুলিবৰ
তীব্ৰ জাগৰণ,
শীত আছে সুপ্ত হৈ কুঁৱলি নিহালি
মৃত্যু-শয়নত
আসন্ন অতীতৰ কঁপে কণ্ঠস্বৰ
নিদ্ৰা নয়নত।
লাগে এটি জ্যোতিস্মান শক্তি মন্ত্ৰময়
কেন্দ্ৰীভূত প্ৰাণৰ পৰশ
সন্মোহন লীলাময় আনন্দ উজান
ইঙ্গিত সৰস।
সকলোৰে সাৰ্থকতা আহিব চৰম
বিকাশৰ সুখ,
অধৰৰ আগত ফুলিব প্ৰিয়তমা
চুম্বন উন্মুখ।

প্ৰসন্নলাল চৌধুৰী

৭৩

# আহে মানুহৰ দল

এই ! আহে মানুহৰ দল !
মানুহ— মানুহ— উদাৰ প্ৰবল
বিকশিত শতদল !

শুনো মৃদু কলৰোল !
পূৰ্ব আবাস পাই কেনেবাকে
মত্ত দানব দল,
কৰে হানা হানি
আপোনা আপুনি
কাটে আপোনাৰ গল !
মত্ত মানব দল !

মদগৰ্ব্বৰ মদ পিছে সবে
আকণ্ঠ কৰি পূৰ
নিচাৰ দমত সোণৰ পিয়লা
ভাঙি কৰে মৰিমূৰ।

আহিল শেষত নাশনৰ কাল
উঠে মন আৰ্তৰোল

মানুহ— ! মানুহ— : আহিছে মানুহ
আহে মানুহৰ দল !
যত— অনাচাৰ— আবৰ্জনাৰে
ভৰিল দেশ
পাৰেনে বিফলে যাব
অতনা ক্লেশ
নকৰাকে কেৰে শেষ ?

সেয়ে জাগে বীৰদল,
এই ! আহে মানুহৰ দল !
সিহঁতে লইছে কি নব বেশ !

আহে বিদ্রোহ বিপ্লব ঠেলি
ভেদি মৃত্যুৰ দেশ !
আনিছে কি তেজ বল !

বসুমতী ফাটে কৰে টলবল,
চকুৰ কোণত ইঙ্গিত এটি !
—তাতে জ্বলে দাবানল।
লৰালে আঙুলি, উঠে দুলি দুলি
ক্ষুব্ধ সিন্ধু-জল !

একেটি কথাই যেন কলিজাত
গাঢ়ি ধৰে বাঘনখ
কপালৰ জ্যোতি দেখি সুৰাসুৰ
নৰ বিমুগ্ধ বশ !
সত্যৰ নব বলে বলীয়ান
বাধা বন্ধনহীন,
এৰি থৈ আহে চিন,
ভাঙি ছিঙি গঢ়ি কৰি ছিন্ ভিন,
আত্মদাতাৰ শোণিত নবীন,
অগ্রদূতৰ দল
অগ্নি শুদ্ধ প্রবুদ্ধ নিৰমল
আহে মানুহৰ দল !

আহে কোন পথ ধৰি
মই পাওঁ সন্ধান,
য'ত হ'ল মানবৰ
লাঞ্ছনা অপমান ;
খোজে পতি সাঁচ ধৰি
উঠে ৰক্ত অবদান
সিহঁতৰ নাই জাতি বা ধর্ম
নাই পুণ্য নাই পাপ,
জীৱন, মৰণ, নাই লাজ মান
আশীর্বাদ, অভিশাপ।

নাই আই, ভাই, বন্ধুবৰ্গ
ইহ পৰলোক নৰক স্বৰ্গ,
নাই অপমান, পূজাৰ অৰ্ঘ্য
নাই অভিযোগ, মাফ.
জ্যোতিঃ সূৰ্য পৰশত যাৰ
জীৱন প্ৰভাত হ'ল
অনিয়ম— ভয় কৰিলে বিজয়
নতুন মানুহ দল !

এই— ! আহে মানুহৰ দল !

প্ৰসন্নলাল চৌধুৰী

৭৪

# পুৰণি পুতলা

যুগে যুগে মোৰ এটি দুর্নাম
মই হেনো আঁকো মোহিনী ছবি ;
মই হেনো গাওঁ সুমধুৰ গীতি,
মোকে হেনো বোলে বিশ্বকবি।

মোৰ হেনো নাম কবি কংকণ,
ময়ে হেনো পালো বাণীৰ বৰ ;
মোক বোলে কেৱে শিল্পী শিপিনী,
কেৱে বোলে মোকে চিত্ৰকৰ।

ছবি জানো মই নিজে নিজে আঁকো ?
পুৰণি ছবিকে মচিহে যাওঁ ;
মচোঁতে মচোঁতে পাওঁ ন ন পট,
তাকে দেখুৱাওঁ, তাকেই চাওঁ।

গীতো জানো মই নিজে নিজে ৰচোঁ ?
গীতৰ সঁফুৰা মুকলি কৰোঁ ;
তাকে দিওঁ থওঁ এটি দুটিকই,
তাৰে শুনোতাৰ চিত্ত হৰো।

মই কি তুলিম সুৰৰ লহৰী ?
বৌৱতী নিজৰা বোৱাই আনো ;
জুৰি ত্ৰিভুৱন সুৰধনী ৰূপ
যায় সেয়ে বই, ইমানে জানো।

মই কি গাঁথিম ছন্দৰ মালা,
মই কি ৰচিম কবিতাহাৰ ?
পুৰণিবোৰকে সজাই-পৰাই
আপোন পাহৰোঁ, নাপাওঁ পাৰ।

মই কি গঢ়িম ৰূপহ মূৰতি ?
মইনো কি দিম নতুন ৰূপ ?
পুৰণি পুতলা ঘঁহি-পিহি লই
ধৰোঁ সন্মুখত প্ৰদীপ-ধূপ।

মই কি বাছিম আঁচলত ফুল
শিপিনী-লতাৰ সুৰদী ফল ?
পুৰণি চানেকি চকু ছাটি আছে
পাতি যাওঁ তাকে অবিকল।

মইনো কি গাম, মই কি বজাম,
মই কি নাচিম নতুন কই ?
চিনি পাওঁ মানে সকলো পুৰণি
মই যে থাকিলো পুৰণি হই।

নতুন নতুন নৱীন নৱীন
তৰুণ তৰুণ সকলে কয় ;
মই দেখোঁ সেই একে পুৰণিকে
সাজ-পাৰ মাথোঁ সলনি হয়।

একে প্ৰকৃতিৰ একোটি স্বৰূপ
একোটি স্বভাৱ সদায় এক
চোৱাৰ দোষতে চিনাৰ ভুলতে
বুলিছে এককে বহু, অলেখ।

ছবি একেখনি, গীতো একেটি,
সুৰো এটিহে, জানিছো মই ;
তাৰে একোফেৰি একোকণি আনি
লওঁ দি দি নাম সুকীয়াকই।

কি মহাচিত্ৰ কোটি বৰ্ণৰে
কোন শিল্পীয়ে আঁকিলে জানো ;

চাওঁ মানে চাওঁ, অন্ত নাপাওঁ,
বিস্মিত হওঁ, তবধ মানো।

গ্ৰীষ্ম বৰষা শীত বসন্ত
হেমন্ত শৰৎ ছখিলা পাত,
কোনে লুটিয়ায়, কোনে আঁকি যায়,
কোন মোহিনীৰ মায়াবী হাত ?

কিযে অনুপম অংকনলীলা !
কি যে অপৰূপ ৰঙৰ খেলা !
কি যে আলো-ছায়া, কি গঢ়-গঠন,
কিনো বিমোহিনী মায়াৰ মেলা !

প্ৰতি ৰেখ কি যে মায়াৰ শিকলি !
প্ৰতি আঁচ কি যে মায়াৰ খনি !
কিনো লেখনীৰে আঁকে কেনেকই,
কত চাওঁ জুমি নাপাওঁ মনি।

এই চিত্ৰতেই বিৰাট বিশ্ব
নিতে ন ন কই সজাই-পাৰি ;
কোন খনিকৰে পাতিব লাগিছে
'হৰমোহন'ৰ মোহন বাৰী ?

কোনে বায় বীণ এনে অনুদিন
এনে অনুক্ষণ এনেকুৱাকই ?
যত পাতো কাণ পমি আহে প্ৰাণ,
বীণ-মায়াবীক নেদেখো মই।

কোনে গায় গীত, হৰি নিয়ে চিত ?
আতমা শৰীৰ সকলো সপোন।
পাওঁ বুলি লগ আশাধাৰী হই
যুগ-যুগান্তত নিৰলে খপোঁ।

কালৰ বুকুত চৰণ চলাই
কোনে ৰুণু ৰুণু নৃত্য কৰে ?
কোনে তোলে সুৰ, কোনে ধৰে তাল,
কোনে লগে লগে সুঁহুৰি ধৰে ?
কোননো গায়ন, কোননো বায়ন,
নাচনীনো কোন, শিপিনী কোন ?
কোন শিপিনীয়ে ইন্দ্ৰ-জালত
বান্ধিলে বেলিক, বান্ধিলে জোন ?

মইনো কি গাম, মই কি বজাম,
মই কি নাচিম নতুনকই ?
গায়ন বায়ন সকলো প্ৰাচীন,
পুৰণি নাচৰে পুতলা মই।

মহেন্দ্ৰনাথ ডেকাফুকন

৭৫

# সৌ আকাশত নীহাৰিকা উৰে

সৌ আকাশত নীহাৰিকা উৰে
কত জীৱন কত ৰূপৰ
কত গুণৰ
বৰ্ণ-গন্ধ-গানৰ সুৰৰ
প্ৰকাশ-প্ৰেৰণা
মাটি পানীৰে ৰূপ ল'বলৈ
বিশ্ব-ভুবন ঘূৰে।
তাত আশাই কান্দে
ভাষাই কান্দে
তাত হাঁহিয়ে
ওঁঠ বিচাৰি মৰে।
তাত ময়ো আছিলোঁ
মই হ'বলৈ বৈ,
তাত তোকো দিছিল নসজাকৈ
নগঢ়াকৈ থৈ।
তাত সুন্দৰেযে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে,
সেইহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।
সেই মন্ত্ৰ শুনি ৰূপত পালোঁ সাৰ
সেই মন্ত্ৰ শুনি
মোৰ লগৰী,
হাঁহি জাগিল
মোৰ জীৱনৰ বাঁহী জাগিল,
জাগিল সংসাৰ।

জ্যোতিপ্ৰসাদ আগৰৱালা

৭৬

# অসমীয়া ডেকাৰ উক্তি

শক্তিপুত্র মই
ভক্তি বুকুত লই
মুক্তিপ্রয়াসী হই
অর্জুন মই, গাণ্ডীবী মই,
ময়েই ধনঞ্জয়— মৃত্যু কৰিছোঁ জয় ;

ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিময়।
ময়ে ভাৰতৰ নবীন সূর্য
পূর্বাচলত বজাওঁ তূর্য
মোৰ পোহৰৰ গানে
আকাশে আকাশে, দেশে মহাদেশে
মুগ্ধ কৰিব আলোকযাত্রী
শেষ হ'ব শেষ নোহোৱা ৰাত্রি
কৰিম জগত জয়
নবীন সূর্য মই।

উপচি আহিব পোহৰৰ ঢল
লুইতৰ দৰে ফেনে-ফোটোকাৰে
ফেনিল শুভ্র জ্যোতি-প্রপাতৰ জল।
হাতীপটীয়েদি ঐৰাৱতেদি
কত নগৰৰ আলি-গলিয়েদি
কত মেধাবীৰ মহামনীষীৰ
মনৰ মাজেদি
কবীন্দ্র জিনি হ'ম
মহামনীষাৰ মহাসাগৰত ৰ'ম
মই লিখা গানে
আলোকে আলোকে
নতুন বাতৰি কৈ,
আলোকৰ এক মহাসঙ্গীত
তুলিব পৃথিৱীময়।

তেজ-মঙহৰ
মাতৃজনাৰ
কোলাত জনম লৈ
দেশ-জননীৰ মহান কোলাত
লীন হৈ যাওঁ মই।

উদয় শৈল-গৰ্ভ বিদাৰি
অৰুণ দীপ্তিময়
ব্যাপে যেনেকৈ
গ্ৰাম-মহাগ্ৰাম
পৃথিৱী জগতময়,
ক্ৰমে ক্ৰমে ক্ৰমে
উঠি উদ্ভাসি
সিঁচি যাওঁ মই
কিৰণৰাশি
ৰঙচুৱা হৈ সন্ধিয়া
সোণালীকৈ।

মৃত্যুসাগৰ পাৰ হৈ যাওঁ
নতুন পুৰাৰ নতুন বাতৰি লৈ
নতুনৰ জ্যোতি হৈ,
থৈ যাওঁ মই পৃথিৱী ধুনীয়াকৈ
জনমে জনমে ঘূৰি ঘূৰি আহোঁ
মোৰ স্বদেশলৈ।
ময়েই ধনঞ্জয়—
ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিময়।

ময়ে কাৰুকৰ
ময়ে খনিকৰ
ময়েই চিত্ৰকৰ
গঢ়ি যাওঁ মনোহৰ,
সুৰ অপৰূপ
কত নৰৰূপ
ময়েই ৰূপকোঁৱৰ

ময়েই স্বদেশ
ময়েই বিদেশ
মই নানা দেশ
সাতো মহাদেশ
সাতবাৰ ঘূৰি-ফুৰি,
জ্ঞানৰ মাণিক্-মুকুতা আনিম
অঞ্জলি ভৰি ভৰি।

কামৰূপা মোৰ
সুৰদিসুৰীয়া
অসমীয়া ভাষা
জগত-সভালৈ যাব,
উজ্জ্বল
সুজ্জ্বল
কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।

ময়ে অসমীয়া
প্ৰাগ্‌জ্যোতিষৰ
ময়ে অসমীয়া শোণিতপুৰৰ,
নবীন যুগৰ
কুমাৰ ভাস্কৰ মই,
ময়ে অসমীয়া শৰাইঘাটৰ
চোকা-তৰোৱাল লওঁ লাচিতৰ,
মোমাইতামুলী গড়
দুৰ্জয় অগ্নিগড় ময়েই
নাই মোৰ সমসৰ।

ময়েই খাচীয়া
মই জয়ন্তীয়া
ড়ফলা-আবৰ-অঁকা,
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা,

বিজয়ী আহোম কছাৰী-কোঁচৰ
মেছৰ কুমাৰ মই
ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱ আভা।

মই—
লালুং চুটিয়া
লুচাই-মিকিৰ-গাৰো,
মিছিমি-খাম্‌তি
নগা-আঙ্গামী বীৰ,
পৰ্বতে-পাহাৰে
জ্বলিছে উচ্চ শিৰ।

সাম্য-মৈত্ৰীৰ ময়েই ৰণুৱা
চাহবাগিচাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনছিঙীয়া
থলুৱা নেপালী
নৃত্য-কুশলী মণিপুৰীয়া মই।

মই—
কত পৰ্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ,
হিলদল ভাঙি
বৈ আহি আহি
বৰ লুইতত
হৈ যাওঁ একাকাৰ।

মই—
যন্ত্ৰযুগৰ মোহন মন্ত্ৰ ল'ম
মন-বিমানৰ ময়েই সাৰথি হ'ম,
বিজুলী-ৰথৰ মহাৰথী মই
জীৱনৰ ৰণজিৎ,

বিদাৰিম মই সমাজতন্ত্ৰ
ৰচিম নতুন মানৱ-তন্ত্ৰ
বিজ্ঞান স্বৰ্গজিৎ
মই জ্ঞানৰ ইন্দ্ৰজিৎ।

মই ধৰিছোঁ নতুন ৰূপ
জ্বালি নবজীৱনৰ ধূপ
আলোকৰ শিখা লিখি কপালত
থিয় হ'লো মই নীলাচলত
অবিচলিত হৈ
অসমীয়া ডেকা মই।
আকাশীনেত্রে বিশ্বজগত চাই
হুঙ্কাৰি মই ঘোষিলোঁ অধিকাৰ
মই যে শক্তিমান,
তূণ ভৰি ললোঁ দিব্য অস্ত্র
পিন্ধি ললোঁ মই ত্যাগৰ বস্ত্র
সন্ধান মোৰ নহয় ব্যৰ্থ
সব্যসাচী ধৰিলো ধনুৰ্বাণ।
ময়েই হিন্দু
ময়েই মুছলমান
ময়েই ন-যোৱান।
মোৰ ভগৱান মন্দিৰে-মছজিদে
ভগৱান মোৰ নামঘৰে ঘৰে
অন্তৰে বাহিৰে,
মোৰ ভগৱান নৈয়ে বনে বনে
আকাশে-আছমানে,
গীতা-কোৰাণেৰে, বাইবেলেৰে
কত গ্রন্থেৰে মই
সকলো ধৰ্মৰ মৰ্ম
বুকুত লৈ,
প্রণমিছোঁ মই
প্রাৰ্থনা-নামাজ
লোৱাহে জ্যোতিৰ্ময় !
জয় তোমাৰেই
জয় তোমাৰেই
জয় তোমাৰেই
জয়।

জ্যোতিপ্ৰসাদ আগৰৱালা

৭৭

# মৰণ নিৰ্মালি

আজি নৱ বছৰৰ প্ৰথম দিনত
অতীতৰ কত কথা পৰিছে মনত
মোৰ, এই নীৰৱ ক্ষণত !

এই যে লুকাই গ'ল এটি স্তৰ অনন্ত কালৰ
ইয়াৰ বুকুতে কত হৰা-জিকা জীৱন ঢালৰ
কত গান অমিল তালৰ ;

সুখৰ দুখৰ আৰু কতবা কাহিনী
জীৱন মৃত্যুৰ গুপ্ত বতৰা বাহিনী।
যত ইতিহাস খিনি ;

সকলোকে লুকুৱাই বুকুত সামৰি দিলে লৰ,
সোঁৱৰণি এটি মাথোঁ এৰি থৈ কোণত মনৰ—
আজি এই পুৰণি বছৰ।

ইয়াৰ বুকুতে গ'ল সিটো দিনো জীণ
হঠাতে জোঁকাৰ খাই পোনতে যিদিন
বিসুৰীয়া বাজে বীণ ;

যিদিনা প্ৰথমে সেই মৰণ-উছৱ শেষ হ'ল
শোক-চন্দ্ৰাতপ তৰা বেজাৰৰ বাহী ৰভাতল
খালি হৈ মাথোঁ পৰি ৰ'ল ;

যিদিনা তলতে তাৰ সকলোটি এৰি
বহিছিলোঁ হতাশত হুমুনিয়া কাঢ়ি
দোধোৰ মোৰত পৰি ;

যিদিনা পগলা মই আপোনাতে গুঁজৰি-গুমৰি
এন্ধাৰত হাবাথুৰি খাই ফুৰি ভাগৰি জিগৰি
সঁচা একো নাপাই বিচাৰি

শুনিলোঁ হঠাতে অচিন দেশৰ মাত
পালোঁ সেই বাঁহীমাত শুনি বুলা বাট ;
পৰাণ পৰিল শাঁত।

বুজিলোঁ তোমাৰ এনে মৰণ নিৰ্মালি শুভ বৰ
আচল গ্ৰহণ মোৰ এই সুপৱিত্ৰ বছৰৰ—
হেৰা মোৰ কালৰ ঈশ্বৰ।

পাৰ্বতিপ্ৰসাদ বৰুৱা

৭৮

# গ্ৰন্থ পৰিচয়

মোৰ এই কিতাপত ৰ'ল
আঁকি যোৱা নানা ছবি
এই যুগ-যাত্ৰাৰ সম্বল।
যি উচ্ছ্বাসেৰে জন্ম লভি এই ধৰণীয়ে
জীৱনৰ চিন আঁকি দিয়ে
নানা জন্তু, পক্ষী আৰু উদ্ভিদৰ গতি,
তাৰ ছায়াপাত
ৰ'ল মোৰ প্ৰত্যেক পৃষ্ঠাৰ এই প্ৰত্যেক শাৰীত,
প্ৰতি আখৰত আৰু প্ৰতি ছন্দ-ধ্বনিৰ দাঁতিত।
এই গৰ্ব তুমি ক্ষমা কৰা,
সৃষ্টিৰ ভিতৰ তত্ত্ব জানা তুমি কি ৰসেৰে গঢ়া,
য'ত কাৰো নিজা যে নেথাকে
সকলোকে একেখনি আকাশৰ ক'লাপটে ঢাকে,
তলত মাটিয়ে পুতি থয়,
তাত মোৰো থবা তুমি
গ্ৰন্থ-পৰিচয়।

**কমলেশ্বৰ চলিহা**

৭৯

# চিৰন্তনী

এই মোৰ নুঢুকোৱা আত্মাৰ কল্লোল
যাৰ ধ্বনি ৰ'ল
পুথিৰ পাতত, এই ছন্দৰ নাচত,
হৃদয়ৰ স্পন্দনৰ
লগে লগে যেন জীৱনৰ
শ্বাশ্বত কাহিনী
অনাদি-ৰহস্য ৰ'ল চিনি।
মুহূৰ্ত্তৰ
অমোঘ কল্যাণ বৰ
আত্মাৰ মস্তকে লয় পাতি।
যদি আহে যুগান্তৰ ৰাতি
উৎকৰ্ণ কাণেৰে শুনি ৰব
তাৰে কলৰৱ।
ৰোধহীন, বাধাহীন চিন্তাৰ প্ৰবাহে
বৰষ, ঋতুয়ে, দিনে-মাহে
ৰচে চিৰন্তন
সূত্ৰহীন চিন্তাৰ গুণ্ঠন।
—যাৰ সংকলন
মোৰ মধ্যাহ্ন স্বপন,
যাক কেন্দ্ৰ কৰি
মোৰ থাকিল শৰ্ব্বৰী।

**কমলেশ্বৰ চলিহা**

৮০

# নেপোলিয়ান আৰু গেঁটে

নেপোলিয়ান ঃ মোৰ নাম কি বুলি লেখিবা তুমি কবি
জাৰ্মান জাতিৰ বাবে থই যাবা ছবি
মূল্যবান, আঁকি তাত অমৰ লেখাৰে
কোন মনোহৰ কথা কেনে ভাবনাৰে ?

গেঁটে ঃ চৰাচৰ জুৰি এই যাত্ৰা বিশ্বময়
স্থিৰতাবিহীন, কোন বাটেদি নিৰ্ভয়
পৰিব যাত্ৰাৰ এই ছেদ। মৃত্যু নাই,
তথাপিও খেদি নিয়ে মৰণৰ ছাঁই।
তোমাৰ বিজয়-বাণী ম্লান কৰি সউ
মাৰ গ'ল কত শত ভূমধ্যৰ ঢউ।
কোনে দিলে মানৱক শাশ্বত অমৃত।
শুনালে কৰ্ণত কোনে অমৰ সংগীত।
তাৰ ইতিহাস মোক দিয়া বীৰবৰ।

নেপোলিযান ঃ ভাল পাওঁ নিজৰ জাতিক কবিবৰ
সেইবাবে তীক্ষ্ণ কৰি মোৰ স্বৰ্ণ-অসি
স্বজাতিক শ্ৰেষ্ঠ কৰি হব খুজি যশী
ঢালিলো শোণিত।

গেঁটে ঃ চোৰা মানৱক মানি
একেটা সূৰ্যই দিয়ে সঞ্জীৱনী, আনি,
জাতিয়ে জাতিয়ে যাৰ মহাজ্যোতি পৰে।
সমগ্ৰ য়ুৰোপ বেৰে এখনি সাগৰে,
তথাপি দৃষ্টিত ভেদ বুদ্ধি কৰি লই
বিশ্বত বোৱাব খোজে নৱ-তেজ নই

আদি অন্তহীন। এই অনুভৱ কৰি
বিশ্বৰ সৌন্দৰ্য-দূতে নৰদেহা ধৰি
বাৰে বাৰে পথ দেখুৱায়। মহাবীৰ
তুমি আজি কণামানো নাই হোৱা স্থিৰ
জয় কৰি দেশ ; পৰাজয়ৰ নিচান
কিমান দূৰত আছে পোৱানে সন্ধান
মোৰ ক্ষুদ্ৰ ৰচনাৰ সৌন্দৰ্য-বেদীত
তোমাৰ স্বাক্ষৰ ৰব অতি সন্মানিত।
কালৰ পিছত আহি বাগৰিব কাল।
বীৰেন্দ্ৰ তোমাৰ নাম থাকিব বিশাল।

**কমলেশ্বৰ চলিহা**

৮১

# দেৱদাসী

ব্যথাভৰা জীৱনৰ
পুঞ্জীভূত বেদনা বিপুল
নিবেদিছোঁ চৰণত
এই মোৰ অন্তৰ আকুল।
যদিও জীৱন ব্যৰ্থ
তথাপিতো তুমি স্বামী মোৰ
বুজা নাই একো অৰ্থ
হিয়া মোৰ বিষাদেৰে পূৰ।
নাচোনৰে ছেৱে ছেৱে
সঙ্গীতৰ প্ৰতি লহৰত,
একেটি মাথোন সুৰ
বাজি উঠে হৃদয় বীণত।
ভাষা নাই বুজাবৰ—
অশ্ৰুময়ী কৰুণ কাহিনী,
হে দেৱতা! হে পাষাণ!
শুনা শত শোকৰ ৰাগিণী।
নহওঁ পবিত্ৰ হায়—
দাসী মই সেৱিকা তোমাৰ
তাতকই বেছি জানো
পাব পাৰোঁ কিবা অধিকাৰ?
জগতৰ স্বামী তুমি
মোৰো স্বামী হবা সেইবুলি
দোষ এই কপালৰ
আছে বহু কলঙ্কৰ মলি।
পবিত্ৰ অন্তৰ লই
নোৱাৰিলো সেৱিব চৰণ
জানা তুমি কোন দোষী,
মোৰো দোষ—সিবাবে পতন।

ভুলৰ হুলেৰে হনা
কলুষিত গোটেই জীৱন
নিতউ সন্ধিয়া বেলা
তাৰে মাথোঁ অৰ্ঘ্য-বিৰচন।
আৰতিৰ ডবা কাঁহ
শঙ্খ ঘন্টা যিমানে বাজিব
মোৰ ই বেদনাধ্বনি
তাতোকই দুগুণে চৰিব।
তোমাৰ পূজাৰ ফুল
ভোমোৰাই মউ চুহি খোৱা
নিচেই আজলী ফুল
তাকে ভাবি নিতে তুমি লোৱা!
সেইদৰে হে নিষ্ঠুৰ!
লবা তুমি মোকো নিঘিণাই
মিলি যাম তোমাতেই
পাপ জন্ম নলওঁ দুনাই।
সেয়ে হ'লে দুখ নাই
ব্যথা আৰু নাথাকে বেদনা
নটী মই নাচি নাচি
পাষাণৰ লভিম কৰুণা।
অবিচাৰ জগতৰ,
নকৰিবা তুমি অবিচাৰ
লবা প্ৰভু নিঘিণাই
হৃদয়ৰ ষোড়শোপচাৰ।
লবই লাগিব তুমি
এই মোৰ ভক্তিভৰা ফুল
জীৱনৰ, যৌৱনৰ
ব্যৰ্থতাৰ তুমিয়েই মূল।

নুশুনা মাতেৰে মোক
কোনে যেন কাণে কাণে কয়-
ইচ্ছা তোৰ পূৰ্ণ হ'ব
নটি, তই নকৰিবি ভয়।
পাষাণ পতিৰ তোৰ
মিনতিত অন্তৰ ভেদিছে,
পুৰিছে যিমানে বুকু
বস্তিগছি সিমানে জ্বলিছে।
তেন্তে মোৰ মহাভাগ্য
উটি যাব যত পাপৰাশি
পুণ্য পৰশত তযু
তুমি দেৱ, মই দেৱদাসী।

অতুলচন্দ্ৰ হাজৰিকা

৮২

# জীৱন

বাটৰ দাঁতিত ৰৈ থকা
মানুহটোৱে সুধিলে
বিস্ময়-বিস্ফাৰিত নয়নেৰে ঃ
হেৰা, তুমি দেখো মৰিছিলা
শনিবাৰে কাল-সন্ধিয়াত?
সকলোৱে তাকে মাথোঁ কয়।

কৈছে? কক দিয়াঁ।
মৰণৰ ছায়া আছে যাৰ নয়নত
সিনো বাৰু শিশিৰৰ শেঁতা স্পৰ্শ এৰি
নৱনীল দেখা পাব ক'ত?
ক'ত থ'ব নয়নৰ জীৱন্ত মৰণ?

মৰিছিলো? সেই কাৰণেহে মোক এই
দেখা পালা জীৱন্ত সচল।

হেমন্তৰ ধূসৰ খোজত যি বন মৰহে শুকায়
তাৰ জানো শুনা নাই মুমূৰ্ষু প্ৰতিজ্ঞা ঃ
কুলিৰ গানৰ ঢৌ লাগি
ফাগুনত আকৌ নাচিম?

মহেশ্বৰ নেওগ

৮৩

# কবিতা

মই প্ৰথম পুৱাৰ পূব দিশ ফালি উঠিলো ৰাঙলী হই।
মই ভাগীৰথী গঙ্গা শিৱৰ শিৰেদি আহিলো বাগৰি বই।
মই অনন্ত নিশাৰ মহাকাশ-ভেদী গম্ভীৰতা-ছন্দ
মোতেই কান্দিছে সৃষ্টিৰ বেদনা তৰায় তৰায় বদ্ধ।
মই ওঙ্কাৰ ধ্বনি প্ৰথম প্ৰণৱ সৃষ্টিৰ ত্ৰি-শক্তিৰ;
মই পূত গায়ত্ৰী, বেদ-মাতা হই কঁপালো সিন্ধুৰ তীৰ।
মই কুৰুক্ষেত্ৰ কঁপা পাঞ্চজন্য-নাদ মাধৱৰ অধৰৰ;
মই প্ৰলয়-নিনাদী গভীৰ টঙ্কাৰ অৰ্জুনৰ গাণ্ডীৱৰ।
মই ভঙুৱা শিৱৰ ধুতুৰা জালৰ উদাসীন ডম্বৰু;
মই কালকূট পিয়া মহেশ্বৰৰ হুঙ্কাৰ গম্ভীৰ-গুৰু;
মই সৃষ্টিৰ আদিৰ দিগন্ত বিয়পা জলধিৰ কল্লোল;
মই মহাপ্ৰলয়ৰ ৰুদ্ৰ-তাণ্ডৱৰ নিৰ্মম ধ্বংস-ৰোল।

মই যৌৱন-চঞ্চল ডেকা ব'হাগৰ বনৰ কীচক বেণু;
মোৰেই সুৰত যৌৱন-ৰাগৰ উৰিছে ৰূপৰ ৰেণু।
মই শুকান জেঠৰ মল্লাৰ-ৰাগিণী শুকান বাঁহৰ গাৰ;
মই শুকান নিশ্বাসৰ আদি-যৌৱনৰ বিৰহ বেদনাৰ।
মই মহা আহাৰৰ মেঘ-মল্লাৰ গাইছোঁ মেঘত উঠি।
মই বিৰহী যক্ষৰ দগ্ধ বিৰহৰ উন্মনা তুতি-নতি।
মই শ্ৰাৱণ-বন্যাৰ তাণ্ডৱীয় সুৰ নৃত্য-ৰত লুইতৰ।
মই পবিত্ৰ ভাদৰ উদাৰ ৰাগিণী শঙ্কৰৰ কীৰ্ত্তনৰ।
মই শ্যামলী কালীৰ জিভা ৰঙা কৰা চঞ্চলা দীপক সুৰ।
মোৰ পৰশতে তোৰণে-তোৰণে জ্বলিছে শলিতাবোৰ।
মই দাৱনীজনীৰ বিয়া-নামযাৰ ৰংঘৰ-পথাৰৰ;
মই শুনা নে-নশুনা গৰখীয়া নাম যোৱা-ৰোৱা ফাগুনৰ।
মই আকাশ লঙ্ঘি খলক লগোৱা মৃদঙ্গৰ মন্দ-ৰোল।
মই লাহৰ ডেকাৰ নাচনী ছেৱৰ শিঙা, পেঁপা, বিহু-ঢোল।

মই অধম পাপীৰ বেদনা-নিশ্বাস ঃ বাটিছো জীৱন ভগ্ন;
মই শত উন্মাদৰ আভুৱা সঙ্গীত নিজেই নিজতে মগ্ন।
মই অনল-শিখাৰে দুৰ্বাসা মুনিৰ বজ্ৰ-কঠোৰ শাপ;
মই মালিনী-তীৰৰ শকুন্তলাৰ বিৰহৰ মহাতাপ।
মই দেৱ মহেন্দ্ৰৰ দধীচি-অস্থিৰ বজ্ৰৰ মহামন্ত্ৰ।
মই বিশ্বামিত্ৰৰ ব্ৰহ্মত্ব পোৱাৰ তপৰ মহামন্ত্ৰ।
মই শত জনমৰ সাধনা-লব্ধ দেৱতাৰ মহাবাণী,
মই মধুৰ কৰোঁ নিখুঁত বিশ্ব বিৰাটৰ সুৰ সানি।

মহেশ্বৰ নেওগ

৮৪

# আক্ষেপ

সাক্ষী আছে পৃথিৱীৰ ইতিহাস
ময়ো জানো
এই পৃথিৱীত মই নেথাকোঁ সদায়।
মাঘৰ শেষত— গছৰ ডালৰপৰা
মৰহা শুকান পাত সৰি পৰি যায়।
দিনান্তৰ পোহৰ হেৰায়।
চিনাকি চৰাই এটি সন্ধিয়াৰ বুকুৰেদি
অকল'ই দূৰল'ই উৰি গুচি যায়।
বাৰিষাৰ ভৰপূৰ নদী
ফেনে-ফোটোকাৰে ভৰি
নেথাকেতো বৈ নিৰবধি,
হেমন্তৰ জুয়ে তাৰো বুকু পুৰি বলুকা ৰচিব,
পাৰৰ গৰাত মাথোঁ শেষ হোৱা যৌৱনৰ
মাৰ যোৱা ৰেখাটি থাকিব।
বসন্তৰ পয়োভৰ
হ'ব প্ৰাণহীন এক কঙ্কাল স্মৃতিৰ,
নিশবদে শুই থাকিবলৈ
কবিতাত কোনো এক অখ্যাত কবিৰ।
সেই কবিতাই
নেভাঙে টোপনি কাৰো,
নকৰে উন্মনা কাকো
দুচকুৰ লোতক সৰাই।
এদিন পৃথিৱীখনে পোহৰৰ স্বপ্ন হেৰুৱাব,
তিৰবিৰ তৰাবোৰ পুৰি ছাই হ'ব।
ডেই যোৱা ঘাঁহনিত সেউজীয়া বসন্তৰ
সোঁৱৰণি মাথোঁ শুই ৰ'ব।
অনাগত কোনো বৰাগীয়ে
আজিৰ দিনৰ সাধু ক'ব।

সকলো সহজ কথা।
দিন-ৰাতি হোৱা দৰে,
নাই কোনো নতুন বাৰতা।
ভাবিবৰো প্ৰয়োজন নাই,
টোপনিৰ শেষ হ'লে
সপোনৰ মাধুৰী হেৰায়।
তথাপি
তথাপিতো মনটোৱে
অহৰহ কৰে ছাটিফুটি,
অশান্ত প্ৰাণত জাগে
জিজ্ঞাসাৰ জটিল আকৃতি
কেৱল কঙ্কাল হৈ
কোনো এক কবিতাত শুই থাকিবলৈ
সত্য জানো বসন্তৰ ৰূপ-মাধুৰিমা?
খৰালিৰ বলুকাত শুকাই যাবৰ বাবে জানো
বাৰিষাৰ উচ্ছল গৰিমা।
ক'ৰবাৰ দূৰণিত নীৰৱে হেৰাই যাব
তাৰ বাবে জানো
বন-বিহঙ্গৰ এই অৰণ্যৰ নিদ্ৰা ভঙা
সুৰৰ তপস্যা?
পূৰ্ণিমাৰ জোনাকৰ লক্ষ্য জানো মাথোঁ
আলোহীন ঘন অমাৱস্যা?
        অহৰ্নিশে মনটোৱে কৰে হাহাকাৰ—
পালোঁ জীৱনৰ আশীৰ্বাদ,
কিন্তু জীয়াই থকাই জানো
শেষ কথা তাৰ?
        খ্যাতি আৰু ঐশ্বৰ্যৰ
        খহি যায় ক্ষীণ আৱৰণ,
নাচি উঠে চকুৰ আগত
        কদাকাৰ উলঙ্গ জীৱন।
পথৰ দাঁতিত য'ত জীৱনৰ মণিমুক্তা পচে,

তাৰ মই দিলো কিনো দাম?
জনতাৰ জীৱনৰ পথৰ ধূলিত মই
দিলো জানো এটোপাল কপালৰ ঘাম?
যি শিশুৰ জন্ম হ'ল গলিৰ বোকাত
কীট, পশু, পতঙ্গৰ দৰে।
তাৰ জীৱনৰ বাবে কোনো অঙ্গীকাৰ জানো
মোৰ দুবাহুৱে দাঙি ধৰে?
পৃথিবীৰ দিশে দিশে যিবোৰ আন্ধাৰ
আজিও বিয়পি ৰ'ল জুৰি চাৰিধাৰ,
তাত মই প্ৰেম আৰু জ্ঞান আৰু
মহত্ত্বৰ দীপিতি শিখাৰে,
কৰিলোঁ নে আলোক বিস্তাৰ?
যিদল দুৰ্ভাগা ৰ'ল ভৱিষ্যৰ ফালে চাই
চিনি পালে প্ৰতীক্ষা কেৱল,
তাৰ বাবে মোৰ দু-ওঁঠত আশ্বাসৰ মধুসম্ভাষণ
আঁকা জানো ৰ'ল?
পঁজাৰ মজিয়া যাৰ
বুকু ভঙা বেদনাৰ
হুমুনিয়াহ লাগি লাগি হ'ল ধোঁৱা-কোঁৱা,
তাৰ বাবে হ'ল জানো মোৰ
আশা আৰু আনন্দৰ কোনো গীত গোৱা?
কোনো নৱ-জাতকৰ বাবে
কোনোবা গোহালি ঘৰ
জাৰি-ফুকি কৰিলোঁ নে নিকা?
তিমিৰ যাত্ৰীৰ বাবে পথৰ মূৰত বৈ
জ্বলালোঁনে আলোৰ দীপিকা
জীৱনৰ ৰভাঘৰ কি ফুলে সজালো মই
গালোঁ কিবা গীত?
অকণি বুকুৰ তেজ ঢালিলোঁ নে কাৰোবাৰ
ৰক্তক্ষৰা পথৰ ধূলিত?
কিন্তু যি পথিক, যাৰ ভৰিয়ে চিনিলে মাথোঁ

হল, জোং আৰু কাইটনি,
তাৰ বাবে মই জানো ৰচিব পাৰিলোঁ ক'তো
সান্ত্বনাৰ অকণি ফুলনি
যাৰ বাবে ভগৱান মাথোঁ
ভিখাৰীৰ ভিক্ষামন্ত্ৰ হ'ল,
খুদ হ'ল সাক্ষাৎ ঈশ্বৰ,
মুকলি আকাশ আৰু বিৰিখৰ ছায়া যাৰ খিলঞ্জীয়া ঘৰ;

প্ৰেম যাৰ অশ্ৰু হ'ল
অশ্ৰু যাৰ চকুতে হেৰাল,
মোৰ ঐশ্বৰ্যৰ সম্ভাৰেৰে
ওপচাই দিলোঁ জানো তাৰ
প্ৰাণৰ ভঁৰাল?
পেটে যাৰ চিনি পালে
মাথোন ক্ষুধাৰ জ্বালা,
জুই হৈ অনিৰ্বাণ বুকুতেই জ্বলি ৰ'ল
কামনাৰ দুৰ্বাৰ অগনি।
যাৰ ওঁঠে কোনো দিন
নাপালে বিচাৰি এটি হাঁহিৰ ৰেঙণি,
দুঃখ যাৰ মিত্ৰ হ'ল
মৃত্যু যাৰ চিৰ লগৰীয়া,
অশ্ৰু, দৈন্য, হাহাকাৰ, অপমান বন্ধু যাৰ,
আঘাতে আঘাতে যাৰ কলিজা ক'লীয়া,
তাৰ বাবে কিনো এৰি যাম,
তাৰ বেদনাক মই কিদৰে জনাই যাম প্ৰাণৰ প্ৰণাম?
বিদায় লোৱাৰ আগে,
হে পৃথিৱী, হে জীৱন,
হে বসুন্ধৰা মধুময়ী,
আজি, আৰু অনাগত মানুহৰ বাবে,
এৰি যাম ৰক্তক্ষৰা এখনি হৃদয়।

মোৰ হাঁহি ফুল হৈ
পৃথিৱীৰ পথে পথে ৰহণ সানিব

মোৰ প্ৰাণ হাঁহি হৈ
কাৰোবাৰ চকুলোত
ৰং আঁকি দিব।
আত্মাই বিচাৰি পাব
বেদনাৰ্ত জনতাৰ জীৱনৰ নতুন পদূলি,
কপালত জিলিকিব মোৰ
সূৰুয ৰাঙলী ফোঁট হৈ
জনতাৰ চৰণৰ ধূলি।
তাৰ বাবে মোৰ আয়োজন—
তাতেই সাৰ্থক হ'ক—
মৃত্যুৰ বেদনাসিক্ত ভঙ্গুৰ জীৱন।

চৈয়দ আব্দুল মালিক

৮৫

# মুক্তিত নিস্পৃহ যিটো

শ্ৰীমাধৱ জন্মিলন্ত মোহোৰ উত্তৰ তীৰে
মঞিও ভৈলোঁ অতি হৰষিত,
যেহিসে উত্তৰ তট সেহিসে দক্ষিণ তট
মোহোৰ প্ৰব্ৰজ্যা আচৰিত।
যতমানে তীৰ বাসী তাহান কাব্যৰ নিষ্ঠা
ৰাখিবাহা হৃদয় সঞ্চিত
জানিবাহা শ্ৰীমাধৱ হৃদয়-সন্ধানী কাব্য
সৰ্ব অগ্ৰে কৰিলা ৰচিত।
বৰ্ণনা প্ৰাধান্য ছাড়ি ভাবাবেগ সাৰ কৰি
প্ৰথম কৰিলা কাব্য সৃষ্টি,
তাহান সন্তান যত কাব্য যশ প্ৰাৰ্থী সব
নিৰন্তৰে তাহে দিবা দৃষ্টি।
"হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য"
এই হেন উপমা স্ৰজিলা
"মাধৱৰ নাম সিংহ" ইহেন কল্পনা যাৰ
কাব্য কৰ্ম তাহাঙ্ক শোভিলা।

চাকনৈয়াৰ ৰং সুদীৰ্ঘ মিত্ৰতাৰ দৰে, য'ত এজন দীঘল পুৰুষৰ ছাঁ পাক ঘূৰণি খায়। নাৰায়ণপুৰৰ বালিত সেই ছাঁ।

অজিৎ বৰুৱা

৮৬

# জনতা

বাঁহৰ জপনা খুলি কেতিয়াবা অহা যদি ঘৰলই
শুনিবা প্ৰাৰ্থনা এই চৰাইজাকৰ নিজৰ অজ্ঞাতে
পুৱাৰ কুঁৱলি চেতনাৰ
মনৰ গোসাঁই সাধনাৰ
আৰু আকাশ কঁপোৱা অন্নপূৰ্ণাৰ অভিসাৰ।

বহুত চিনাকি ফুল ফুলনিত পাবা
লক্ষ্য যাৰ
পৰিপূৰ্ণ ফলভাৰ।
বহু তীৰ্থস্থান আছে বহু ৰত্নভাৰ
আমাৰ প্ৰাণৰ শৰাইঘাট
হৃদয়ৰ পাৰিজাত।

দধীচিবোৰেই এই ৰচিলে পৃথিৱী
বশিষ্ঠই তৰাটিৰ নাম দিলে অৰুন্ধতী
. আমিয়ে ৰাখিছোঁ তাক সাঁচি।
কুঁৱলিত কঁপা জোনটিৰ স'তে
আমাৰ বন্ধুতা
কত শত সূৰ্য ডুবা নিশা।

আমাৰ নাম জনতা।
অৰণ্য এৰিলো আমি পাতিলো নগৰ
শিলত আঁকিলো ইতিহাস।
সময়ৰ ধুমুহাত আমিয়ে বচালো আঁঠু লৈ
মানৱ-পুত্ৰক
আইতাৰো আইতাই ভুঁইৰোৱা পথাৰত
নাতিনীয়ে ৰোৱে

ভাত কাঁহী এতিয়াও বান্ধনি বেলিৰ দৰে শোভে
        মোজেইক অন্তৰত।

হিমালয় হুমুনিয়া হ'ল কতবাৰ
আমি যে দুবৰি বন অতি মৃদু অতি ঋজু
ভূগোলৰ সীমা মাথোঁ আঁক-বাঁক্ ৰেখা
আমি হ'লোঁ বলিশাল শত সাম্ৰাজ্যৰ
আমি পিতৃ গান্ধী-লেনিন-লিঙ্কনৰ
আমি মাতৃ কুশলকোঁৱৰ হামিদৰ
আমি ধাতৃ লুম্বিনী জোনৰ
আমি সাক্ষী বহুত সীতাৰ লাঞ্ছনাৰ
বেকেট-শম্বুকৰ! নাম ক'ম কাৰ?

বলিশাল আছে
মৃগয়াবনৰ সমীপত এখনি আশ্ৰম আছে
যাৰ দেশ নাই, পৰদেশো নাই
হৰিণাই কন্দা শুনি পদুম-পাতৰ সেই আখৰ কিটিত
আমি যে হৰিণা হৈ মৰোঁ।
পুনু কালীনাগ হৈ খোঁটো।
আমাৰ বনত আমি যে গজালি গোলাপৰ
ম'ৰাচালি ৰণচালি স্থিতিত মিহলি।
বহুত বিনিদ্ৰ নিশা সোণৰ উৰলা জোনটিয়ে
        জখলাৰে নামি আহি
        আমাৰ পাটীত কথা কয়,
সপোনৰ কথা?
'কালিলই পৃথিৱীৰ অধিপতি হ'ম।'

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

৮৭

# বল্মীক

মোক ঢাকি দিয়া
গলগথাৰ শিলনিত যিবোৰ তিচিৰ গুটি নগজিল
সেইবোৰ জীয়াই আছে মোৰ শুক্রৰসত
মোক ঢাকি দিয়া
পৃথিৱীৰ কোমল উমাল মাটিৰে মোক ঢাকি দিয়া
ৰাখি থোৱা এই বন্দীশালৰ আর্দ্রতা
সাৱধানে ৰক্ষা কৰা মোৰ মৃত্যু
কাৰণ
ময়েই মৃত্যু আৰু ময়েই পুনৰুত্থান।

মোৰ আগেয়ে উঠি আহিছে আৰু বহুতো
হঠাৎ ঐশ্বর্যেৰে অবাক কৰি দিছে ভূমিচম্পাৰ নশ্বৰতাই
বুকুত পীয়ুষ লৈ মূৰ তুলিছে গাভৰু ধানৰ শীহবোৰে
মৃত্যুৰ সোন্দর্যৰে সাগৰত খলকনি তুলিছে আগ্নেয় দ্বীপৰ
আকস্মিকতাই
উঠি আহিছে ওল-মোকোটাৰ ৰক্তিম দুৰ্গন্ধ প্রতীক
ৰাতিৰ পতঙ্গ উঠি আহিছে নিয়ন লাইটৰ সূর্যৰ সন্ধানত
প্রাপ্তবয়স্ক জিলিৰ প্রেমৰ লেকচাৰ এইমাত্র আৰম্ভ হ'ল অৰণ্যৰ
নির্জনতাত।

ঘূৰি আহিল অৰফিউচ
নচিকেতা ঘূৰি আহিল মৃত্যুৰ জীৱন্ত আৱর্তৰপৰা
শেঁতা লাজাৰাচ হৈ
মই খোজ নাকাঢ়োঁ তমসাৰ তীৰে তীৰে
পবিত্র হৃদয়ৰ সুবাসেও যাৰ গাৰপৰা গুচাব নোৱাৰিলে
কবৰৰ গোন্ধ
কবন্ধ অনঙ্গ হৈ মই আত্মাৰ সংযোগ নিবিচাৰোঁ
যোনিপথৰ অন্ধ সুৰঙ্গেৰে
মোৰ চৰ্বিৰে নাঢাকোঁ পৃথিৱীৰ চাৰি আঙুল মাটি

যি মাটিৰ পৰা গঢ়া হ'ল
অমৰা-বিক্ষেপিক অমিদাৰ বিকলাঙ্ক ভাস্কৰ্য—
দধীচিৰ হাড়ৰ জীৰ্ণতাৰপৰা ওলোৱা কাঠফুলাৰ ওপৰত
বজ্ৰাসনত বহা
ভূমিস্পৰ্শ মুদ্ৰাৰে চুই বিশ্বৰ শূন্যতা

*　　　　*　　　　*

মোক দিয়া কুমাৰী মাটি
সেই কুমাৰী মাতৃৰ জৰায়ুত মোক ঠাই দিয়া
কৈশিক আৰ্দ্ৰতা দিয়া ভূ-নিৰ্জিত পুষ্কৰৰ।

** বাপা, কৈছা ঠিকেই। পাছে কুঁৰা খান্দা মাটিত শহ ভাল নহয়।*

**নৱকান্ত বৰুৱা**

৮৮

# পলস

পলাশৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ন
বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ।
কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে খতিয়ান
কলঙ্ কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়।
বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰুৰ ফুল।

ডাৱৰে কি ক'লে ঃ দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া
আলিৰ কানত গছ পুলি ৰোৱা— এটা হাইস্কুল খোলা
পথিক প্ৰিয় যে সদায়ে বাটত, কাঢ়া দুটা হুমুনিয়া
উৰুখা পানীয়ে উটায় নিয়ক মৰা মকৰাৰ খোলা
আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুয়ো কূল !

আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম। সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু। সপোন অন্ধ যি গলিত
আমি থাকোঁ তাৰে নয়ানজুলিত সিহঁতৰ ভৱিষ্যত ?

**নৱকান্ত বৰুৱা**

৮৯

# অন্নপ্ৰাশন

মুগ্ধবোধ শেষ হ'লে জননীৰ স্তন-অমৃতৰ,
আগত মুকলি তোৰ পৃথিৱীৰ অনন্ত কবিতা,
অকূল আস্বাদ তাৰ, পাতে পাতে নতুন আহাৰ,
বাঢ়িব তৃপ্তিৰ স'তে আত্মাৰ অসীম আকুলতা।
কিমান প্ৰভাতে তোৰ আঁতৰাব নয়নৰ ক্ষুধা,
ক'ত সুৰধুনী ব'ব পখীৰ কোমল কাকলিত,
বাহুত বন্ধুৰ হাতে মছিব নিঃসঙ্গ দুৰ্বলতা,
ভোগবতী প্ৰেম ব'ব কামনাৰ ঊষৰ বালিত।

পৃথিৱীৰ প্ৰেম আৰু নদী আৰু স্বপ্নৰ শেষত
যেতিয়া দেখিবি তোৰ অনিৰ্বাণ চেতনাৰ শিখা
আছে চিৰ-ঊৰ্দ্ধমুখী শূন্যতাৰ মৌন আখৰত
বিশ্বৰ চৰম কাব্য আকাশৰ আঁহে আঁহে লেখা
তেতিয়া পাবিনে স্বাদ অন্তহীন চিৰআশ্বাসৰ
মাতৃ আৰু মৃত্যু আৰু বিশ্বাসৰ অযুত স্বপ্নৰ ?

**নৱকান্ত বৰুৱা**

৯০

# স্মৃতি

হঠাৎ নিৰৱ হয় পৰিচিত পখীৰ ক্ৰন্দন,
পকা ফল সৰি পৰে ইমান নিৰৱে যে
গছে তাৰ গমকে নেপায় ;
পথাৰ উৰুঙা হয় সাপৰ এন্ধাৰ জঠৰত।

মৌন এই মৃত্যু-লীলা প্ৰকৃতিৰ প্ৰাচীন নিয়ম,
কেৱল মইহে তাৰ কঠিন উদ্ধত ব্যতিক্ৰম।
মৃত্যুৰ অমোঘ হাতে স্পৰ্শ মোক কৰেহি যেতিয়া,
ক্ৰুদ্ধ এটি প্ৰতিবাদ ফাটি পৰে হৃদয়ত মোৰ
বাৰে বাৰে ঘূৰি চাওঁ, কি এক ৰক্তাক্ত হাহাকাৰ
দীৰ্ণ কৰি কণ্ঠ মোৰ অনন্তৰ হিমল বতাহ—
কৰি তোলো ভাৰাতুৰ ; প্ৰতিধ্বনি বাজে অবিৰাম।

কাৰণ সত্তাত মোৰ আছে এক স্মৃতি অনিৰ্বাণ
অনাদি অতীত আৰু অমাপিত দূৰ ভৱিষ্যৰ,
প্ৰিয় এক মুখচ্ছবি বুকুত গভীৰ স্পৰ্শ যাৰ
চিৰন্তন বিৰহৰ বেদনাত অনন্ত অম্লান।

স্মৃতি নাই প্ৰকৃতিৰ নিৰুৎসুক অন্ধ হৃদয়ত ;
সেয়ে মই সৃষ্টি কৰোঁ প্ৰকৃতিৰ অতীত প্ৰতীক
মৃত্যুৰ তমিস্ৰা ভেদি শব্দৰ উজ্জ্বল দীপ-শিখা—
প্ৰকৃতিক তুচ্ছ কৰি যাতে মোৰ অমৰ বিষাদ
পূৰ্ণ কৰে অন্য এক ভুৱনৰ শূন্য অধিকাৰ,
মই য'ত মৃত্যুহীন, সৃষ্টিৰ শাশ্বত অঙ্গীকাৰ।

**হোমেন বৰগোহাঞি**

৯১

# পথাৰ

শাওণৰ মেঘমুক্ত নীলাকাশ।
সূৰ্যস্নাত ক্লেদময় হে বিশাল পথাৰ, —বিপুলসম্ভৰা !
নাঙলৰ সীৰলূত সোণফলা মাটিৰ কামনা
ঘৰ্মাক্ত দেহ আৰু দেহাতীত সৃষ্টিৰ চেতনা।

কপালৰ ঘাম লাগি সেউজীয়া পৃথিৱী আমাৰ
তুমি প্ৰাণময়, মোহময় জীৱন-মালিকা। পথাৰ !
তোমাৰো স্বীকৃতি আছে, তুমি কোনোবা
আদিতম মানুহৰ সংগ্ৰামৰ ইতিহাস
আৰু সভ্যতাৰ স্তৰে স্তৰে একোটা নিৰ্ণয়-সূত্ৰ।

মৃতম্লান কৃষকৰ সাধনা কঠাৰ
নিৰন্ন বিমৰ্ষ আৰু ক্লান্ত ; শান্ত সন্ধিয়াত
দঃচিন্তা দুঃসহ হৈ পৰে। মহাজনী অৰ্থনীতি ঃ দৈনন্দিন
লাভ আৰু ক্ষতিৰ গণনা।
পাৰ ভাঙি পানী আহে।
সোঁতৰ ছেৰে ছেৰে বাঢ়ে, নাচে আৰু হাঁহে।

ক্ৰূৰ স্পৰ্শ ঃ ফেনিল উত্তাল তৰঙ্গ-ৰাজি,
বুকুৰ সেউজী সপোনটোকে কাঢ়ি লৈ যায়,
বাধা নাই, অবাধে আহিল আৰু গ'ল। তেতিয়া
মই কান্দো, সি আৰু পথাৰেও ইনাই-বিনাই কান্দে।

বিচিত্ৰ আভিব্যক্তি। সন্মিলিত কৃষকৰ সমস্বৰ দৃঢ়কণ্ঠ
বিননিত বিদ্ৰোহৰ জাগৰণ আহে। অভ্যুদয় প্ৰভাতী চেতনা
অগ্নিদীক্ষা-দ্ৰুত অভিযান, অবিৰাম ! অধিকাৰ
সংগ্ৰামৰ পথাৰত শ্ৰমজীৱী মানুহৰ তেজৰঙা ইতিহাস
লিখা হয়। পৰিৱৰ্তন। আৰু

*হাল-কোৰ-দা লৈ নতুন যুগৰ অভিযাত্ৰী শ্ৰমিক-কৃষক*
পলাতক-উদ্বাস্তু, মহাজন, পুঁজিপতি, সমস্ত শোষক ঃ
বানপানী পাৰ ভাঙি আৰু আহিব নোৱাৰে।

সেউজীয়া প্ৰাণৰ পথাৰ
সোণালী ৰূপালী হয়, বাকৰিত সোণগুটি লাগে,
নতুন আৰু নতুন.

হে পথাৰ !
হে সৃষ্টিসম্ভৰা বিপুল পথাৰ
তোমাক নমস্কাৰ !

ৰাম গগৈ

৯২

# ফুলৰ নৰজন্ম

জীৱনৰ পৰা মৃত্যুলৈ
মৃত্যুৰ পৰা জন্মলৈ
এই পথ

দীৰ্ঘতম কৰিছে যি
যন্ত্ৰণাই

সেই যন্ত্ৰণা মোৰ হওক
একান্ত মোৰেই বুকুত

থাকক তাৰ অন্তৰ্দাহী
শিখা।

কাৰণ মই জানো
ফুলৰ নৰজন্মই
বিচাৰিছে
অশ্ৰুসিক্ত এডৰা মাটি।

লক্ষহীৰা দাস

৯৩

# আন্তৰ্জাতিক

নদীৰ দৰে নির্মল
শস্যৰ দৰে সুন্দৰ মোৰ আইৰ হাত ধৰি
মই গৈ আছো ভৱিষ্যতহীন বর্তমানৰ
পৰা অন্য এটা বৰ্তমানলৈ।

মোৰ যাত্ৰাপথৰ আকাশজুৰি
মোৰ প্রতিবেশী আৰু বন্ধুজনৰ শুভ ইচ্ছা
পবিত্র সঙ্গীতৰ দৰে
বাজি উঠিছে।

মোৰ আইৰ হাত ধৰি দেশৰ পৰা
দেশান্তৰলৈ মই গৈ আছোঁ।
মোৰ প্রতিবেশী আৰু মোৰ বন্ধুজন
ক্রমে ওচৰ চাপি আহিছে।

মোৰ আইৰ হাত ধৰি
মই গৈ আছোঁ......

হীৰেন ভট্টাচার্য

৯৪

# নীল-নক্ষত্ৰ

ময়ো আকাশৰ দূৰাৰৰখীয়া আছিলো।
মেঘ-তৰা-নক্ষত্ৰখচিত আকাশলৈ চাই
কেতিয়াবা গানো গাইছিলো হ'বলা।

তেতিয়া মোৰ বয়স আছিল কুৰি বা
ঠিক তেনেকুৱাই কিবা এটা। তাৰ পিছত,
কেতিয়া যে তৰাবাহী মেঘবোৰ গুৰি হৈ হৈ
ক্ৰমে নিঃশেষ হৈ গ'ল, কোনেযে নিঠুৰ
নখেৰে ছিঙি লৈ গ'ল নীল-নক্ষত্ৰ।

আকাশতকৈ সঁচা হ'ল মোৰ আতংক,
প্ৰেমতকৈ মহীয়ান হ'ল নিৰক্ত কিছুমান শব্দ !

আজি বয়স গৈ গৈ দুকুৰিৰ ওচৰত মই
আকৌ থমক খাই ৰ'লো। হাতৰ মুঠিৰ
আহত গোলাপপাহলৈ চাই ভাবিছো ঃ
মই আজন্ম তোমাৰেই গানৰ কবি ;
হৃদয়ত মোৰ নীল-নক্ষত্ৰৰ আনন্দ !!

হীৰেন ভট্টাচাৰ্য

৯৫

# মুখ-আন্ধাৰিত আৰু হাড়-কঁপোৱা জোনাকত

মুখ-আন্ধাৰিত আৰু হাড়-কঁপোৱা জোনাকত
উচুপি উঠোঁ
আৰু তোমাৰ কবিতা পঢ়োঁ

তোমাত বিচাৰি পাওঁ প্ৰভাতী উত্তৰৰ
উড্ডীন এজাক বগলী
মই যেতিয়া মই হৈ নাথাকো
হিম যেতিয়া হিম হৈ নাথাকে

হালধীয়া ধূলিৰ ধুমুহাৰ মাজেৰে
নাও এখনত উঠি
তুমি বাঁহী বজাই আহা

আৱহমান প্ৰশান্তিৰ ৰাগিণী এটি
দুৱাৰে দুৱাৰে থিয় দি
বোধিসত্ত্ব পদ্মপাণি

মৌ-ডিমৰুৰ তলে তলে ঘূৰি ফুৰোঁ
সঙ্গ-নিঃসঙ্গ শান্ত ব্যাকুল
পান-পাত্ৰত ধৰোঁ স্তব্ধতা
আৰু কোলাহল
এতিয়াও ইজনে সিজনক ভাল পাওঁ
এতিয়াও
অনাহাৰত মৰে মোৰ সন্তান

মুখ-আন্ধাৰিত আৰু হাড়-কঁপোৱা জোনাকত
উচুপি উঠোঁ
আৰু তোমাৰ কবিতা পঢ়োঁ

জীৱনৰ মৰণৰ সিপাৰতো তুমি
মোৰ কবি
মানুহক কবিতাক দিয়া পৰমায়ু।

**নীলমণি ফুকন**

৯৬

# সমুদ্ৰ-ভীতি

বৰ ভয় লাগে সমুদ্ৰক— তথাপি সমুদ্ৰ নিজে নিৰ্বিকাৰ
বুজিব নোৱাৰোঁ কিনো ৰহস্য লুকাই আছে সমুদ্ৰৰ গভীৰ বুকুত—
কিহৰ সঙ্গীত শুনো— মৃত্যুৰ অথবা জীৱনৰ,
তথাপি সমুদ্ৰ নিজে নিৰ্বিকাৰ। ভয় লাগে, সেই বাবে বৰ ভয় লাগে।
যিদৰে নুবুজোঁ মই গৰ্ভৱতী নাৰীৰ দৃষ্টিক
যিদৰে নুবুজোঁ তাইৰ ক্লান্তিজীৰ্ণ নয়নৰ ভাষা
সিদৰে নুবুজোঁ এই সমুদ্ৰক। সমুদ্ৰ নিজেই এক সুপ্ৰাচীন নাৰী
চিৰদিন গৰ্ভৱতী। কোনে জানে
জন্ম দিব পাৰে কেনে সন্তানক। হয়তো আভীৰ সেই দস্যুৰ দলক।

মইতো নিজেই পিতৃ। জন্ম দিছোঁ সহস্ৰ সন্তান।
কৰিছোঁ পালন সিহঁতক।
সিহঁতৰ নয়নক আলো দিছোঁ।
কণ্ঠত যাচিছোঁ মোৰ হৃদয়ৰ, বিবেকৰ ভাষা।
কালৰ অক্ষয় গীত এইবাৰ শুনাব খুজিছোঁ সিহঁতক,
সেই বাবে বিচাৰি আহিছোঁ শঙ্খ সমুদ্ৰত—
হঠাতে লাগিল ভয়। বৰ ভয় লাগে— বৰ ভয় লাগে সমুদ্ৰক।

সময় নিজেও নিৰ্বিকাৰ। অতীত, ভবিষ্যৎ, বৰ্তমান
লীন হৈ একক সময়। তাৰ চৌদিশে
তোমালোক নাচি ফুৰা। ছায়ানট কিছুমান।
চিনিব খুজিও হায় চিনিব নোৱাৰোঁ
তেতিয়া হঠাতে লাগে ভয়— কোনেনো চিনিব মোক
কোনেনো চিনিব মোৰ সহস্ৰ সন্তান।

মই জানো সিন্ধুত আহিব বান। যি বানে টোৱাই নিলে
বহু সুপ্ৰাচীন সভ্যতাক।

আকৌ আহিব তেনে বান। ব্যাপ্ত হ'ব সমুদ্ৰ আকৌ।
আন্ধাৰ ছায়াৰ সতে নিঃশব্দ খোজেৰে মৃত্যু
আহিব হঠাৎ। সেই বাবে
বৰ ভয় লাগে, বৰ ভয় লাগে সমুদ্ৰক।

তথাপি শঙ্খৰ ধ্বনি নিনাদিত হ'ক বতাহত
যদিও জানিছোঁ মই
নামিব আন্ধাৰ ছায়া অকস্মাৎ, ক্ৰমে ক্ৰমে লুপ্ত হ'ব
সঙ্গীতৰ প্ৰতিটো লহৰ।
দেখিছোঁ সমুদ্ৰ নিজে নিৰ্বিকাৰ। চিৰদিন গৰ্ভৱতী।
মোৰোতো হৃদয় জুৰি সৃষ্টি-চেতনাৰ বীজ ব্যাপ্ত আজি
যদিও লাগিছে ভয় সমুদ্ৰক
আৰু তাইৰ প্ৰাচীন বুকুৰ ৰহস্যক।

**হৰেকৃষ্ণ ডেকা**

৯৭

# এটা কবিতা

এই পথাৰখনেই আমাক খুৰাই আছে
আমাৰ চৈধ্য পুৰুষ
সেউজীয়া পাহাৰ
নিজৰাৰ গুঞ্জন
জন্মৰ দিনৰে পৰা একেবোৰ কথা
একেবোৰ মানুহ,
হাঁহি কান্দোন, পাতৰ মৰ্মৰ ধ্বনি
মৰা মানুহজনৰ দেহৰ দৰে শীত হৈ যাব খোজে

কিমান বাৰ শুনিব কবিক
কিমান চাই থাকিব মন্দিৰৰ দুৱাৰ
কিমান বাৰ বুজি ৰ'ম
শুকান মুখৰ হাঁহি

চোৱা চোৱা
কেনেকৈ গছজোপাই ছাঁবোৰ মেলি দিছে
কেনেকৈ কেতেকীৰ বিননিত খহিছে আকাশ
কেনেকৈ ছবিখনৰ মুখত মুখ থৈ পৰি ৰ'ল শিল্পীজন

চোৱা চোৱা
ৰেলখনে উকিয়াই নমাই আনিব খোজে হালধীয়া জোন
চোৱা চোৱা
তোমালোকৰ মুখবোৰলৈ চোৱা
তোমালোকৰ চকুবোৰলৈ চোৱা, তোমালোকৰ উশাহত চোৱা
ছোৱা ছোৱাকৈ গছবোৰ পৰি আছে চোৱা

এইখনেই পথাৰ
আমাৰ চৈধ্য পুৰুষৰ আশীৰ্বাদ লৈ জীয়াই আছে শইচ

*জন্মৰ দিনৰে পৰা সলনি হোৱা নাই*
*একেদৰেই আছে দুপৰীয়া আৰু প্ৰহৰ*
তোমালোক যিজনেই মানুহ হৈ থাকিবলৈ বিচাৰা
তাতেই মোৰ অন্তৰ।

হাঁহিমেই নে কান্দিম
বুকুত চপৰিয়াই থাকিম নেকি চাই
অস্তগামী সূৰ্য
দুবাহুৰ শকতিৰে মাতি আনিম কাক
ভক্তি আৰু চেতনাৰ কৃতদাস
নে মাজনিশাৰ গণিকাক

তোমালোক মুনিহ তিৰোতা
তোমালোক হিন্দু আৰু মুছলমান
তোমালোক বৌদ্ধ আৰু জৈন, দেৱদূত আৰু চয়তান
তোমালোক —তোমালোকৰ

মোক সেই অন্ধকাৰলৈ নিনিবা
কেৱল মানুহ হৈ জীয়াই থাকিবলৈ দিয়া

কবিজনলৈ চাই থাকিলে
শিল্পীজনক বুজি থাকিলে
গানৰ মাজত হেৰুৱাই পেলালে
তোমালোকৰ সাতামপুৰুষীয়া ৰীতি নলৰে

তোমালোকক পুহি থব
মাথোঁ পথাৰখনে, নদীখনে
পাহাৰখনে
সেউজীয়া শইচৰ বিনন্দীয়া চেতনাই।

**আনিছ উজ জামান**

৯৮

# কবিতা

প্ৰথম কবিতা শিশু
অকপট, নগ্ন, নিৰঞ্জন
শুৱাই আছিল কোন সুপ্ৰাচীন কৃষকৰ
হৃদয় প্ৰাংগণ
মই তাৰ বাতৰি নাপাওঁ।

প্ৰথম দেখিছোঁ তাইৰ
ঐশ্বৰিক ৰহস্যৰ প্ৰশান্তিৰে ঘেৰা
বাল্য-বিধৱাৰ এক
পবিত্ৰ জীৱন।

এৰতি ধৰ্মৰ কানি
যাৰ বাবে নিত্য প্ৰয়োজন।
কোনে তাইক ধৰি আনি ক্ৰীতদাসী কৰিলেহি
চৰণত পিন্ধালে নূপুৰ

ৰজা-ৰাজন্যৰ মনোৰঞ্জনৰ বাবে
মনোমোহা আভৰণে সজালে শৰীৰ
শিকালেহি তাল-মান-ছন্দ-লয়-সুৰ !

এনেকৈয়ে চহাৰ আত্মজা—
তায়ে হ'ল অভিজাত বৈঠকখানাৰ
এক অনন্য অপৰিহাৰ্য সজ্জা

উখল-মাখল হ'ল তাইক লৈ ওপৰ মহল,
পৰীক্ষা-নিৰীক্ষা হ'ল, হ'ল গৱেষণা ;

আগ্ৰহী কবিয়ে তাইক কাটি-কুটি থাপি-থুপি
বনছাই, ইকেবানা, সজালে কতনা !

এনেতে এদিন
আত্মম্ভৰী পণ্ডিতৰ অস্ত্ৰোপচাৰত
কবিতাৰ হৃদয়ৰ ৰক্তধাৰা স্তব্ধ হৈ গ'ল,
থাকিল মনন ;

এমুঠি বোদ্ধাৰ বাবে
এনেকৈয়ে হেনো তাই হ'ব চিৰন্তন।

এতিয়া কবিতা হ'ল
দুৰূহ দুৰ্বোধ্য এক
কঠোৰ হৃদয়হীনা নিৰ্দয়া ৰমণী

নাজানো হঠাতে তাইক কোনে দিলে আনি
কোনো এক মিছনেৰী 'মাদাৰ'ৰ অনন্য হৃদয় ;
যাক পাই কবিতাৰ পুনৰ্জন্ম হ'ল,
ধন্য হ'ল পূৰ্ণ হ'ল
ঋজু অকপট হ'ল
কবিতা সৰ্বত্ৰগামী হ'ল।
এতিয়া কবিতা হ'ল
শীত আৰু বসন্তৰ
দুখ আৰু আনন্দৰ
অস্ত্ৰ আৰু ফুল ;
কবিতা নহয় আৰু বতৰৰ ফুল।
কবিতাৰ নাই দিন নাই ৰাতি
সময় অসময়,
কবিতা নহয় আৰু সুখী মানুহৰ কৃতদাস
কবিতা নহয় আৰু পণ্ডিতৰ অলস বিলাস
য'তে দুখ য'তেই মানুহ
কবিতা তাতেই
কবিতাই তুলি ধৰে মানবিক প্ৰমূল্যৰ পচা মৃতদেহ।

*যেতিয়া আকাশ ছানি শগুণে আৰাও কৰে*
যেতিয়া শিশুৰ দেহ ছিন্ন ভিন্ন হয়
হিংস্র হায়েনাৰ কামোৰত
লেলিহান জুই আৰু ধোঁৱা
লেটিপেটি তেজ আৰু বোকা
সকলো নেওচি গৈ একাঁজলি ফুল যাচি
মৃতকক যথাযোগ্য সন্মান জনাই
কবিতাই জীৱনৰ আৱাহনী গায়।

এতিয়া কবিতা হ'ল সৰ্ব মানৱৰ বাবে
আকাঙ্ক্ষাৰ ধন ;
কবিতাই স্পৰ্ধা ৰাখে ছুবলৈ জীৱনৰ
বিশালায়তন।

তোষপ্ৰভা কলিতা

৯৯

# মই মানুহৰ অমল উৎসৱ

চৌদিশে মই জয় আৰু জয়
এই জয়ৰ বাবে আন্ধাৰতে উদ্‌ভাসিত পোহৰ— পোহৰত হিৰন্ময়
হৈ নাচো মই
নাচি নাচি নদী হৈ উজানৰ পৰা ক্ৰমশঃ মই গৈ থাকো গৈ
থাকো আৰু গৈ থাকো

মইতো অমোঘ সময়—দুঃস্থজনৰ কাংখিত সৌৰভ—মই কামনা-বাসনা
মোৰ ৰক্তৰ পৰা সৃষ্টি হয় মানুহৰ অমল উৎসৱ
চৌদিশে মই জয় আৰু জয়

পৃথিবীৰ প্ৰত্যেকখন নদীয়েই জানে মই বিপ্লৱ
সুউচ্চ পৰ্বতমালাই জানে মই বিপ্লৱ
বাঘৰ দৰে হিংস্ৰতম পশুৱেও জানে মই বিপ্লৱ
মই প্ৰবাহিত অমোঘ সময়
মই আশা
মই জীৱন

ময়েইতো জন্ম দিছো উৰ্বৰ মাটিত সোণালী শস্যৰ
জন্ম দিছো সমাজতান্ত্ৰিক চেতনাত উদ্‌ভাসিত মাটিত জ্যোৎস্নাধাৰা
উচ্চাৰিত কবিতাৰ মধুৰ গুঞ্জনত জন্ম দিছো আশা আৰু প্ৰেমৰ
চৌদিশে মই জয় আৰু জয়
জয় আৰু জয়

তোমালোকে দেখিছানে মোক
কি সুন্দৰ পথত মই গৈ আছো— আৰু মোৰ গৈ থকা পথৰ—
দুয়োকাষে পোহৰ— কি উজ্জ্বল পোহৰ !
তোমালোকে দেখিছানে
মোৰ হাতত কি অমোঘ শক্তি !

মই জানো মোৰ বিৰুদ্ধে কোনো শক্তিয়েই থিয় হ'ব নোৱাৰে
ধনতন্ত্ৰ কিংবা স্বৈৰতন্ত্ৰক মই ওফৰাই পেলাম ধুমুহাত
উৎপাটিত গছৰ দৰে
মইতো বিপ্লৱ— মই অমোঘ সময় !

মোৰ বিপক্ষে যিমানেই চিঞৰ নহওক মিছিল আৰু শ্লোগানেৰে
গধূৰ নহওক বতাহ
নাৰীৰ মুখত উচ্চাৰিত নহওক অশ্লীল শব্দ
সময় হ'লেই দুৰ্বাৰ নদীৰ দৰে আহিম
সময় হ'লেই বানৰ দৰে উটুৱাই লৈ যাম বিপক্ষৰ সমস্ত সম্ভাৰ
কিয়নো মই যে বিপ্লৱ— মই যে বিজ্ঞান

সৃষ্টি আৰু ধ্বংসৰ মই যে মন্ত্ৰসম ধ্বজা
মই মানুহৰ কৰুণ অনুভূতি আৰু জ্যোৎস্নাময় স্থিতি
বিশাল বুকুৰ প্ৰসাৰিত চেতনাত মই মানুহৰ আশা— মই জীৱন

চৌদিশে মই জয় আৰু জয়— জয় আৰু জয়
মইতো অমোঘ সময়
মই মানুহৰ অমল উৎসৱ

**সনন্ত তাঁতি**

১০০

# ৰ'দৰ আত্মজ

ৰ'দেপোৰা মোৰ ৰঙৰ সতে মই ৰ'দৰেই আত্মজ
তেজৰ, জলৰ দৰে বৈ যোৱা মোৰ স্বেদ-ৰক্তবিন্দুৰ
সকলো সোৱাদ

মাটিয়ে জানে
জানে বননিৰ গছ বৃক্ষ জলাশয়ে
জানে ৰ'দেপোৰা গন্ধে আকুল আকাশে

মই এজন কবি
সাম্প্ৰতিক অসমীয়া কবি
দুই হাতেৰে শস্যৰ খেতি কৰোঁ
ৰক্ত দি মোৰ বীৰ্যত সাহস দি মাটি তৈয়াৰ কৰোঁ
পুৰাৰ আচ্ছন্ন পোহৰত মোৰ গীত চোতালৰ পৰা
চোতাললৈকে

ঘৰৰ পৰা ঘৰলৈকে
সীমাৰ পৰা সীমালৈকে
আছাৰ খাই ভাঙি ভাঙি পৰে

মোৰ সীমা ভাঙি উঠা ৰ'দৰ শৰীৰ মই জিভাৰে মৰম কৰোঁ
মোৰ চুমাৰ শব্দত বাটেৰে গৈ থকা মানুহৰ আত্মধ্বনি বাঢ়ে
মোৰ চুমাৰ শব্দত মানুহৰ সবল বুকুত জন্ম লয় যুদ্ধৰ সন্তান
মই একোৱেই নহয়
সাম্প্ৰতিক বতাহত উৰি যোৱা যুদ্ধৰ ভাষাত মই এজন কবি
শব্দৰ খেতিয়ক মাথোঁ এজন অসমীয়া কবি

ৰ'দেপোৰা মোৰ ৰঙৰ স'তে
মই ৰ'দৰেই আত্মজ

সনন্ত তাঁতি

১০১

# বাঁহী

আছিল দেখোন

গাঁওখনৰ কাষেৰে নৈখন বৈ
নৈখনৰ কাষতে গাঁওখন ৰৈ

আছিল দেখোন

নৈখনৰ কাষতে ঘৰ এটি
ঘৰটিৰ মজিয়াতে মানুহ দুটি

সুখতো নহয়
ৰ'দতো জোনাকতো
বৰষুণ বা ধুমুহাতো

এখনেই নাও আছিল
এখনেই চৈ

মানুহ দুটিৰ

এখনেই নদী আছিল
এখনেই পথাৰ

হঠাৎ কিয় ফাঁট মেলা বসুমতী চিয়ঁৰ
হঠাৎ কিয় বুকুৰে বুকুৰে কেঁচাইখাতী নাচ
হঠাৎ কিয় ডিঙিত তেজৰ ইমান পিয়াহ

নে কোনোকালে ইয়াত একোৱে নাছিল

ৰজস্বলা নাৰীৰ বুকুত সুগন্ধি প্ৰেমৰ হ্ৰদ
ফুলৰ বুকুত থুপ পাতি মৌ
শিশুৰ মুখত দেৱদূত হাঁহি

নে নিজান বিলৰ পাৰত বজাই নাছিল
কোনোদিন কোনোকালে নাৰবীয়া গীত

আছিল দেখোন

গাঁওখনৰ কাষেদি নৈখন বৈ
নৈখনৰ কাষতে গাঁওখন ৰৈ

নৈখনৰ কাষতে ঘৰ এটি
ঘৰটিৰ মজিয়াত মানুহ দুটি

সুখতো
দুখতো

ঐৰাম আছিল বজায়

আন্ধাৰতো
পোহৰতো

ঐৰাম আছিল বজাই

ৰাম আৰু ৰহিমে বাঁহী

ৰফিকুল হোচেইন

১০২

# জ্যোতিপ্ৰসাদ

থানবান আজি আমাৰ তেজৰ কোবাল সোঁতত
গুঞ্জনৰত চিফুঙ আৰু পেঁপাৰ মাত
সংকীৰ্ণ কৰি তোলে আত্মাৰ পৰিধিক নব্য প্ৰাচীৰবোৰে
ক্ৰমাৎ আঁতৰি গৈ মূক হৈ ৰয় স্পন্দিত এটি ধ্বনি
ৰূপৰ পোহৰ এৰি আগবাঢ়ো আমি শ্মশান-যাত্ৰাত
ভাহি আহে য'ত ৰিণিকি ৰিণিকি সুদূৰৰ পৰা
হৃত হৃদয়ৰ দ্ৰবিত গীতৰ ভগ্ন সুৰ..........

চিৰঞ্জীৱ জৈন

১০৩

# গীতা পাঠ/১

এইদৰে বৈ থকাৰ অৰ্থই ভ্ৰমণ, হে পাৰ্থ
আচলতে তুমি বৈ থকা নাই।


তোমাৰ চৌপাশৰ পৃথিৱীখনে অনবৰতে গতি কৰি আছে ;
ফুলৰ কলিবোৰ এদিন ফুল হৈ সৰিছে, অকণ অকণ
শিশুহঁত এদিন
কঁকালত ছুৰি বান্ধি লোৱা ভয়ংকৰ যুৱক হৈছে,
সেউজীয়া পাহাৰবোৰ ক'লা ক'লা ধোঁৱাৰ চুল্লী হৈছে।

মানুহৰ বুকুৰ ভিতৰে-বাহিৰে বৈ থকা নদীবোৰ এদিন বৰষুণ হৈছে,
বৰষুণবোৰ আকৌ নদী হৈছে, ঘৰ এৰি যোৱা দুৰ্ভগীয়া চৰাইবোৰ
এদিন আকৌ উলটি আহিছে, বুৰঞ্জীৰ পাতত মানুহৰ আবেলিৰ ছাঁ
দীৰ্ঘৰ পৰা দীৰ্ঘতৰ হৈছে, চকুৰে নমনালৈকে বিয়পি পৰিছে অন্ধকাৰ।

হে পৰিশ্ৰান্ত পাৰ্থ, এইদৰে বৈ থকাৰ অৰ্থই ভ্ৰমণ ;
তেজ-মঙহময় সময়ৰ মাজেৰে অন্তহীন পৰিভ্ৰমণ।
অৱশ্যে অৱৰোহণ ঃ কিন্তু খেদ কৰিব লগা একো নাই,
এইটোৱেই এতিয়া তোমাৰ বাস্তৱ।

বাস্তৱ কেৱল কঠোৰেই নহয়, মাজে মাজে একেবাৰে অৰ্থহীন।
কিন্তু যিহেতু ঘটনাৰ ফলাফলৰ ওপৰত তোমাৰ কোনো হাত নাই,
যিহেতু তুমি এক উপলক্ষ মাথোন, অথবা সহজ ভাষাত ক্ৰীড়নক ;
সেয়ে এইদৰে বৈ থকাৰ ভ্ৰমণ সদ্যহতে অব্যাহত ৰখা হওক !

বিপুলজ্যোতি শইকীয়া



# জীৱনৰ কাহিনী

মই লেখি যাব লাগিব
যোৱাৰ আগেয়ে
কিছুমান কথা অন্য কিছুমান কথাৰে
কিছুমান কথা
অন্য কিছুমান কথা কোৱাৰ ছলেদি
লেখি যাব লাগিব
হৃদয় কঠিন হোৱাৰ আগে
পাহৰণি শেলুৱৈ মনত পৰাৰ আগে
লেখি যাব লাগিব
যোৱাৰ আগেয়ে। কাৰণ
ব্ৰহ্মপুত্ৰ নদী য'ত আকাশত পৰিছে
ধৱল বৰণ হৈ, মেঘৰ গাজনি হৈ
ধুমুহাৰ পাছৰ স্তব্ধতা হৈ
মহা পশ্চিমত এটা কাউৰীৰ জাক য'ত উৰি উৰি স্থিৰ
তাত মই মোৰ আত্মায়ক দেখিছোঁ।

অজিৎ বৰুৱা

১০৪

# শেষৰ কবিতা

১

শুনিছিলো তাহানি এদিন
হাতী হেৰোৱাৰ কথা লিহিৰি বনত
ঘোঁৰা হেৰোৱাৰ কথা কোনোবা ৰণত
মুকুতা হেৰোৱা বুলি চোতালৰ দুবৰি বনত।

ভাবিছিলো
হাতীটো ধৰিম মই আকৌ বনত
নতুন ঘোঁৰাত উঠি যুঁজিম ৰণত
হেৰোৱা মুকুতা পাম চোতালৰ দুবৰি বনত;
তেতিয়া আছিল মোৰ জীৱনৰ ভৰ দুপৰীয়া।

হাতী-ঘোঁৰা-মুকুতাৰ প্ৰয়োজন শেষ হোৱা
আজি মোৰ যৌৱনৰ বিয়লি বেলিকা,
দূৰ মছ্জিদত শুনো মগ্ৰীৱৰ আজানৰ ধ্বনি—
কৰ্মক্লান্ত জীৱনত আজি যেন ৰণৰ বিৰতি।

আন্ধাৰ আহিছে নামি— আকাশত দুটি-এটি তৰা
পৰিচিত বকুলৰ আন্ধাৰ তলত উমলি উমলি আছে এজাক
জোনাকী
টিমিক ঢামাক কৰি সিঁচি যায় পোহৰৰ কণা;
বাঞ্ছা জাগে আজি মই সমাপ্ত কৰিব লাগে
অতীতৰ অসমাপ্ত মোৰ এটি মধুৰ কবিতা।

২

ভয়ে ভয়ে নাম ধৰি সম্বোধিলো— অনুপমা,
অনুপমা, আজি আহিনৰ শুক্লা একাদশী

তাহানিৰ অপৰাধী পুনৰ আহিছে ফিৰি—
মই আজি তোমাৰ অতিথি।

নিৰুপমা, আশ্ৰয় বিচাৰি আজি আহিছোঁ পথিক—
পৰাজিত, সৰ্বহাৰা জীৱন-ৰণত।
আশ্ৰয় বিচাৰি ফুৰা সংগহীন বাটৰুৱা
অকলশৰীয়া, তাৰ দাবী একো নাই;
মনত অকণি আশা- অতি ক্ষীণ, কিজানিবা
মৰি যোৱা অতীতৰ লয় যোৱা সোঁৱৰণি
মনৰ পটত আহি পৰেহি দুনাই।
বন্ধু, জানো মই লগ্নক্ষণ হ'লে তুমি পুনৰ আহিবা ঃ
কত দিন কত নিশা প্ৰতীক্ষাত উজাগৰে
ৰৈ থাকোঁ কাণ পাতি, অভিমানী সঁহাৰি নাপাই
জানোচা হঠাৎ তুমি অহা বাটে পুনু ফিৰি যোৱা।
ইমান সঙ্কোচ কিয়, তুমি মোৰ বাঞ্ছিত অতিথি,
মইতো পাহৰা নাই যিদিনা জাগিল কঁপি
জীৱনৰ নৱঅনুৰাগ — নৱ পল্লৱৰ দৰে
আপুনি বিকশি, সিদিনাও একাদশী তিথি।
মনত পৰেনে বন্ধু, প্ৰাংগণৰ এটি বনফুল
পাহি মেলি আপুনি মুকলি হোৱা
লাগি কাৰ বসন্তৰ প্ৰথম হিল্লোল।

৩

লাহে লাহে আহিল ওলাই ঃ আচ্ছন্ন মনত ইকি বিদ্যুৎ খেলাই
কঁপাই ধমনি, কাৰ মূৰ্তি?
তিলোত্তমা নে আন কোনো উৰ্বশী মেনকা ৰম্ভা
স্বৰ্গৰ অপ্সৰী?
ধীৰে ধীৰে মাৰ গ'ল আঁতৰিল কম্পিত মনত উঠা
প্ৰথম সংঘাত।
লাহে লাহে আহিল ওলাই অঙ্গৰ লাৱণ্যভৰা কাৰ মূৰ্তি?
চিত্তত বিদ্যুৎ খেলে— আচ্ছন্ন মনত অকস্মাৎ প্ৰশ্ন উঠে।
আঁতৰিল দৰ্শনৰ প্ৰথম সংঘাত— ধীৰে ধীৰে মাৰ গ'ল চঞ্চলতা,

চেতনাই অৱলুপ্ত সোঁৱৰণি আনিলে ঘুৰাই ;
প্ৰদীপৰ কোমল দীপ্তিত সেই প্ৰতিচ্ছবি—
জ্বলে দুটি বেদনাৰে ভাৰাক্ৰান্ত তৰা।
সেইকোছা কৃষ্ণ কেশ— কবৰী বন্ধন খোলা ঃ
সেইকোছা ক'লা চুলি— দিলে খোপা খুলি
নিতম্ব পৰশা,
যাৰ এটি নম্ৰ নেত্ৰপাতে জ্ঞাপন কৰিব পাৰে
হৃদয়ৰ নিবিড় বেদনা—
অনভিজ্ঞ কিশোৰীৰ অনেক কটাক্ষ তুলনাত প্ৰকাশ-অক্ষমা।

সময়ৰ ছাপ আছে কোমল তুলিৰে আঁকা দুডালি কেশত—
শুভ্ৰতাৰ গৰিমা প্ৰলেপ,
কুঞ্চিত ৰেখাৰ দৰে দুটি আঁচ ক্লান্তিভৰা নয়নত—
বাস্তৱৰ বিদায় সঙ্কেত।

চন্দ্ৰ ফুকন

১০৫

# মমতাৰ চিঠি

If you are coming down through the
narrows of the river Kiang
Please let me know beforehand,
And I will come out to meet you
As far as Cho-fu-sa

—Ezra Pound

মৰমৰ,

এয়া মম এডাল জ্বলাই লৈছোঁ। আজি বহুত দিনৰ
মূৰত তোমালৈ চিঠি লিখোঁ বুলি। বাহিৰৰ উৰুঙা বতাহ জাকে
মমডাল আহি কোবাইছেহি।..... চাওঁ খিৰিকিখন জপাই
দিওঁ।.....

সাত বছৰৰ আগৰ কথাবোৰ তোমাৰ বাৰু মনত
আছেনে? আমি যে নতুন জীৱনটোৰ পাতনি
মেলিছিলোঁ।..... মোৰ গাত সেই অচিনাকি নিচা বাৰুকৈয়ে
লাগিছিল।

সিদিনা আছিল কাতিৰ কুঁৱলি সনা এটা কোমল পুৱা।
পদূলিত তল-সৰা শেৱালিবোৰ উপচি আছিল।আৰু সন্ধিয়া,
মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে
ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।.....

মই লোৱা কঁকালৰ ৰঙা ৰিহাখনলৈ তুমি বাৰু তেনেকৈ
কিয় একেথৰে চাইছিলা?

মোৰ কেনে লাগিছিল, জানা? তুমি যেন কোনোবা দূৰ
বিদেশৰ স্বপ্নাতুৰ আলোকৰ মানুহ। আৰু মই ? মই
যেন তল-সৰা এপাহ শেৱালি।

সেইদিনা মন-সাগৰত মোৰ এৰি অহা আৰু
আহি পোৱা অলেখ ঢউৰ কঁপনি জাগিছিল। তোমাৰ
জানো এইবোৰ কথা মনত নাই?
আমাৰ দেউতাই যে চিঠিত লিখিছিল : "আই, তই নতুন
ঘৰত হাঁহি-মাতি থাকিবি।"

এইবোৰ সাত বছৰৰ আগৰ কথা। মোৰ যে সকলোবোৰ
পুৰাণৰ সাধু যেন লাগে।..... জেঠমহীয়া দেউতাৰ
বছৰেকীয়া হৈ গ'ল। তোমাৰ বাবুল এতিয়া বৰটো
হৈছে।
তাৰ ওপৰ পাৰিত এধানমানি ডালিম-গুটি
যেন দাঁত অকণি গজিছে। সি মোক একেবাৰে এৰিকে
নিদিয়ে। (কেতিয়াবা মোৰ যে ইমান খং উঠে.—
তুমি নাই নহয়, সেই কাৰণে। )

সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদৰে তধা লাগি
চাই থাকে কিয়? তাৰ ওপজাৰেপৰা এইযোৰ কাপোৰ
চিনাকি,— সেই কাৰণে— নহয়? বাবুল এতিয়া বৰটো
হৈছে, বুজিছা? (আৰু ডাঙৰ হ'লে স্কুলত তাক
নাম লগাই দিম। ইস্কুলত থকা সি সময়খিনি মোৰ যে
বুকুখন উদং হৈ থাকিব, ভাই।)

আৰু কি লিখিম। বিশেষ একো নাই। মোৰে শপত,
তুমি যিদিনা উলটি আহিবা, মোক আগতীয়াকৈ জনাবাঁ-
দেই। মই ভোগদৈয়েদি ভটিয়াই গৈ বুঢ়া লুইতৰ
বুকুৰপৰা তোমাক ৰিঙিয়াই মাতিম,— তুমি যিদিনা
উলটি আহিবা। মোক আগতীয়াকৈ জনাবলৈ নেপাহৰিবা-
দেই। মৰম ল'বা। ইতি।

তোমাৰ

মমতা

পুনঃ এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ
ৰঙাকৈ জ্বলিছিল।....  আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ
দুটা পোৱালি জগিছে।  এটা শুধ বগা।
আৰু আনটো পথৰা।

হেম বৰুৱা

১০৬

# সন্ধ্যাৰ চিলঙ

বিষণ্ণ সন্ধিয়া নামে
অবসন্ন কেৰাণীৰ লিবিডোৰ আসন্ন সংকেত।
নগৰীৰ দুচকুত
উজাগৰ নাৰ্চৰ স্থবিৰ জড়তা;
ৰিক্তশাখা ঋজু নগ্ন পাইনৰ ফাঁকে ফাঁকে
সূৰ্য নাই ; সূৰ্যৰ আভাস।
গোমা নীল আকাশৰ ডাবৰৰ অৰ্থহীন লিপি
লাবানৰ একা-বেঁকা বাটৰ সাঁথৰ
মচি নিয়ে কুঁৱলিৰ ৰঙে।
তামোলৰ পিক আৰু ধোঁৱা আৰু সুহুৰিৰে
নিজকে সিঞ্চাৰে এই সন্ধ্যাৰ চিলঙে

কেমেৰা-প্ৰখৰ দৃষ্টি বিদেশিনী ৰোগিণীৰ
পাইনউড্ হোটেলৰ উজ্জ্বল কোঠাত
স্বপ্ন ভাৰাতুৰ......

থুনুকা দেহৰ ঢাকে শাৰীৰ ইংগিত
ফাৰকোটে কাশ্মিৰী উলৰ;
মন.. মন হ'লে উপবাসী
উপবাসী ভৈয়ামৰ স্মৃতি....
[খাচীয়া ছোৱালীবোৰে পাহাৰৰ তন্দ্ৰা ভাঙে
ষ্ট্ৰবেৰী ফুলৰ হাঁহি চকুত জিলিকে]

আকাশত ৰং নাই
প্ৰেমৰ কবিতা নাই
ৰামধেনু মচি নিয়ে কুঁৱলিৰ ৰঙে
চাৰ্কাচৰ বাঘিনীৰ চকুৰ অক্ষম জ্বালা
বুকু হানি দি যায় সন্ধ্যাৰ চিলঙে।

**নৱকান্ত বৰুৱা**

১০৭

# ইয়াত নদী আছিল

দেখিছোঁ নদীৰ ঢলে বলাৎকাৰ কৰা পথাৰক,
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান,
শুনিছোঁ সিন্ধুৰ বানে নিমিষতে নগৰক
আত্মসাৎ কৰি
এৰি থৈ গুচি যোৱা শ্মশানৰ প্ৰশান্তিৰ গান।

উদগ্ৰ ধ্বংসৰ নিচা, লোভৰ কুটিল দুঃসাহস
ছলনাৰ জীৱন্ত ধেমালি আৰু পাপৰ কুৎসিৎ অভিসাৰ
তাৰো সৌন্দৰ্যই মোক দিছিল স্বপ্নৰ জাল ৰচি,
কাৰণ, মইযে দিওঁ দুঃস্বপ্নকো স্বপ্নৰ মৰ্যাদা,
সিও বন্দী সূৰ্যকণা,
আহিছিল ভাঙি ছিঙি পৃথিৱীৰ কঠিন জৰায়ু।

কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৱোঙত এপাহি কপৌ ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে 'মচি' নিয়ে
প্ৰাণৰ যিমান ৰং, সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাই বৰণৰ এখন পৃথিৱী।

নদীক নিজৰা কৰি জুৰিক শিলনি কৰি
বালিৰ দ'লেৰে গঢ়ে গছ লতা ফুলৰ সমাধি,
ছঁয়ামৰা জিঁয়া এটি বালিয়ে বালিয়ে উৰি,
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়।
মৰুভূমি এইদৰে আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে।...

দুৰণিৰ নীলা সেই গাঁওখনলৈ
এইবেলি সোনকালে আঘোণ আহিল— আহিনতে?
এইবাৰ বহাগৰ ঢল নাহেনেকি?
উজানৰ বগা মাছে ৰূপোৱালী নকৰে নিজৰা
আষাৰৰ ক'লা মেঘ পাহাৰৰ সিপাৰে থাকিল।
পাহাৰ ইমান ওখ! ওখ নে মেঘতকৈয়ো?
ওখ নে প্ৰেমতকৈয়ো?
ৰৰষুণ?
ধাননিত নগজিল জোৱাৰ বজৰা, আমৰ বনত
দোঁ নেখালে খেজুৰি।
কেৱল ফুলিব শিজু, মাজনিশা তৰাৰ পোহৰে
ৰেণু তাৰ বালি-দাঁহী সাপক বিলাব। দুবৰি ধৰিব ছাটি
কাঁইটীয়া বনে।

ৰাতিৰ বতাহে আহি ছটিয়াব শুকান বৰফ
দিনৰ পোহৰে তাতে ঢালি দিব কমলা ৰঙৰ গলা লোহা।
তাৰ পিছে
উটৰ ডিঙিৰ ছাঁ, দীঘল ডিঙিৰ ছাঁ, শুই ৰ'ব
হাড় হৈ সাগৰৰ বাবে।
এইদৰে শেষ হোৱা... এই যে ৰোমান্স মৰণৰ...
এই যে প্ৰৌঢ়া ৰমণীৰ ৰমণ বিলাস, অনভিজ্ঞ
কিশোৰৰ সতে। য'ত
গ্লানিৰ অতৃপ্তি নাই, অতৃপ্তিৰ অশান্তি নাই,
ধ্বংসৰ সৌন্দৰ্য নাই— কেৱল ক্ষয়ৰ আবিলতা,
অনায়াস গ্ৰহণৰ কেৱল ক্লীৱতা।
বালিৰ বতাহে জানো পাহাৰত ভাস্কৰ্য গঢ়েহি?
গঢ়ে বিভীষিকা।
তাতো যে ৰোমান্স আছে, যদি আছে,
হে জীৱন
নালাগে আশ্ৰয় তাত
ভাগৰ মোৰ গঢ়ি গঢ়ি নতুন বিগ্ৰহ।

**নৱকান্ত বৰুৱা**

১০৮

# সোণজিৰা মাহীৰ নাড়ী

ভালে দিন হৈ গ'ল
জিলালৈ অহা নাই সোণজিৰা মাহী, যাৰ
মুগাৰ মেখেলা পিন্ধা উদং ভৰিত
খম্ খম্ খোজ যাৰ
ব্লাউজ নোহোৱা দেহা কেৱল ৰিহাৰে ঢকা
মাগুৰ বৰণ, যাৰ
পুৰুষৰ মন গ'লে বুলি, জুই লা গলাই লেপি
ক'লা কৰা দুয়োপাৰি দাঁত, যাৰ
ফটাকানি-সোপাহীন-কেৱল-চুলিৰ খোপা
কলডিলহেন আৰু ওৰণিৰে ঢকা

কাৰোবাৰ জীয়েকৰ চাদৰ ব'বলে' তৰা যি তাঁতখনি
সোণজিৰা মাহীজনী তাৰেই শিপিনী,
তামোলৰ পিক্ মাৰি পৰৰ মাটিত
মোহাদেৰে চাই লয় যি বোকাখিনি
সোণজিৰা মাহীজনী তাৰেই ৰোৱণী,
কপাহী মেখেলাখনি যাৰ ৰং বগা
আধাৰো অধিক তাৰ বোকাৰেই ঢকা,
ঢেঁকী-তাঁত-পথাৰৰ কাম যাৰ ক'লীয়াৰ বাঁহী
সদায় ওঁঠত যাৰ লাগি থাকে
তামোলৰ ৰাগিলগা মোক-তোল-মোক-তোল
মিচ মিচ হাঁহি
সেইজনী লচ-পচ সোণজিৰা মাহী

পেটৰ জুৰণি যদি এমুঠি লখিমী হয়
বুকুৰ জুৰণি হ'ব যদি
একেদিনে শেষ হয় বাৰ আৰি কঠীয়াৰ ভূঁই

তথাপিও ভঁৰালত এবছৰো নাই যাৰ এমুঠিও ৰাহি
ভালে দিন হৈ গ'ল
জিলালে অহা নাই সেইজনী সোণজিৰা মাহী

যোৱা বেলি বহাগতে মাতিছিলোঁ আমি
"মাহী
এইবাৰ হ'লে তই আহিব লাগিব
বিয়াত নাহিলি নাই
এইবাৰ বিহুতেই লগে-ভাগে এসাজ খাবলে'
সকলোৱে আশা পালি আছে।"
পাছে
মাহীৰ নহ'ল অহা
তাৰো হেনো ঢেৰ কথা আছে।
তিংৰাই তৰণীৰ তিনি পূৰা মাটি
বছৰটো খাটি
যিখিনি ভাগত পৰে, তাৰে হেনো
শাওণতে টেকেলি-কাতি
বাকী চাৰিমাহ হেনো ধিক্কাৰ লাগে
ইমান খাটনি খাটি লাভ হ'ল কি
এনেকৈ থকাতকৈ. মৰায়েই ভাল বুলি
ভাবিলেও, খেতি কৰে ঘূৰি বছৰত
নহ'লেনো বাৰু
মৰোঁ বুলি নাৰ্জিলে জীলে খাব কি
আৰু বোলে ঢেৰ অসুবিধা
নেবাওঁ বুলিলেও যি নেনামে টিঙৰপৰা
সিসকল শিঙত থীৰোৱা।

এইবোৰ কথা বাৰু
কাক ক'ম কোনে পতিয়াব
সেয়েহে মাহীয়ে মোলে' সুধি পঠাইছিল,

"কিবা এটা কৰি
*নোবাৰনে তইঁতেই নিব।"*

ঘৰৰ মানুহজনী মৰমতে পমা
হাতত যদিও নাই জমা
ধাৰে বান্ধে ৰূপ ডেৰ কুৰি
পঠাই দিবৰ বাবে বৰ পেৰি আছে।
ৰাতিৰ কলেজ পঢ়ি বি. এ. পাছ কৰা, আৰু
পিয়নৰ জলম এৰি কেৰাণীৰ কলমত ধৰা
এবছৰো হোৱা নাই, জানা
দৰ্মহা সৰ্বমুঠ সাতান্নৰে টকা আঠ অনা।

পাঁচিছে তিয়াগি যোৱা বয়সৰ ছবছৰ হ'ল
তিনি কুৰি বছৰৰ তিতা-কেঁহা খাই
আইৰ বৰ মন গ'ল
পুতেকৰ ঘৰ পাতি দিয়ে
সেয়ে
হাতত যদিও নাই জমা
বিয়াৰ ধাৰো নাই কমা
তথাপিও তথাপিও
ঘৰৰ মানুহজনী মৰমতে পমা।
নিতান্ত নগণ্য এই সামান্য ডেৰ কুৰি টকা
সি কিনো কথা
প্ৰফেছৰ যদিওবা একেলগে পঢ়া
শ্ৰীদীননাথ বৰা
তেওঁৰে হাতৰপৰা
আনিবতো পাৰোঁ সেই সামান্য ডেৰ কুৰি টকা

এনেতে হঠাৎ চকামকা
দেখা পালোঁ সোণজিৰা মাহী।
হাঁহি হাঁহি সুধি দিলোঁ "টকা পালি ক'ত"

"তত ল বোপাই
*থিতাদঁহে খালি টকা টকা*"
বেথা ঢাকি কথা কোৱাত পকা
মাহীজনীক দেখা নাই কাহানিও চকুপানী টোকা
সেয়েহে সুধিলোঁ "মাহী,
আজি দেখোঁ কথাবোৰ থোকা-থুকি তোৰ"
"মোঁৰ" বুলি মাহীয়ে কান্দিলে আৰু ক'লে
"বিয়াতো নহ'ল অহা। কোন দিনা চকু মুদোঁ
তাৰো ঠিক নাই। তাকে ভাবি আহিবলে'
উচ্‌পিচ্‌ লাগি তোকেই খুজিলো টকা
তথাপিও চিন্তা হ'ল, তই জানো ধাৰ কৰি
ধন দি পঠাব, সেই ভয়তেই
সোণৰ কাৰণে থোৱা মাচুলখিনিকে
মোহাৰৰপৰা গৈ জোৰেৰে আনিলোঁ
সোণক পঢ়াব লাগে, মোহাৰৰ এই আশা
ৰাখিবৰ বাবে বৰ ল'ৰা দেউতাকণক
পৰৰ ঘৰত নি হালোৱা ৰাখিছোঁ। তাৰো....."

আৰু কিবা হয়তোবা ক'বলে' আছিল।
এনেতে আহিল .
এইমাত্ৰ ৰেডিঅ'ৰ সংবাদ লৈ
শ্ৰীদীননাথ বৰা, একেলগে স্কুলত পঢ়া ঃ
"পাইছনে কংগোৰ খবৰ
লুমুম্বাৰ মৰা পোনাটিক চাবলৈও নিদিলে সিহঁতে
পলিন লুমুম্বাজনী শোকতে বাউলী...."

মাহীজনী থৰ লাগি ৰ'ল।
কংগো কি, লুমুম্বা কোন, খায় নে কাণত পিন্ধে
মাহীয়ে নেপায় একো গম
একমাত্ৰ এষাব কথাই
বাৰে বাৰে আছে খুন্দিয়াই

"কোন এই মৰা কেঁচুৱাটি?
কোন তাৰ মাক? তাৰ পিতাকেই বা কোন?
জানোবা সিহঁতো মোৰে কোনোবা আপোন!"

কেশব মহন্ত

১০৯

# সন্ধিয়াৰ ধোঁৱা

স্বপ্ন দেখাৰ জিলমিল জিলিকনি
পাৰ হৈ আহি সন্ধিয়া বাটৰ ভীৰ
চিনেমাৰ গান কাণত বাজে
কাফে-ৰেস্তোৰাঁত হাঁহিৰ তীক্ষ্ণ ধাৰ—
চহৰৰ প্ৰাণ কেন্দ্ৰ। নিয়তিৰ স'তে চিৰ সংগ্ৰামত
ক্ষণিকৰ জয় দুৰ্বল মানুহৰ।
ধূলি আৰু ধোঁৱা, চিল্কৰ চিকিমিকি
তেজৰঙা ব্লাউজৰ অপাৰ সমুদ্ৰ
কঁপা দুটি ওঁঠ
বতাহত আঁৰা অশৰীৰী আত্মা,
সানমিহলিৰ পানী-যুঁৱলিত নতুন প্ৰাণৰ জন্ম!
কিয় ৰ'লা ছাহাজাদী? কোৱা কৈ যোৱা
এহেজাৰ নিশা সাধুৰ চুমাৰে পুৰাই দিয়া।

০ ০ ০

সেয়া যে সূৰ্য সেয়া উল্কাৰ জাক
আৰু সউবোৰ
আঁহতৰ ছাঁত
বলিয়া ভেড়াৰ দল।
সঁচা জানো সেইবোৰ?
নহ'লে কিজানি
অবচেতনাৰ সিপাৰত গঢ়া
ৰঙা নিগনিৰ জাক
চল-চঞ্চল নূপুৰ ধ্বনিত
কাৰ পদৰেখা বিজুলী বুকত
ত্ৰস্তা!
[আছোঁ, সাৰে আছোঁ
স্বপ্ন দেখা নাই, এয়েই সঁচা]

চোৰা সউ চোৰা
ক্লান্ত দুচকু অথিৰ অবিৰ
সৰগৰ তৰা
ডাৱৰে ঢকা।
অদূৰ দিনৰ স্মৃতিৰ কোণত, সেই দুচকুৰে
(ব্ৰাউন ৰঙৰ চকু)
গভীৰ কোণত কিমান বিজুলী
চিকিমিকি তাৰ
আজিও হেৰোৱা নাই।
এয়া যে সলনি
জোঁৱাৰৰ টৌৱে মোহাৰি পেলোৱা
পুৰণিৰ বালিচৰ।
বালিচৰ মচি যায়,
সপোন মাথোন আমাৰ কাৰণে ৰয়।
..... তাৰ পিছতেই অবিৰাম চাকনৈয়া
ভৰা খেৰা নাও লুকাল কেনিবা
তেলত শলিতা নাই।

০ ০ ০

চাহাৰাই ক'ব
শতেক নিশাৰ নিশ্বাস সনা এটি এটি সাধু
এহেজাৰ ৰাতি জোৰা কাৰোবাৰ বেদনাৰ ইতিহাস।
সিও বহু দূৰ, দূৰ শতিকাৰে
শ্বিৰী ফৰহাদ, ওমৰৰ কথা;
কাৰা বন্দিনীৰ ছায়া খেদি খেদি কোনোবা অচিন
ৰাজকোঁৱৰৰ বিৰাম বিহীন যাত্ৰাৰ ৰূপকথা।
তোমাৰ কথা যে ক'বলৈ আজি।
মনতে নপৰে— সময়োতো নাই
বন্ধ্যা চাহাৰাত সন্ধ্যা নামিছে সউ।
ক্লান্ত বেদুঈন আহা গুচি আহা
আলহী ঘৰত এনিশাৰ খেলা তোমাৰ শেষ;

যাত্ৰা তোমাৰ — চিৰযাত্ৰাৰ পাতনি মেলা।
ইয়াত থাকিব তুমি এৰি যোৱা
এনিশাৰ স্মৃতি
কপালৰ ঘাম, বাটৰ ধূলি,
আৰু বৰ বেছি
কাৰোবাৰ দুটি আঙুৰ
পলৰীয়া এটি চুমাৰ দাগ।

০ ০ ০

দীঘল নিশাৰ সপোনো গুচিল, এৰি থৈ গ'ল
সপোনৰ অৱসাদ। জোনাকৰ পৰাজয়।
কাৰ বাবে লেখা মৰমৰ ৰেখা
আজিওতো আছে সেই আন্ধাৰতে সাঁচা।
ফুটুকাৰ ফুলে কিনো কথা কয়, কাণপাতি জানো শুনা?
নাই ক্ষতি নাই, ভয় নাই সখা,
এয়েতো সৰগ, নৰক ইয়াতে;
সাগৰ বেলাত মুকুতা হেৰালে জোঁৱাৰ আহিলে নামি,
চিৰ সন্ধানী নাৱিক ওলাব, ৰঙা প্ৰৱালৰ ধুনীয়া দেশত
দূৰ সুদূৰৰ প্ৰাণৰ পৰশ দুয়োহাতে বিলাবলে'।
নকৰিবা দুখ, সময়ে শিকিলে শকুনিৰ প্ৰতিশোধ;
এয়া তাৰে প্ৰতিধ্বনি ।

হৰি বৰকাকতি

১১০

# লিলিৰ আবেলি

ক্ষন্তেকীয়া পৰিচয়ৰ
আখৰবোৰ
আঙুলিৰ মূৰত গণিছো।
আদৰৰ এষাৰ মাত
অথবা
হাতত তুলি দিয়া একাপ কফি
চাইজমোগ্ৰাফৰ ডায়েলৰ বাহিৰত।

কৰ্মফল? ভাগ্য? এনে হিছাপৰ
তুলাপাতত
এন্ধাৰে হাত বুলাইছে। কাৰ সাধ্য
কেৰ্কেটুৱাই নেজ-নচুওৱা ডাল পাতত
সপোনবোৰ টুকি ৰাখিবলৈ।
নাৰ্চাৰী ৰাইম,
সিহঁতে শুনিব নোখোজে
তাৰে প্ৰমাণ হিছাপে সিহঁতে তোমাক
নি থৈছে
উন্মাদাগাৰত। হায় হায়। উন্মাদিনী!
কি সাধ্য তোমাৰ
আগ-দুপৰৰ আকাশৰ
মেঘবোৰ
দুহাতেৰে ঠেলি দিবলৈ
সিহঁতে কৃত্ৰিম আবেলি তৈয়াৰ কৰিছে
তোমাৰ যৌৱনৰ সমাধিৰ
চামিয়ানাৰ বাবে।

বীৰেশ্বৰ বৰুৱা

১১১

# "শুৱনি আমাৰ গাঁওখনি অতি" (১)

ধানৰ ডাঙৰিৰ কোবাল সিৰসিৰণিয়ে মোৰ কাণৰ হাৰিয়াব পাৰত আছাৰে— ওপৰত কুজী থেকেৰা, জলফাই আৰু অমৰাৰ পাতৰ অৰণ্যত তাৰ বিচিত্ৰ সিঞাৰ।

বতাহৰ সুৰুঙাত চিলনী আইৰ পাখিৰ কোবৰ তৰংগ-দৈৰ্ঘ্য জুখি চাইছেনে শেনচোৰা ? চাওক আৰু আগলি কলপাতক সম্বৰ্ধনা জনাওক !

"কোটোহা বাঁহৰ গুৰিৰ যি উঁই-হাফলু তাতেহে মোৰ আত্মাৰ সন্তুষ্টি। আমাৰ মাইৰ যৌতুকত দিয়া আমাৰ ঘৰৰ প্ৰথম পিতলৰ কলহটোত যি আঠাৰ লেও (যঁতৰৰ মালতো) সি মোৰ ককালৰ ঘামচিৰ লগৰীয়া— মাজ ডাঙৰা পুখুৰীৰ পানীৰ ভৰ উঁই-হাফলুৰ ভিজা শৃংগই কিমান লাঘৱ কৰে তাক মই বুজাম কিদৰে— তুমি যে বন্ধু তপত ভাতত অভ্যস্ত।"

আমাৰ সকলোৰে এজমালি উত্তৰাধিকাৰ একমাত্ৰ আকাশখন চৌছিৰ কৰিবলৈ সকলোৰে অসামান্য পৰিশ্ৰম। পৃথিৱীৰ সকলো ভাষাই মোৰ উত্তৰাধিকাৰ সকলো দাৰিদ্ৰ্য। কিন্তু

"চ'তিতে চকৰী, বহাগত বগৰী জেঠতে আমনা ধান" চিৰকালে ৰক। আমাৰ মাজ জহকালিৰ সপোনত ঘোঁৰাৰ চেঁকুৰ আৰু হুকুমৰ বিস্ফোৰণে তাক যেন নসলায় কোনোদিনে।

**অজিৎ বৰুৱা**

১১২

# "শুৱনি আমাৰ গাঁওখনি অতি" (২)

বাঁহৰ পাবটো কলম ছুবিৰে ফালোঁতে হিলৈ ফুটে বাহু মাছৰ পেটত। লগতে নাবিকলৰ শাহ। ভঙাল আৰু তোলোৰা নহ'ব, বিছনীৰ দৈ, নলীয়া ঢবাৰ। কাৰণ ইস্কেলডালৰ ভাটৌ-পাখি মোৰ নাসাৰন্ধ্ৰৰ আনন্দ। চকুৰ স্ফুৰণ। হৃদয়-মলম।

আঃ ইমান ডাঁহচীয়া বেলৰ গোন্ধ। ডাঙৰ মায়ে দিয়া একেটা পাতি পইচা মই বালিত জ্বলাওঁ— গোবোহাৰ পাকঘূৰণিত। চাইকোভস্কিৰ ৰাজহাঁহ। বিলদবা বিল। পইচাটোৰ বহলেই যে পৃথিবীৰ আৰু ইঞ্চিৰ। সোণ-তামৰ ৰং বুকুৰ মাজৰ চিকিমিকি ! পঞ্চম জৰ্জৰ মূৰৰ মুকুট বালিত আবিস্কৃত ! ধাৰাল ছুবিৰ বুকুৰে যেতিয়া শ্যামলী বাঁহত ইঞ্চি আকিছিল— তাম-জিলমিল পইচাটো মোৰ চকুৰ ভিতৰত।

নেওঠাৰ পাকধৰাই কেবঘেঁহায় স্ববাজৰ বাবে। কঁঠাল কাঠৰ কি আশ্চৰ্য হালধীয়া— বেলৰ ভিতৰৰ। হৰিণা পহুৰ নিমজ নোমখিনিৰ স্পৰ্শ নেজৰ জোঁকাৰত স্বীকৃত। কোন বাঢ়ৈৰ বটালিত কঁঠাল কাঠৰ পাক ভোঁৰৰ গঢ় লৈছিল নেওঠাৰ কেৰ কেৰ নিৰাশা মোৰ পেটৰ ভিতৰত বজাবলৈ ? "ডাঙৰ মাই, স্ববাজ হ'লে সৃষ্টি নোলোটে। তোমাৰ মাটিৰ চৰুৰ পৰা চকা ফাটিয়েই থাকিব কেঁচা বাঁহৰ ধুঁৱলি জুইৰ তাপত ! সদায়ে থাকিব কেহেৰাজেৰে কলপাতত অঁকা 'ক'টোৰ আশা-ছেদ।"

"মই হ'ম তেওঁলোকৰ কবি বাতানুকুল কবি প্লাষ্টিক মিনাৰৰ পবা"

অজিৎ বৰুৱা

১১৩

# ধান কটাৰ পৰ

আনকি
চৰাই চিৰিকটিৰ মাতত
বিষাদ....

আঘোণমহীয়া পথাৰখনত
জঁয় পৰি ৰ'ল
মানুহজনী

তাইৰ
ভৰিৰ পতাত
ভয়।

ফাটেক ভাঙি পলাই আহিছে
ঘৰৰ মানুহটো—
সিৰিক কৰিলেই কঁপে
তাৰ
ঘৰৰ ভিতৰৰ
ঘৰ।

হীৰেন ভট্টাচাৰ্য

১১৪

# দৃশ্যান্তৰ

পাঁচিশ বছৰৰ আগতে
এই ঠাইতেই এজনক লগ পাইছিলো।
আলি-কেঁকুৰিটো আছিল কেঁচা।
সময়টো আছিল গধূলি।
তেওঁ নঙলামুখত বিচাৰি ফুৰিছিল
নিজৰ ঘৰৰ পদূলি।
এটা পঁজাঘৰ।
আকাশ থিয়াই কেইজোপামান কাকিনি তামোল।
ঘৰৰ দাঁতিত আগলি বাঁহৰ
নমিত নমস্কাৰ।
পূৰ্ণ জোনৰ লণ্ঠনৰ পোহৰতো
কুকুৰীকণা মানুহজনে নিজৰ ঘৰ বিচাৰি পোৱা নাছিল।
ওচৰত সহায় সাৰথি কেও নাছিল।
মই যেতিয়া হাতত ধৰি তেওঁক
আগুৱাই দিছিলো, কৈছিল,
বৰ শান্তিত আছো
এই পঁজাটিত।

আজি এই ঠাইতেই লগ পালো আৰু এজনক।
বৃদ্ধ ন্যুব্জ দেহ। বয়সৰ চিন নোহোৱা হ'লে মুখত পাঁচিশ
বছৰ আগৰ সাইলাখ সাঁচ।
সাতমহলীয়া ঘৰৰ বাহিৰত তেওঁ বৈ আছিল।
ওচৰে-পাজৰে আন কেইবাটাও অট্টালিকা।
এটাতকৈ আনটোৰ ৰূপ চৰা।
সন্ধ্যা ভগাৰ বহুত পাছতো মানুহ পিয়াপি দি ফুৰিছিল।

চশমাৰ তলেৰে সন্দেহেৰে চাই তেওঁ মোক সুধিলে,
হেৰা অচিনাকি মানুহজন, তোমাক কি লাগেহে ইয়াত?
ভাৰাঘৰ বিচাৰি আহিছা
এই কুবেৰৰ মহলাত! কত পাবা, আৰু পালেও
কি শান্তিত থাকিবা ইয়াত। মৰিলে দাহ কৰিবলৈও
এজন মানুহ নাই। যখৰ পোৱালিহঁতে কাক কোনে চায়!
এই বুলি কৈ তেওঁ সাতমহলীয়া ঘৰৰ ভিতৰলৈ
সোমাই গ'ল। এই কংক্রীটৰ হাবিখনত তেওঁক
বিচাৰি নাপালো আৰু।
বৰ অশান্তিৰে উভতি আহিলো।

হৰেকৃষ্ণ ডেকা

১১৫

# ৰেল ষ্টেছনলৈ

বহল পথাৰখন পাৰ হ'লো
ভৰিত লাগি ধৰা পতনুৱা ধানবোৰ আঁতৰাই।

পাৰ হ'লো নিঢাল চাপৰিটোও।
ওখ চাপৰ মাটিবোৰৰ তলত
মানুহবোৰ চাগে' কতকাল শুই আছে।
সাৰ নাপায়নে বাৰু সিহঁত?

পাৰ হ'লো পকা আলিটো
(চাপৰিৰ গাতেই লাগি আছিল আলিটো)
জাকে জাকে মানুহৰ কোঢ়ালত
সাৰ নাপায়নে, সাৰ নাপায়নে বাৰু
শুই থকা মানুহবোৰ!

মই কেনেকৈ মনত ৰাখিম এইবোৰ কথা।
চকুৰ চলিহাত হ'লে লাগি আছে এখন ছবি।

(হস্পিতালৰ কাষৰ গছত নাচি আছিল চৰাইজনী
আলিত বৈ হাত-বাউল দি কিৰিলি পাৰি আছিল সৰু ল'ৰাটো
তাৰ বুকুৰ ওপৰেদি মটৰ গাড়ীখন পাৰ হৈ গ'ল।
চালকজনৰ চকু আছিল
হস্পিতালৰ ৰ'দে ধোৱা বাৰাণ্ডাত।
উকা বাৰাণ্ডাখনত কি উজ্জ্বল ৰ'দ!)

মোৰ আঁঠুৰ ঘিলাবোৰ সোলোক ঢোলোক।
মোৰ গাৰ ছালবোৰ সোতোৰা-সোতোৰ

মোৰ দেহৰ মাজেদি চাগে' পাৰ হ'ল আশীটা বছৰ
মই ৰেল ষ্টেছনত থিয় দিলো।

চোৰা চোৰা ৰেল গাড়ীৰ পৰা কেনেকৈ
জঁপিয়াই নামি আহিছে নতুন মানুহবোৰ।
সিহঁতৰ খিল্ খিল্ হাঁহিত
ফৰকাল আকাশত ফুটি উঠিছে তেজাল বেলিটো।

মোৰ চকুৰ মণিৰ ওপৰেদি ৰেল গাড়ীখন পাৰ হ'ল।

**হৰেকৃষ্ণ ডেকা**

১১৬

# বয়স

মাধৈলতা !
তুমি চাগে মোক চিনিবকে পৰা নাই
মইও হ'লে লেখিব নোৱাৰো
কেই যুগ হ'ল মোৰ নিৰুদ্দেশ হোৱা,
ভটিয়নী নাৱেৰে দেশলৈ উভতা।
পছিমৰে পৰা
হো-হোৱাই অহা
পছোৱা বতাহকে সোধা।
বয়স থাকোতেই
আবিয়ৈ শেৱালিৰ
লাওমূৰা লঠৰিয়া
যাৰে তাৰে
যেনে তেনে
সোনকালে
বিয়াখন পাতা।
লাওমূৰা লঠৰিয়া
কোন ক'ত আছে
পছোৱা বতাহকে সোধা

কবীন ফুকন

১১৭

# গুৱাহাটী

১

ৰাতি নাইট চুপাৰত মানুহ আহে
আৰু দিনত লাইন বাছত।
তেওঁলোকক বাটত নমাই দিয়া হয় ;
ষ্টেছনৰ ধাৰণাটো নচলে আৰু!

প্ৰত্যেকে এটা ঘৰ বিচাৰে
আৰু এপাট তলা—চাবি ।
ঘৰটো থকাৰ কাৰণে
আৰু চাবিপাট নহ'লে হাঁকুটি ডালেৰে
একদম আকাশখন নমাই আনিব খোজে।
আৰু তলাৰ অৰ্থ হ'ল সৌজন্য
প্ৰয়োজন হ'লে অভ্যৰ্থনা বা বিদায় নিদিয়াকৈ
চলি থাকিব পাৰিব।

২

কিতাপ ঘৰৰ পৰা লুইত কিমান দূৰত
শংকৰদেৱৰ পিছত ক'ত কি হ'ল
জ্যোতি আগৰৱালাৰ গীত, হাইকু, ল'ৰকা আৰু
লোককবিতা

কৃষ্ণকান্ত সন্দিকৈ
ৰাধাগোৱিন্দ বৰুৱা আৰু মনালিছাৰ টেবিল টেনিছ
অথচ লুইতৰ পৰা কিমান দূৰত তুমি

কোনোবা এজন পণ্ডিতে বুৰঞ্জীৰ কিতাপখন ফালি থৈছে
আৰু কাৰ্বি কছাৰী গাঁওবোৰ ক্ৰমশঃ দূৰলৈ উঠি গৈছে
ইফালে তুমি সৌৰভ চলিহা পঢ়া নাই অথচ জু-ৰ'ডত ম্যাটি
কিনিছা

থানৰ মাটিত নামঘৰ পাতিছা
লুইতৰ বুকুৰ মাটি খান্দিবলৈ হ'ল।

৩

পুৰণা গুৱাহাটীৰ গণেশৰ মূৰ্তিবোৰ এতিয়াও আছে
মাছমৰীয়া গাঁওবোৰত কিন্তু মানুহবোৰৰ মিল বৰ এটা নাই

হৰিসভা আছে যদিও পূজা চাবলৈ যোৱা নাই বহুদিন
এতিয়া ইমান মানুহ হৈছে
ওলাই গ'লেই হ'ল
গোয়েঙ্কা ৰেডিমেড্‌চ আৰু এয়াৰ কণ্ডিচন্‌ড মাৰ্কেট
টাইপিং স্কুল আৰু টিউটোৰিয়েল ক্লাছ
আৰু বেছি আশা থাকিলে কম্পিউটাৰ ট্ৰেনিং আৰু
স্থানীয় উদ্যোগী প্ৰশিক্ষণৰ সুযোগ হৈছে।
চিনাকি থাকিলে বেংকৰ লোন অথবা মন্ত্ৰীৰ চুপাৰিছ পাব।

পাণবজাৰৰ চাহৰ দোকানত বছৰটোৰ কাৰণে গঢ়ি উঠে ভ্ৰম
পিছত মাজ বয়সত এদিন সংসাৰৰ কাৰণে লাগে চিলাই মেচিন
ফুটপাথত পিছে পায় খুবাখুবিৰ কাহিনী আৰু ৰুক্মিণী হৰণ নাট
জনা বুজা মানুহৰ কাৰণে আছে দত্তবৰুৱা আৰু ৰবীন্দ্ৰ ভৱন

৪

পানশালা
য'ত ৰস আৰু মৃত্যু দুপিনৰ পৰা আহে
ভাঙি দিয়ে ভেদাভেদ

জীৱনক পাবলৈ আহে
লতাশিল পথাৰত ওৰে ৰাতি বিহু চায়
জালুকবাৰীলৈ যায়
কোনোবাই মৃত্যুৰ পিনে আগবাঢ়ি যায়
সৰু বাট এটা
দিছপুৰৰ পৰা কাছাৰী
অথবা কেৱল ছত্ৰাকাৰ দেৱালত থাকে

কোনোবাই সৃষ্টি কৰিবলৈ আহে দ্বিধা আৰু প্ৰেৰণা লৈ
কোনে বাৰু সৃষ্টি আৰু স্মৃতিক সাবটি থাকে
কোনে বাৰু, কোনে বাৰু, কোনে বাৰু

৫

মই ঘূৰাই পাব খোজো
মোৰ দুখ, ক্ৰোধ আৰু প্ৰেম।
এদিন ৰাতি খিৰিকিখন খুলি দি
অনুভৱ কৰিব খোজো
বাণেশ্বৰ মন্দিৰৰ চোতালত পৰি থকা
মানুহবোৰৰ অসহায়তা,
আমাৰ উন্মাদনা আৰু ৰিক্ততা।
মই বহুত দিনৰ পিছত এদিন
ঢলপুৰাতে সাৰ পাব খোজো
(মাক আগদিনা কৈ থম জগাবলৈ)।
এখনো গাড়ী যোৱাৰ আগতে
মই বাটত ৰং সানি দিম
তোমাৰ দুৱাৰত থৈ আহিম
গোলাপৰ তোৰা।

কিশোৰ ভট্টাচাৰ্য

১১৮

# অৰ্ধপৰিণত বৰ্তমান

১

পুৰণা কাগজত গাণিতিক হিছাপ কৰি
মই আজোককাৰ পেহীৰ আজোনাতিৰ লগত
সম্পৰ্ক উলিয়াইছো।

তেওঁলোক হিছাপত বৰ পাৰ্গত আছিল
শাসকবৃন্দৰ প্ৰতিজন সৈন্যৰ কাৰণে
কিমান ৰচদ লাগিব
বাগিচালৈ ৰেল লাইন লৈ যাবলৈ
কিমান বনুৱাক দৰমহা দিব লাগিব
আটাইবোৰ হিছাপ চাহাবৰ বাবে কৰি দিছিল।

মোৰ ককাই তেতিয়া সোণাৰাম স্কুলত পঢ়ায়
প্ৰকাণ্ড টোপোলাবোৰত ইতিহাসক বন্দী কৰি
আজোককাৰ পেহীৰ সন্তান-সন্ততিহঁত আহিলে
ট্ৰাঙ্ক-চুটকেচ, হোল্ড-অল ভৰ্তি হৈ
স্থানান্তৰিত হ'ল কাল
পদ্মাৰ পাৰৰ ইলিছ মাছ
আৰু কালীবাবুৰ চণ্ডীমণ্ডপ

এতিয়াও মই হিছাপ কৰি কৈ দিব পাৰো
কোন কাৰ ভাগিনীয়েকৰ নাতিনীয়েকৰ জোৱায়েক।

২

আমাৰ ঘৰত এখন থালত চন্দন ঘঁহি
সূৰ্যক বন্দী কৰি থোৱা হৈছিল।
সময়ক স্থানান্তৰিত কৰাৰ পিছৰে পৰা
সেই দেৱতাৰ প্ৰতীক আমাৰ ঘৰত আছে
সিখনক আমাৰ ভাষাত ভবানী-শঙ্কৰৰ টাঠি বুলি কোৱা হৈছিল।

শিৱ আৰু পাৰ্বতীৰ যুগ্ম মূৰ্ত্তি
এক অদ্বৈত সৃষ্টিৰ উৎস গোটেই বংশ পৰিয়ালৰ বাবে।
শৈশৱত সন্ধিয়া সন্ধিয়া আমি তেওঁক সেৱা কৰিছিলো।

লাহে লাহে এজন এজনকৈ সকলোৱে গুচি গ'ল বিভিন্ন চহৰলৈ
আৰু অকলশৰীয়া শৈশৱত ডাৱৰবোৰ থুপ খাইছিল আকাশত,
ফুটবল খেলিব নোৱাৰি প্ৰায়েই মই ঘৰত বহি ছটফটাই থাকো।
খুড়া-খুড়ীৰ চিঠি কেইখন আৱেগত বাৰে বাৰে পঢ়ো।
কেতিয়াবা সময়ে কাৰোবাৰ প্ৰতি বিশ্বাসঘাতকতা কৰে
উদাসীন হৈ থাকে
মই নিতৌ পুৱা আজিকালি অন্তৰত
চন্দনৰ দুৰ্জয় ৰং লেপি দিওঁ।

৩

আলোচনাৰ সুবিধাৰ কাৰণে ধৰি লওক
মোৰ দেউতা জাৰ্মান আছিল
আৰু মা অসমীয়া।
মই জাৰ্মান শিকিম নে অসমীয়া শিকিম
ধৰিব পৰা নাছিলো।
মায়ে বিচাৰিছিল অসমীয়া শিকোঁ
দেউতাই কৈছিল ঃ জাৰ্মান শিকক,
চপেনহাওৱাৰ পঢ়িব, গয়েটে পঢ়িব।
মায়ে খুৱাইছিল তিলৰ পিঠা আৰু লাৰু
কিনি দিছিল কুঁহিপাঠ।
মই এটা দ্বিধাৰ মাজত বিমৰ্ষ হৈ উঠিছিলোঁ
মই দেউতাৰ দৃষ্টি আৰু মাৰ অন্তৰ দুয়োটাই বিচাৰিছিলো।

মই থিয় হোৱা শৈশৱৰ পথাৰখনত
অতীতৰ লগত আছিল এক দীৰ্ঘ বিচ্ছেদ
বৰ্তমানৰ স'তে এক ভয়ানক দূৰত্ব।

৪
তোমাৰ লগত মোৰ পাৰ্থক্য ক'ত?
তোমাৰ দৰে মইও দবাপিটা বৰষুণত
গুৱাহাটীৰ গভীৰত বাজি উঠা সুৰটো
অট্টালিকাবোৰৰ মাজত বিচাৰি উলিয়াব পাৰো।
এই চহৰৰ চিটি বাছ ভৰ্তি মানুহৰ অৱস্থা চাই
এদিন তোমাৰ দৰেই মই ভয়ত কঁপি উঠিছিলোঁ;
ওচৰেদি যোৱা দুখন বাছৰ আইনাৰে দুজনে দুজনৰ
শঙ্কিত মুখ দেখিছিলো।
যিদিনা আমি চিনাকি হলো কটন কলেজত
তোমাৰ ঘৰলৈ মাতি আনি শুনাইছিলা পাৰ্বতিপ্ৰসাদৰ গীত।

ঘৰলৈ লৈ আহিছিলো বীণা বৰুৱাৰ 'জীৱনৰ বাটত',
আৰু অৰ্ধপৰিণত সময়ৰ অনেক সপোন।

**কিশোৰ ভট্টাচাৰ্য**

# প্ৰকৃতিৰ ৰহস্য



কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়াতো ধেমালি যিহে,
কোনে চায় নিতৌ বনৰ ধেমালি?
মাতিলেনো সিটি কিহে?

চন্দ্ৰকুমাৰ আগৰৱালা

১১৯

# মালতী

পূবৰে ৰ'দতে চিক্‌মিক্ কৰিছে
লুইতৰ পাৰৰে বালি ;
আকাশত উড়িছে তেনে চিকেমিকাই
বগলীজাকৰে লালি।
পাৰতে কঁহুৱাৰ ফুলে চিকেমিকাই
পানীতে ফটিকৰ জোল,
মালতীৰ হাঁহিতে দাঁতে চিকেমিকাই
দেখোঁতেই আমোলমোল।
লুইতৰ কুঁৱৰী নহয় ঐ মালতী
নহয় তেওঁ ফুলৰে ৰাণী ;
আকাশী পোহৰৰ নহয় তেওঁ প্ৰতিমা,
নহয় তেওঁ বীণৰে বাণী।
পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰী
সাঁচত মোৰ মালতী নাই;
নুশুঙা ফুলটিৰ নুফুলা কলিটিৰ
মালতীত তুলনা পায়।
ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে
ভাবৰে বেহানি কৰে;
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত
মালতীৰ চেনেহকণ চৰে।
চাম মই মালতীক ওৰে জীৱন জুৰি
থম মোৰ বুকুতে বান্ধি ;
মালতীৰ হাঁহিতে হাঁহিটি মিলাই মই
থাকিম কান্দোনতে কান্দি।
চেনেহী মালতীৰ কোলাত থৈ মূৰটি
মুদিম দুই চকুৰে পতা ;
নিঠুৰ এই জগতৰ মেলানি মাগি লম
ঢুকাব সকলো কথা।

লক্ষ্মীনাথ বেজবৰুৱা

১২০

# ভ্ৰম

কোনে কলে সেয়া বাঁহী বাজে বুলি?
বনদেৱী গীত গায়;
শেৱালিৰ মালা নহয় এইধাৰ,
তৰাৰে গুঁথিছে হায়!

নহয় ফুলনি কুঁৱৰীসকলৰ;
দঢ়াই দঢ়াই কওঁ;
গোলাপ নহয়, প্ৰিয়াৰ নয়ন,
দেখি থিৰ হৈ ৰওঁ।

কোনে কয় সেইটি হৰিণা পোৱালি?
ইমান চেতনা নাই!
বনৰ সৌন্দৰ্যহি ৰূপ ধৰি আহি
দেও দি দুবৰি খায়।

নহয় পুখুৰী, প্ৰেমিকৰ হিয়া,
পানী নহয়, প্ৰেমৰস;
নৈ নহয়, ঠিক প্ৰেমৰ প্ৰবাহ,
বিচাৰি প্ৰেম বিবশ।

বীণৰ আত্মাটি উৰি 'গুণ' গায়,
কোনেনো ভোমোৰা বোলে?
খোপাৰ ফুলটি উৰিয়েই প্ৰিয়াৰ,
পখিলাৰ নাম পালে।
কৃষ্ণপখী বোলে নিকুঞ্জবনত
'কৃষ্ণ কৃষ্ণ' ডাক দিছে?

পখী নহয়, জানা ব্ৰজৰ কান্দোন,
প্ৰতিধ্বনি ৰূপে আছে।

মলয়া নহয়, বিৰহীসৱৰ
গোট খোৱা হুমুনিয়া,
প্ৰিয়তমাৰ গাল ওফন্দি পৰিছে,
সেয়েহে জানা সন্ধিয়া।

লক্ষ্মীনাথ বেজবৰুৱা

১২১.

# বসন্ত

(১)

মালতী ফুলিল, সেউতী উঠিল,
কেতেকী গামুৰি দিলে;
সুৰীয়া কুলিয়ে গল কঁপাই গাই
বননিৰ বাতৰি দিলে।

(২)

বকুলে সিঁচিলে তৰা একোকণি
মদাৰে খেলিলে ফাঁকু,
যুতি ফুলজুপি নিশাহ এৰিলে
পদুমে মেলিলে চকু।

(৩)

থুৰিত কৰবীৰে সাঁচিলে মৌটুপি,
ভুমিয়ে মেলিলে চঁপা,
চৰাই হালধীয়া মৌ-মতলীয়া
উলটি কৰিলে কৃপা।

লক্ষ্মীনাথ বেজবৰুৱা

১২২

# বিহুৱান

কোন সৰগৰে বিহুৱা কোঁৱৰ ঐ!
কোন সিপুৰীৰে ৰজা
কোনে আও ঢালিলে কোনে নমাই দিলে
আদৰি আনিলে প্ৰজা?
কিনো খেতৰ সাইজে, জানানো কোঁৱৰ ঐ!
কিনো খেতৰ সাইজে জানা?
পখিলাৰ পাখিটিত বন্দুলিৰ পাহিটিৰ
ধুনীয়া ৰহণবোৰ সানা!
মৰুৱা মধাইকে ফুলালা লাহৰী
ধুতুৰাৰ মেলালা থুৰি,
ঢেপাই তিতাৰ দিলা কপালত তিলকটি
ভোমোৰাক ফুৰালা উৰি।
তোমাৰ মনৰ সতে . ওপৰৰ মলয়া
লুইতৰ সুঁতিৰে বলে,
তোমাৰ কথাতে পদুমে বেলিটিক
মনৰে কথাটি ক'লে।
আহাঁ মোৰ কোঁৱৰ ঐ! বহাঁ মোৰ কোঁৱৰ ঐ!
থইছোঁ বৰপীৰা পাৰি,
সান্দহ চিৰা-পিঠা তিলৰ লাৰু খোৱা
সোনকালে নাযাবা এৰি।
ৰূপৰে বটাতে থুৰিয়া তামোলে
ফুলাম পাটী থৈছে গুবা,
বিহু দিনাখন দৈ-পঁইতা খাই
বিচনীৰ বা লৈ যাবা।

লক্ষ্মীনাথ বেজবৰুৱা

১২৩

# বলে নোৱৰা সুদৰ্শন

সুদৰ্শনে মোক হকুবালে। মই আৰু তেওঁক বলে নোৱাৰিলো। আজি তেওঁ আকৌ এই কবিতাটো লেখি আনি মোৰ ওচৰত উপস্থিত।

—কৃপাবৰ

(১)

পূবৰে ৰ'দতে চিকমিক কৰিছে
লুইতৰ পাৰৰে বালি।
আকাশত উৰিছে তেনে চিকেমিকাই
বগলীজাকৰে লালি।।

পাৰতে কঁহুৱাৰ ফুলে চিকেমিকায়,
পানীতে ফটিকৰ জোল।
মালতীৰ হাঁহিতে দাঁতে চিকেমিকায়,
দেখোঁতেই আমোল মোল।।

(২)

লুইতৰ কুঁৱৰী নহয় ঐ মালতী,
নহয় তেওঁ ফুলৰে ৰাণী।
আকাশী পোহৰৰ নহয় তেওঁ প্ৰতিমা
নহয় তেওঁ বীণৰে বাণী।।
পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালতী নাই।
নুশুঙা ফুলটিৰ নুফুলা কলিটিৰ
মালতীত তুলনা পায়।।

(৩)

ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে,
ভাবৰে বেহানি কৰে।
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত
মালতীৰ চেনেহকণ চৰে।।

চাম মই মালতীক ওৰে জীৱন জুৰি,
থম মোৰ বুকুতে বান্ধি।
মালতীৰ হাঁহিতে হাঁহিটি মিলাম মই,
থাকিম কান্দোনতে কান্দি।।

চেনেহী মালতীৰ কোলাত থৈ মুৰটি,
মুদিম দুই চকুৰে পতা।
নিঠুৰ এই জগতৰ মেলানি মাগি লম
ঢুকাব সকলো কথা।।

লক্ষ্মীনাথ বেজবৰুৱা

১২৪

# জলকুঁৱৰী

পুবতি নিশাৰ ডাক নাই পৰা—
নীৰৱ বিশ্বৰ বাঁহী,
কোনোবা লোকৰ নিমাত প্ৰাণীয়ে
হাঁহিছে নিফুট হাঁহি।

পথালি চকুত এন্ধাৰ এন্ধাৰ
তৰাই তৰালৈ চায়,
তলত পানীৰ দাপোণলৈ চাই
হাঁহিছে মিচিকিয়াই।

শেষ নিশা কোন ৰ লাগি ৰইছে
লগৰীয়া কোনো নাই,
ভয়ক চঁকাই ফুচফুচাই কোন
এন্ধাৰে এন্ধাৰে যায়?

গহীন পাৰত গহীন বননি
কি সৰে গছৰ পৰা?
হুৰ্ হুৰ্ কৰি কিবা গ'ল উৰি
খক্ খক্ মাতে ৰাতি-চৰা।

ডাবিতে লাগিল তধা বসুন্ধৰা
এৰিলে নিশাহ এটি,
শিয়ঁৰে বনৰ গছ পাত লতা,
কঁপিছে বতাহছাটি।

উষাৰ জাননী দিলে তীক্ষ্ণস্বৰে
পূবত ৰাঙলী হাঁহি,
ভুমুকি মাৰি চাইছেহি কোনে
উটি আহে ফুলপাহি।

ক'লৈ যায় সৌ ফুলৰ পাহিটি
ছিঙিনো উটালে কোনে—
কি বাতৰি যায় ফুলাম নাও বাই
কোন বা কুঁৱৰী পোনে?

কি খেল খেদিছে, কোনে বা কাক
পছিম ফাললৈ চায়—
কোন আছে তাত, ক'লৈ বা পঠায়
বাতৰি পায় নে নাই?

টৌৱে টৌৱে কেনে ফুল-নাওখনি
ৰাজহংসে নিছে টানি,
ফুলে ফুলে ফুলি পদুমী কুঁৱৰী
শিৰত নিয়ৰ-মণি।

ৰঙা হাত-ভৰি, ৰঙা মুখখনি
কাঞ্চন উজলা চুলি,
নাচিছে আটাই দিগম্বৰীবালা
গাইছে প্ৰভাতী বুলি।

নাগবালা শাৰী ধৰিছে চাপৰি
শুনিয়ে আনন্দ মিলা,
মানুহ লোকৰ নোহে ৰূপ-খেল
নজনা বিচিত্ৰ লীলা।

এন্ধাৰে পোহৰ মিলন-মাধুৰী
ৰূপৰ ধেমালি ডৰা,
কিবা কি বিচাৰি কেজনী বুৰ দি
উঠিল পানীৰ পৰা।

মুকুতাৰ মালা আঁৰি হাঁহ গ'লে
চুমাৰে ৰঞ্জিলে ঠোঁট,
এৰা পাই হাঁহ ফুৰিছে বনাই
চৰিছে দুদুটি গোট।

কতোজনী গই পদুমৰ ৰেণু,
ঘঁহিছে সৰ্বাঙ্গময়,
ৰাঙলীজনীয়ে ছিঙি পদ্ম-চুলি
মুঠিয়ে মুঠিয়ে লয়।

অথিৰ চঞ্চল ইজনীয়ে হাঁহি
সিঁচিছে হাঁহলৈ পানী,
সখীলৈ এছাটি মাৰিয়েই আকৌ
বুৰিল টুপুকীজনী।

মৰম পিয়াওঁ বুলি কতোজনী
হাঁহক পিয়াহ দিয়ে,
পদুম পাতত উঠি ডিঙি ধৰি,
হালে-জালে দুজনীয়ে।

কেতেকী চৰায়ে ক'ত কি ক'ত কি
দিলেহি দিনৰ হাক,
ফুলাম ছইৰ তলৰ পৰা কোনে
মাতিলে মৃদুল বাক?

বীণৰ জোঁকাৰ মলয়া বতাহে
উটাই আনিলে যেন,

জলৰ কুঁৱৰী কুঁৱলী সাজেৰে
পৰ্বত জীয়াৰী হেন।

গলত হীৰক, খোপাত মাণিক,
হাঁহিত মুকুতাপান্তি,
নীলোৎপল হাতে চৰণৰ পাশে
শঙ্খৰ ধৱল কান্তি।

সুদূৰ পূবত উষাদেৱী সতে
মিলিল কুঁৱৰী গই,
মিলন হাঁহিৰে উজ্বলি চৌদিশ,
লুকাল পোহৰময়ী।

আনন্দলহৰী নাচি পৰি হাঁহি
গাইছে কুলুলু তান,
বেলিৰ কাঞ্চন পোহৰৰ টৌৱে
উটালে প্ৰাণীৰ প্ৰাণ

চন্দ্ৰকুমাৰ আগৰৱালা

১২৫

# বনকুঁৱৰী

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক
বিজন বনত কোন কত আছে
—হালিছে গছৰ আগ।

গহীন গছত বতাহৰ ছাটি
পাত কঁপে থৰ থৰ,
হাবিৰ মাজৰ পৰা কোনেনো বা
মাতি উঠে 'মৰ মৰ?'

নিচুক লতিকা গছক সাবটি
প্ৰতি অঙ্গে চুমাচুমি,
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি!

মৰমৰ গীত জুৰিলে লাজুকী
মাত ফুটেই বা নাই,
বিৰিখে হাঁহিছে হালিছে জালিছে
নইৰ মুখলৈ চাই।

কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়াতো ধেমালি যিহে
কোনে চায় নিতৌ বনৰ ধেমালি?
মাতিলেনো সিটি কিহে?

গছৰ আগত ময়না পখীটি,
মাতি সি নিচুক হ'ল,

শুনো শুনো, শুনিবলৈ বাট চাওঁ,
মনতে হেঁপাহ ৰল।

সিজুপি বকুল, —এই এৰাবাৰী
কোন কাহানি বা গ'ল।
চিন এই ভেটি তামোল, লেটেকু—
হল বহুদিন হল।

বাঁহৰ ছঁয়াত গজালি গজিছে
কোননো ইয়াত ফুৰে?
জুৰ জুৰ কৰি বতাহ বলিছে
বাঁহৰ মাজে মাজে ঘুৰে।

পাতে পাতে কিবা ফুচ্‌ফুচাইছে
মাৰিছে মিচিকি হাঁহি,
কলাঘুমটীয়া সুখৰ এলাহ
বতাহে সুৰসুৰায়হি।

গাত গা লগাই কপৌ দুটিয়ে
মুখতে মুখঁ দি আছে,
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম যাচে।

অকণি ছোৱালী—যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি
জানৰ কাণত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।

চমকি চায় ৰই থাকে থৰে
কুমাৰীৰ মুখলৈ চাই,

'কিনো চাইছ!' বুলি ছোৱালীয়ে
গালতে হাঁহি চৰায়।

দুখোজতে লৰি পালেগৈ ঘূৰি
যক্ষিণী কুমাৰী মাজ,
আঁহতৰ তলে নাচিছে দুজনী
পিন্ধি বনফুল সাজ।

মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্,
ৰূপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখো মুখ।

খিল্ খিল্ হাঁহি গল দিহাদিহি
ছিঙে ফুল কতোজনী,
কপৌৰ বাঁহলৈ উৰি গ'ল কোনো,
দিলেগৈ চুমা একণি।

খোপাত পিন্ধিছে বনৰ পখিলা,
আটাই আপোন ধন,
বনফুলৰ মৌ পিছে কোনোৱেবা
শান্ত হ মানুহ মন।

কি দেখিছ সৌ শ্যামল পাটীত
ছঁয়াত বা কিনো চাম।
নীল চুলি মেলাইছে কোনেনো বা
মুখনি উজ্জ্বল শ্যাম!

মৰকত মণি জিলিকে শিৰত—
দেৱী হব বনকুঁৱৰী,
কুতাৰে আঁৰা লগতে ইজনা
জলৰ দেৱী নিয়ৰী।

চুলি বান্ধি দিছে কুঁৱৰীৰ মেলি
খোপাত আঁৰিছে মলা,
আগতে অলেখ বনফুলৰাশি
ৰূপেৰে গোন্ধেৰে ভৰা।

জুৰজুৰ কৰি আনিলে বতাহে
উৰাই কেতেকী-পাহি,
মল্‌মলাই গ'ল দিশ বিদিশ
মাতিলে বতাহে হাঁহি।

"মৰম-ভিখাৰী, বিচাৰিছো দেৱী
প্ৰাণৰ অমিয়া মাধুৰী",
মিচিকনি মাৰি হাঁহি দান দিলে
দুয়ো প্ৰকৃতি কুঁৱৰী।

অথিৰ বায়ুৰ শিয়ঁৰিল নোম
উছলাইছে গৈ জান,
কাৰণ নেদেখা আনন্দৰ ঢৌৱে
বুৰালে প্ৰাণীৰ প্ৰাণ।

চন্দ্ৰকুমাৰ আগৰৱালা

১২৬

# প্ৰকৃতি

ফুলকলি ফুলি গোন্ধ
বোৱাই প্ৰীতিৰ সোঁত
সৰি পাছে নাইকিয়া হ'ল,
সি ফুলৰে মউ-পিয়া
এটা ভোমোৰা বলিয়া
ঘূৰি ঘূৰি ফুৰিছে অকল।
উৰি ফুৰি বেজাৰৰ
হৃদয়-ৰাগিণী তাৰ
বৰষি যে সিও গুচি গ'ল
ক'ৰ কোন কিবা হ'ল?
চিনস্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰল!

চন্দ্ৰকুমাৰ আগৰৱালা

১২৭

# নিয়ৰ

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।

নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি!

ফুলনিত কোনে নিশা নাচিছিল
ছিগি ৰই গ'ল মণি,
ৰঙিলীৰ ভাব হাঁহি-নাচোনৰ
ৰ'ল চিন এইকণি।

ৰাতিৰ ধেমালি জোনৰ নিফুট
হাঁহিৰে থইছে সানি,
পুবাৰ হেঙুলী বেলিটিলে চাই
এটুপি চকুৰ পানী।

নিয়ৰ কলিৰে শোভে ফুলজুপি
চাইছো ভাবতে ভাহি,
হায় কি বিষম পেলালে বায়ুৰে
জোকাৰি ফুলৰ পাহি।

চন্দ্ৰকুমাৰ আগৰৱালা

১২৮

# পুৱা

গহীন পুৱতি নিশা,　　নিতাল জগত
　　ক'তো নাই জোনাকৰ চিন;
নিমাত বিশ্বৰ বাঁহী,　　নিজম চেতনা,
　　সুৰ ভুলা জীৱনৰ বীণ।

জীৱনৰ যুঁজ এৰি　　কাম-কৰ্মী দুয়ো
　　শঁতাইছে যুঁজৰ ভাগৰ;
বিয়পি অসীম বিশ্ব　　আন্ধাৰ এলাহ,
　　গতিহীন স্থিতি জগতৰ।

কোনোবা দেশৰপৰা　　ধীৰ সোঁত বলি
　　আহিছে এখনি জুৰ নৈ;
ৰিণিকি ৰিণিকি　　এটি নীৰৱ কবিতা
　　বাজিছে বুকুত বৈ বৈ।

জোনাক জোনাক বুলি　জীৱন বিচাৰি
　　আন্ধাৰত প্ৰকৃতি আতুৰ ;
জোনাক-জীৱন খুজি　　ওপঙি ফুৰিছে
　　নিফুট আকুল এটি সুৰ।

ক্ষুতৰ সুৰত পমি　　নিয়ম-বিহোঁতা
　　প্ৰকৃতিৰ প্ৰবোধি মনক;
দিবলৈ মনে মনে　　জোনাক-জাননী
　　পাচিছে পুৱাৰ বতাহক।

স্বৰ্গৰ বাতৰি পাই　　অপেক্ষি জোনাক
　　প্ৰকৃতিৰ উত্ৰাৱল চিত;

বহিছে শীতল বায়ু নাচিছে লতাই
ফুল-কলি হাঁহিছে থুপিত।
দুটিমান জোনাকৰ সোণোৱালী ৰেখ
লাহে লাহে ভৈয়াম নামিছে;
সৃষ্টি-পাতনিৰ সেই জীৱন্ত ছবিটি
ঘূৰি আহি ভুমুকি মাৰিছে।

লোকালোক সাগৰত উটি-বুৰি ফুৰা
জীৱনৰ পবিত্ৰ ভাবটি;
আধা-আলো আধা ছাঁত ফুলোঁ ফুলোঁ কৰি
প্ৰকৃতিক ধৰিছে সাবটি।

জিলিঙনি এটি আহি পদুম-বনত
স্বৰগৰ ৰহণ ঢালিছে;
অকলশৰীয়া দুটি পদুম-কলিয়ে
চুমা খাই হালিছে-জালিছে।
স্বৰ্গৰ জেউতি দেখি ৰাজহাঁহ যুৰি
প্ৰেমৰ আলচ্ ভুলি গৈ;
চিত্ৰৰ পুতলী প্ৰায় আছে থৰ লাগি
ইটিয়ে সিটিকে চাই ৰৈ।

আকৌ ঘুমটি ত্যজি নিজম চেতনা
লাহে লাহে সজাগ হইছে;
পাহৰা সুৰটি ঘূৰি বজাবৰ গুণে
বীণখনি হাতত লইছে।

বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ময়ী জোনাকী সবিতা,
বজোঁৱা অনন্ত কাল পঞ্চমত তুলি
বীণাপাণি কোমল কবিতা।

হেমচন্দ্ৰ গোস্বামী

১২৯

# বিশ্ব-বীণ

ৰবাঁ, ক্ষন্তেক নিৰলে। প্ৰকৃতি বুকুত
শুনা, নিফুট্ সুৰেৰে,
সুৰতে মিলাই সুৰ নিয়তি বীণাৰ
কোনে জানো সুৰ ধৰে

চউপাশে থৰ্ লাগি পৰ্বতৰ শাৰী
কি জানো কি ভাবি-গুণি
লাগিছে তবধ ;— অহ, এফলীয়া হৈ
কিনো দৰে আছে শুনি!

ডালত পখিটি পৰি ডিঙি ভাঙি ভাঙি
কি জানে কি শুনে হায়;
ভাবত বিভোল,— যেন তাৰে কি ৰাগীয়ে
ধৰি, চকু পিৰিকায়!

গভীৰ নিজম গুহা, গহীন সাজেৰে,
বুকুত সাবটি হাত,
একেথৰে আছে শুনি, নিজান নিটাল,
সাৰসুৰ নাই গাত!

একেটি তানতে মিলি আৰু এটি তান
উঠে, বীশ্ববীণ্ এৰি;
ইবাৰ বীণাৰ সুৰ বুজোঁ বুজোঁ যেন,
স্বৰ্গীয় বুজনি ধৰি।—

মাতে যেন আগলই; কিজানো কলই
আতমা উৰিব খোজে;

মুখত নুফুটে কথা, নিৰলে শুনিয়ে
হায়! কিজানো কি বুজে!

উত্তাল তৰঙ্গ প্ৰায় সৃষ্টিতত্ত্বজ্ঞান
দিয়ে গহীন ঝঙ্কাৰে;
আকাশ পাতাল জুৰি হিয়াভেদী ভাবে
শুনা, প্ৰতিধ্বনি কৰে!

জগতৰ প্ৰাণ লই একেটি মুঠিতে
অহ, বিশ্বৰচোঁতাই
ঐকতানে দিয়া তান;— উলাহৰ সোঁত
চোৱা, বলিছে টৌৱাই!

**পদ্মনাথ গোহাঞিবৰুৱা**

১৩০

# দহিকতৰা

অ' মৰমী বন্ধু মোৰ অ' দহিকতৰা
কোন মূৰ্চ্ছনাত তোৰ বাজে দোতাৰা
মিলন মাধুৰী লই
আহিছ সাদৰী অই
কোন বিৰহীক দিবি প্ৰেমৰ বতৰা,
পদূলিতে আছে ৰই গুলঞ্চি কতৰা।

আলোক নে অন্ধকাৰ সুদূৰ প্ৰান্তৰ
কোন সাগৰৰ পৰা
অমৃত গৰল ভৰা
মেলি দিছ সফুঁৰাটি মোহিনী কণ্ঠৰ
বই গ'ল বিশ্বব্যাপী দিক্ দিগন্তৰ!

কোনেনো পঠালে তোক কলকণ্ঠী কৰি
পুৰে দিলে ধলফাঁট
মাতিলি সুৱদি মাত
শীতলী মলয়া বাৱে দিলে পাল তৰি,
প্ৰকৃতিৰ নিস্তব্ধতা গ'ল ভেদ কৰি।

জহ গ'ল, বৰ্ষা গ'ল, আহিল শৰত
বিদ্যাধৰী চিত্ৰলেখা
খঞ্জনী দিলেহি দেখা
নাচে কত ছন্দ তুলি কৰুণ সুৰত,
চমক লগালি কিনো নন্দন পুৰত।
কাষত মঙ্গলঘট ফুলৰ কৰণি
মিলি যত বনমালা
পিন্ধাইছে বনমালা

বুকুত সজাই দিছে দুগ্‌দুগীখনি,
ধৰিছে উষাই ৰূপ কনকবৰণী।

পুষ্পবৃষ্টি হ'ল তোৰ পৰশমণিত
নিমজ ঘাঁহনিডৰা
পানী পিয়ালীৰে ভৰা
মুকুতাৰ শুভ্ৰমালা শ্যামল পাটীত,
কি সুন্দৰ স্নিগ্ধকান্তি ফুল্ল বননিত!

শ্যামল তৃণেৰে ভৰা ধুনীয়া পথাৰ
সুন্দৰী শাৰদবালা
পিন্ধালে হৰিৎমালা
সংগীতৰ হিল্লোলত প্ৰেমৰ আধাৰ,
ফুলিল হ্ৰদত কত কুমুদ কহ্লাৰ।

আছিলি নিমাতী হই কত দিন ধৰি
বলিল শীতল বাৰ
কুৰুবাই দিলে ৰাব
আহিল বসন্ত দৰা লাহবাহ কৰি,
আদৰি আনিলি তয়ে তুলি সুৰাগুৰি।

ক্ষীৰস্ৰাৱী সুকণ্ঠৰ মল্লাৰ ধ্বনিত,
বাজি উঠে বনবেণু
উৰি ফুৰে ফাকুৰেণু
কৰে নৃত্য লীলাভঙ্গী ফুল্ল ফুলনিত,
উঠিল স্পন্দন গিৰি শিখৰ মণিত।
পল্লৱে পল্লৱে ভৰি উঠে গীতি ছন্দ,
কিবা অপৰূপ দৃশ্য
উদ্বেলিত মহাবিশ্ব
স্বৰগৰ পৰা আনি অমৃতৰ ভাণ্ড
ঢালি দিছ মৰতত প্ৰেম মকৰন্দ।

কাৰ প্ৰেৰণাত তই জুৰিলি সঙ্গীত
তটিনীৰ ক্ষীৰধাৰা
কাৰ প্ৰেমে আত্মহাৰা
যি গীতৰ তৰঙ্গত হ'ল তৰঙ্গিত,
হৃদয় আপ্লুত কৰে নাচোন ভঙ্গিত।।

সঙ্গীতৰ সুধাধাৰা দিলি তই বাকি,
আকাশত ৰামধেনু
ৰঞ্জিলে নীলিমা তনু
দেৱপুৰী এৰি থই আকাশী নৰ্তকী,
মৰতত ভৰি দিলে উৰ্বশী কেতেকী।

মেঘকন্যাসবে পিন্ধি তড়িতৰ হাৰ,
গাত লই নীলাম্বৰী
আৰোৱানখনি ধৰি
আগ্ৰহেৰে দিছে তোক প্ৰীতি-উপহাৰ,
কুঞ্জে কুঞ্জে ঘুৰি কত কৰিছ বিহাৰ!

আলোড়ি গন্ধৰ্বপুৰ নন্দনকানন,
গালি কিনো বিশ্বজিত
মদালসা প্ৰেমগীত
পাতিলি প্ৰেমৰ হাট লীলা নিকেতন,
কৰে য'ত বসন্তই কুঞ্জে নিধুৱন।
সোণগুটি সোণাৰুৱে লই থোপামণি
কনক কবিতা ৰচি
দিছে প্ৰেম উপযাচি
ধৱল মেঘৰ বুকু তুলাপাত খনি
কত কাব্য-কথাৰেই হইছে শুৱনি।

লুইতৰ কাণে কাণে কঁহুৱাৰ ফুল
ৰতাহত হালিজালি

ঢৌৱে ঢৌৱে ঢৌ খেলি
তুষাৰ ধৱল কান্তি ধৰিছে বিপুল,
যেন সুৰ তৰঙ্গিনী পুলকে আকুল।

সোণোৱালি ৰহণৰ সৰিয়হডৰা,
ৰূপৰ মাধুৰী সনা
ঢালি প্ৰেম জ্যোতিকণা
উৰাই পৰাগ ফাঁকু মন-প্ৰাণ হৰা
ৰমক জমক হ'ল বিশ্ব-বসুন্ধৰা।

শোভাৰ অঞ্জন তুল্য তৰু শোভাঞ্জন,
তাতে পৰি প্ৰিয়া তই
তুলি সঙ্গীতৰ লয়
সানি দিলি ৰূপছটা ধৱলী অঞ্জন,
কৰিছে স্বৰ্গীয় দৃশ্যে হৃদয় ৰঞ্জন।

বুঢ়া আজাৰৰো তয়ে ভাঙিলি চমক,
লাগিল বসন্ত বা
উলহ-মালহ গা
নৱ কিশলয় দলে কৰি জকমক্
সম্ভাষিছে ভাগৰুৱা কত পথিকক!
শিৰীষ ডালত প্ৰিয়ে পৰি ৰাতি দিন
ফুলকোঁৱৰক লই
কি খেলা খেলিছ তই
ডেকাধনি লাগি তাৰ দেহা হ'ল ক্ষীণ,
এয়ে নেকি যাদু তোৰ ভাল পোৱা চিন?

ৰূপহী সেউতি জৱা চম্পা যুতি জাতি,
ফুলৰ কুঁৱৰীবোৰে
সাজি ৰংৰূপহেৰে

ফুলৰ শৰাই কত থানে থানে পাতি
জনাইছে ব্যাকুলতা ইঙ্গিতেৰে মাতি।

দিনফুলী মালতীৰ ৰূপ বিতোপন,
বিচিত্ৰ বৰণ ধৰি
বুকুখনি উদি কৰি
লই গন্ধ উপহাৰ কুঙ্কুম চন্দন,
যাচিছে সাদৰী তোক প্ৰণয় চুম্বন।

কৰবীৰ, তগৰতো তুলি দিলি টৌ
ফুলে ফুলে ফুলৰাণী
সাজি দিলে ফুলবেণী
মৌপিয়া আইটীকো লাগে কিবা মৌ,
মনৰ আশাটি বাৰু পুৰাবি নে নৌ!

আলসুৱা ডালিমীৰ বুকুখনি জুৰি
পাখিলাহি পখিলাই
ঘনে ঘনে চুমা খাই
ৰূপলীলা তৰঙ্গত নাদুৰি-সাঁতুৰি,
হেঁপাহ পলাই পিয়ে অমিয়া-মাধুৰী।
অ প্ৰেয়সী গুটিমালী! নহবি অধীৰা
প্ৰিয়তম জনে আহি
বজাই মোহন বাঁহী
পিয়াব মিলন-দুতে প্ৰণয়-মদিৰা
পলাব পিয়াহ-ভোক হৃদয়ৰ পীড়া।

বিহুৱতী সুৱাগীয়ে বিহুনাম গাই
পিন্ধি বনকৰা শাৰী
লগালেহি মাতষাৰি,
ফুলবছা ৰিহাখনি গাত মেৰিয়াই

বিলাহী ময়ূৰে দিছে জেউতি চৰাই।

সুৰত প্ৰসঙ্গী সৌ কপোত মিথুন,
    ৰঙেৰে আধাৰ বাটি
    অমাতৰ মাত মাতি
দেখাইছে প্ৰণয়ৰ চানেকি চিকুণ
যেনি চাওঁ তেনি যেন সকলো নতুন।

সখি অ' সখি অ' বুলি সখিয়তী বাই,
    গছে গছে উৰি উৰি
    তোৰ সুৰে সুৰ ধৰি
ৰূপ গন্ধ জেউতিৰে সৌন্দৰ্য বঢ়াই
প্ৰকৃতিৰ নগ্নৰূপ নিছে সোলোকাই।

অ' মৰমী বন্ধু মোৰ। অ' মোৰ বহনা!
    চক্ৰবাক মিথুনৰ
    আশা হ'ল মিলনৰ
বজালি যি বিশ্বভোলা মিলন-গগনা,
নুমাব নে মৰমীৰ মৰম্ বেদনা?
শুনালি যিদিনা গীত শৃঙ্গাৰ ৰসত
    বিৰহিনী তপতীৰ
    বই গ'ল অশ্ৰুণীৰ
সম্বৰণ ৰূপ ছবি ধৰি অন্তৰত
ভ্ৰমিলে কতনো দিন শৈল-শিখৰত!

কৰিলিনে মুখৰিত ঋষি তপোবন,
    দেৱযানে উঠি আহি
    প্ৰেমনীৰে অৱগাহি
কি যাদু মন্ত্ৰত হ'ল যুগল মিলন,
নুবুজিলো বিধাতাৰ অপূৰ্ব বন্ধন!

নাজানো কি গাইছিল গিৰি কৈলাসত
মদনৰ শৰ ধৰি
কাৰ তপ ভঙ্গ কৰি
অভিশপ্তা হলি তই ভোগ-বিলাসত,
সি হেতু ভ্ৰমিছে নেকি মৰ্ত্ত্য-প্ৰবাসত?

সংসাৰত তোৰ মান আশাশুধী নাই
মিলন-সম্ভোগ আশা
জনাই প্ৰাণৰ ভাষা
ব্যথিতৰ ব্যথাভৰা দুখ পাতলাই,
দাম্পত্য প্ৰণয় বীজ দিছ ওপজাই।

গছে গছে পাতে পাতে লতাই লতাই
ৰূপৰ পোহাৰ মেলি
নাজানো কি খেলা খেলি

ছয় ৰাগ সপ্ত সুৰে মুৰলী বজাই
ৰাখিছ সাদৰী তই ভুবন ভুলাই।
তয়েই অলকানন্দা প্ৰেম-মধুৰিমা
জগতৰ অনুপম
তয়ে অতি প্ৰিয়তম
তয়েই বসন্ত-দূত শাৰদ-প্ৰতিমা
প্ৰচাৰিছ ঘৰে ঘৰে মিলন মহিমা।

কবি লেখনীত তই নুফুটিলি কিয়?
ৰূপ তোৰ নাই দেখি
অনাদৃতা হলি নেকি
হলি জীৱ-জগতৰ অতি ক্ষুদ্ৰ জীৱ,
কিন্তু প্ৰিয়ে তয়ে মোৰ অতি প্ৰাণপ্ৰিয়।

চিৰদিন তই মোৰ হিয়াৰ আপোন

উদিছে মনত মোৰ
শৈশৱৰ চিত্ৰবোৰ
কোন দূৰ অতীতৰ মায়াৰ সপোন
জগাই তুলিলি প্ৰিয়া স্মৃতি বিতোপন!

কোমলতা, পবিত্ৰতা, সৌন্দৰ্য মাধুৰী
প্ৰেম-প্ৰৱাহিনী হই
আছ চিৰকাল বই
স্নিগ্ধ সলিলত যেন থাকিম নাদুৰি
পূৰাবি নে বাঞ্ছা মোৰ কচোন সাদৰী?

আৰতিৰ শঙ্খধ্বনি হ'ল বিশ্বজুৰি
বিদায়ৰ শেষ বাণী
উচ্চাৰিলে সন্ধ্যাৰাণী
ধীৰে ধীৰে মিলি হ'ল গীতৰ মাধুৰী
বিমোৰত পৰি ৰ'ল মায়া-স্বপ্নপুৰী।

ৰঘুনাথ চৌধাৰী

১৩১

# পেঁপা

শুনিছো পেঁপাৰ মাত পথাৰৰ পৰা,
ৰঙা বেলি মাৰ যায় যায়,
আহিছে গৰুৰ জাক পথৰুৱা বাটে,
ওচৰত গৰখীয়া নাই।
গৰখীয়া ভোল গৈ গৰুকো এৰিলে
পথাৰতে আছে আজি বৈ,
মানুহৰ মাতে ক'ব নোৱৰা কথাকো
কয় আজি পেঁপাটিক লৈ।

কোনেনো সাজিলে পেঁপা ইমান কোমল,
ভাল লাগে নিলগত,
শুনিলে পেঁপাৰ মাত খৰকৈ বয়
তেজ-সোঁত মোৰ শৰীৰত।

দুৰ্গেশ্বৰ শৰ্মা

১৩২

# কবি-প্ৰিয়া

নেলাগে তোমাৰ মোক একোকে, লাগেহে
চাবল'ই হাঁহিটি ওঁঠৰ,
নেলাগে আতিব মোক শুনো যদি মই
মিঠা মাত কোমল মুখৰ।
দেখোঁ যদি বতাহত নচা ঠেৰে ঠেৰে
গোৱা যদি কুলিৰ মাতত,
সকলোতে সেও হ'ই যদি খোজ কাঢ়া
ডাৱৰৰ গহীন খোজত।

নেলাগে চাবও মোক চোৱা যদি তুমি
প্ৰকৃতিৰ ছবি সৰহীয়া,
নেলাগে কৰিব একো মোৰ বাবে তুমি
কৰা যদি কৰিবলগীয়া।

শুই উঠি চোৱা যদি সৰু সৰু তৰা
মাৰ যোৱা আকাশৰ গা'ত,
পুৱা বনৰীয়া ফুল ছিঙোতে ছিঙোতে
নিয়ৰত তিতে যদি হাত।

লৌৱালপা বতৰৰ ৰ'দ পৰি যদি
বোল ধৰে নিমজ গালত,
নিৰজু বতাহে যদি মচি দিয়ে ঘাম
ছাঁ দিয়ে ডাৱৰে তাপত।
কোঁচ খাই পৰে ছাঁটি যেতিয়া গছৰ
দুপৰীয়া থিয় ৰ'দ পাই,
দূৰণিত একেষাৰ চৰাই গীতত

থৰ লাগি থকা যদি চাই।
জিৰোৱা ভাগৰ লাগি ফুলনি তলত
সৰে যদি এটি ফুলো গা'ত—
পৰি যোৱা তাৰে যদি পাওঁ এটি পাহি
সেয়ে মোৰ দেৱ-পাৰিজাত।
সন্ধিয়া নেথাকা যদি ভিতৰ সোমাই
চোৱা যদি বেলিৰ মেলানি
নিশা চোৱা ব্ৰহ্মাণ্ডৰ অতীত বুৰঞ্জী
ওপৰৰ পিনে মূৰ দাঙি।
যায় যদি উৰি চুলি, ৰিহাৰ আঁচল,
শীতল পচোৱা বতাহত,
চোৱা যদি ঘৰমুৱা গৰুৰ ঢাপলি,
গৰখীয়া এছাৰি হাতত।

বৰষুণ শুনি যদি টোপনি অহোৱা
নিঘিণোৱা থুৰুহি বিজুলী,
ধুমুহাত তুমি যদি যাব খোজা উৰি,
নিৰ্ভয়ে ফুৰা বাট বুলি।

সেয়েই সকলো বিশ্ব-মিলনৰ চিন,
নেলাগে বিশেষ দেখুৱাব,
কেৱল ফুৰিবা তুমি প্ৰকৃতি লগত,
প্ৰকৃতিয়ে সকলো শিকাব।

দুৰ্গেশ্বৰ শৰ্মা

১৩৩

# সাক্ষী

দেখা পাই কিয় বা লুকালা
মণিটি যে সুলকি পৰিল?
আঁচলৰ আগটিতে লাগি
ফুলৰো যে পাহিটি সৰিল।
নেভাবিবা তুমি গুচি গ'লে
চিন তাৰ একো নেথাকিব,
তুমি আজি আহিছিলা বুলি
কেৰে তাৰ প্ৰমাণ নিদিব।
এতিয়াও দুবৰি-ডৰাত
পৰি আছে চৰণৰ চাব;
এতিয়াও পখিলা শাৰীৰ
কিবা এটি আমোলন ভাব।
এতিয়াও গছৰ পাতত
লাগি আছে উশাহ তোমাৰ;
এতিয়াও তোমাৰ সুবাসে
মলয়ক দিছে সুধা ধাৰ;
এতিয়াও লাজুকী বনৰ
গুচা নাই কুচি-মুচি ভাও;
এতিয়াও মউ মাখিবোৰে
কাঢ়িয়ে ফুৰিছে হাম্‌ৰাও।
এতিয়াও তোমাৰ গানৰ
হোৱা নাই প্ৰতিধ্বনি শেষ;
এতিয়াও নিৰলে পখীটি
গীত গাই তন্দ্ৰাতে আবেশ।
কেনিবাদি তৰাটিয়ে আজি
ইয়াতে হে আছেহি লুকাই;
তোমাৰেহে বাতৰি প্ৰচাৰি
আকাশত জ্বলিব দুনাই।

লক্ষ্মীনাথ ফুকন

১৩৪

# আইৰ দৰে শান্ত স্নিগ্ধ

(কাৰেঙৰ লিগিৰী-ৰ পৰা)

আইৰ দৰে শান্ত স্নিগ্ধ
হে তুমি প্ৰকৃতি সুন্দৰী
দিছা সুবিমল স্নেহ বাকি,
প্ৰিয়াৰ সৌন্দৰ্য লৈ পূৰ্ণ
যৌৱনৰ লাজুকী হাঁহিটি মাৰি
প্ৰণয় বাতৰি কব খোজাহে সুন্দৰী,
ওৰণিৰে মুখ ঢাকি
বিশ্বৰ কুৰূপ তুমি পুনু বাছি আনি
কিয়া কোৱা হাঁহি?
ভ্ৰান্ত ধাৰণা তোৰ সকলো
মায়াৰ লীলা দুদিনতে
সৰি যোৱা উৎসৱলৈ বুলি গঁথা
বিচিত্ৰ বৰ্ণৰ ফুলৰ চাকি।
তুমি প্ৰহেলিকাময়ী, বৈচিত্ৰ্যক
বিচিত্ৰঁৰে ৰাখিছাহে ঢাকি।
আপোন নৃত্যতে তুমি আপুনিয়ে
হোৱা বিয়াকুল। আপোনাতে
আপুনি বিভোল, তুমি বিদ্যাধৰী।
আপোন ৰথৰ তুমি আপুনি সাৰথি,
এহাতেৰে ধৰি বাঘজৰি
আনহাতে কৰিছা সন্ধান
আপোনাৰ লক্ষ্য ভেদ কৰি।
আপোন হাতেৰে তুমি গঢ়িছা
নিজেই অব্যৰ্থ সন্ধানকাৰী
মহা অগ্নিবাণ। আপোন
বাণেৰে তুমি নিজকেই কৰিছাহে
অব্যৰ্থ সন্ধান।

আপুনি ইঙ্গিত
তুমি কৰিছা নিজেই, নিজে
জ্যোতির্ময়ী হোৱা কৰি জ্যোতিষ্মান।
আপোন কুৰূপ তুমি আপুনি মোহাৰি
নিজে মথি উলিয়াই সৌন্দৰ্য নিৰ্যাস,
আপোনাৰ শৰীৰতে আপুনিয়ে সানি,
আপুনিয়ে বিতাৰিছা আপোন হাতেৰে
আপোনাৰ সৌন্দৰ্যৰ যশ।
আপোন হাতেৰে তুমি ভাঙ্গি আনি
নিজ ফুলনিৰ, সহস্ৰ সহস্ৰ কত
কুসুম কোমল সুৰভিৰে ভৰা
কত আৰু কতবোৰ পৰিমল ৰেণু,
ফুল মধু আনি তুমি ভৰাই দুকৰ
নিজে শিলাকুটি হে ভাস্কৰ্য নিপুণ তুমি
গঢ়িছাহে আপোন হাতেৰে
নন্দন-বিজয়ী বীৰ কুসুম কোঁৱৰ।
কবি কল্পনাৰ ইন্দু নিন্দি পৰকাশী,
অধীশ্বৰী হেৰা অবিনাশী সৌন্দৰ্যৰ
কিনো বিশ্বব্যাপী আবৰণ আঁচলৰ।
তপস্যাৰ সিন্ধু মথি তুমিহে তাপসী
নিজৰেই উপবন ভাঙ্গি কৰি চুৰ
পিন্ধিছাহে নিজে চৰ্মবাস। বাসনাৰে
লিপ্ত কত শত উপবন
কৰি পুণ্য কৰি তপোবন,
তপস্যাৰ মন্ত্ৰ বাকি কৰ্ণকুহৰত
নিজ হাতে কৰিছা স্থাপন,
অপূৰ্ব আতমা শুভ্ৰ নিষ্কাম তাপস।
আজি জনালাহে প্ৰকৃতি বিপুল,
বিশ্বগ্ৰাসী বিৰাট সুন্দৰী
অন্তৰত মোৰ, প্ৰণয়ৰ দীপ্ত হুতাশন।
জলোক দীপিতি তাৰ
ভেদি উঠি আৱৰণ দূৰ

দিগন্তৰ আন্ধাৰৰ।
জাগি উঠ প্ৰণয়ৰ সুন্দৰী প্ৰতিমা।
তোৰ যোজন বিয়পা যজ্ঞবেদী অন্তৰত মোৰ
আজি হৃদয় মন্দিৰ মোৰ
আলোকৰে কলিপুৰ, জ্বলিলে
সাত বৰণীয়া অগ্নি শিখা
প্ৰকৃতিৰ প্ৰাণময় প্ৰণয় যজ্ঞৰ।
হোমানল মথি তই যা— অ' সুন্দৰী!
বিতৰ, বিতৰগৈ শুভ্ৰ তোৰ নিৰ্মল পোহৰ
উৎসৱময়ী কৰি নিমাত নিতাল
যত বিৰহীৰ মৌন প্ৰণয়ৰ
কুঞ্জ শত শত,
উজ্বলালে আশাৰে আলোকি
উদাসী মুখখনি প্ৰেমিকৰ।
কুসুম কোমল যাৰ প্ৰণয়ৰ কুঞ্জ মনোহৰ,
হল কালে কঁাইটনি বন,
কাঢ়িলে সি মাথোঁ এটি তপত হুমুনিয়া
নিচুকি থাকিলে বহি ভাৰ লৈ ব্যৰ্থ প্ৰণয়ৰ।
তাৰে সি নিকুঞ্জখনি উৎসৱময়ী পুনু কৰ তই
উৎসৱময়ী পুনু কৰ।

দৃষ্টি, দৃষ্টি, দৃষ্টি দিয়া মোক।
স্পৰ্শ, স্পৰ্শ, স্পৰ্শ দিয়া মোক
মোৰ ইন্দ্ৰিয় অন্ধকূপ।
দৃষ্টিৰ প্ৰসাৰ মোক দিয়াহে সুন্দৰী
চাবলৈ অন্তহীন ৰূপ। ই কি।
বিশ্ব-বিমোহনী সৌন্দৰ্যতো সৌন্দৰ্য অপৰূপ।

জ্যোতিপ্ৰসাদ আগৰৱালা

১৩৫

# লুইতৰ বুকুতে

লুইতৰ বুকুতে লহৰি কঁপিলে
লিহিৰি কঁপিলে পাৰত,
সিপাৰত কোনোবাই সুহুৰি মাৰিলে
কঁহুৱা বনৰে আঁৰত।

চৰাই লৰিয়লি দেও দি লৰিছে
দীঘল উঁৰিয়লি বালিত।
উভতি চাওঁতে উজুটি মাৰিবা
পথাৰৰ বকিযা আলিত।

'চাইনো চাই বুলিবা বাট সমনীয়া
চাইনো চাই বুলিবা বাট,
দেহৰে ভিতৰত আছে খলাবমা
পিছলি পৰিবা তাত।।"

পাৰ্বতিপ্ৰসাদ বৰুৱা

১৩৬

# বালিচৰ

ৰূপোৱালি বালিচৰ    সুবিশাল মনোহৰ
    লুইতৰ বিশাল বুকুত—
জিলমিল ৰূপৰেখা    দিলে কোন চিত্ৰলেখা
    ৰ'দালিৰ ৰিহা-আঁচলত!
        আদি নাই, অন্ত নাই,    বালি মাথোঁ দেখা যায়,
            চাহাৰাৰ  ক্ষুদ্ৰ তাণ্ডৱণ—
        লোকালয় বহু দূৰ    নিজানৰ ৰম্যপুৰ
            প্ৰকৃতিৰ অনন্ত ভৱন!
কুল্ কুল্ জুৰ্ জুৰ্    খৰালিৰ খীণ সুৰ
    বীণ বাজে জলকুঁৱৰীৰ—
গীত শুনি ভোল গই লুইতে জুৰণি লয়,
    ভাগৰুৱা অৱশ শৰীৰ।
        সোঁতে সোঁতে নাচি ফুৰা উঠি আহি কাছ দুৰা
            লেখি লেখি কণী পাৰি যায়;
        নাম গাই নাৱৰীয়া    উলাহত মতলীয়া
            নাও বান্ধি বালিচৰ পায়।
বালিতেই খুঁটি মাৰি    ভাত খাই ৰান্ধি বাঢ়ি
    বালিতেই ৰাতিটো কটায়,
বজাই ৰঙৰ শিঙা    পুৱাতে মেলিব ডিঙা
    লঙ্কাৰ বণিজ ক'ত পায়!
        চামে চামে বালি ভৰা    ঠায়ে ঠায়ে ওখ গৰা
            ঝাও গছ বিৰিণাৰ দৰা,
        নল খাগৰিৰ দেশ    তাৰো যেন নাই শেষ
            পালে পালে বাঘ-পহু চৰা।

জাউৰীয়া মাছবোৰে নাদুৰি সাঁতুৰি ফুৰে
উলাহতে পানী যুৰলীত
নাৱ বাত দবিকণা পাভ মোৱা চেলেকণা
সকলোৰে মহাহৰষিত!
বগা কৰি বগলীয়ে উৰি উৰি পৰ দিয়ে,
জপ কৰে একাঁঠু পানীত,
গঙাচিলনীৰ জাক ঘূৰি ঘূৰি দিয়ে পাক,
কুৰুৱাই মাতে দূৰণিত।
শাৰী শাৰী ওখ গিৰি নিলগত শোভা কৰি
আকাশৰ লগত মিলিছে,
নিজানৰ বালিচৰে বৰুণেৰে তপনেৰে
কত খেল নীৰলে খেলিছে!
কৌঁৱৰ লুইতে গাই জলকুঁৱৰীৰে ৰই
পাতালৰ অন্তেষপুৰত
শামুক শঙ্খেৰে গঢ়া শেতেলিত মনোহৰা
মতলীয়া সুখ-সম্ভোগত।
মহাবাহু লুইতৰ শেষ হ'লে বিশ্ৰামৰ
বীৰ বেশে ওলাই আহিব,
বাৰিষাই দিলে ডাক নুশুনিব কাৰো হাক
ভীমনাদে গৰজি উঠিব।
লৰ দিব বাহু দাঙি দুয়োপাৰ ছিঙিভাঙি
নাচি নাচি ফেনে ফোটোকাৰে—
নাথাকিব এই পট, উটি যাব কোন কত,
বালিচৰ বুৰাব সাগৰে।
বুকুত ফুটিব ডকা ঘূৰিব পানীৰ চকা
চাকনৈয়া ওভতনি বব
যমদূতে লব ঠাই কাৰো তাত ৰক্ষা নাই
বালিচৰে যমপুৰী হ'ব।
আজিৰ সকলো কথা বিস্মৃতিত ৰব গাঁথা,
প্ৰকৃতিও হ'ব সংহাৰিণী;

জলৰ কুঁৱৰীসবে চিঞৰি ভৈৰব ৰবে
মুক্তকেশী সাজিব যোগিনী।
আজিয়ে বেহাম বেহা থাকোতে মানবী দেহা
জীৱনেই বালিচৰ মোৰ,
নাভাবোঁ কালিৰ কথা মৰণৰ শত ব্যথা
ভাবিলেও নাই তাৰ ওৰ।
বেলিৰ কিৰণ পৰি নাচে তিৰবিৰ কৰি
বালিচৰ পূৰ্ণ জেউতিত—
বাজক হৃদয়-বীণা আজিয়ে জগৎ-জিনা
হিয়া মোৰ হক উদ্ভাসিত!

অতুলচন্দ্ৰ হাজৰিকা

১৩৭

# সোণপাহি

ধবল মেঘৰ পাল উৰুৱাই
সজাই সোণৰ ডিঙা—
সোণাৰু সাউদে বণিজ বেহালে
সোণেৰে ভৰাই ডিঙা।
এজাৰ ফুলৰ বেজাৰ গুচাই
ফুলিল হেজাৰ ফুল;
সোণাৰুৱে কয়— চোৱাহি পথিক
জীৱন নহয় ভুল।
পদুলি ওলাই চালো আথে-বেথে
উলাহে নধৰে হিয়া—
সোণৰ ৰভাৰ সভাৰ মাজত
সোণপাহি মোৰ প্ৰিয়া।
সোণৰ সাতেশৰী আছে ছিঙি পৰি
নেলাগে পুৰণি মণি,
সেই সোণেৰেই উপচি পৰিছে
দুবৰি দলিচাখনি।
অতীজৰ সেই সোণৰ লঙ্কাতো
নাছিল ইমান সোণ,
মোৰ পদুলিত বাগৰে মাটিত
বুটলি লওঁতা কোন!
দৰদী কবিৰ প্ৰিয়া সোণপাহী
অলকা তিলকা ৰাজে;
নতুন সোণৰ মণি খাৰু পিন্ধি
নিতউ নিজকে সাজে!
নিবিচাৰো আৰু পৃথিৱীৰ বিত
কঙাল নহওঁ মই;
হেলাৰে সুধিম যক্ষ লক্ষ জন
প্ৰিয়াক বুকুত লই।

অতুলচন্দ্ৰ হাজৰিকা

১৩৮

# নগাচাঙলই

নাগিনী নামিব আজি বতৰ ডাৱৰীয়া
নগাচাঙলই যাওঁ বলা সমনীয়া।
উঠা-নমা খলা-বমা পৰ্বতীয়া বাট—
চাই-চিতি দিবা ভৰি পিছলিব তাত।
দুয়ো কাষে অচিনাকি ঘন হাবি বন
বনচৰ মানৱৰ বিলাসভৱন।
কোনে বাৰু বাৰী পাতি ৰুলে বনকল
বনতামোলৰ শাৰী ক'ৰ পৰা হ'ল!
ৰূপহী যুৱতী যেন ধুনতী টেঁকীয়া
পাতে পাতে কত মেৰ লিহিৰিপতীয়া।
মাজে মাজে একো জোপা অতিশয় বৰ
ভৈয়ামত দেখা নাই পৰ্বতত ঘৰ।
ঠিক যেন একো জুপি অমিতাৰ পুলি
পাহাড়ী টেঁকীয়া গছে মেলি আছে চুলি।
আকৌ চোৱা মূৰ তুলি টকৌ গছৰ মেল—
চামে চামে গছৰেই আছে কত খেল!
ঠায়ে ঠায়ে নিজৰাই নূপুৰ বজাই
বনকুঁৱৰীক যায় বাট দেখুৱাই।
মুখত এচলু পানী লোৱা যদি তাৰ
ক্ষন্তেকতে যাব মাৰ দুখ কষ্ট গাৰ।
খোজ দিয়া বেগাবেগী ৰঙে ভৰপূৰ।
ওৱাকচিং মোককচাং[১] বাট বহুদূৰ।
যিমানে উঠিছো আমি ওপৰৰ ফালে
সিমানে দেখিছো শোভা নেদেখা কোনোকালে।
কৈলাস শৃঙ্গত যেন কৰি আৰোহণ
দেখিছো ভৈয়ামভূমি অতি সুশোভন।
শিৱসাগৰৰ সউ সোণৰ কলচী
চাম বুলি কত দিন আছিলো আলচি।

ৰ'দালিত জিকমিক দেখি ৰিণি ৰিণি
চাই লোৱা ভালদৰে পোৱা যদি চিনি।
পালো আহি নগাচাং আমাৰ লক্ষ্যস্থান—
বাটত আছে দেওমানুহ[২] হবা সাৱধান।
যাঠি জোং জাপি লই আছে শাৰী শাৰী
বাঘনখ, গাহৰিদাঁত আৰু চোৱা কড়ি।
বনফুল জলকীয়া কত কিযে আৰু
মৰিও চোৱা সমানে লয় মানৰ চৰু।
আহি থাকা লাহে ধীৰে নকৰিবা ভয়
চোৱা সউ মৰংঘৰ[৩] ৰখীয়া আছে ৰই
জুই আছে জুহালত সমুখতে জ্বলি
সেৱা এটি কৰি তাতে চোৱা ডিঙি মেলি।
ভিতৰত ওখ চাং, লাওপানী খাই
নগাডেকাই বিহু মাৰে নগাহুচৰি গাই।
আঁৰা আছে নগাঢোল আৰু নগাকাঁহ
উঠিব যেতিয়া বাজি কিমান উলাহ!
চোৱা সউ হাতীদাঁত ম'হ মেথোনৰ শিং।
বন্য জন্তুৰ হাড় মুৰ বীৰত্বৰ চিন।
পালোহি গাঁৱৰ মাজ গাহৰি কুকুৰা
পাতৰ জুপুৰি ঘৰ অতিকে লেতেৰা।
প্ৰতিটো ঘৰৰ মাথোঁ এখনি সংসাৰ।
আমাক দেখি লিখা-লিখী[৪] জুমি চায় হাঁহি
চেলেউ খোজে দেৱানতে আগবাঢ়ি আহি।
ভৈয়ামৰ বৰবিহ চিগাৰেট কানি
পাহাড়ী নগাকো ল'লে ভালদৰে জিনি।
বঙহে মঙহ খায় গাৰেঁ গাৰেঁ হায়
সভ্যতাৰ আওভাও সমুলি নাপায়!
ইখনে সিখন গাঁও ভাবে অতি পৰ,
ছেগ চাই কাটে মুৰ কৰি পয়োভৰ।
নগাযাঠি, নগাদা, নগাৰ সাজ গাত
দেখা পালে বনৰ জন্তু পলাই মাৰে ফাট।

আদি মানৱৰ তেজ আচাৰ বিচাৰ
এতিয়াও আছে গাত পাহাড়ী নগাৰ।
যাওঁ আহা সউ ফালে ঘৰ বাৰী চাই
ঘুৰা গাম ৰই আছে বাট দেখুৱাই।
সউ চোৱা নগাপাণ নাই তাত জাল—
বোলাই লোৱা ওঁঠ দুটি পোৱা যদি ভাল।
পাহাৰৰ টিলা কাটি হাবি পুৰি তাৰ
পাতিছে নগাই সউ খেতিৰ পথাৰ।
আদা কচু জলকীয়া সেয়ে ৰোৱা ঠাই
বাম খেতি কৰে তাত ধান ছটিয়াই।
মাইকী মৰঙো সউ যাওঁ আহা চাই
নাগিনীয়ে নাচে তাত চাপৰি বজাই।
পৰ্বতৰ বনফুল বনৰ জীয়াৰী—
হালিজালি চুলি মেলি নাচে ঘূৰি ঘূৰি।
তেজ ফুটো ফুটো কৰা ডালিমীয়া গাল
কল্পনাতে লুটো আহা ৰসৰ ভড়াল।
পানী লই সউ জনী আহিছে নাগিনী
পিঠিত বাঁহৰ চুঙা নিজৰাৰ পানী!
কাষত কলহ লোৱা নহয় ৰাধিকা
তাতোকই অপৰূপ পাহাড়ী বালিকা।
যদিওবা ভৈয়ামৰ কেচাসোণ নাই
তথাপিতো লয়লাসে পানী লই যায়।
যৌৱনৰ দুৱাৰত ভেটি-ভাৰ থই
কামদেৱ আছে ৰই ধেনু-কাঁড় লই।
ডালত ময়ূৰে নাচে মইনাই গায়,
আৰু যত বনপখি সুহুৰি বজায়।
প্ৰকৃতি ৰাজ্যত আজি উলাহেৰে ঘূৰি
ৰূপ আকলুৱা মন যায় উটিবুৰি।
পূৰ্ণ হ'ল জীৱনৰ অপূৰ্ণ হেঁপাহ
উলটি এতিয়া যাওঁ, বেলি দিলে লাহ।
ৰঙা নীলা জলকীয়া কাণে-মূৰে আঁৰি

হাবি ফালি নাগিনীয়ে চায় উকি মাৰি।
খিল খিল কৰি হাঁহি দেখা দি লুকায়
পৰ্বতত প্ৰতিধ্বনি উঠে ঠেকা খাই।
বনফুল অলঙ্কাৰ পিন্ধি বনবালা
চকিতা হৰিণী প্ৰায় কৰে কত খেলা।
কুলু কুলু জুৰি যাৰ খেলাৰ সঙ্গিনী
নাগশৈল-নিবাসিনী বনবিহাৰিণী।
পলকতে আঁকি ল'লো যুগমীয়া ছবি
মুগ্ধ হ'ম চিৰকালে তাৰে কথা ভাবি।

অতুলচন্দ্ৰ হাজৰিকা

---

*টোকা ঃ [১]ওৱাকচিং, মোককচাং— নগাগাওঁ [২]দেও মানুহ— মৰা মানুহ [৩]মৰঙঘৰ- নগাৰ ক্লাবঘৰ [৪]লিখালিখী—ল'ৰা-ছোৱালী*

১৩৯

# পোনাহঁতৰ মাক

ন-বাৰিষাৰ ন-পানীৰ
খাল-দোঙ, নৈ-বিল, দ-বাম
সমান হ'ল,
শুকান হিয়াত সাঁচি থোৱা আনন্দৰ ৰেখাবোৰে
ৰূপ ল'লে ধ্বনিৰ তৰঙ্গ
মিলন-পিয়াসী
দাদুৰীৰ কণ্ঠ উপচি
পিয়া-মিলনৰ হ'ল ঐক্যতান।
ম'ৰাই ধৰিলে চালি
কদম্বৰ ৰেণুবোৰ শিহঁৰি উঠিল।
ডাৱৰত মেঘদূত
বিৰহৰ বাৰ্তা লৈ
দিগন্তৰ মলয়াত উৰিল ধীৰেৰে
মন্দাক্রান্তা ছন্দৰ তালে তালে।।....

দলনিত পোনাবোৰে
বিজুলী পুঞ্জৰ দৰে
থুপি-থুপি হৈ
পিং পিঙাই ফুৰে
মাকহঁতক বিচাৰি বিচাৰি।.....
.....এনেনো কাঠৰী পোনাহঁতৰ মাক
দলনিত মেলি থৈ পেটৰ পোৱালিজাক
চফৰ ফুৰিবলৈ গ'ল।।

আনন্দচন্দ্ৰ বৰুৱা

১৪০

# বাৰিষা

গুৰু গুৰু গুৰু গুৰু গহীন গাজনি,
চিক্‌মিক্ চিকিমিকি বিজুলী নাচনী।
টিপ্‌টিপ্ জিপ্‌জিপ্ ডাৱৰৰ পানী
হো হো কৰি বায়ু বয় মেঘ উঠে ছানি।
গৰু গাই লৰি আহে ঘৰমুৱা হ'ই;
বাটৰুৱা বাট বুলে বেগা বেগি কই।
ল'ৰাইঁতে জুম ভাঙে খেলা পথাৰৰ
চোতালত তোলে ধান কৰি খৰধৰ।
আকাশত বেলিটিয়ে আধা দেখা দিয়ে,
ক'লা-বগা মেঘবোৰে নানা ৰূপ ধৰে।
বতাহত গছ পাতে হালিছে জালিছে;
খালে ডোঙে ভেকুলীয়ে চিঞৰি উঠিছে।
সোণাটিয়ে বাহিৰলৈ বহি চাই থাকে;
বাৰিষানো কিয় হয় ভাবি ভাবি তাকে।

শশীকান্ত গগৈ

১৪১

# সুমথিৰাটিৰ গোন্ধ উঠিছেনে

শুনা হেৰা শুনা চিকুণ পুৰাৰ
বতৰা পালানে নাই,
নতুন নিয়ৰে মলচা বাটেদি
আহিছে শাৰদী আই?
বগলীৰ পাখি শুকুলা শৰীৰ
ৰঙাকৈ বুকুৰ কড়ি,
তেনে শেৱালিয়ে দলিচা পাৰি দি
আনিছে আঁচল ধৰি।
উপজি পুৱাতে দহিকতৰাৰ
তুতি শুনিলানে নাই,
দলৰ মাজত শৰালি জাকে যে
দৈয়নৰ গীত গায়?
ঘোদা পানীবোৰ নিগৰাই কোনে
নিজনি পেলালে বাৰু?
শাৰদী আয়েই যদি ন অঁতায়
তেনে কোন হ'ব আৰু?
সেইহে হয়বা নীলা ৰঙচুৱা
পদুমৰ মিঠা হাঁহি,
সেইহে হ'বলা লাজুকী কইনা
বিলৰ ভেঁটৰ পাহি।
সেইহে সুধিছোঁ কিয় হে লগৰী
টোপনি সাবটি ৰ'লা?
সুমথিৰাটিৰ গোন্ধ উঠিছেনে
বাতৰি আনোগৈ ব'লা।
লুইত-বালিত বালিমাহীটিৰ
নাচৰ থমক চাওঁ
ঝাওবনে কুঁহি মেলা গৰাটিত
উলাহৰ গীত গাওঁ।

মহেশ্বৰ নেওগ

১৪২

# সৃষ্টি ওলোটাৰ কথা

স্তব্ধ পানীত ফুলা সৰিয়হ ডৰা
চাওঁগে বলা। হালধীয়া ফাকু।
জাফ্ৰান আৰু নৰা-জাংফাই
ঘেঁহুৰ পথাৰ।

তেনেতে সৃষ্টি উলটিল।
সোণাৰুৰ কেৰুৰ ফালে যেতিয়া মোৰ চকুৰ
তেতিয়া
সৃষ্টি উলটিল।

আঃ আহাৰ মাহৰ হালধীয়া বৰষুণ!
মই হলোঁ পাট-মাদৈ। চৰাই হালধীয়া পাখিও ধুনীয়া
আৰু মগৰ তোলা কাঢ়নী হৈ
মেঘৰ মাজেদি উৰি গলোঁ
বাঢ়নী পানীৰ প্ৰতিধ্বনি হৈ।
"চাওঁ গৈ বলা", "চাওঁ গৈ বলা"
সেয়া! কৈছে যে। সেই জনীয়েই আছিল কেতেকী
এতিয়া ছোৱালী হ'ল

"অ' এৰুণমানি ছোৱালীকণ তোৰ এনে মন মোহিনী মাত
মলয়াৰ হে যেন চাট"

অজিৎ বৰুৱা

১৪৩

# ৰঙা জিঁয়া

হঠাৎ খলকে বুকু তীব্ৰ বেদনাত
অৱশিষ্ট আৰু এটি ৰ'ল জানো তাত
তাহানিৰ জীয়নীয়া মাছ?

জ্বলিছিলে সেই স্বপ্ন জানো
ফৰ্মুঠ হাকুটিয়ে ঢুকিকে নোপোৱা
সেন্দুৰীয়া আমৰ থোপাত।

কেন্দুৰ ডালত বহি জেঠৰ দুপৰে
সুহুৰিত সুৰ তোলে ঝিঁয়াও ঝিঁয়াও,
ফেৰেঙনিটোত বহি বুঢ়া-ডাঙৰীয়া
লগে লগে তাল ধৰে মহা আয়মেৰে।

জ্বলিল সেই স্বপ্ন জানো
কলঙৰ নিজান ঘাটত,
জিঁয়াৰ পাখিয়ে তোলা
বৰশী-পুঙাৰ কঁপনিত?
সিপাৰৰ দোৱোণৰ নিৰ্মল শুভ্ৰতা
চৰহা পোকৰ দৰে সোমাল চকুত,
নাকত চাবুক দিলে দূৰৰ বতাহে
ক'ৰবাত কইনা নোওৱা!

হঠাৎ খলকে বুকু গভীৰ ব্যথাত
অৱশিষ্ট আৰু এটি ৰ'ল জানো তাত
তাহানিৰ জীয়নীয়া মাছ?

দূৰণিৰ দিগন্তত জানোবা নামিছে সন্ধ্যা
চুচুক-চামাক,
আজিও আমনি কৰে ৰঙা-জিঁয়াটোৰে মোৰ
মনৰ পুঙাত,
উৰিবনে সিও বাৰু ধোঁৱাৰ লগতে
সেই সন্ধিয়াত ?

মহিম বৰা

১৪৪

# ঋতু

## বহাগ

(১)
কুঁহিপাত এটাৰ দৰে
দুলি আছে
গোটেই গাঁওখন
কেতেকী ফুলৰ গোন্ধত
আঁহত গছৰ মাজেদি
সেউজীয়া বেলিটো
দেহৰ বনত
কুলিৰ মাত
জুৰিৰ দৰে।

(২)
যেন
দিকচৌ বনৰ পৰা
ফুৰ্ ফুৰ্ কৰে উৰি অহা
এক পখিলা
সোণোৱালী ডেউকাত তাৰ
জিৰ জিৰ্
ফুলাম প্ৰহৰ।

(৩)
গৰখীয়াই
গৰু নিয়াৰ
সময়তে
থুৰি কলপাতত
পৰি সি কিৰীলিয়ায়

ৰিঙত সাৰ পায়
পাহাৰবোৰে
লাৱণ্য বাগৰি যায়।
জিৰ্ জিৰ্কৈ
বুকুৱেদি।

(৪)
এইমাত্র ধোৱা
আয়ানাখনহে
যেনিবা
চকুৰে মনালৈকে
দেখুৱায়
পাটমাদৈ চৰাইজনীৰ
হাইতাল বুলীয়া গা

কেতেকী ফুল পাহহে
যেনিবা
উৰি থাকে
দিনৰ দিনটো
সোণ বৰণীয়া
ৰেণু

## জেঠ

১) খেতিয়কৰ কুঁজা বোকোচাত
জেঠৰ পুৱা, দুপৰ, আবেলি।
২) কেঁচাই খোৱা কঠালৰ ফুটাবোৰে
সাঁচি থয় জহৰ দিনৰ ৰং।
৩) হালধীয়া বেলিফুল পাহ
ডাঙৰকৈ ফুলিছে
পাহে পাহে তপত খবৰ
৪) বৈ আছিল ভৰপূৰ গাভৰুবোৰ

সেউজীয়া ৰ'দত ভেজা লৈ
চম্পা ফুলীয়া মুখ
সোণাৰু বুলীয়া হাঁহি
খোপাত ভৰি আছিল কৃষ্ণচূড়া।।

## আহাৰ

ভৰা কলহ উবুৰি খাই পৰিছে।
বশিষ্ঠত নয়ন তৰা
শিলবোৰত।।

## শাওণ

লুতুৰি পুতুৰি ৰোৱনীজনী নৈ লৈ গ'ল কি নগ'ল—
আঘোণমহীয়া ভোজৰ কুমলীয়া কলপাত পৰা হ'ল পথাৰে
পথাৰে।

## ভাদ

হাত চাপৰিত
গধূলি গোপাল
এবুকুকৈ।
মূৰ দোঁৱাই ৰ'ল
বগা চাদৰ
গাত মেৰিয়াই
গোটেই মাহ
আকাশখনেও।।

## আহিন

(১)
আচৰিত লাগে
সাই লাখ সেই
সেউজী সেউজী
গীতটো
সুহুৰি হৈ
কঁপি আছে
পথাৰত।

(২)
আহিন কি যে যাদুকৰী ঐ!
সেউজী এখনি নৈ
তাৰে ওপৰত
বৰ আলফুলে
কুঁৱলী ৰঙৰ
আনখনি থাকে বৈ।

(৩)
শৰতৰ
ৰুণ্‌জুন্ গোন্ধ
পাৰ হয় ভগা সাকোঁৰেদি
দূৰে দূৰে
বুকুত ছাঁ পৰে কৰুম কোমল
যেন সপোনতে।

## কাতি

অপেক্ষাৰ সুগন্ধময়তা
তিৰ্‌বিৰ্ তুলসী
তলত।

### আঘোণ

(১)

আঘোণ এক পাহৱাল ল'ৰা
শাকে-পাতে, ধানে-মাছে
দোঁ খোৱা ভাৰ

(২)

সুগন্ধই মেলি দিছে পাখী।
উখল মাখলত
বৈ পৰা সোণৰ বৰণ।।

(৩)

নিয়ৰে ছাউনি পাতে পাহাৰত
শিলক শিকায় উৰাৰ গান ।

### পুহ

(১)

হালধীয়া পখিলা ডৰা।
অ'ত ত'ত উৰি ফুৰিছে
সৰিয়হ ফুল।

(২)

আয়ৈ, সৰিয়হ ফুলৰ
সৰিয়হ ফুলীয়া গা!

(৩)

যেন এক ৰঙিয়াল মন,
নৰাৰ আগে আগে জঁপিয়াই
খৰি-খেৰ গোটাই পিটাই
অনাই-বনাই
ফুটুকানি ফুলে ফুলে"পুহ"।

### মাঘ

(১)

নৰাৰ বুকুৰে বৈ গ'ল ৰি-ৰিয়নি
তেল ধৰা ম'হৰ দপ্দপনিত
শুন নুশুন ৰংঘৰ।

(২)

বেলিটোৱে গা ধুইছিল
দোকমোকালিতে
নৈ খনত
কুঁৱলীয়ে তৰি দিছিল
আবুৰ।।

## ফাগুন

তেজত পেলালে কলি তাহানি দিনৰে গীতে।
উশাহত উজনি-ভাটি ।।

(২)

আকাশখন নামি আহে এনে দিনতে
ৰ'দ-জোনাক একেলগে ফুলে গছত।

(৩)

নীলা পাটৰ সাজযোৰত
ফাকু ৰঙৰ
জকমকীয়া বুটা।

(৪)

কোনে বুলাই গ'ল
কেউটা আঙুলি
নিজান বাঁহীটোত?
শিপালৈকে
গুণগুণাই উঠিল
ফুলে।

## চ'ত

ছোৱালীজনী ধেমেলীয়া।
যেনি-তেনি
বামী মাছবোৰ
থলেহি
পথাৰখনত তৰাং নৈখনত
সজালে
একোডৰা
কাঠফুলা
বগা বালিত
শুই থকা
কাছৰ চলঙত
থলে
এলেং এঠেং
তাইৰ দুপৰীয়াটো।
ছোৱালীজনী
ধেমেলীয়া।

নিৰ্মলপ্ৰভা বৰদলৈ

১৪৫

# বনৰীয়া

বনৰীয়া ঝৰণাৰ দাঁতিত বহিম ব'লা
লতীয়া বাটৰ ঘন জঁট মোকোলাই,
বনৰীয়া ঝৰণাৰ পাশত সোমাওঁ ব'লা
বিচাৰি বিচাৰি বাট, বাট হেৰুৱাই ;
চাওঁ আহা মানচিত্ৰ মাদক বাটৰ
মৈদাম টিলাৰ আৰু পাতালী খাদৰ
শিলাময় বুকু পমি হোৱা
সাঁচতীয়া সুশীতল এয়া উচ্ছলতা;
ৰূপোৱালী গুটি-টৌবোৰ বতাহে উৰাই নিয়ে
লুটি খোৱা বাঁহপাতেদিয়ে
আৰু
শিহু বুৰ মাৰি মাৰি বনৰীয়া পখীবোৰে
খুটি খুটি তুলি লয়
খিল্ খিল্ কিশোৰীৰ হাঁহি যেন
বনৰীয়া ঝৰণাৰ উৰণীয়া ভাষা,
যাক নীৰৱতা ঘূলি ফুৰা কবি-চিকাৰীয়ে
সাঙুৰিব পৰা নাই;

তৰ্কৰ গতিৰ ধাৰে দুৰণিৰ শালনিত
চলিছে কৰত
গুচি-টৌ দলিয়াই বন-ঝৰণাই তাক
কৰে প্ৰতিহত,
ঈশ্বৰৰ মহিমাৰ দৰে উজ্জ্বল দিনৰ
সোণ সানি সানি
সেউজীয়া পাতবোৰ পাহৰণি খনিত সোমাল
কিছুমান উৰি আহি ছায়াময়ী ঝৰণাৰ
বুকুত লুকাল;
কাঁইটৰ সুঙে দিয়ে

সুৰযৰ মউ টানে সেউজীয়া কমলাটেঙাই
আৰু
গায়ত্ৰীৰ মৌচাক সাজি
বনৰীয়া ফুলবোৰে ক্ষণেক সুৰভি লয় শুহি,
মদ দাঁহ আৰু কাঁইটীয়া লতাবোৰ
তাৰ উদ্যত প্ৰহৰী;
আমিও ৰচোগে' ব'লা
ছত্ৰাকাৰ মৌনতাৰ স্তুতি
শিলনিৰ সুজলা বেদীত।

তোমাৰ আঙুলিবোৰো
বনৰীয়া ঝৰণাৰ দৰে
তলুৱাৰ সঙ্গমত লাগি
বাহুৰেদি বৈ যায় বুকু সাগৰলে',
এই ঝৰ্ণা আঙুলিত এতিয়া পিন্ধাই দিয়া
স্নায়ুৰ আঙুঠি মোৰ যেন
হৈ ৰক সৌ দূৰণিত দিয়া
জল-বিদ্যুতৰ চকা,
তুমি সিঁচি যাবা মোৰ কপাল-শিলনিখনি
দুপাশত বিজুলী পুঁজিৰ শেষহীন জ্যোতি।

**হীৰেন্দ্ৰনাথ দত্ত**

১৪৬

# বিজুলী

জামু-ক'লা বৰণীয়া
ভোলানাথ ডাৱৰক
গুৱাল-গালিৰে সতে
জলকীয়া পোৰণিৰে
দকচি দকচি আৰু
ফোৰোহনি মাৰি
তিতা-কেহা মৰম লগাই
হীৰাৰ চমক লৈ
চাত মাৰি গুচি যোৱা
ডাং—কাটি বিজুলীজনীক
পিছে পিছে খেদি গৈ
জোৰ কৰি টানি আনি
... 'খাই ল'ম- চাই-ল'ম
মই-তোৰ-জান-ল'ম
টেঁটু-চেপি-মাৰি থ'ম- -
এইদৰে ভাবি ভাবি
গুজৰি-গুমৰি৽ থকা
ডাৱৰৰ শোৱনী কোঠাত
গতা মাৰি মাটিত পেলাই
ডাং দিয়া দুৱাৰৰ
বাহিৰৰ পৰা
কাণ-পাতি শুনি ৰ'ম
ঘোপ-মৰা আন্ধাৰত
পাতিবলে লোৱা
ডাৱৰ আৰু বিজুলীৰ
ৰাস-লীলা খেলা।

জ্ঞানানন্দ শৰ্মা পাঠক

১৪৭

# নদী-বিলাস

১
নিজানে নদীৰ কাষত বহিব জানিলে জানিবা নদীয়ে কিমান কবিতা জানে,
কিমান গান জানে, জানে কিমান অলৌকিক গল্প।
নিজানে নদীৰ কাষত থিয় দিব জানিলে শুনিবা
সুশোভিত পোহৰৰ অনুস্বৰ বিসৰ্গ।

২
নদী সাগৰৰ ফুল বচা হাত, মাটিৰ মিনা কৰা মাত,
নদী মেঘৰ আৰম্ভণি আৰু ডাৱৰৰ শেষ;
নদী বুকুৰ ভিতৰৰ এক গভীৰ প্ৰাৰ্থনাৰ বেশ।

৩
নদীয়ে যেতিয়া স্পৰ্শ কৰে আকাশ, মোৰ বুকু তোলপাৰ কৰি
উৰি যায় সুমধুৰ গানৰ চৰাই,
হৃদয়ৰ গোটেই উপত্যকা জুৰি কঁপি উঠে সেউজীয়া পতাকা।
নদীয়ে যেতিয়া স্পৰ্শ কৰে আকাশ, মোৰ কলিজা কঁপাই
বাজি উঠে মাটিৰ মৃদং।

৪
নদী শব্দময় শিল্পৰ চোতাল। নদীৰ বুকুতে ফুলে
সভ্যতাৰ দীপ্ত অহমিকা;
নদীয়েই বুটলি আনে মানুহৰ সৌন্দৰ্যৰ সকলো মুকুতা।

নদীৰ ভিতৰতে নদী থাকে; নদীৰ বুকুত থাকে
পখীৰ কূজন যেন পানী

নদীৰ ভিতৰতে নদী থাকে; শৈশৱৰ কুঁহিপাঠ, যৌৱনৰ শিমলু
মদাৰ, জীৱনৰ গীতা।
নদীৰ ভিতৰতে নদী থাকে; সময়ৰ ভিতৰতে যেনেদৰে
আৰু কিছুমান সময় থাকে, অলিম্পিকৰ।

৬
নদীৰ কোনো নিজস্ব শৰীৰ নাই;
নদী নাৰীৰ দৰে
স্বপ্নৰ ভিতৰৰ আশ্চৰ্য নিৰ্মাণ।

বিপুলজ্যোতি শইকীয়া

১৪৮

# নদীয়ে মানুহক

১
নদীয়ে মানুহক সোঁৱৰাই দিয়ে অতীত; সুন্দৰ, অসুন্দৰ সকলো
ছবি, সকলো গান, সকলো সপোন একেলগ কৰি দিয়ে।

বৃদ্ধৰ কণ্ঠত নদীয়ে পখীৰ দৰে তুলি দিয়ে
যৌৱনৰ কল্যাণ ৰাগ, যুৱকৰ হাতত কৈশোৰৰ আশ্চৰ্য আঁচনিৰ
ৰূপকথা, কিশোৰৰ ওঁঠত শৈশৱৰ সুৱৰ্ণ বৰ্ণমালা।

আকৌ এবাৰ নিজকে পালোঁ বুলি
মানুহে পাহৰি যায় অলেখ ঠিকনাৰ বৰ্তমান।

২
মাজে মাজে নদীয়ে মানুহৰ সিৰাৰ ভিতৰতে গান গায়
তেজৰ বিষাদ ওঁঠত তুলি মাজে মাজে নদীয়ে
মানুহক অমৰত্ব দিয়ে— জীৱনৰ সকলো স্বৰ্ণখচিত বিশ্বাস
তুলি দিয়ে মানুহৰ তৃষ্ণাৰ্ত হাতত।

৩
নদীয়ে মানুহক স্পৰ্শৰো অনুভূতি দিয়ে। হাতত তুলি দিয়ে
জীৱন্ত মানুহৰ বিশ্বাসী হাত, বুকুত বুকু।

বুকুত যুদ্ধৰ ঠিকনা পালে সেয়ে মানুহ নদীৰ কাষলৈ যায়
যিদৰে বিষণ্ণ কৰি যায় নাৰীৰ কাষলৈ।

বিপুলজ্যোতি শইকীয়া

# প্ৰেমৰ বিচিত্ৰ আবেগ



আজি মোৰ বাৰ্ধক্য-জড়িত কণ্ঠ,
তথাপি তাৰেই কৈ যাওঁ
মাথোঁ তোমাকেই—
হেৰা মোৰ সূৰ্যাস্ত-পাৰৰ হেমৰেখা।
নিন্দা-খ্যাতি জয়-পৰাজয়
অসত্য সকলো।
সত্য মাথোঁ হে ছলনাময়ী! তোমাৰ গভীৰ প্ৰেম।
আৰু সত্য হে তুলনাহীনা
তোমাৰ দেহৰ খাঁজে খাঁজে থকা
অনুপম
আত্মাৰ সুৰভি।

**দেৱকান্ত বৰুৱা**

১৪৯

# প্ৰিয়তমাৰ চিঠি

সৌন্দৰ্যৰ বুকুৰ কাঁচলি উদঙাই
প্ৰকৃতিৰ চোঁ-ঘৰ চালো পিত্ পিত্;
কুকুৰা-ঠেঙীয়া এই আখৰকিটিত
যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই।
কবি-নিকুঞ্জত ফুলি কত কবিতাই,
মলয়াত উটি উটি ফুৰে পৃথিৱীত,
তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়।
ফুল ফুলে, সৰি যায় শুকায় বননি;
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে।
তোমাৰ চিঠিয়ে, প্ৰিয়ে, জানে কি মোহিনী,
নিতৌ নোহোৱা বাহী, ন ন ফুল মেলে।
যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।

হেমচন্দ্ৰ গোস্বামী

১৫০

# 'তুমি'ৰ পৰা

(স্তৱক চয়ন)

তুমি লাজৰ ৰাঙলী আভা
গাভৰুৰ গোলাপী গালত
তুমি শান্তিৰ জিৰণিখিনি
চেনেহীৰ বাহুৰ তলত।

তুমি বিলাসী বিচাৰি ফুৰা
বিলাসিনী বিয়াকুল হই;
তুমি খোজেপতি সুন্দৰীৰ
সৌন্দৰ্যৰ সোঁত পৰা বই!

তুমি নিতম্বিনী সাদৰীৰ
নিতম্ব-চুম্বিত চুলিকোঁছা
দেখুৱাই অন্তৰত
অতৃপ্তিৰ মহা চিত্ৰ ৰচা।

তুমি ৰাঙলী ওঁঠেদি অহা
মিঠা মিঠা মধুৰ হাঁহিটি,
তুমি শুই উঠা সুন্দৰীৰ
চকুটিৰ অলস পাহিটি।

তুমি মোলান দুডালি বাহু
ধুই দিয়া সোণালী সোঁতেৰে;
তুমি শীতল পৰশ এটি
এৰি দিয়া হেঙুলী হাতেৰে।

তুমি ডেকাৰ প্ৰাণত থকা
গুপুত হেঁপাহ বুজি পাই;
মিলন—বলিয়া বুকু
এৰি দিয়া ওচৰ চপাই।

তুমি প্ৰেমৰ ধেমালি খেলি
উজাগৰ খপা চকুটিত
চঞ্চলতা সানি মোক
নিচুকোৱা কল্পনা-পাটিত?

তুমি জুনুক-জানাক খোজ
কাষত কলসী লই আহি,
এটিপতে অন্তৰত
উদগোৱা অতৃপ্তিৰ বাঁহী।

তুমি মিলনৰ কথা শুনি
টলমল নতুন কিশোৰী,
তুমি লাজেৰে দুখনি গাল
ৰঙা কৰি মাৰা মোক পুৰি।

তুমি দিওঁনে নিদিওঁ কই
মতলীযা মিলন-ইঙ্গিত,
তুমি পিওঁ নে নিপিওঁ কই
প্ৰেম ৰস, ফালি মোৰ চিত

**অম্বিকাগিৰী ৰায়চৌধুৰী**

১৫১

# পূৰ্ণতা

যি বেদনাৰ তপত চুমাত
সৃষ্টি উঠে জাগি,
জীৱন জুৰি প্ৰেম-সোঁত বয়
বিষম মৰণ লাগি,—

সেই বিৰহৰ, সেই মৰণৰ
ৰূপ ধৰি মোৰ প্ৰিয়া
পৰিলেহে বুকু ভৰি মোৰ
হয় সুশীতল হিয়া!

অম্বিকাগিৰী ৰায়চৌধুৰী

১৫২

# পোৱাৰ আভাস

ৰাণীৰ বুকুত বেল-বকুলৰ গোন্ধ বিচাৰ কৰি
আকাশ ধিয়াই লৰ যেতিয়া ধৰোঁ,
অন্ধকাৰৰ অতল গুহাত পৰোঁ।

পদ-পদুমৰ ৰেণু খুজি আকুলতাত পৰি—
পৰাণ ঢালি প্ৰণাম যেৱে কৰোঁ,
আলোকময়ীৰ সন্নিকটত সোঁত।

অম্বিকাগিৰী ৰায়চৌধুৰী

১৫৩

# পোনতে

প্ৰেম হ'ল আজি মোৰ প্ৰধান সঙ্গিনী,
হিয়াত গুপুতে সাঁচা স্যমন্তক মণি।
মোৰ মতি মোৰ জ্ঞান কেনিবাদি গ'ল,
মোৰ গৰ্ব অহঙ্কাৰ ক'ৰবাতে ৰ'ল।
মিছাতেই সন্মানৰ লগ-ভাগ লওঁ,
মিছাতেই বিবেকক সান্ত্বনা দি থওঁ।
যদিচা ই প্ৰণয়ৰ প্ৰতিদ্বন্দ্বী হয়,
কিজানি ই ভাঙ্গি-ছিঙ্গি পেলায় হৃদয়।
সন্ধিয়াত সুশীতল বলে সমীৰণ,
মোৰ হিয়া মোৰ মন কৰি উচাটন,
ঋতুৰাজ বসন্তৰ প্ৰধান লগৰী,
বিহঙ্গৰ ৰাৱ আৰু ফুলৰ মাধুৰী।
মই চোন এতিলকে আনন্দ নেপাওঁ,
কেওপিনে কতবাৰ তধা লাগি চাওঁ।
মোৰ প্ৰেম সৰগৰ সুৰুঙ্গাই চায়,
যদিচা ই ক'ৰবাত অনুৰূপ পায়।
প্ৰেম মোৰ দিঠকৰ বনৰ লগৰী,
সপোনত আতমাৰ কল্পনা-বিহাৰী।
দেৱতাৰ পূজা-অৰ্থে বহিলে নীৰলে,
হৃদয়ত প্ৰেম-ধূনা লগে লগে জ্বলে।
মোৰ পূজা মণ্ডপত প্ৰেম গুৰু হয়,
এনেকি হিয়াৰপৰা স্বৰ্গ কাঢ়ি লয়।

অন্তৰত আজি মোৰ বাজে প্ৰতিধ্বনি,
শত যুগযুগান্তৰ প্ৰণয়-কাহিনী।
কিন্তু এটি কথা শুনি লাগে মোৰ ভয়—
'প্ৰকৃত প্ৰেমৰ পথ নিমজ নহয়',

প্ৰণয়ৰ সাধনাত অশেষ বিঘিনি,
প্ৰতি পদে পৰীক্ষাৰ জ্বলন্ত অগনি,
মানৱৰ নিকৰুণ নিঠুৰ শাসন,
প্ৰেমিকৰ হিয়া-ভগা শোকৰ কান্দোন,
দুদিনৰ হস্তে বোলে জ্বলে হৃদয়ত,
আবেগৰ সুখ-ছবি যুগল প্ৰাণত,
তাৰ পাছে বিচ্ছেদৰ দাৰুণ যাতনা,
চকুপোৰা মানৱৰ নিন্দা-গৰিহণা।
—সেই প্ৰেম সত্য যাৰ লৰচৰ নাই,
মত্ত ধুমুহাৰ ফালে একেথিৰে চাই,
পবিত্ৰ প্ৰেমৰ জয় দেৱতা-পাৱত
আচল প্ৰেমৰ ঠাই নোহে ই মৰত।
মোৰ এই প্ৰেমশিখা যদিচা নুমায়
সংসাৰৰ নিদাৰুণ বায়ুছাটি পাই,
তেন্তে ই অনন্তকাল আকাশত গই
জ্বলিব যুগল তৰা পুনৰ্বসু হই।

সূৰ্যকুমাৰ ভূঞা

১৫৪

# অমৃত

অমৃত আছে বা ক'ত
কোনে জানে তাৰ
বাতৰি ?
সি বই যায়
কোন সুদূৰত
নিজৰাৰ দৰে
বাগৰি !
সি হৰে নেকি ভোক
হৰে ৰোগ-শোক
হৰে নে প্ৰাণৰ
পিপাসা ?
সি কৰেণে অমৰ
জড়ক অজড়
নিবাৰে আশাৰ
দুৰাশা ?
সি কৰেনে শান্ত
কীৰ্ত্তি-ক্লিষ্ট
জীৱনৰ যত বিননি ?
মই বিচাৰি পান্থ
ঘূৰিলোঁ অশেষ
গিৰি-গুহা-বন
বননি।
নাপালোঁ যে ক'তো
নাপালোঁ সন্ধান
পৰিলোঁ শেষত
ভাগৰি,

এনেতে যে দেখোঁ
প্ৰিয়টিৰ বেশে
জুৰায় নয়ন
বাগৰি।
ক্ষৰে যে অমৃত
ৰূপত প্ৰিয়ৰ
কথাত ধাৰেৰে
বাগৰে,
ভোক, শোক যত
পিয়াহ প্ৰাণৰ
নদ-নদী নিয়ে
সাগৰে!
নোহে তো অমৃত
সৰগৰ মাথোঁ
আছে মৰতো
কাষতে,
অধৰতে ধৰি
দুটি প্ৰণয়ীৰ
মধুৰ চুমাৰ
লগতে
সৰে যে অমৃত
প্ৰতি শিশুটিৰ
আধা ফুটা মধু
মাততে;
জোনটিৰ বেশে
সাগৰ বুকুত
জোৱাৰ উঠাৰ
সোঁততে।

অমৃত ক্ষৰে
তৰুৰে লতায়
প্ৰতি পুষ্পৰ
প্ৰাণতে,
অমৃত সৰে
আকাশ টৌৱাই
প্ৰতি বিহগৰ
গানতে।
ৰূপতে অৰূপ
লুকাই অমৃত
খেলিছে মেঘত
বিজুলী,
প্ৰিয়টিৰ বেশে
দেখা দি বিলায়
প্ৰেম-অমৃত
আঁজলি।

ৰত্নকান্ত বৰকাকতি

১৫৫

# প্ৰেম

এই বিষয়ত কবিতা লেখা যে নাই
একৰ হিয়াত দুইক ক'তনো পাই
তথাপিও মই তোমাক সাদৰি ল'লোঁ
আঁকিম তোমাক এই কথা মই ক'লোঁ
পাবা তুমি মোৰ কালৰ বহিত ঠাই।

জগৰ লাগিব তোমাক বুলিলে প্ৰিয়া
দিবা জানো মোক তোমাক বুলিলে দিয়া
তথাপি বাটত কি আশাত বহি ৰলোঁ
তোমাৰ হাতত কি ভাষাকে তাতে থলোঁ
কেতিয়াবা তুমি দিবা জানো তাত হিয়া।

পানীৰ মাজত থাকিও নেপাওঁ পানী
ভিকহু যদিও হ'ব খোজোঁ মহা-দানী
অকলে নটাকে খোজোঁ ভাগ কৰি খাব
ক'ম দেখোঁ যাক খোজোঁ বেছিক'ই চাব
বলিয়ালি মোৰ মাৰ্জনা কৰিবা জ্ঞানী।

এই গছ জুপি কিমান কৰুণ চোৱাঁ
ছাঁ দি কৈছে 'বহি যোৱা, বহি যোৱা।'
খন্তেক বহিম খন্তেক সঙ্গী হ'ম,
'হে গছ তোমাত সদায় জানো ৰ'ম'
কিয় তেনে মোক কৰুণা কৰিলা কোৱাঁ।

নিঠুৰ কাৰণে গছক বুলিলোঁ ভোদা
বাটৰুৱা মই নুবুজোঁ আলহি শোধা

এই আছোঁ সাঁচা, এই গুচি যাম কেনি
দিনে দিনে হায় কত যায় যেনি তেনি
কোনে জানে কিয়, সুধিবা কাকনো সোধা।

এই ঘাটে তুমি নৈ পানী লৈ যোৱা
এই আলিবাট ঠিক তুমি চিনি পোৱা?
ভৰি খোজ তুমি নোযোৱানে ভাত আঁকি
বা-মাৰলীয়ে নথয় সি চিন ৰাখি
গছপাতে জানে তুমি কি কথাটি কোৱা।

দেৱতা নহয় মাটিৰ মানুহ হায়
চিন্তাত তোমাৰ কিদৰে ৰাতিটি যায়
টোপনিয়ে হেৰা সকলোৰে সুখ ৰচে
তোমাৰ কাৰণে কিজানি চকুলো মচে
কুমৰক হেনো সমাজিকতেহে পায়।

বৰনৈৰ ঘাট গছৰ তলত।

ঘনশ্যাম চলিহা

১৫৬

# পাপৰি

(অংশ)

বিশাল বিশ্বত সখি, নাইনে কি এনে ঠাই
নুফুলে মালতী য'ত নেপেলায় কলি,
শুনা নাই নাম য'ত কোনো কালে পদুমৰ
নুফুৰে গুঞ্জৰি য'ত মৌ-লোভী অলি?

গধূলি বেলিকা য'ত নিদিয়েহি দেখা জোনে
নাঢালে কেনিও ক'তো এধানি কিৰণ,
প্ৰকৃতি নিঠুৰা য'ত— দহে পোৰে অবিৰাম
নবয় এছাটি ক'তো শান্তি সমীৰণ।

আছে যদি তেনে ঠাই, নাওখনি বাই বাই
নিতউ তালৈকে সখি উটি গুচি যাম,
পদুম নুফুলে তাত নুফুলে মালতী ফুল,
তোমাৰ চানেকি আৰু তাততো নাপাম!

তোমাৰ শুৱলা সুৰ কোনে দিব সোঁৱৰাই
নাই তাত ভোমোৰাৰ গুণ গুণ স্বৰ,
অপৰূপ ৰূপৰাশি দিব কোনে দেখুৱাই,
নপৰে ৰূপৰ ৰেখা, নাই সুধাকৰ!

নিজানত বহি তাতে অন্তৰ বেদীত মোৰ
নিৰাকাৰ কিবা এটি এনেয়ে পূজিম,
—তুলসী অশুচি হ'ল, -অশুচি দুবৰি বন
—চিৰ-ব্যৰ্থ জীৱনৰ ৰঙা জবা দিম।

এদিন আছিল সখী কত কি যে ভাবিছিলোঁ
কল্পনাতে অলকাত ফুৰিছিলোঁ ভাহি,
সুনীল আকাশ ভেদি উঠিছিল ইন্দ্ৰধনু
—বিশ্বৰ বুকুত মাথোঁ ফুটিছিলে হাঁহি।

লাজুকী প্ৰেমৰ আভা লাগিছিল কৰৱীত
পৰশতে জঁয়পৰা নিলাজী বনৰ,
কৈছিল কেতেকীয়ে, "প্ৰেমিক দুৱাৰ খোলাঁ
এয়েই মাহেন্দ্ৰক্ষণ মধু মিলনৰ।"

আছিলোঁ তন্ময় হই, অকস্মাতে সাৰ পালোঁ,
অলক্ষিতে অন্তৰত জ্বলিলে শলিতা,
চকুৰ আগতে দেখো, ই কি দৃশ্য মনোৰম
—অনন্ত অসীম ৰূপ, অনন্ত কবিতা!

সেইদিনা ভাবিছিলোঁ, এই সুধা, ৰূপৰাশি
প্ৰকৃতিয়ে অবাবতে ঢালি দিয়া নাই,
ইয়াৰেই অনুৰূপ মানুহে কৰিব সৃষ্টি
এই বিশ্ব-বিমোহিনী চানেকিকে চাই।

প্ৰাণৰ দুখনি কুঞ্জ, প্ৰীতিৰ লতাৰে বান্ধি
ভাবিলোঁ সাজিম ময়ো নিকুঞ্জ কানন,
পুণ্যৰ সুৰভি সানি প্ৰেমৰ বসন্ত কাল
বিৰাজিব তাতে লই অনন্ত আসন।

মন্দাকিনী সলিলৰ সঙ্গীত লহৰি মালা
যৌৱন-তীৰ্থত মোৰ হেন্দুলী উঠিব,
গছৰ ডালত বহি বিহগ-বিহগী দুয়ো
জীৱনৰ জয়-যাত্ৰা ঘোষণা কৰিব।

সেইদিনা ভাবিছিলোঁ,   হেঙুলীয়া অৰুণৰ
সাতোটি ৰঙেৰে মোৰ প্ৰিয়াক সজাই,
কমল বনৰ পৰা,   ৰঙা-বগা পদুমৰ
পৰাগ পাপৰি আনি দিম ওপচাই!

ফুলেৰে সাজিম তৰী   ফুলেৰে তৰিম পাল
ফুলৰ হাততে দিম ফুলৰেই ব'ঠা,
ফুলৰ পাহিতে বহি   ফুলনিতে ফুল চুহি
মেলিম অনন্ত মন ফুলে ফুলে গঁথা।

ফুল যে দূৰৰ কথা,   নউ পৰোতেই কলি
কল্পনাতে ঢাক খালে ভৰ হোৱা জাল,
দিনত জিলিকি উঠা   ৰেখা এটি ৰাখি থই
নিশাৰ সপোন আহি নিশাতে পলাল!

ক'ব পাৰা তুমি মোক (যদিও নোকোৱা জানো)
"স্মৃতিকে যি জনে খোজে পেলাব মোহাৰি,
ইমান কথাৰ আজি   আছে কিনো প্ৰয়োজন,
আপোনাৰ 'লক্ষ্য লক আপুনি বিচাৰি।"

সমিধান দিওঁ শুনা--   শোকাতুৰে শান্তি পায়
গায় যদি ব্যথাভৰা বিষাদৰ গান,
যদিও প্ৰাণত আহি   প্ৰাণৰ আঘাত লাগে
সেই প্ৰাণ বিধাতাৰ শ্ৰেষ্ঠতম দান!

নহ'লে মানুহে কিয়   যৌৱন তীৰত বহি
মণি-মুক্তা তুচ্ছ কৰি চাব শতদল,
মনত পৰিব কিয়   দ্বাপৰৰ বন বেণু,
সেই ৰাস, সেই লীলা, কদমৰ তল?

গণেশ চন্দ্ৰ গগৈ

১৫৭

# সোণটিহঁতৰ ঘৰ

সৌটি বেঁকা বাটৰ মূৰত সোণটিহঁতৰ ঘৰ,
তাৰে, দুৱাৰমুখত বহি থাকে সোণটি মৰমৰ।
সন্ধ্যা দেখোঁ সোণটিহঁতৰ চোতাল আগৰ জুই,
ত-তয়াই জ্বলাই থাকে মোৰে মৰম ছুই।
সামাজিকত দেখি তাকে হেৰায় মনৰ থৰ,
একে মনৰ মানুহ আকৌ কিহৰ আপোন পৰ।

ডিহাৰ সাঁকো ভাগো ভাগো হেতাৰ মাৰিও নাই_
সিপাৰেদি সোণটি থাকে সুৱাগমণি দাই।
থৌকি-বাথৌ ঢৌৰ কোবত মৌ-মেলত জ্বৰ,
নিতৌ উঠে ডিহাৰ বুকুত পানী পৰে তৰ।

নাও নচলা সোঁতত উটি সিও যে গুচি যায়,
এটি পজাৰ ৰজাৰ কাষত সোণটি ৰাণী নাই।
সপোন হৈয়েই থাকিল লুকাই সোণটিহঁতৰ ঘৰ,
দুৱাৰমুখত থাকিল বহি সোণটি মৰমৰ।

আনন্দচন্দ্ৰ বৰুৱা

১৫৮

# ভাবী প্ৰিয়া

কোন তুমি কেনি আছা, কতেবা লুকাই
মাজে মাজে মাৰিছা ভুমুকি?
নেদেখি দেখিছোঁ যেন, নুশুনি শুনিছোঁ
তোমাৰেই দীঘলীয়া উকি।

প্ৰতিধ্বনি আহি যেন মোৰ মৰমত
ঠেকা খাই নিনাদি উঠিছে;
বসন্ত বায়ুৰ দৰে তোমাৰ কথাটি
হৃদয়ত বিয়পি পৰিছে।

নব পল্লৱিত মোৰ মানস কুঞ্জৰ—
সেউজীয়া পাতৰ তলত;
শুনিছো তোমাৰ যেন অমিয়া কণ্ঠৰ
সুধা সুৰ মৃদু পঞ্চমত।

কুসুম-কানন জিনি আছা যেন তুমি
আবেগত বিয়াকুল হই
বৰণৰ মালাধাৰি মোৰ ডিঙিতেই
হেঁপাহেৰে দিওঁ দিওঁকৈ।

আশা মলয়াত উটি আহিছে তোমাৰ
প্ৰণয়ৰ পুত পৰিমল;
তাতে মোৰ মউপিয়া মতলীয়া মন
ভাবি তৃপিতিত টল্‌মল।

নিচিনো নাজানো হায়, তোমাৰ ৰূপৰ
লেশমানো মূৰ্ত্তি নাইকিয়া;
তথাপিও আছা যেন হিয়াতে লুকাই
মূৰ্ত্তিমতী তুমি প্ৰাণপ্ৰিয়া।

তোমাৰ বুকুত যেন ৰেণু ৰেণু কই
মউপিয়া জনৰ কাৰণে;
এথুপি সুৱদী মউ যাঁচিছা সদায়
নিজানত অতিকৈ গোপনে।

তৰঙ্গ-কল্লোল প্ৰায় তোমাৰ কথাটি
উটি যায় দূৰ দূৰলই;
চন্দ্ৰমা শীতল যেন তোমাৰ ছবিটি
চাপি আহে মোৰ কাষলই।

পৰিছে বিয়পি যেন হাঁহিটি তোমাৰ
মোৰ দুটি চকুৰ আগত;
বাজিছে কেনিবা যেন তোমাৰ সঙ্গীত
আজি মোৰ হিয়াৰ মাজত।

শুনিছোঁ, শুনিছোঁ যেন লাগিছে মনত
প্ৰণয়ৰ থোকাথোকি স্বৰ,
ওচৰতে আহি যেন দিছাহি সঁহাৰি
তোমাৰ-মোৰ ভাবী মিলনৰ।

ৰিণিকি ৰিণিকি যেন দেখিছোঁ দূৰত
সউ মোৰ গভীৰ গৰিমা;
কেনি যাওঁ কেনি যাওঁ কেনি গ'লে পাম
মোৰ সেই মানসী প্ৰতিমা।

কোনে জানে, ক'ত তুমি, কেনিনো লুকাই
ফুলি আছা, মধুৰ হাঁহিটি;
আঁৰে আঁৰে ফুলনিত কেনি আছা জুমি
নাই পোৱা একো গম-গতি।

সোণালী সপোন এটি উটি ভাহি আহি
লাগিছেহি মোৰ দুচকুত,
কলা ঘুমটীয়া মোৰ   সুখৰ আবেশ
জাগিছেহি নিজাম বুকুত।

ক'ত যায় মেঘমলা   চকুৰ আগেদি
উৰি যায় কত শত পখী;
নিদিয়ে কোনেও ঠিক তোমাৰ বাতৰি
কয় মাথোঁ,— আছে তোৰ সখী।

মানস মাধুৰী মোৰ   মাধৱী মূৰুতি
কোনে জানে কেনি আছা প্ৰিয়া?
তোমাৰ সুৰতে বাজে   মধুৰ বাঁহীটি
তোমাতেই নাচে মোৰ হিয়া।

আনন্দচন্দ্ৰ বৰুৱা

১৫৯

# কবিৰ কামনা

মই কবি, গাওঁ গান, শব্দৰ সপোন সাজোঁ
        লিখোঁ যে কবিতা,
ফুল আৰু পখিলাৰ চুমাত বিচাৰি চাওঁ
        প্ৰেমৰ ৰঞ্জিতা।

দূৰণিৰ বননিত প্ৰাণৰ হিল্লোল কঁপে;
        পুৰতি তৰাই
সৰগৰ সিপাৰৰ অপৰূপ জেউতিৰ
        সঙ্কেত জনায়।

কলঙ-পাৰৰ এই দূবৰিত আকাশৰ
        বিচাৰোঁ তুলনা,
সৰি পৰা শেৱালিৰ কোমল সুবাসে মোক
        কৰেহি উন্মনা।
বকুল ডালত সউ সখিয়তী পখীটিৰ
        কৰুণ বিননি,
মোৰ ই অন্তৰ ভৰি আকাশ উপচি পৰে
        তাৰ প্ৰতিধ্বনি।

মই যি কবিতা ৰচোঁ, গানৰ ভাষাৰে গাওঁ
        প্ৰাণৰ বিননি,
কোনোবা জোনাক নিশা তৰুণ হিয়াত তাৰ
        লাগেনে কঁপনি?
দাপোণত মুখ চাই আপোন ৰূপত মুগ্ধা
        কোনো ৰূপহীৰ,

পৰেনে মনত বাৰু এফাঁকি কবিতা এই
বিৰহী কবিৰ ?
বিফল-যৌবনৰ কোলো গাভৰুৰে নেভাবেনে
কোন সেই কবি,
ছন্দৰ তুলিৰে আঁকে অশ্রু-ক্লান্ত জীৱনৰ
সোণোৱালী ছবি ?

মাটিৰ চাকিটি মোৰ উৰণীয়া বা লাগি
হঠাতে নুমায় ;
প্ৰীতিৰ বতাহে মোৰ আকাশী তৰাৰ হায়
হিয়া নকঁপায় !

কি বিচাৰোঁ প্ৰতিদান ? কঙাল হৃদয়ে মোৰ
বিচাৰে কি ধন ?
হাঁহিৰ বিজুলী এটি, দুটুপি চকুলো ভৰা
এযুৰি নয়ন।

দেৱকান্ত বৰুৱা

১৬০

# বিষকন্যা

যি পাহি শেৱালি মোৰ লেৰেলি পৰিল
জীৱনৰ প্ৰথম পুৱাত;
মই পাইছিলোঁ তাৰ
চিনাকি সুবাস
আঁউসীৰ বোল সনা তোমাৰ চুলিত।

মই দেখিছিলোঁ
এই সন্ধ্যা আকাশত
মাৰ যোৱা শুকতৰাটিয়ে মোক
নতুন সাজেৰে মতা
মাধুৰীৰ চকু টিপিয়াই।

ক্লান্ত কবি দেৱকান্ত;
মই ভাবিছিলোঁ
হয়তো বা
নিষ্কলুষ তোমাৰ স্নেহেৰে
উদ্ভাসি উঠিব তাৰ
নিৰ্বাপিত আত্মাৰ প্ৰদীপ।
জীৱন বঞ্চনা মাথোঁ।
হে সুন্দৰী বিষকন্যা!
স্নেহশ্যাম মৰুদ্যান তুমিতো নোহোৱা
পথশ্ৰান্ত পথিকৰ পৰম আশ্ৰয়

বহুৰূপা! হে নীলা নাগিনী!
তুমি মৰীচিকা।
পথভ্ৰষ্ট পথিকৰ অন্তিম তৃষাই মাথোঁ
তোমাৰ ওঁঠত তোলে

হাঁহিৰ লহৰ।
আজি মোৰ বাৰ্দ্ধক্য জড়িত কণ্ঠ;
তথাপিও তাৰে কৈ যাওঁ
—মাথোঁ তোমাকেই—
হেৰা মোৰ সূৰ্য্যাস্ত পাৰৰ হেমৰেখা!
নিন্দা খ্যাতি জয় পৰাজয়
অসত্য সকলো।

সত্য মাথোঁ হে ছলনাময়ী! তোমাৰ গভীৰ প্ৰেম।
আৰু সত্য হে তুলনাহীনা!
তোমাৰ দেহৰ খাঁজে খাঁজে থকা
অনুপম
আত্মাৰ সুৰভি।।

দেৱকান্ত বৰুৱা

১৬১

# বিহুৰ পেঁপা

ডাৱৰৰ আঁৰে আঁৰে
ঢোলত চাপৰ পৰে
গছে পাতে বিহুগীত গায়,
বিহুৰ পেঁপাৰ ৰোলে
বুকুত নাচোন তোলে
মোকো আজি নাচি নচুৱায়।
সকলো নতুন লাগে
সুৰৰ কঁপনি জাগে
কিহে আজি হিয়া উথলায়?
বুকুৰ আৰতি ঢালি
কোনেনো বাঁহীটি বাৰ্লি
সুৰে তাৰ সৰগ নমায়।
কঁপিছে কঁহুৱা বন,
কঁপিছে কবিৰ মন,
ফুলনিত নাচি উঠে ফুল;
আজিৰ ই উছৱত
হিয়া ভৰা উলাহত
দেখা দিয়ে জীৱনৰ ভুল।
বিহুৰ লগৰী মোৰ!
কাৰ চেনেহত তোৰ
হিয়া নাচে উখল-মাখল?
তোৰ সি নয়ন যুৰি
ৰূপৰ সপোন-পুৰী
ফুলি উঠা দুটি উৎপল!
গালত গোলাপী আভা
মোৰ ই হৃদয়-লোভা
এয়া বাৰু মায়া নে সপোন?

কবিতাৰ যত সুৰ
সকলোটি আজি মোৰ
লাগে কিয় আপোন আপোন!
মিলক চকুৰে চকু
খেলি যক লুকাভাকু .
চকামকা পুলক বিজুলী,
চুমাৰ উতলা ৰাগী
তাৰেই কঁপনি লাগি
কঁপক ই শিল্পীৰ তুলি।
অচিনাকি মই তোৰ
তইতো আপোন মোৰ
মই তোৰ জীৱনৰ কবি,
তই মোৰ তাহানিৰ
হাঁহি-ৰঙা ল'ৰালিৰ
আধা অকাঁ আধা মচা ছবি।
দুদিনৰ পাহৰণি,
তাতে সপোনৰ মণি
হেৰুৱাব খোজ কিয় সোণ?
তোৰেই কবিতা লিখোঁ
তোকে সপোনত দেখোঁ,
তয়ে সোধ মই তোৰ কোন?

দেৱকান্ত বৰুৱা

১৬২

# তুমি বিনে

আলাপন কৰো যেবে তোমাৰ লগত ভুল হয়, কিমান সময়!
বিস্মৃতিত লোপ পায় ঋতুৰ সলনি;— বিশ্ব হয় আনন্দ আলয়,
মাধুৰীৰে ভৰি আছে উষাৰ নিশাহ, জাগৰণ মধুৰ উষাৰ
সুৱদি গানৰ সতে লাহৰী পখীৰ; মনোৰম সূৰুয পুৱাৰ—
যেতিয়া পোনতে এই শুৱনি ধৰাত মেলি দিয়ে কৰি সুবহুল
উজল কিৰণ তাৰ কৰি জিক্‌মিক্‌, জিলিকাই গছ-বন-ফুল
নিয়ৰ-কণিকা-সনা তিৰ্‌বিৰ কৰা; সুৰভিত উৰ্বৰা ধৰণী
সুকোমল মৃদুমন্দ বৰষুণ পৰি; সৌন্দৰ্য্যেৰে ভৰা আগমনি
সুগভীৰ সুশান্ত সন্ধ্যাৰ, তাৰ পাছে নিৰৱ নিশাৰ
পখীৰ গহীন মাত, ৰূপালী চন্দ্ৰমা আৰু লই সঙ্গ তাৰকাৰ।

কিন্তু হাঁয়, উটি অহা নিশাহ উষাৰো লাগে যেবে বুকুত জিৰ জিৰাই
বিহগৰ সুমধুৰ কাকলিৰ সতে, অৰুণেও ৰক্ত-ৰূপ লই
নামেহি যেতিয়া এই আনন্দ-পুৰীত জিলিকাই বন-লতা ফুল,
নিয়ৰ কণাৰে ভৰা, বৰষুণ পৰি যেবে ধৰা সুৰভি আকুল,
যেয়ে আহে সুপবিত্ৰ সন্ধ্যা তুষ্টিকৰ, মৌন নিশা পখীৰে গহীন
জোন তৰা লগ লই— তুমি বিনে মোৰ লাগে যেন সকলো অচিন।

শশীকান্ত গগৈ

১৬৩

# তোমালৈ

তোমাক ৰূপহী বুলি স্তুতিগান কৰা নাই কিয়
বুজিব নোৱৰা নেকি তুমি?
মই তো বিচৰা নাই
স্নিগ্ধ নাৰীস্পৰ্শ মাথোঁ,
দুখনি ননীৰ হাত,
চম্পাৰ পাপৰি সানি গঢ় দিয়া দেহাটি তোমাৰ!
মোক লাগে নিৰ্ঝৰিণী মন
মোৰেই পৰশ পাই সঞ্জীৱিত অহল্যাৰ
শিলচেঁচা বুকু মথি
উৎসাৰিত, গীতিময় মন।

দেহ মোৰ শিহৰিত তোমাৰ দেহৰ সুৰভিৰে;
ৰোমাঞ্চ, পুলক, স্বেদ ঃ
সি যে মাথোঁ স্থূল পৰশন।
তেও তাৰ আঁৰে আঁৰে জৰাজয়ী অমৃত যিকণ
সি যে এই মন।
পঞ্চেন্দ্ৰিয় প্ৰদীপেৰে দেহৰ আৰতি কৰি
তাকেই পৰম বুলি নাভাবিম মই।
আশ্লেষৰ ক্লান্তি দূৰ কৰি
শঙ্খৰ নিচিনা বগা দুয়ো স্তন, লৱণু দেহৰ
ভাঁজে ভাঁজে প্ৰেমময় মনে যেন গীত হৈ বয়,
গীতে যেন পাটৰ মেখেলা হৈ নিতম্ব আৱৰে,
আৰু তাৰ পাতলিত
টুঙ্ টাঙ্ সুৰ হয় কাৰ্শলাবন।
মই ভাল পাওঁ এই গীতময় দেহোত্তৰ মন।

সৌন্দৰ্যৰ জোখ যদি নাক, মুখ, চেলাউৰি,
তুমি তো ক্ষণিকা,
শোটোৰা শোটোৰ হ'ব দুদিনতে তোমাৰ শ্ৰীমুখ,
চূৰ্ণ হ'ব এই অহমিকা।
সেয়ে দেহৰ পাৰ ভাঙি দি এই দেহোত্তীৰ্ণ মনে
বক্ষৰ বৈকুণ্ঠ ভেদি গীত হৈ বোৱতী হওক।
গীতল মেখেলা হৈ
শঙ্খৰ নিচিনা বগা কৰঙন আৱৰি দিয়ক।
সৰ্বাঙ্গ সাবটি ধৰি মৰমৰ গান- গোৱা-
—স্নিগ্ধ, শুভ্ৰ মন,
—দেহৰ টবত ফুলা ৰজনীগন্ধাৰ থোক—
সেয়ে মোৰ অতিকে' আপোন।

**অমলেন্দু গুহ**

১৬৪

# ৰাৱণ

(অংশে)

বিশাল স্বপ্নৰ মোৰ পৰিধি বিচাৰি যদি
তোমাৰ সি ভীৰু প্ৰেমে বাট হেৰুৱায়,
স্বৰ্গক সংযোগ কৰা মোৰ অতিসত্তা যদি
নোৱাৰে ধৰিব বেৰি কোমল তোমাৰ দুটি হাতে
কল্পনাই আঁকোলি নাপায়—
তোমাৰ কাৰণে মোৰ কামৰূপী প্ৰেমে দীনতম
কীটাণুৰ ল'ব পাৰে
মহত্তম ৰূপ,
তোমাৰ কাৰণে মই সুমহৎ দেৱতাৰ হীনতম
ৰূপ ল'ব পাৰোঁ।

কোৱাঁ, যদি গন্ধৰ্বৰ কোমল-গান্ধাৰে
তোমাৰ ধ্যানত তোলে ৰিঙা এটি সুৰ,
জিলিৰ জোঁকাৰে যদি নিঃসঙ্গতা চুৰ কৰি
তোমাৰ মুখৰ বুকু নিমিষৰ বাবে কৰে
স্বপ্নৰে নীৰৱ
তুচ্ছ গন্ধৰ্বৰ দৰে মেধাৰ সাধনা এৰি
তুলিম কণ্ঠত মোৰ
নীৰৱতা সৃষ্টি কৰা প্ৰেম-মিঠা-বোবা এটি সুৰ,
চাই ৰ'ম মুখলৈ বাণীহীন বিস্ময়ত,
তুমি ধীৰে মুখ তুলি চাবা
দেখা পাম চন্দ্ৰোদয়,
উদ্ভাসি উঠিব য'ত
মনৰ পথাৰ আৰু পাহাৰৰ শান্তি অনাবিল।

অন্তৰৰ যত সত্য,
যত বাণী,
'আত্মাৰ যিমান আকুলতা শান্ত হই শুই ৰব কণ্ঠৰ প্ৰান্তত
প্ৰকাশে জ্বলোচা তাৰ আকাশৰ পৰিধি কমায়।

পশু হ'ম, কীট হ'ম, হ'ম বিদুষক
লাগিলে দেৱতা হ'ম, সুচতুৰ ক্লীৱতাৰে
লালসাৰ উৰ্ণা লই এখনি চীনাংশু ৰচি
প্ৰেম বুলি তোমাক যাচিম;
পশু হ'ম, কীট হ'ম, কবি হ'ম, দেৱতাৰ উৰ্ণনাভ ৰূপ লম

কেৱল নোৱাৰোঁ হ'ব
কেৱল নোৱাৰোঁ মই
নোৱোৰোঁ মানুহ হ'ব,
নোৱাৰোঁ মানুহ হৈ প্ৰেমেৰে সজাব যাদুঘৰ।
পশুত্বক নিয়মৰ শিকলি পিন্ধাই
নোৱাৰোঁ কৰিব তাক স্বপ্নৰ ৰখীয়া এটি টেকুৰা কুকুৰ।

আত্মাৰ নগ্নতা এই গছ লতা পতংগৰ
শ্লীলতা জ্ঞানৰে মই নকৰো অশ্লীল,
মানুহ নহওঁ, মই ঈশ্বৰৰ প্ৰতিযোগী।
স্বৰ্গৰ সোপান গঢ়োঁ, স্বৰ্গৰ কামনা মোৰ নাই।
স্বৰ্গৰ সোপান গঢ়ি ঈশ্বৰক আনিম নমাই।
পবিত্ৰ নগ্নতা চাম সুন্দৰৰ, মংগলৰ, ঐশ্বৰ্যৰ, শিল্পৰ, মেধাৰ।

তাৰ বাবে লাগে মোক কেৱল এমুঠি প্ৰেম,
তাৰ বাবে লাগে মোক তোমাৰ অকণি প্ৰেম
দাবী নাই ভাৰ নাই যাৰ আছে দায়।
এটোপাল চকুপানী প্ৰাণৰ তৃষ্ণাৰ্ত দায়িত্বৰ
লাগে মোক মস্তিষ্কৰ উৰণীয়া স্বপ্নবীজ সঞ্জীৱিত
কৰিবৰ বাবে।

মাথোঁ লোভ? মাথোঁ তৃষ্ণা? মাথোঁ এয়া
আত্ম—কণ্ডুয়ন?
নিজক বিচাৰোঁ মই তোমাৰ মাজত,
সেয়া লোভ, সেয়া তৃষ্ণা, সেয়া মাথোঁ

আত্ম-কণ্ডুয়ন?
নিজৰ মাজৰ পৰা আঁতৰি বিচাৰোঁ মই নিজকেই
তোমাৰ মাজত-
সেয়া লোভ, সেয়া তৃষ্ণা, সেয়া মাথোঁ আত্ম-কণ্ডুয়ন?
নিজৰ মাজৰ পৰা আঁতৰি বিচাৰোঁ মই তোমাকেই
মোৰ হৃদয়ত— সেয়া লোভ? সেয়া তৃষ্ণা,
সেয়া মাথোঁ আত্ম-কণ্ডুয়ন?

এয়া ভিক্ষা, সেইবাবে এয়া মোৰ দান।
তোমাকে বিচাৰো মই আছে বাবে মনৰ খবৰ
দিব খোজোঁ মোক মই আছে বাবে মনৰ খবৰ।

চাতুৰীৰে নিবিচাৰোঁ অহল্যাৰ প্ৰেম
নীতিৰ জালেৰে মই আলফুল কিশোৰীৰ
মন-মাছ নকৰো চিকাৰ
পৌৰুষো প্ৰেমৰ বাবে যথেষ্ট নহয়।

দেৱতা নহওঁ মই শিল্পেৰে জিনিব খোজা নাই
মানুহ নহওঁ মই সহজতে লৈ থম প্ৰেমৰ দুৰ্বহ বোজা
নিৰংকুশ মহা মূঢ়তাত,
দানৱ নহওঁ মই শক্তিৰে নকৰোঁ বশ ভ্ৰান্ত কোনো নাৰীৰ হৃদয়।

মই যে ৰাৱণ, মোৰ ব্ৰাহ্মণ অতীত প্ৰজ্ঞা
মই যে ৰাৱণ, মোৰ ক্ষত্ৰিয় অতীত শৌৰ্য
মই যে ৰাৱণ; মোৰ দেৱতা অতীত শিল্প
মই যে ৰাৱণ, মই জীৱন-বীৰ্যৰ প্ৰতিনিধি
মই যে ৰাৱণ, মই শিল্প শৌৰ্য সভ্যতাৰো সিপাৰৰ ৰাষ্ট্ৰদূত

মই প্ৰেম ভিক্ষা কৰোঁ
ভিক্ষা মোৰ সৰ্বশ্ৰেষ্ঠ দান।

নৱকান্ত বৰুৱা

১৬৫

# আঘোণৰ কুঁৱলি

আঘোণৰ কুঁৱলিয়ে বাট ভেটি কৰিছে আমনি
একোকে নমনি।

কুঁৱলি নথকাহ'লে দেখিলোহেঁতেন বা
পতা সোণ বৰণীয়া ধানৰ আঁচল
দেখিলোহেঁতেন বা লিহিৰি লিহিৰি ঢেৰ
আঙুলিৰে মুঠি মৰা
কেছ-কেছ চিকমিক খৰ কাচিবোৰ
দেখিলোহেঁতেন বা খোপা-বন্ধা মূৰবোৰ
ওপৰলে' তুলিবৰে সময় নোপোৱা
দেখিলোহেঁতেন বা পতা সোণ পথাৰত
লঘু পৰিহাসময়
হাঁহিবোৰ তেল-হালধীয়া

অলপ দূৰৰপৰা নোচোৱাৰ ভাও ধৰি
চাবওতো পাৰিলোহেঁতেন
এইজাক দাৱনীৰ মাজতে আছিল নেকি
সেউতীও মোৰ

আঘোণৰ কুঁৱলিয়ে বাট ভেটি কৰিছে আমনি
একোকে নমনি

তথাপিও নোৱাৰিনে গম ল'ব বাৰু
এমোকোৰা তামোলৰ পিক ৰঙা ওঁঠে ওঁঠে
সোতৰ বছৰ হোৱা মোক-তোল আঘোণৰ
ডালিমী দাঁতত

ডাঙৰি বন্ধাৰ লগ বিচাৰি বিৰিঙা
তেল আৰু হালধিৰ
যাঃ বুলি ঠেলা মৰা খিল খিল হাঁহি

আঘোণৰ কুঁৱলিয়ে কৰিছে আমনি
আঘোণৰ পথাৰত দাৱনীৰ কাম আছে
মুঠি-মুঠি কাচি-কাচি ডাঙৰি-ডাঙৰি
কাম আছে·
আঘোণৰ পথাৰত কাম আৰু কাম
আঘোণৰ আকাশেদি কোনোবা বিললে'
মন কাঢ়ি বনহাঁহ জাকি মাৰি গ'ল
আঘোণৰ আকাশতো উৰুলিৰ ৰাগি আছে
ৰাগি আছে
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি
আঘোণৰ বাটটোহে কুঁৱলিৰে ঢকা
মন-হাঁহ খেদি খেদি বন শেষ হ'ল
আঘোণৰ কুঁৱলিয়ে বাট ভেটি ল'লে

(বৌদেউ, আপুনি যে কৈছিলে সেউতীৰ কথা
মোৰ কথা সেউতীক কৈছিলে জানো)

আঘোণৰ কুঁৱলিত ধাননি লুকালে
আঘোণৰ কুঁৱলিয়ে দাৱনী ঢাকিলে
আঘোণৰ কুঁৱলিতে সেউতী হেৰালে

ডাঙৰি বান্ধিম বুলি তৰাজৰী তোলাতে থাকিল

কেশৱ মহন্ত

১৬৬

# উভতি অহাৰ কথা

আমি ওভতোঁ ব'লা,

উভতিল পোহাৰিৰ দল কাষত সামৰি লৈ
মূৰৰ পোহাৰ,
উভতিল গৰখীয়া গৰুজাক লৈ।
দলে দলে আকাশৰ বুকু
মুখৰিত নিনাদিত ওভতনি গান,
ডাউকী বগলী কত শগুণ শৰালি,
কল্লোলিত হংসবলাকা
ডেউকাত চকামকা সন্ধিয়াৰ শান্তিৰ ধোঁৱা।

দুচকুত জিলমিল পলৰীয়া স্মৃতি
চননিৰ, ধাননিৰ,
হাড় মূৰ মৰিশালি, হাবি বননিৰ;
সিহঁতৰ ডেউকাত নেমাতে তৰাই আৰু চকু টিপিয়াই।

আকৌ আহিব যাত্ৰা নতুন দলৰ;
এইদৰে উভতিব বাৰে বাৰে ঘৰমুৱা হৈ
পুখুৰীৰ কেঁচা দল-ঘাঁহৰে আগুৰা
শৰালিযুৰিৰ সেই শান্তিৰ বাহলৈ।

শৰালিৰ নীড় যেন তোমাৰ এযুৰি চকু
দল-ঘাঁহ এড়ালিৰ স্নিগ্ধতাৰে ধোৱাঁ
উদভ্ৰান্ত মনক মোৰ টানে তাৰ
অদৃষ্ট আহ্বানে ;
ক্লান্ত দুটি ডেউকাত এড়ালৰ এনাজৰী বান্ধ।
এইবাৰ উভতিলোঁ মই;
উভতিছোঁ যুগে যুগে ঘৰমুৱা হৈ
আমি যত তীৰ্থযাত্ৰী, চিৰকাল,
মইনামতী, তোমাৰ প্ৰেমৰ।

মহিম বৰা

১৬৭

# হৈমন্তী

মোৰ পিৰালিত সেয়া এটি দুটি গধূলি-গোপাল
চকু টিপিয়াই কিনো কথা পাতে তৰাৰ লগত; এটি দুটি জোনাকীৰ
নিভৃত সময় এয়া, এন্ধাৰ গভীৰ কৰা প্ৰাণৰ জ্যোতিৰ অপচয়;
আমন-জিমনকৈ বহি থকা শিশু এটি, আৰু তাৰ ধূসৰ হৃদয়—
মোৰ পিৰালিত আমি কেউটিয়ে, গধূলি গোপাল তৰা জোনাকীয়ে
একোকে নেপাতি কথা বহি থাকো বাট চাই পদূলি মুখলে'।

এয়েতো সময়, নিজকে গভীৰভাৱে নীৰলে পোৱাৰ,
নিজকে চোৱাৰ। অচিন গাৱঁৰ বাট ধূলিৰে ধূসৰ হ'ল
ঘৰমুৱা পথিকৰ উধাতু খোজত; ডেউকাত সানি লৈ সোণালী
ৰ'দৰ ৰেখা

এজাক বগলী উৰি গ'ল— করুণ ছায়াৰে তাৰ গাঁও-ভূঁই-পথাৰৰ
নিজম বুকুত ৰাখি উভতি অহাৰ অংগীকাৰ।

মোৰ পদূলিৰ সেয়া এজুপি বকুল, তাৰো সৰে চকুপানী,
প্ৰাণৰ সঞ্চয় সৰে, গানৰ পাপৰি সৰে, এটি দুটি পকাপাত সৰে,
এয়েতো সময় তাৰ নিজকেই নিঃস্ব কৰাৰ। প্ৰাণৰ নতুন অংগীকাৰ
মৰণৰ দেউলত ৰচা হয়। মোৰ পিৰালিত বহি কথা পাতো আমি।
এটি দুটি বুঢ়া-মেথা আহে। ধপাত চিলিম জ্বলে মুখে মুখে।
আমন-জিমনকৈ বহি থকা শিশুটিও আহে কাষ চাপি,
কোলাত মূৰটো গুঁজি ৰ লাগি শুনি থাকে আচহুৱা কথা
মাহৰ বতৰ কাৰ অবাবতে গ'ল, ধানৰ পথাৰ কাৰ চন পৰি ৰ'ল।

মোৰ পিৰালিত সেয়া এটি দুটি গধূলি-গোপাল
এতিয়া নীৰৱ হ'ল। আকাশৰ শেঁতা মুখ পানীৰে সেমেকা।
কোলাৰ কেঁচুৱাটি চক খালে সাৰ পাই নওলা খোলাৰ শবদত।
অৱশ খোজেৰে সেয়া ঘৰলৈ ঘূৰিল বোৱাৰী।
অ' হৰি এতিয়াহে হ'লনে সময়। বুঢ়াজনে মাত দিলে।
একোকে নকৈ তেওঁ খন্তেক সময় থিয় হ'ল—
সন্ধ্যাৰ হাঁহিৰ দৰে মুখ যাৰ, আঁচলৰ ভাঁজে ভাঁজে
ঘাঁহপাত, ধানখেৰ, মদিৰ সুৰভি ধাননিৰ;
নিয়ৰ-সেমেকা চুলি; গভীৰ চকুত কঁপেনেকি
অন্য এক আকাশৰ বিশাল গভীৰ নিমন্ত্ৰণ?
ভিতৰ সোমাই তেওঁ চাকিটি জ্বলালে। এতিয়া সময় হ'ব
দুয়োজনে মুখামুখি নীৰলে বহাৰ—
সৌ দূৰ পথাৰত কি আছিল, কি পালে সকলোটি বাতৰি লোৱাৰ।

হোমেন বৰগোহাঞি

১৬৮

# বিষাদ

তোমাৰ স্মৃতিয়ে আনে বসন্তৰ উজ্জ্বল সন্ধ্যাতো
কোনো এক হেমন্তৰ পৰিচিত স্নিগ্ধ অন্ধকাৰ,
গধূলি-ধূসৰ ৰিক্ত প্ৰান্তৰৰ আৰ্দ্ৰ কৰুণতা,
বহুদূৰ দিগন্তত স্বৰ্ণৰেখা হংসবলাকাৰ।

হৃদয়ে জানিছে মোৰ কি অতল স্তব্ধ গভীৰতা
স্পৰ্শ কৰি তোমাৰ সুন্দৰ দেহ; সেয়ে অকস্মাৎ
ধীৰে ধীৰে জাগি উঠে হেমন্তৰ বিষণ্ণ প্ৰভাত,
কুঁৱলিৰ ফাকে ফাকে গাঢ় হয় চিৰ নিৰ্জনতা।

কুঁৱলিৰ ফাকে ফাকে জোন উঠে; অস্পষ্ট ধূসৰ
নদীৰ বুকুত ম্লান জ্যোৎস্নাৰ বিষণ্ণ বিস্তাৰ,
হৃদয় মথিত কৰা নীৰৱতা; তোমাৰ মুখৰ
ক্ৰমশ দূৰান্ত-লীন নিভৃত প্ৰলাপ— শুভ্ৰতাৰ।

অথচ কি উজ্জ্বল তুমি, স্বৰ্ণ-পাত্ৰ তপ্ত মদিৰাৰ;
তোমাৰ স্মৃতিয়ে আনে হিম, শান্তি, আৰ্দ্ৰ ধূসৰতা,
তৰাৰ ধূলিৰে কীৰ্ণ সুদূৰ পথৰ নিৰ্জনতা;
অথচ কি মুখৰতা বসন্তৰ, মুখত তোমাৰ।

হোমেন বৰগোহাঞি

১৬৯

# সংজ্ঞা ঃ প্ৰেমৰ

কিজানি তেতিয়াই সোমাই পৰেহি বিশাল নীলা আকাশখন ফুলৰ পাহিটোত। খহি পৰে অন্ধকাৰ ভৰিৰ তলুৱালৈ। গৰ্ভলৈ গৰ্বেৰে যায় বিদ্যুৎ। ছাই হয় জঙ্ঘা-স্তন শৰীৰৰ সৰু খেৰী ঘৰ।

নিৰ্মলপ্ৰভা বৰদলৈ

১৭০

# মৈথুন সঙ্গীত

অৰণ্যত, অৰণ্যৰ ভিতৰত
সাৰেং চৰাইৰ মাত

মেলি দিয়া দুটি বাহু
মাৰ যক থুপিতৰা বাহ
তোমাৰ চুলিৰ গোন্ধত

পদুমণি পুখুৰীত মন্দ্ৰিত বতাহ
দেহত, তোমাৰ দেহৰ ভিতৰত
উদ্যত এপাহ ৰঙা ফুল

থোৰ মেলা তাল পাতটোত
ধাৰাসাৰ বৰষুণ জাক
তোমাৰ স্তনৰ ৰক্ত তোমাৰ ওঁঠত

এতিয়া তোমাৰ দিঠক
আন্ধাৰৰ আৰক্তিম মুখ
পাহাৰত মেঘৰ গৰ্জন

নীলমণি ফুকন

১৭১

# অৰুণিমা সভাপণ্ডিতৰ

অৰুণিমা সভাপণ্ডিতৰ শোৱনি-কোঠাত
কোণাৰ্কৰ অপ্সৰাৰ পাষাণ মূৰ্তিত
এতিয়াও মত্ত হয় পলৰীয়া সূৰ্যৰ পোহৰ।

বিবসনা অপ্সৰাৰ কঁকালৰ অনেক তলত
জালিকটা কৰধনি! সেয়া কি ভূষণ?
যাৰ দেহ এক জ্বলন্ত প্ৰেম
যি প্ৰেম এক গলন্ত সূৰ্য
যি সূৰ্য নামি আহিছিল পাষাণৰ পেশীয়ে

অৰুণিমা সভাপণ্ডিতৰ কঁকালৰ অনেক তলত
ৰূপালী চিফন! সেয়া কি বসন?
যাৰ দেহৰ বননি জুৰি শাৰ্দুলাৰ লীলাগতি
নাভিৰ আকাশ জুৰি অৰুণ উদয়?

সেয়া কি অৰুণ যি উপজিয়ে বুঢ়া হয়
যি অস্ত যায়, তাইৰ মঙহৰ পেশীয়ে পেশীয়ে?
ৰাতিৰ আকাশখন কাতি হৈ শুই পৰে
অৰুণিমা সভাপণ্ডিতৰ ঘৰৰ ছালত
জোনাকী পৰুৱা হৈ তৰাবোৰ উৰি ফুৰে
অৰুণিমা সভাপণ্ডিতৰ পদূলি মুখত।

নঙলা সৰকি আহি অনেক প্ৰশ্নই
জখলা বগায় তাইৰ শোৱনি-কোঁঠাৰ
প্ৰেম যত এছাটি আন্ধাৰ হৈ
পলকতে সুৰুযৰ শলিতা নুমায়।

প্ৰেম নেকি ঘৰৰ ছালত নমা
পাৰস্যৰ ঘোঁৰাৰ চোৱাৰী?

প্ৰেম নেকি উজাগৰ নিশাৰ জুৰাৰী?
প্ৰেম নেকি পণ্ডিতৰ মনীষাৰ জুলি
প্ৰেম নেকি নয়ানজুলিৰ মেটেকাৰ কলি?

দাম নাই বিফল তৰ্কৰ
দাম নাই মুণ্ডিত মূল্যৰ।

দাম আছে পাষাণৰ অপ্সৰাৰ ভ্ৰূৰ বিলাসৰ
দাম নাই অৰুণিমা সভাপণ্ডিতৰ মুণ্ডিত ভ্ৰূৰৰ।

জীৱনৰ স্তৰে স্তৰে অসিৰ ঝনতকাৰ
মুহুৰ্মুহুঃ মূল্যৰ মুণ্ডন, ছেদন অথবা হনন্
হয়তোবা হ'ব পাৰে বাস্তুহাৰা মূল্যৰ পতন!
সূৰ্যৰ ঔৰসে তাত হয়তোবা জন্ম দিব
উপজিয়ে বুঢ়া হোৱা দুটামান ক্লীব সপোন।

সেয়ে কি আছিল স্বপ্ন অৰুণিমা সভাপণ্ডিতৰ!
আৰু কি নাছিল স্বপ্ন অৰুণিমা সভাপণ্ডিতৰ?

প্ৰবীণা শইকীয়া

১৭২

# তোমাৰ ফাগুনে মোৰ বহাগক.....


সোৱাদ সুগন্ধি তোমাৰ ফাগুনে
নিশাহৰ উমে আলোড়িত তাপে
ওঁঠ আঙুলিৰ মহা বৈভৱে
সিক্ত সজল বিদেহে দেহে
মনৰ কুঁৱলি
দেহৰ শীত
দূৰ-দূৰণিলে উৰুৱাই নিয়ে......

মহুৱা ৰহণে মৌসনা মাতে
দেহেৰে দেহত মৃদুল পৰশে
নিটোল বুকুত হাঁহিৰ দোলনে
গলাই পমাই পুহৰ ক্লেশ
গীত-উৰুলিৰে সাবটি ধৰে......

তোমাৰ ফাগুনে মোৰ বহাগক
নিচেই কাষলে চপাই আনে।

কবীন ফুকন

## অনিৰ্বচনীয় অভিজ্ঞতা



আৰু সংক্ষেপে
সেই নীৰৱ গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰ পৰা গুণগুণকৈ ধোঁৱা
উৰিছিল।

অজিত বৰুৱা

১৭৩

# মন-কুঁৱলী সময়

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলী গলি ভাঁহে
এই যেন অতীত জীৱন
(এবছৰ বয়সীয়া)
পুনৰ যাপন
কৰি উঠিলো। কাৰণ—
যোৱা বছৰ এনে পুৱা
উঠিছিলোঁ নতুন হামিয়াই,
থকা-নথকা এক পলকৰ দলওত
সময় বন্ধ হৈ যায় ৷ (২).......

এদিনাখন এটা ঢেকুৰা কুকুৰে মুখত মওহ লৈ
বুকুত খামোচ মাৰি ধৰি আছিল কামৰূপৰ মেপ নিনিয়া ভয়
আৰু সংক্ষেপে
সেই নীৰব গধূলি পথাৰৰ মাজত অকলে থিয় হোঁৱা
চাৰিওফালে পথাৰ পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰপৰা গুণগুণকৈ ধোঁৱা
উৰিছিল।

অজিৎ বৰুৱা

১৭৪

# পাঠকলৈ বিদায় সম্ভাষণ

মই লেখি যাব লাগিব
যোৱাৰ আগেয়ে
কিছুমান কথা অন্য কিছুমান কথাৰে
কিছুমান কথা
অন্য কিছুমান কথা কোৱাৰ ছলেদি
লেখি যাব লাগিব
হৃদয় কঠিন হোৱাৰ আগে
পাহৰণি শেলুৱৈ মনত পৰাৰ আগে
লেখি যাব লাগিব
যোৱাৰ আগেয়ে। কাৰণ
ব্ৰহ্মপুত্ৰ নদী য'ত আকাশত পৰিছে
ধৱল বৰণ হৈ, মেঘৰ গাজনি হৈ
ধুমুহাৰ পাছৰ স্তব্ধতা হৈ
মহা পশ্চিমত এটা কাউৰীৰ জাক য'ত উৰি উৰি স্থিৰ
তাত মই মোৰ আহ্বায়কক দেখিছোঁ।

মোৰ প্ৰস্তুতি নাই। মই
কামৰূপৰ মেপ অনা নাই
কৈফিয়ৎ তলব কৰিলে মোৰ জবানবন্দী নাই
(দ্বৈপায়ন হ্ৰদৰ মাজত, দুৰ্বল ক্ষণত
চাৎমাৰে ঃ কিয় মই ধৰ্ম জানিধৰ্ম নাচৰিলোঁ!)
মৰাৰ আগেয়ে লেখি যাব খুজিছিলোঁ
সত্যৰ প্ৰতি মোৰ নিস্পৃহাৰ কথা
(পূৰ্ণ সত্য একমাত্ৰ পূৰ্ণতাত জ্ঞাত)

অজিৎ বৰুৱা

১৭৫

# নিলগলৈ

ৰিং মাৰি পঠিয়ালোঁ পথাৰখনৰ ওপৰেদি
নিলগলৈ
চকুৰে ঢুকি নোপোৱা দিগন্তৰ সিপাৰলৈ
উভতি নাহিল কোনো প্ৰতিধ্বনিৰ সঁহাৰি

কাঠৰ খোলনিৰে সজা ম'হৰ ডিঙিৰ টিলিঙা
উৰুঙা শব্দবিলাক যাৰ
ওপঙি উঠিছে
নিস্তব্ধ গধূলি পথাৰখনৰ এই স্থিৰ শূন্যতাত
যেন কোন কাহানিবাৰে এটা পুৰণি হাত বাউল
কঁপি কঁপি নাচি
দলঘাঁহ নৰা পিতনিৰ ওপৰেদি
বিয়পি পৰিছে আকাশৰপৰা আকাশলৈ
পাছ ল'বৰ মন যায় সেই সৰু সুহুৰিটোৰ
কুঁৱলীডৰাৰ সিপাৰৰপৰা সিটোৱে চিঁ চিঁ কৈ
মাতি আছে মোক গোটেই দিনটো
নিলগলৈ

মহেন্দ্ৰ বৰা

১৭৬

# ৰূপৰ টিলিঙাৰ মাত

সাঁকোখনেদি সিহঁত যেতিয়া পাৰ হৈ আহিছিল
দূৰণিৰ কোনোবা পাহাৰ টিঙৰপৰা
মোৰ কাণত পৰিছিল
জিলমিলকৈ
চিলমিলকৈ
এজাক ৰূপৰ টিলিঙাৰ মাত
লাহে লাহে উপচি পৰিছিল
দিগন্তৰ পৰা দিগন্তলৈ মেলি থৈ দিয়া
চিৰিলি চিৰিলি সৰল গছৰ নামনিডৰাত
এতিয়াও সিহঁত আহিব খোজে ঠিক তেতিয়াৰ দৰে
সুহুৰি বজাই সোধে সিপাৰৰ পৰা
কোনপিনেৰে
কেনেকৈ
মাজত দেখোন সাঁকোখন নাই
বুকুত খামোচ অজান বিষাদৰ
হান মাৰি দিয়ে চিনাকি সুহুৰিবোৰে
থৰ হৈ থকা সৰল গছৰ
জোঙা একো ডাল যাঠিৰ লেখীয়াকৈ
ঠিকেই বুজিছো মই ভুলতো সিহঁত দুনাই নাহে
চকুত ভাহিছে ছলছলীয়াকৈ
সৌটো পুহৰ শেষৰ জধলা জোন
সানি থোৱা আছে গোটেই মুখতে তাৰ
পাহাৰৰ সিপাৰৰ কেঁচা কবৰৰ সেমেকা মাটি
শুনিলোহেঁতেন যদি কেনেবাকৈ আকৌ এবাৰ
জিলমিলকৈ
চিলমিলকৈ
এজাক ৰূপৰ টিলিঙাৰ মাত

মহেন্দ্ৰ বৰা

১৭৭

# কবিৰ সভাত

দিখৌ নে ভোগদৈ নজনাকৈ পাৰ হৈ আহি নৈ,
পলসুৱা মাটিত
বালিহাঁহ এজাক বৈ আছেহি ; মাতত সিহঁতৰ সূৰ্যাস্তৰ হাট,
উজান-নাৱৰ পালত বুৰ দিলে বেলি, এনেকুৱা এটা
গোমা আবেলি
আমি দূৰত বহি খেলি আছো সাঁথৰ ভঙাৰ খেল, দৈববিপাক
বুকুৰ শেল টানি আনি লেখিছো কবিতা ঃ বালিহাঁহজাক
উৰি যাব, উৰি যাব পলসুৱা মাটিত এৰি থৈ কোমল ছাঁ,
কবিৰ সমৰ্পিত জীৱন হাহাকাৰ কৰি তোলা শূন্যতা।

হীৰেন ভট্টাচাৰ্য

১৭৮

# জোনাকী মন

মুগ্ধ ৰাতিৰ দিলৰুবাত কাৰ জোনাকী হাত।
ৰুদ্ধশ্বাস অন্ধকাৰত অনুভৱ কৰিলো অকস্মাৎ
বৰ্ষণ-জাগ্ৰত বকুলৰ নিৰ্ভাৰ নিৰ্যাস।।

নাও মোৰ নিজাত ঘাটত,
হৃদয় শলিতা জ্বলে অপেক্ষাৰ অন্ধকাৰত।

মৰুময় প্ৰকাণ্ড আকাশখনত হঠাৎ মেঘৰ তুমুল কাণ্ড
ইফালে মেঘ, সিফালে বিদ্যুৎ তৰংগ।
ইয়াৰে মাজত কোন কবিৰ সতে দুদণ্ড বহি
চেতনাৰ ৰুদ্ৰাক্ষ মণিত অভিজ্ঞ আঙুলি থৈ আকাশলৈ চালোঃ
ৰুগ্ন বুকুত মোৰ মত্ত প্ৰকৃতিৰ অলক্ষ্য শিল্প।

হীৰেন ভট্টাচাৰ্য

১৭৯

# নীলা চিঠি

হালধীয়া সৰিয়হ ফুল ডৰাত
আকাশখন উবুৰি খাই পৰিছে।
মোৰ এনে লাগিছে
পাটমাদৈ চৰাইটোৰ ঠোঁটত
এখন নীলা চিঠি।
উৰি যাব নোৱৰাকৈ
থকা।

**নিৰ্মলপ্ৰভা বৰদলৈ**

১৮০

# দৃশ্য

এটা পুৰণা পুখুৰী পানীৰ ওপৰত
ইলেকট্ৰিক লাইটৰ পোহৰ

নিমাওমাও পৃথিৱী, পানীৰ তলত
ভগ্ন কণ্ঠস্বৰ

নিথৰ গছৰ পাত, পানীৰ ওপৰত
কম্পিত নিস্বন,
নিচুক বীণাৰ তাঁৰত
বাঁকৰ নখৰ আঘাত

পাৰৰ ঘাঁহনিত হঠাৎ মৃদু কম্পন, হঠাৎ
মোৰ ভৰিৰ আঙুলিত এটা শীতল স্পৰ্শ
এটা সাপ
এটা পুৰণা পুখুৰী, পানীৰ ওপৰত
বতাহৰ আস্ফালন

নীলমণি ফুকন

১৮১

# ওলমি থকা গোলাপী জামুৰ লগ্ন

কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হাতৰ এটা মুদ্রা

হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলাপী জামুৰ লগ্ন

জুই জ্বলি থকা নগৰৰ ওপৰত উৰি ফুৰা
এটা সামুদ্রিক চৰাই

ক্রমশঃ মৰি অহা এটা আঙুলি
বৰফ হৈ অহা এটা জুৰি

অন্তৰৰো অন্তৰ খহাই বৈ যোৱা তপত লাভাৰ
আন্ধাৰ পাগলাদিয়া

ডিঙিলৈকে সাগৰত ডুবি গৈ থকা
দীঘল এটা গান

হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলাপী জামুৰ লগ্ন

বতাহৰ শূন্যতাৰ গভীৰত
নিশাৰ উন্মুক্ত বাঁহী

কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হে প্রাচীন শীতলতা

নীলমণি ফুকন

১৮২

# দুপৰৰ হাঁহ

এটা কাউৰীৰ শুকান মাত—
শুকান শূন্যতা কঁপে, মৰমৰ

কঠিন আকাশৰ শূন্যতাত
নীলা ইস্পাতৰ শিহৰণ

মাজে মাজে
ৰাস্তাত ৰিক্সা আৰু গাড়ীৰ শব্দ

অসংলগ্ন শব্দবোৰৰ তলেদি দুপৰীয়া চলিছে
ধ্যানৰ অবৰ্ণ স্তব্ধতাত

অফিচটোত মানুহ এজনে কাগজ কিছুমানত চহী কৰিছে

ক'ৰবাত এটা  গোঁ গোঁ শব্দ, শুকান —

পুখুৰীটোত দুটা হাঁহ ভাহি গৈছে
দুপৰীয়া ভাহি গৈছে
মাইল মাইল জুৰি নিথৰতাত ।

ভবেন বৰুৱা

১৮৩

# নীৰৱতা

বালিবোৰৰ ঢৌৱে ঢৌৱে নীৰৱতা

নাৰিকল গছৰ পাতবোৰৰ মাজেৰে নমা
জোনৰ পোহৰৰ আঁকবাঁকবোৰ
গোটেই নিশা কঁপি ৰয়।

হঠাতে এটা জোপোহাৰপৰা
এজাক বতাহ ওলাই যায়,

উচ্ছল নদীৰ পানীয়ে গড়াৰ শব্দ তোলে,

আৰু দূৰত— ক'ৰবাত—
দলঙৰ ওপৰেদি' ৰেল যোৱাৰ শব্দ।

তুমি আহা
তোমাৰ মুখত এই শব্দবোৰৰ নীৰৱতা

নাৰিকল গছৰ পাতবোৰ
বতাহত গোটেই নিশা কঁপি ৰয়

ভবেন বৰুৱা

১৮৪

# ভঙা টোপনিৰ স্বৰ

দুপৰীয়া নে দুপৰ ৰাতি
নৈখনৰ সিপাৰত
কোনে যেন কাক চিঞৰিলে
ন-ৰে-শ্ব-ৰ।

ক'ত কেতিয়া যে হঠাতেই বাজে
ভঙা টোপনিৰ স্বৰ!

ভবেন বৰুৱা

১৮৫

# নাজিয়া হাচান

সোণ-তৃৰা জাংফাই
গলি থকা সময়ত
গা-মূৰ আন্ধাৰেৰে
ভালকৈ ঢাকি লৈ
অকলে যেতিয়া মই
তনুমন কিবা-কৰা
উশাহ-নিশাহবোৰ
চুটি চুটি হৈ যোৱা
তেজবোৰ লৰি গৈ
কলিজা উতলা কৰা
তুমি গোৱা গানবোৰ
শুনি থাকো তন্ময় হৈ
গাভৰু ৰাগিনীজাক
আহি মোক গালে-মুখে
চুমা খাই চিকুটি-বাকুটি
মোহনীয়া আমনিৰে
উৎপাত কৰি কৰি
বুকুখন বিষোৱাই
হাইৰাণ কৰি দিয়ে।
মোৰ খুব ভোক লাগে
নাড়ী আৰু ভুকবোৰে
চিএৰ-বাখৰ কৰে
তেজবোৰ বক্ বক্ কৰি
হৈ যায় লেলাউটি নৈ।
দেহ-মন জকি উঠা
আকলুৱা খৃক লৈ
ৰম্-ৰমা সোৱাদৰ
মিঠা মিঠা কথা
আৰু কঁপা কঁপা সুৰবোৰ
তোমাৰ গানৰ
কামুৰি কামুৰি আৰু
চোবাই চোবাই খাই
মন যায় মৰিবলে
মুখ থৈ তোমাৰে মুখত

জ্ঞানানন্দ শৰ্মা পাঠক

১৮৬

# কেতিয়াবা হৃদয়ত

কেতিয়াবা হৃদয়ত
জুৰ মলয়াত হালে-জালে চন্দন গছৰ ডাল

চোঁ মাৰি দেহাত পৰেহি
ফুলৰ চৰাইবোৰ

চকুৰ আঁৰৰ সোণৰ সোলেঙবোৰৰ গোন্ধ টানি
আবেগৰ গধূলি গোপাল ফুল

অনুভূতিৰ ফেৰেঙনিত জোনৰ দৰে
সুখ-দুখৰ অমিয়া মাত।

তৰুণ বৰুৱা

১৮৭

# অন্তৰংগ অনুভৱ

যিবোৰ কথা কাণৰ কাষতহে
গুণগুণাই ক'ব পাৰি
সেইবোৰকে ৰজন্‌জনাই কৈ
কিয় যে উৰে কেতেকীজনী
তাইৰ বুকু উদঙোৱা কথাত
দ্বিতীয়ৰ জোনে ওঁঠ কামুৰি হাঁহে
শিথিল হাতেৰে ৰাতিয়ে টানি লয়
নীলা আন্ধাৰৰ ওৰণি

প্ৰগল্‌ভা যুৱতীৰ দৰে
অন্তহীন কথা কৈ
পাহাৰৰ পৰা প্ৰান্তলৈ উৰে
কেতেকীজনী
তাইৰ অবাধ সংলাপৰ উঁহ খেদি
টোপনি সামৰি কিৰিলিয়াই উঠে
শুবলৈ লোৱা চৰাইবোৰে
ধীৰ পৰ্বতৰ বুকুৰ পৰা
আঁজোৰ মাৰি এৰাই আহে
কলকণ্ঠী নৈখনি

কৰবী ডেকা হাজৰিকা

# ব্যাখ্যাতীত বিষাদ



জলমগ্ন সন্ধ্যাৰ এই গূঢ় আৰোহণত
বাজে মোৰ বিষাদ
বিষাদৰ তেজ-মন্তহ………

হীৰেন ভট্টাচাৰ্য

১৮৮

# তেজীৰ তৃষ্ণা

তেজীমলা আজি যখিনী হোৱালী
কোন দেও-পুৰুষত পতিয়ন গৈ
তিনিমুনি গধূলিৰ
পদূলিৰ ৰিঙনিত পথৰ উমান খপি
তেজী হ'ল কিয় উন্মনা, ব্যাকুল বসনা?
মাজনিশা উজাগৰে
কালিকাৰ দোষে পোৱা মৰা বিলৰ যুঁৱলিত
কিহৰ আলচ কৰে
ডাইনীৰ সতে?
কিহৰ ৰোহত
কাল দুপৰীয়া পথাৰৰ তৰাং ডোবাত
এটা তেজীৰঙা ফুল হৈ
তেজীমলা ছট্‌ফট কৰে?

বাসনমতীৰ চকুৰ পতাত
কিহৰ আপদ মাতি আনি কাউৰী কঁপে।
কপৌ ফুলক মৰহা কোচত পৰি
ফেঁচাই কিৰিলি পাৰে। নিয়ৰৰ টোপালত
ফিৰিঙতি বৰষুণ সৰে।
বাঘখঙে ৰঙা হৈ নামৰৰ জ্বলে।
লুইতে কক্‌বকায় দিচাঙৰ চাপৰিত
বৰপথাৰৰ মৰডাঁহে বিৰিণাৰ ঠেং চোহে।
ভৰ দুপৰৰ খৰাঙত দৈবাসনৰ উছন পামত বহি
চিলনী জীয়েকে বিনায় ঃ
'আবেলি কলাপাত লৰে কি চৰে,
আই মোৰ কণ্ঠে এখনি সমুদ্ৰ মৰে।'

আনন্দেশ্বৰ শৰ্মা

১৮৯

# ভুৰ বন্ধা ঘাট

সূৰ্যটো গুচি গ'ল ৰঙা পালখনৰ তলেৰে,
নাৱৰ নিজান বুকুত জিলিকে
বিনন্দিত প্ৰতিমাৰ মুখ,
পানীৰ লিহিৰী সোঁতে সোঁতে
মাৰ যায়
বিতোপন গাঁৱলীয়া ছবি,
ব'ঠাৰ চাবে চাবে উঠি আহে
এন্ধাৰ;
জলমগ্ন সন্ধ্যাৰ এই গূঢ় আৰোহণত
বাজে মোৰ বিষাদ
বিষাদৰ তেজ মগুহ......

হীৰেন ভট্টাচাৰ্য

১৯০

# মৰ্মান্তিক

তেওঁক মই যোৱাগৈ দেখিছিলোঁ
বেলি লহিওৱাৰ পৰত
পথাৰৰ বাঁকিয়াইদি

মূৰত জাপি
কান্ধত মেটমৰা দুটা ডাঙৰিৰ
জিৰিক্ জিৰিক্ মাত।

তেওঁৰ পাছে পাছে গ'লগৈ
আঘোণৰ সোণবৰণীয়া ৰ'দ
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক

নিৰ্মলপ্ৰভা বৰদলৈ

১৯১

# হে উদ্ভাষিত মুহূৰ্ত

ৰাতিৰ বুকুত মোক ৰোপণ কৰা
হে উদ্ভাষিত মুহূৰ্ত
ৰাতিৰ গভীৰত মোক শিয়া মেলিবলৈ দিয়া
আন্ধাৰৰ গভীৰত

বধিৰতম অনুভূতিৰ মাংসৰ মাজত বিয়পি থকা
মই ধ্বনিময় নীল
নিষ্পেষিত প্ৰেমৰ কঁপি থকা ওষ্ঠাধৰৰ মাজত
মই নিশব্দ স্তৱ

হে কল্লোলিত মৌনতাৰ আয়তন
ৰাতিৰ গভীৰত মোক শিয়া মেলিবলৈ দিয়া
আন্ধাৰৰ গভীৰত
পৃথিৱীৰ প্ৰাচীনতম শোকৰ শৰীৰত

নীলমণি ফুকন

১৯২

# নীলাভ অনিদ্ৰা এক

নীলাভ অনিদ্ৰা এক— নিদ্ৰাৰ বুকুত অন্তঃশীলা!

ক্ষুধাৰ সিপাৰে বোৱা অন্য ক্ষুধা, অমৰ বিষাদ,
মানৱিক চেতনাৰ চিৰন্তন প্ৰসন্ন ষড়জ,
ইন্দ্ৰিয়ৰ পঞ্জাবত মননৰ নন্দিত বিক্ৰম!

আন্ধাৰৰ গহনত মধুক্ষৰা ঋতম্ভৰা বাক্
বীজকম্প্ৰ সত্তাৰ লৱণ-জ্বালা—সমুদ্ৰ বতাহ!

ভবেন বৰুৱা

# অস্তিত্ব-পীড়া



খিলখিলকৈ হঁহা পাহাৰী গাভৰুহঁতে
এতিয়াও নাজানে

ওৰে নিশা তেজত গা ধুই
কাইলৈ পুবাৰ আকাশ কিয়ে তেজগোবা হ'ব।

হৰেকৃষ্ণ ডেকা

১৯৩

# বাদুলি-ওলোমা ৰাতি

কেন্দুগুটি, চেগুণৰ ফুল,
আত্মঘাতী আত্মাৰ নিপিষ্ট সুঘ্ৰাণ।
ওঃ মোৰ হৃদয়ৰ নিকৰুণ নিষ্পেষণ
পানীত পৰা ছোৱালীজনীৰ শ—বন্ধা, চটাই-ঢৰাৰ
নে তাকো বন্ধা পুৰণি পঘাৰ?
ইমান সমান্তৰাল নে চেগুণ দুডাল?
ইমান নিস্পৃহ ৰাতি, দিন, অস্বচ্ছ পথাৰ
জীৱন মৃত্যুৰ অৰ্থে।
বাদুলি ওলোমা ৰাতি—
কক্ষচ্যুত কণা বাদুলিৰ।
নিৰাশ চকুৰ অন্ধ অচ্ছোদপটলত
সি কি কণা বাদুলি নে
কেন্দুৰ গুটি নে
অপঘাতী আত্মা নে?
যিয়ে কৰে কেন্দ্ৰীভূত চেতনাৰ সাৰাৎসাৰ
অকস্মাত অবলুপ্ত— দৃক্‌স্নায়ুৰ অববাহিকাত।
কিন্তু মোৰ ৰেল যাব ভৱিষ্যত
ৰাতিৰ ৰেল ৰাতিৰ ৰেল সুগৰী হৰিণী ৰাতিৰ ৰেল
সুগৰী হৰিণী ৰাতিৰ ৰেল।
মোৰ কামী—হাড়ৰ স্লিপাৰত।
অন্ধত্বৰ সিপাৰত।

অজিৎ বৰুৱা

১৯৪

# বিকল্প

এই আশা, প্ৰেম আৰু সৰু সৰু হেজাৰ মৃত্যুৰ
ধূলিৰে আকীৰ্ণ পথ। গধূলিৰ স্বপ্নালু চহৰ
তোমাৰ মুখৰ দৰে লাগে মোৰ অতিকে আপোন
কৰুণ আভাৰে দীপ্ত সূৰ্যাস্তৰ সোণালী মদৰ।

ঘৰে ঘৰে বন্তি জ্বলে এই আশা, প্ৰেম, বেদনাৰ
অজগৰ অন্ধকাৰ হঠাতে নিবিড় হৈ আহে।
এই মৃত চহৰৰ সূৰ্যমুখী গলিৰ মুখত
আত্মাৰ সুৰভি কাৰ এন্ধাৰত ভাপ হৈ ভাহে

তুচ্ছ সেই ইতিহাস। এই মন্দা বজাৰত তাৰ
দাম হ'লে হ'ব এটি চুটি গল্প এঘাৰ ফৰ্মাৰ
অথবা চনেট এটি, প্ৰাণৰ শলিতা পুৰি লিখা
প্ৰাণৰ আৰাম পূৰ্ব-প্ৰণয়িনী অমিতা বৰ্মাৰ।

নাৰীৰ দেহৰ উম, ফুল, তৰা ৰাতিৰ আকাশ
মহঙা দামেৰে কিনা সুকোমল তোমাৰ মঙহ
খুব বেছি দৰকাৰ জীৱনত ইবোৰ বস্তুৰ
হ'ব পাৰে পূৰ্ণ তাৰে ঈশ্বৰৰ নিৰ্মম বিৰহ।

হোমেন বৰগোহাঞি

১৯৫

# দুঃখময়তা

মোৰ ৰক্তকণিকাত মোৰ স্নায়ুত মোৰ চেতনাত
নিয়ত কৰ্মক্লান্তি ও দুঃখভাৰ,
প্ৰতি প্ৰভাতৰ উদ্যম, সূৰ্য-বন্দনা
আৰু প্ৰতি পলৰ বুকুৰেদি পাৰ হৈ যোৱা
চলমান মোৰ গতিৰ মাজতো স্থৱিৰতা অন্তৰ্নিহিত সঞ্চৰণ,
তাৰ মাজত — এই ঈশ্বৰবিহীন আমাৰ জড়তাৰ মাজত
হে উদ্দেশ্য বিহীন শতিকা!
কোনে আমাক আনন্দময় কৰি ৰাখিব?

প্ৰফুল্ল ভূঞা

১৯৬

# কেনে আছো মোক নুসুধিবা

কেনে আছো মোক নুসুধিবা
ময়ো মোক সোধা নাই
কলঙেদি উঠি আহে মুণ্ডহীন
এজনী ছোৱালী
যোৱা ৰাতি মই কি আছিলোঁ
ৰজা সন্ন্যাসী কৃষক শ্রমিক
প্রেমিক নক্সাল কবি
চিকাৰৰ পিছত পানী বিচাৰি
যুৰা এটি বাঘ
কি আছিলোঁ পাহৰিলোঁ
কেনে আছো মোক নুসুধিবা
মইতো অকলশৰীয়া নহয়
কাৰণ সেই শেষ ভোজনৰ পিছতো
বিদায় দিব নোৱাৰিলোঁ
বিদায় ল'ব নোৱাৰিলোঁ
আউচভিৎছৰ পিছৰে পৰা মই
হঁহা নাই
কন্দাও নাই
কাৰণ যাওঁ ক'লৈ
ক'ৰ পৰা আহিছিলোঁ পাহৰিলোঁ
তেজ বাঁতিয়াই জীয়াই থাকে দিন
কাৰণ হাড়-মূৰবোৰে আবেলিৰ
আলিবাটেৰে
কাঠ হাঁহি মাৰি যায়
কাৰণ দোকানৰ শ্বো-কেচত
ৰতিক্রিয়াত মত্ত এহাল কুকুৰ
কঁকালত পুৰুষালিঙ্গৰ মালা পিন্ধি
ভূতনাথত অন্ধ কালী
কাৰণ সকলোৰেই এটা ভয়

মৰা মানুহবোৰবো
ক'বনে নক'ব কৰিবনে নকৰে
খিৰিকি খুলিবনে দুৱাৰ
কাৰণ তেতিয়াৰে পৰা বৈ বৈ
মিছা ফাকি ভাও ভুৱা জালিয়াতি
যৌৱন দয়ালু নিৰ্দয়।
কেনে আছো মোক নুসুধিবা
কাৰণ আন্ধাৰ
এতিয়া সিও কঁপি উঠে
এতিয়া সিও জ্বলি উঠে
দুৰ্দশা দুৰ্দিন দুৰ্গতিৰ পিছে পিছে
মানুহৰ তেজৰ নিচান
কাৰণ পেটৰ জেপত লৈ ফুৰোঁ
দুখন নিষিদ্ধ হাত
ৰঙা হৈ উৰি যোৱা এটা বুলেট
বুকুত
কাৰণ চৌদিশে মৌনতা শান্তিৰ
ভয়ঙ্কৰ আৱাজ
কেনে আছো মোক নুসুধিবা
কলঙেদি উটি আহে মুণ্ডহীন
এজনী ছোৱালী
কাৰণ বিয়াল্লিছ ঘণ্টা মোৰ
মৃতদেহটো
গুৱাহাটীৰ পদপথত পৰি আছিল
কাৰণ এতিয়াও মই চকু মেলি আছোঁ
মোৰ মৃত্যুৱেও চকু মেলি আছে
কাৰণ খালে ডোঙে নৈয়ে বিলে
জাকি মাৰি মাছে
হেৰা মোৰ গম্ভীৰ গতিৰ
অশ্বাৰোহী

নীলমণি ফুকন

১৯৭

# কালবেলা

অন্ধকাৰ ম'হৰ পিঠিত উঠি
কোন যেন নামি যায় পথাৰে পথাৰে
হাতত জ্বলন্ত জোঁৰ
শুকান হাড়ৰ খট্‌খট্ শব্দৰ মাজেৰে
ভাহি আহে অস্পষ্ট আলাপ
এক বিন্দু পানী নাই
নিহত নদীৰ কংকাল পৰি আছে বালিৰ চিতাত
দগ্ধ এঙাৰৰ দৰে ছিন্ন ভিন্ন ছায়াবোৰ
দেখা যায় ইতস্তত পথৰ দাঁতিত
আস্তিনৰ ভাঁজে ভাঁজে গোপন ছুৰিৰ তীক্ষ্ণধাৰ সানি
চকুৰ ভিতৰত চকু থৈ
ভিৰৰ মাজত ভিৰ হৈ
আততায়ীয়ে সময়ক চমক খুৱাই যায়।

নিজেই অবাক হওঁ ঃ
বাচি আছোঁ আজিও সঁচাকে'?
আজিও মনত আছে
গছৰ ছায়াৰ বাবে নিৰ্বাক প্ৰতীক্ষা?
আলোক বিপন্ন আজি— আজি তাৰ গভীৰ অসুখ-
তথাপি সি কি আলোকিত কৰি যায়
সময়ৰ অন্ধকাৰ মুখ?

দিনেশ গোস্বামী

১৯৮

# হত্যাকাণ্ড

এয়েতো সময় যন্ত্ৰণাক হত্যা কৰাৰ, এয়েই সময়।
গভীৰ ৰাতি দুৱাৰত টোকৰ পৰিল। দুৱাৰ খুলি দিলোঁ।
বহুজন সঙ্গিণী যন্ত্ৰণাই হাঁহি হাঁহি প্ৰৱেশ কৰিলে।
এয়ে তেন্তে সেই বহ্নান্মী লাস্যময়ী নটী যাৰ নাম যন্ত্ৰণা।
যন্ত্ৰণা.... যন্ত্ৰণা..... যন্ত্ৰণা.... উপাস্য দেৱীৰ বোধনৰ মন্ত্ৰ
উচ্চাৰণৰ দৰে মোৰ কণ্ঠৰপৰা শব্দকেইটি নিগৰি
পৰিল। কিন্তু তেতিয়া মই ভাবিছিলোঁ অন্য কথা।

যন্ত্ৰণাৰ গভীৰ আশ্ৰয়ত মই অৱৰুদ্ধ হ'লোঁ। তাইৰ
ওঁঠত মই আঁকি দিলোঁ উত্তপ্ত চুম্বন। তাইৰ নীলা চাদৰ,
অন্তৰ্বাস, নীবিবন্ধ মই এখন এখনকৈ খুলি পেলালোঁ।
ওলাই পৰিল তাইৰ ঈষৎ আনত স্তনযুৰি। উপমা পাহৰি
গৈ মই তাইৰ স্তনযুৰিত আঁকি দিলোঁ যাক বোলে
নখক্ষত। তাইৰ শৰীৰৰ মানচিত্ৰ মই পৰ্যবেক্ষণ কৰিলোঁ।
যন্ত্ৰণাই আকৌ মোৰ মুখ চুম্বন কৰিলে। "তুমি জানো বেশ্যা?"
তাইৰ কাৰ্যকলাপত সন্দিহান মোৰ মনৰপৰা শব্দ
কেইটা ওলাই পৰিল। হাঁহিৰে দশোদিশ উজলাই তাই
মোক টানি নিলে তাইৰ উৰুৰ মাজলৈ।

হঠাৎ চেতনা হ'ল— তাই তৃপ্ত; মই ব্যৱহৃত। অন্ধকাৰৰ
মাজত মই দেখা পালোঁ আলোক। এয়েই সময়। যন্ত্ৰণাৰ
বামস্তনৰ মাজেৰে আমূলবিদ্ধ কৰিলোঁ শানিত ছুৰি।
যন্ত্ৰণাৰ শৰীৰ কঁপি কঁপি এসময়ত স্থিৰ হৈ পৰি ৰ'ল।

এতিয়া মোৰ শোৱাৰ সময়; ৰাতিপুৱাৰ কাৰণে
প্ৰস্তুত হোৱাৰ সময়।

দিনেশ গোস্বামী

১৯৯

# ৩১ ডিচেম্বৰ, ১৯৭২

ক্ষন্তেক স্থিৰ হ' মোৰ দৈৱৰ দোলক!

আন্ধাৰ গড়াৰে সৰি পৰিব এইদৰেই
আৰু এটা নিচাখোৰ দিন।

আৰু এইদৰেই সময়ৰ লোল দাহকে তোক
ঠেলি দিব তোৰ পুঞ্জীভূত ছায়াৰ সমুখলৈ

হৰেকৃষ্ণ ডেকা

২০০

# ঊষা

এৰি থৈ যোৱা চাউনিবোৰৰ ওপৰত
কাউৰীবোৰে ৰমলিয়ায়

বৈ থকা নদীখনৰ পানীত
ৰাতিটো কেনেকৈ দূৰলৈ আঁতৰি গৈছে!

ভঙা কাঠৰ দলঙখনৰ তলত
সৈন্যবোৰ লুকাই আছে নেকি?

গা ধুবলৈ অহা পাহাৰী গাভৰুইঁতে
সেই কথা নাজানে।

হালধীয়া সৰিয়হৰ ফুলবোৰ লৰিছে
বগা বুকুবোৰৰ ওপৰত চিক্‌মিকাই আছে ৰ'দ।

চাউনিবোৰৰ ওপৰলৈ কিচ্‌কিচ্‌কৈ ক'লা
ৰাতিবোৰ উভতি আহিব।

খিল্‌খিলকৈ হঁহা পাহাৰী গাভৰুইঁতে
এতিয়াও নাজানে

ওৰে নিশা তেজত গা ধুই
কাইলৈ পুৱাৰ আকাশ কি যে তেজগোৰা হ'ব।

হৰেকৃষ্ণ ডেকা

২০১

# দুখৰ দিনৰ কঠিন শব্দবোৰে

যন্ত্রণাৰ কৰতেৰে কাটি-ছিঙি পেলোৱা
বিক্ষিপ্ত চেতনাত
যেতিয়া জুই জ্বলে দপ্‌দপকৈ
আৰু সমগ্র সত্তাৰ সিৰা-উপসিৰাইদি
বৈ যায় তেজৰ উষ্ণ ধাৰ,
তেতিয়াও শিশুৰ হাঁহিৰ দৰে
উজ্জ্বল এমুঠি পোহৰে মোক খেদি ফুৰে
আৰু এনেকৈয়ে দুখৰ দিনৰ কঠিন শব্দবোৰে
বাৰে বাৰে মোক আঘাত কৰে।

বিপক্ষ সেনাৰ প্রচণ্ড শক্তিৰ দৰে
যেতিয়া মোৰ চৌপাশে আগুৰি থকা
দৈত্যকায় গোপন গুহাবোৰে
মুখ মেলি খেদি আহে
আৰু অযুত ব্যৰ্থতাৰে গধুৰ হৈ পৰে
প্রাণ-প্রাচুৰ্যৰ এই অস্তিত্বঃ
সেই জুই আৰু দুগুণে জ্বলি উঠে।

তেতিয়াও মই দেখা পাওঁ চকু মুদি
শাণিত অস্ত্ৰৰ ধাৰ যেন বৈ থকা
এখনি উত্তাল নৈ। ভীষণ শব্দেৰে
বাগৰি যায়, পলস পেলায়
নগৰে-চহৰে, পথাৰে পথাৰে .......

ৰবীন্দ্ৰ বৰা

# বিদ্ৰোহ আৰু প্ৰতিবাদ



বতা নিচানৰ হেন্দোলনি
দূৰণিত মিছিলৰ ধ্বনি
তাই শুনাই আহিল।

'সি আহিব ধৰিছো'

হেমাঙ্গ বিশ্বাস

২০২

# নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা

দেখিছানে কেতিয়াবা
কলিংগৰ ক'ণাৰকৰ 'ক'লা পেগোডা'?

কালৰ বিস্ময়।
মৌন পাথৰৰ বাঙ্ময়তা,
কত শত শতিকাৰ আৱহ সংগীত।

মই কিন্তু দেখিলো সিদিনা
বকো পাহাৰত
গ্রেণাইট শিলৰ বুকু ফালি
শিপা মেলি থিয় হোৱা শাল গছজোপা।

অনেক ধুমুহা আৰু বা-মাৰলীয়ে
অজস্র বজ্রপাতে কত ভূঁইকঁপে
জোঁকাৰি জোকাই গুচি গ'ল....
তথাপিতো নলৰিল
দৃপ্ত !শান্ত দিগন্তপ্রসাৰী সেই শাল গছজোপা ঃ
যুগৰ বিস্ময়।

একঠা আদিম মাটি
বাপতি সাহোন
আন্ধাৰত জোনাকীৰ চাকিৰে উজলা
শিলৰ পঁজাটি।

প্রাগৈতিহাসিক কোনো হাবিত উপজি
কুৰি শতিকাৰ এই নীলা আকাশলে'
অগণন পাতৰ শৰাই।

ডালে ডালে বনৰ পখীৰ
পুৱাৰ উৰুলি
তথাপিও এই পাহাৰত
উচ্ছেদৰ অনন্ত চক্ৰান্ত।

বলিয়া হাতীৰ পাল আহে
শুঁৰত মেৰাই তাৰ উচ্ছেদ-নোটীছ।
আলফুল কেঁচুৱা কুঁহিটি
টানি ছিঙি গচকি মোহাৰি
কই যায় ঃ
এই মাটিত তোৰ আৰু অধিকাৰ নাই।

তথাপিতো
বিক্ষত ডালে ডালে
পুনু গজে অগণন পাত।
পুনু শুনো তাত
পখীৰ উৰুলি।
মই দেখি অহা এক যুগৰ বিস্ময়
গ্ৰেণাইট শিলৰ বুকু ফালি
সীমান্ত প্ৰহৰী সেই
শাল গছজোপা।

মুখত দেখিছোঁ তাৰ দাৰিদ্ৰ্যৰ চেকা
চকুত জিলিকি উঠে ভৱিষ্যৰ আভা
নাম তাৰ—

কমৰেড ৰত্নেশ্বৰ ৰাভা

হেমাঙ্গ বিশ্বাস

২০৩

# ওভতনি

ল'ৰাটো উভতি নাহিল

মাথোন দুকেজিৰ পিয়াহ লৈ
গুলিবিদ্ধ উদং মোনাটি
ভৰ-দুপৰীয়াত
বোকা সানি পৰি আছে নৰ্দমা দাঁতিত।

ৰেচন লাইনৰ পৰা ল'ৰাটো
আজিও উভতি নাহিল।
লঘোনীয়া মাকজনী ভেলেঙী চকুৰে
বাট চাই থাকে,--
সি আহিব।

সিদিনা এজাক বৰষুণে
ৰাজআলিৰ শুকান তেজৰ ফোঁট
ধুই নিকা কৰি থৈ গ'ল।
গোবৰা গোৰস্থানত
উৰুঙা মদাৰৰ কাঁইটে কাঁইটে
ডোঙা-ডোঙে তেজ
ফুল হৈ ফুলিল।
সৌৰা বসন্ত আহিল ঃ

ৰঙা নিচানৰ হেন্দোলনি
দুৰণিত মিছিলৰ ধ্বনি
তাই ওলাই আহিল।

'সি আহিব ধৰিছে'?

হেমাঙ্গ বিশ্বাস

২০৪

# বেশ্যা

কুৰি শতিকাৰ যান্ত্ৰিক যুগৰ সভ্যতাৰ
তায়ো এজনী মানুহ।
তেজ, মাংস, অস্থি, চৰ্ম, স্নায়ুৰে ভৰা
যন্ত্ৰমান দেহ পিঞ্জৰাটোৰ মাজত
বায়বীয় জীৱটোৰ
আৱশ্যকীয় ভোকৰ ভাত আৰু পিয়াহৰ পানীৰ
অভাৱটোৱেই যেতিয়া চূড়ান্ত
আৰু তাৰ বাবেই যেতিয়া এমুঠি টকাৰ প্ৰয়োজন
আত্ম-সন্মানৰ দাম্ভিক চক্‌চকীয়া মুখা পিন্ধা
ৰায়চাহেব শৰ্মা, খানবাহাদুৰ ইক্‌বাল
ই এ চি ফুকনৰ বুকুতো যেতিয়া
তেওঁলোকৰ ঘৰৰ ডিঙিত শিকলি দিয়া বিলাতী কুকুৰটোৰ দৰে
চেপি ৰখা দুৰন্ত কামনাৰ তাড়না
আৰু তাৰে চৰিতাৰ্থৰ বাবেই চোৰৰ দৰে আন্ধাৰৰ আঁৰ লৈ
তাইৰ ঘৰলৈ সিহঁতৰ গোপন আগমন—
এটোপা সুৰা আৰু 'ছাকী'ৰ চাকনৈয়াত উটি
ওমৰৰো যেতিয়া জীৱনৰ নিগূঢ় কৰুণতাৰ
দাৰ্শনিক ব্যাখ্যা দিয়াৰ একান্ত অধিকাৰ
সমাজৰ ব্যভিচাৰত কক্ষচ্যুত,
অৰ্থনৈতিক সমস্যাত জলাকলা
পৰমুখাপেক্ষী মৰিবলৈ ধৰা তাইৰ জীৱনটোক
আত্ম-সন্মান, নাৰী পবিত্ৰতাৰ বিৰাট প্ৰবঞ্চনাৰে ঠগি
তিলে তিলে জহি যাবলৈ দিয়া অৰ্থহীন কৌতূহলটোক
তাই তাইৰ আৱশ্যকতাহীন জীৱনটোতকৈয়ো বিড়ম্বনা বুলি ভাবে

সেয়ে হয়তো
সুৰা গান আৰু নৃত্যৰ মজলিছৰ আৰাম 'কামৰাত'
পৃথিৱীৰ বোকাৰে সজা দেহা বেচি

তাই হ'ল নৃত্যৰতা, কামৰতা, কলুষ বেশ্যা
আজিৰ নগণ্য আত্ম-সন্মানৰ ভীৰুতাক বিসৰ্জন দি
তাই বাছি ল'লে জীৱনৰ এটি সহজ নিশ্চিন্ত উপায়।
কিন্তু সিমান সহজো নহয়।
তাৰ বাবে তাইক লগা হ'ল
বিশ্ববিখ্যাত মনোবিজ্ঞান বৈশ্লেষণিক পণ্ডিত ফ্ৰয়েডৰ,
যৌনতাত্ত্বিক হেভলক্ ইলিচৰ
যৌন-তত্ত্বৰ ক খ গৰ জ্ঞান;
গৰ্ভৰোধ, গৰ্ভপাতৰ কিছুমান সহজ উপায়;
বাৎসায়নৰ কাম-শাস্ত্ৰৰ প্ৰেমাভিনয়ৰ কিছুমান উন্নত মনোৰঞ্জক লাস্য,
অৰিয়েণ্টেল নৃত্য আৰু সঙ্গীতৰ নিখুঁত সুৰ আৰু ভঙ্গিমা
তানপুৰা আদি যন্ত্ৰবাদ্যৰ এটা পূৰা 'ছেট';
সেমেকা সন্ধিয়া গৰম কৰা Red sealed XXX Ram অৰ
কিছুমান ৰঙা বটল;
বেঙ্গল কেমিকেল কোম্পানীৰ সুগন্ধি প্ৰসাধন;
কমলালয়ৰ কেইখনমান আকাশী ৰঙৰ শাড়ী;
আৰু কত কি?
—তাইৰ বাবে নহয়,
এইবিলাক 'চব' সিহঁতৰ বাবে
সিহঁতক লাগে কেৱল আনন্দ
কেৱল কামনা তৃপ্তিৰ কোলাহলপূৰ্ণ মাতলামিৰ এখন বোঁৱতী সুঁতি।

আৰু তাই যেনিবা সিহঁতৰ
টোপনিৰপৰা উঠা অলস চিন্তাৰ একাপ গৰম মিঠা চাহ,
টকাৰ এঁৱা সুঁতাৰে টনা এটা নিষ্প্ৰাণ কাঠৰ পুতলা নাচ
তাইৰ নাই জীৱন, তাইৰ নাই ভাগৰ, তাইৰ নাই কোনো ক্লেশ
তাইৰ জীৱনৰ সহজ গতিটোৰ
ৰুদ্ধ হৈ যোৱা স্বাভাৱিক প্ৰসাৰতাৰ প্ৰতি সিহঁত অন্ধ।
প্ৰগতিশীল 'ইনটেলেকচুৱেল' কবি মিঃ বৰুৱাই হয়তো নিৰ্ভীক ভাবেই কয়;

এই বাৰাঙ্গঁনা কাৰাগাৰে সমাজৰ যিমানেই অনিষ্ট নকৰক
মই গৌৰৱ কৰোঁ
ভাৰতৰ দুটা পুৰণি ৰত্ন আজিও সিহঁতে জীয়াই ৰাখিছে,
অৰিয়েণ্টেল ডানচ আৰু অৰিয়েণ্টেল মিউজিক।
সিহঁত নোহোৱা হ'লে একেবাৰে লোপ পালেহেঁতেন।
অৰ্থনীতিৰ অধ্যাপক বানাৰ্জীয়ে হয়তো ক'ব;
ভাৰতৰ বৰ্তমান অৰ্থনৈতিক অৱস্থাত ইহঁত অৱশ্যম্ভাৱী
ইহঁতৰ জন্ম কোনো বিদ্যুৎ-প্ৰবাহো নহয়,
বজ্ৰপাতৰ আকস্মিক আঘাতো নহয়।
'অমৃত বাজাৰ'ৰ সম্পাদকে সেয়ে হয়তো আমাক বাতৰি যোগায়
অকল কলিকতা মহানগৰীতে ৪৫ হাজাৰৰো ওপৰ
গৱৰ্ণমেণ্টক কৰ শোধোৱা
(চমৎকাৰ গৱৰ্ণমেণ্টৰ ধন উপাৰ্জনৰ পথ)
আৰু বা ক'ত বে-আইনী বেশ্যাৰ বাস।
কিন্তু সিহঁতৰ বে-আইনী ব্যৱসায়ত নাই।
'মুনাফাখোৰ' পণ্ডিত সিঙৰ
১০০ টিং চোৰাং মিঠাতেলৰ লাভৰ অংশ
বা মন্ত্ৰী আলি চাহাবৰ ভতিজাক
টেক্সটাইল চুপাৰিণ্‌টেন্‌ডেণ্ট আশ্ৰফ আলিৰ
গোপন সন্মতি গ্ৰাহী ক'লা বজাৰৰ চোৰাং ধনৰ ভাগ;
নাইবা মৰা অসমীয়াৰ পচা জঁকা টানি
অসমৰ উৰ্বৰা পতিত মাটিত জাকে জাকে পমুৱা শগুণৰ,
আক্ৰমণমূলক বে-আইনী দখল।
তাইৰ মৰ্জিত অৰ্জন মাত্ৰ
চৌখিন ধনীৰ যুক্তিসন্মত ব্যয়ৰ এটা নগণ্য অংশ,
তাইৰ ওঁঠত নাই নিষ্পেষিতৰ বুকু শোহা
কেঁচা তেজৰ নিলাজ চেকা।
আছে মাথোঁ বিলাসী ধনীৰ মোনাৰ টকাৰে কিনা
লিপ্‌ষ্টিকৰ সমুজ্জ্বল ৰং
তথাপি তাইক সকলোৱে ঘিণ কৰে, হাঁহে,
হায় লাঞ্ছিতা বেশ্যা।

.কিন্তু আন্ধাৰৰ আঁৰৰ কামুক ভদ্ৰবেশী দস্যুৰ দল
পোহৰত ইমান জিলিকা।
ছইটমেনে অৱশ্যে কান্দে,
আমাৰ বৰুৱা কবিয়েও কান্দে,
এজনে কান্দি তাইৰ সৌন্দৰ্যৰ জঁকাটোত
কৃত্ৰিম প্ৰসাধনৰ অত্যাচাৰেৰে
ঈশ্বৰৰ সুন্দৰ সৃষ্টিত আনৰ মন-যোগনিয়াৰ হ'বৰ বাবে,
দুটা টকা অহাৰ বাট মুকলি ৰখাবৰ বাবে
ধুনীয়া বোলাবৰ হাঁহি উঠা বাসনাটো দেখি।
ইজনে কান্দে পতিতা 'গাভৰু ওঁঠৰ লালিমাৰ' বাবে
তেওঁৰ উদভ্ৰান্ত প্ৰেমিক হৃদয়ৰ মানৱীয় কামনাৰ পলাশ জুইত
উৰণীয়া চগাৰ দৰে আত্ম আহুতি দিয়াৰ নিমন্ত্ৰণ জনাই
তেওঁ ক্নান্দে কুৰি শতিকাৰ নিৰ্ভীক দেৱদাসীৰ বাবে।
অজন্তা ইলোৰাৰ ৰূপদক্ষ শিল্পীৰতো তাই এক অভাৱনীয়
প্ৰয়োজন
উলঙ্গ নাৰী-সৌন্দৰ্যৰ সাধনাৰ গোপন কক্ষত
তাই যে জীৱন্ত সৌন্দৰ্যৰ চিৰ-নতুন প্ৰতীক।
আৰু এই সংগ্ৰামলিপ্ত কামনাৰ আগত উছৰ্গিত
খাকী জীৱনবিলাকৰ উন্মত্ত কাম বুভুক্ষাৰ পথত
তাই এক সামাজিক শৃঙ্খলাৰ শাসক।
কিন্তু সমাজৰ ধৰণীধৰ দলেই তাইক ভয় কৰে আটাইতকৈ বেছি;
দেশদ্ৰোহী, জাতিদ্ৰোহী, সমাজদ্ৰোহী, তাই
অগ্নিক সাক্ষী কৰি লোৱা কত পতিব্ৰতা স্ত্ৰীৰ
মদ্যপায়ী জন্তু স্বামীৰ তায়ে সৰ্বনাশৰ হেতু।
কত ভৱিষ্যত দেশ-গৌৰৱ, দেশ নেতাৰ
উদভ্ৰান্ত যৌৱন মাদকতাৰ ভোগ যাচি
ক্ষয়ৰোগ, গণোৰিয়াৰ যন্ত্ৰণাত অকাল মৃত্যুৰো মূল তায়ে।
তাতোকৈ,
চৰিত্ৰৰ কৰ্ণধাৰ, সমাজত নীতি বিচাৰৰ ফটা-ঢোল কোবোৱা
বৰমূৰীয়াসকলৰ গোপন চৰিত্ৰৰ তাই যে কষটি শিল।
তথাপি তুমি মহীয়ান

হে গোপন প্ৰিয়া
কুৰিখন চাহ বাগানৰ মালিক বৰুৱা হাকিমে
হাজাৰ কুলিৰ তেজ শুহি অনা অক্ষয় ঐশ্বৰ্যৰ
তুমি কি শান্তি ৰূপী লক্ষ্মী গৃহিণী।
মনীষীসকলৰ তৰ্ক চক্ৰত তুমি যে এক গৱেষণাৰ বিষয়
ভাৰত স্বাধীনতাতকৈও গুৰুত্বৰ,
চানফ্ৰানিস্কচকোৰ ভবিষ্যত আন্তৰ্জাতিক পৰিকল্পনাতকৈও সমস্যাপূৰ্ণ
কোনে জানে তোমাৰ চকুত, তোমাৰ ওঁঠত, তোমাৰ দেহত
মনালিছাৰ কি ৰহস্যময় লাস্য।
সি আত্মপ্ৰতিষ্ঠা আত্মতৃপ্তিৰ গোপন অৰ্থপূৰ্ণ হাঁহি,
নে সমাজৰ অবিচাৰ অন্যায়ৰ বিৰুদ্ধে কটাক্ষ বিদ্ৰূপ,
প্ৰতিহিংসাৰ অস্ফুটিত উত্তপ্ত লাভাৰ জ্বলন্ত ফিৰিঙতি?
ধন্য হে কুৰি শতিকাৰ নৃত্যশীলা কোকিল কণ্ঠা চিত্ৰলেখা,
তোমাৰ ছলনাত
শত অনিৰুদ্ধ, অসুৰ বাণৰ ৰুদ্ধ কাৰাগাৰত বন্দী;
দ্বাপৰ যুগৰ শ্ৰীকৃষ্ণৰ অব্যৰ্থ সুদৰ্শন চক্ৰও হয়তো
তোমাৰ আগত শক্তিহীন।
তোমাৰ একো নাই,
আছে মাথোঁ অলস বাহুৰ এটি প্ৰাণহীম দুৰ্বল বান্ধনি,
এটি তেজ নাইকিয়া শেঁতা হাঁহি
আৰু উলঙ্গ দেহৰ উৎকত কামুকতা,
হে যান্ত্ৰিক যুগৰ যন্ত্ৰপ্ৰায় বিশ্বপ্ৰিয়া
কোনে কয় তুমি বাৰাঙ্গনা?
তুমিয়ে ধনীক সম্প্ৰদায়ৰ বিৰুদ্ধে বনুৱাৰ শ্ৰেণী—সংগ্ৰামৰ
এটা সংকটপূৰ্ণ 'ষ্ট্ৰেটেজিক পইণ্ট'
তুমি কুৰি শতিকাৰ নগ্ন সভ্যতাৰ
নিৰ্ভীক বীৰাঙ্গনা।

অমূল্য বৰুৱা

২০৫

# অৰণ্যত খণ্ডাল ল'ৰা

পলসত পৰা হৰিণাৰ দৰে নিৰুপায়
ভোকে পিয়াহে জৰ্জৰিত
সি এতিয়া এটা খণ্ডাল ল'ৰা

সি বৈ আছে বৰদৈচিলাৰ বাবে
অৰণ্যৰ প্ৰতিজোপা গছে এতিয়া
একেলগে মিলি মুক্তিৰ কীচক বেণু বজায়

নলিনীধৰ ভট্টাচাৰ্য

২০৬

# ইস্তাহাৰ

অতীন্দ্ৰিয় প্ৰতিশ্ৰুতি সমূলি বিফল
বুজি পাওঁ ইন্দ্ৰিয়ৰ স্বৰ
গোন্ধ পাওঁ নৰকৰ, ধূসৰ মৰুৰ
ঘৃণাৰ কাঁইটে বিন্ধে প্ৰেমৰ হৃদয়
পদুম ফুলিব ক'ত?

ধুমুহাই মোহাৰি পেলায় কপাহী মেঘৰ ৰং
প্ৰেমিক পখিলা উৰি জলন্ত অগ্নিত পৰে
এয়েতো প্ৰথম হায় হেৰুৱালো জীৱনত
ফুল তৰা জোন আৰু দুবৰিৰ কোমল সুবাস

যুতি জাঁই মালতীৰ দক্ষিণ বায়ুৰ স্পৰ্শ যাতনা কেৱল
নৰকত লেটি লোৱা অজস্ৰ কীটৰ সতে কৰোঁ অহা-যোৱা
আছে মাথোঁ হৃদয়ৰ ক্লান্তি আৰু প্ৰখৰ ৰ'দৰ তাপ

সংজ্ঞাহীন কাল-চক্ৰ সংকীৰ্ণ এই দিগ্‌বলয়ত
মৃত্যু আৰু যাতনাৰ নৰ্ক নোহে তৰ্কৰ বিষয়
লাভ কিনো উদ্দাম তৰণী মেলি মায়া-সমুদ্ৰত?

এই ভগা হাটৰ মাজত পলায়নী গানৰ আখৰা অসম্ভৱ
দেখিলো কেৱল মই এখন সাগৰ মহাজীৱনৰ
তাতে স্নান পান আচমন কৰিছোঁ ৰমণ
জাতি গণ্ডী সীমা ভূগোলৰ নহয় অন্বিষ্ট মোৰ

এখন পৃথিৱী লাগে
য'ত বিজ্ঞান অগ্ৰসৰী হ'ব
কল্যাণৰ পাখি মেলি আনি দিব চৈতন্যৰ মহাজাগৰণ

অনন্ত নহয় কাল শেষ হ'ব অকাল-কালৰ
সত্তাহীন ভগা কণী সময় পখীৰ উমনিত
আকউ সজীৱ হ'ব, জাগৰ চৈতন্য-স্রোতে
ভাষা দিব ধূসৰ শূন্যক, কবৰক যাঁহৰ সুৰভি।

নলিনীধৰ ভট্টাচাৰ্য

২০৭

# বিষ্ণুৰাভা এতিয়া কিমান ৰাতি

'বিষ্ণুৰাভা, এতিয়া কিমান ৰাতি,
তুমি সাৰে আছা সাৰে আছো আমি
আৰু সাৰে আছে প্ৰীতি।
বিহুৰ তলিত চিফুং বাঁহীৰ কৰুণ সুৰ।
বড়ো গাভৰুৰ নাচোনৰ তাল ভাগে,
জনতাৰ চকু চকুৰ পানীৰে পূৰে।
মাজ নিশা কোনে ৰাজ-আলিয়েদি
আক্ষেপ কৰি যায়,—
'বিষ্ণুৰাভা নাই।'
নিজান চেলত তুমি সাৰে আছা,
সাৰে আছে ক্ৰুৰ ইটাৰ দেৱাল,
বন্দী তোমাৰ কণ্ঠৰ সুৰ
নাচোনৰ লয়লাস।
তুমি সাৰে আছা, সাৰে আছে আৰু
জাগ্ৰত জনতা, নিদ্ৰাবিহীন ৰাতি।
বিষ্ণুৰাভা, এতিয়া কিমান ৰাতি,
বিহু পথাৰত বৈ আছোঁ আমি, বৈ আছে
এয়া মনোৰমা সখী।
ৰাজপথ জুৰি নৱ উন্মেষ ধ্বনি,
হেজাৰ জনৰ অবিৰাম কুৰুলি।
সকলোৰে মুখ প্ৰশ্ন-মুখৰ আজি ই বিহুৰ ৰাতি—
'কাৰাগাৰৰ দ্বাৰ কেতিয়া মুকলি হ'ব?
বন্দী সৃষ্টিয়ে কেতিয়ানো প্ৰাণ পাব?
প্ৰাণহীন আজি গীত-মাত সুৰ
প্ৰাণ-হীন বিহুতলি!
বন্দী শিল্পীৰ বেদনাত জাগে,
ৰঙা জীৱনৰ উন্মাদনা,
সাঁচা আবেগৰ ৰোল!

মাজ নিশা কোনে মৰিশালি জুৰি চিঞৰি উঠে—
কল্লোল! বন্ধু জীৱনৰ কল্লোল!
'ডাছ কেপিটেল' এঘাৰ পৃষ্ঠা বাকী,
মাজনিশা কোন ত্রিনয়নে পঢ়ে,
পোহৰ! পোহৰ! উদয়াচলত ৰবি।
নৱ-জীৱনৰ প্রৱেশ-দ্বাৰত
ইতিহাস ৰ'ল সাক্ষী!
বিষ্ণুৰাভা, আকৌ তুলিকা লোৱা,
ইটাৰ দেৱালত আঁকি যোৱা সেই ছবি,
যি ছবিত ফুটে হেজাৰ শিল্পীৰ উত্থান,
অখ্যাত জনৰ আশা আবেগৰ বোল।
ইটাৰ দেৱালত জিলিকি উঠিছে
'ডাছ কেপিটেল'ৰ সপোন।
শেষ নিশা কোনে ৰাজ-পথেদি ৰিঙিয়াই কৈ যায়
"অখ্যাতজনৰ বোল লাগি হ'ল,
হেঙুল হাইতাল ৰঙা।"
তুমি সাৰে আছা আৰু সাৰে আছে
তোমাৰ তুলিকা জীৱনৰ চিৰসখী।
তুমি য'ত আছা, সৰু কাৰাগাৰ,
থিয় একেখনি ইটাৰ দেৱাল।
আমি য'ত আছোঁ বৰ পোতাশাল
শত নাগ-পাশে বন্ধা।
তোমাৰে আমাৰে বিহু সন্মিলন হ'বলৈ বেলি নাই,
হিয়া-হালধিৰে দেহ-মন ধুই,
আমি গোট খাম নৱ জীৱনৰ পুৱা।
বিষ্ণুৰাভা, সৌৱা ঘূৰণীয়া বেলি,
ৰঙা মুখ ফুটে সঁচা আবেগত
মুক্তিৰ কঁপনি!
শেষ নিশা সেয়া অখ্যাতজনৰ সমদল সমাগত।
সমস্বৰে ফুটে, পোহৰ! পোহৰ!!
জীৱনৰ জয়ধ্বনি!!!

বীৰেন্দ্রকুমাৰ ভট্টাচার্য

২০৮

# প্ৰতিটো ৰাতিপুৱাকেই

প্ৰতিটো ৰাতিপুৱাকেই অনুৰ্বৰ যেন লাগে
যেন এটা ঘুণে ধৰা গোলাপ
লেৰেলি যাবলৈ অনিচ্ছুক।

মই চিঞৰি উঠোঁ ঃ
'কত সেই শৈশৱৰ নিষ্পাপ গাঁৱৰ হৃদয়?'
কিন্তু মোৰ মাত মোৰ মুখতেই ৰৈ যায়
কাৰণ
মোৰ বন্ধু আছানউল্লা
তেওঁৰ আপোন শৈশৱৰ গাঁৱতেই নিহত
কোন এক বিত্তৱান দেশপ্ৰাণ আততায়ীৰ হাতত
গ্ৰীষ্মৰ এনে এক ৰাতিপুৱা।

**বীৰেশ্বৰ বৰুৱা**

২০৯

# শৱ-সন্ধান

(স্বাধীনতা আৰু শান্তিৰ নামত উৎসর্গিত)

ইয়াতেই বান্ধিছিলা তোমাৰ যৌৱনৰ
তেজী ঘোঁৰা! বসন্তৰ বতাহৰ দৰে
সেই ঘোঁৰাৰ খুড়াৰ ধূলিয়ে
চুমিছিল
মোৰ এই তেজাল আকাশ
আৰু তাৰ প্ৰান্তৰৰ সেউজীয়া ঘাঁহ।

তাৰ পিছত, পাৰ হৈ গ'ল
চ'তৰ নিদাঘ জুই আৰু ব'হাগৰ
কতনা ধুমুহা।

....মই কেতিয়াবা
এতিয়াও সপোনত সাৰ পাই উঠো
আফ্ৰিকা নে তেলেংগানা ক'ৰবাত
সেই ঘোঁৰা যেন হিলদল ভাঙি লৰিছে
আৰু তোমাৰ চাবুকত চমকি উঠিছে
নিৰ্জন ৰাতিৰ ক্লীৱতা।

হীৰেন ভট্টাচাৰ্য

২১০

# মোৰ বুকুৰ কামিহাড়েৰেই

মোৰ বুকুৰ কামিহাড়েৰেই
সাজি লৈছিলোঁ এটি গৰখীয়া বাঁহী,
সেই বাঁহীৰ সুৰতে এদিন
নাচিছিল মোৰ কিশোৰ মন,
মোৰ মন— লুইতৰ এটি সুৰ ঢৌ হৈ
মিলি গৈছিল মহাসমুদ্ৰৰ
অনন্ত জলৰাশিত।

মোৰ হৃদয় যে কেতিয়া সেউজী হ'ল
মোৰ অজানিতে
দুৰ্বাৰ বনৰ নীৰৱ নিবিড় মায়াৰে
অনুভূতিবোৰ যেন নিয়ৰৰ এটি এটি কণা।
মোৰ বুকুৰ কামিহাড়েৰে সাজি লোৱা
মোৰ বাঁহীটিত
হৃদয়ৰ সেই অনুভূতি, সেই অনুপম ভালপোৱা
সুৰ হৈ, সুৰৰ মূৰ্ছনা হৈ মিলি গ'ল
মহাবিশ্বৰ মহাওংকাৰ-ধ্বনিত।

পথাৰত কাম কৰা মোৰ দেউতাৰ
কাৰখানা আৰু বন্দৰত কাম কৰা
মোৰ বঙহৰ ঘামেৰে
এদিন সিক্ত হ'ল মোৰ বুকুৰ
কামি হাড়েৰে সাজি লোৱা সেই বাঁহী;
মোৰ আইৰ চকুৰ পানীৰে
এদিন পখালি ল'লো সেই গৰখীয়া বাঁহী,
তেতিয়া সেই নিকা বাঁহীটিৰ

সুৰৰ অন্তৰাত ধ্বনিত হৈছিল
মোৰ দেউতাৰ, মোৰ বঙহৰ দীপ্ত কণ্ঠস্বৰ
যেন বৰ্ষাৰ মেঘৰ গৰ্জন
আৰু নিগৰি পৰিছিল
মোৰ আইৰ, মোৰ আইৰ দৰে
পৃথিৱীৰ অগণিত অজ্ঞাত মাতৃৰ
বেথাৰ দুধাৰি চকুলো।
মোৰ বাঁহীৰ সুৰত তেতিয়া
নাচিছিল মোৰ উদ্দাম যৌৱন;
সেই সুৰতেই উতলা
        মোৰ জীৱনৰ গতিপথ,
মোৰ বুকুৰ কামিহাড়েৰে সাজি লোৱা
সেই বাঁহীটিয়ে
        মোৰ শক্তি, মোৰ সুদৰ্শন।

**ৰাম গগৈ**

২১১

# কাঠ মিস্ত্রিৰ ঘৰ

ৰাগুাৰ হেঁচা কচ্ কচা কচ্
ঝাগুাৰ দৰে উৰে পট পট্
আজাৰ, শিমলু, শাল, শিঙৰিক
দিয়ে ৰূপ মনোহৰ
কাঠ মিস্ত্রিৰ ঘৰ।

নিৰস কঠিন বেঁকা বেঁকি কাঠ
বটালী খুন্দাত উঠে জাঁত জাঁত
ৰূপৰ জপনা মেল খাই উঠে
পাই ৰূপ মনোহৰ
কাঠ মিস্ত্রিৰ ঘৰ।

টপাটপ পৰে কপালৰ ঘাম
যেন্দ যায় যায় নাই বিশ্রাম
দিন নাই জিৰাবৰ,
কাঠ মিস্ত্রিৰ ঘৰ।

জমি থাকে থাক্, সাজে জাকে জাক
প্ৰবাল দ্বীপৰ শৃঙ্গৰ দৰে
আচবাবে ভৰে ঘৰ;
কাঠ মিস্ত্রিৰ ঘৰ।

টেবুল, চেয়াৰ, আলনা, ড্ৰয়াৰ
সাজে আলমাৰি টিপয় চাহৰ
শত ভঙ্গীত নৱ ৰূপান্বিত
ৰূপ লয় মনোহৰ
কাঠ মিস্ত্রিৰ ঘৰ।

বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল
মায়াপুৰী মানৱৰ,
কাঠ মিস্ত্ৰিৰ ঘৰ।

হায় হতভাগা থাকে আন্ধাৰত
বিশ্বশিল্পী মহাবিশ্বৰ
কৰে হাহাকাৰ বিলয় বিকাৰ
প্ৰতিদান নাই কৰ্মৰ
কাঠ মিস্ত্ৰিৰ ঘৰ।

বিলাসীৰ দল আৰামী চকীত
গা ঢালি গাই প্ৰেমৰ সঙ্গীত
মিলনৰ বিৰহৰ
কাঠ মিস্ত্ৰিৰ ঘৰ।

লাখ মানুহৰ বাহুৰ কৰ্ম
কাঢ়ি গঢ়ি তোলে প্ৰমোদ হৰ্ম্য,
হয় ডাঙৰীয়া উদাৰ মহৎ
বৰনেতা সমাজৰ
কাঠ মিস্ত্ৰিৰ ঘৰ।

উঠা মিস্ত্ৰি, কঁহাৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ
কাঠ মিস্ত্ৰিৰ ঘৰ।

ধীৰেন দত্ত

২১২

# ফেউৰা

Pity would be no more
If we did not make somebody poor.
-William Blake

আবেলিৰ পকা ধান বৰণীয়া ৰ'দত
থমকি ৰ'ল বাঘটো,
থমকি ৰ'ল তাৰ সচল পেশীবোৰ,
মিলি গ'ল তাৰ বিশাল দেহত ছন্দ।
তাৰ গৰ্বভৰা গহীন মুখখনত
দুৰণিৰ কি ঘ্ৰাণৰ একাগ্ৰতা
সেউজীয়া ঘাঁহ, পানী-যুৰলি,
চফল হৰিণ, সাৰুৱা মাটিৰ দৰে ক'লা শিঙাল ম'হ—
ক্ষুৰধাৰ তাৰ চকুত কিহৰ বিজুলী বতৰা?

ছোঃ ।
ঘাঁহৰ মাজেদি প্ৰাণৰ কাতৰে কি দৌৰি গ'ল?
মুহূৰ্ততে বননি ৰোমাঞ্চিত কৰি কিহৰ
আৰ্তস্বৰ
আতঙ্কৰ, অপমানৰ, ঘৃণাৰ আৰু
এনে কম্পিত ঈৰ্ষাৰ
যি আৰু লুকাই ৰাখিব নোৱাৰে উত্তেজনা।
গছবোৰৰ ওপৰত কিচ্ কিচ্ কৰি
কোৰ্হাল লগালে বান্দৰবোৰে
চৰাইবোৰ ছত্ৰভঙ্গ হ'ল জাকে জাকে।
অলপ আগতে
ব্যক্তিত্বৰ যি নিবিড়তাৰে
বাঘটোৱে পৰিপূৰ্ণ কৰি ৰাখিছিল ঠাইখন,
এইবোৰ ঘোলা হ'ব।

বনভূমি ভৰি গ'ল
ফেউৰাৰ লাঞ্ছিত, কৰুণ, ক্ষুব্ধ, ভয়াতুৰ
হিংসুক কান্দোনৰ ক্লেদেৰে।
সচকিত হৈ সেই গোলমালে
মোৰ আত্মাত যি প্ৰতিধ্বনি তুলিলে
তাত শুনা পালোঁ যেন
এক প্ৰাচীন পৰিচিত ফাকি আৰু ঠগবাজিৰ গলা,
মৰম চেনেহৰ নামত মানুহক যি শিকায় কাপুৰুষালি,
কৰুণাৰ নামত ভণ্ডামি
বাস্তৱতাৰ নামত পাশৱিক ভয় আৰু নিষ্ঠুৰতা।
হেজাৰ হেজাৰ শীতৰ উদ্দীপ্ত কলৰৱত থকা বাঘটো
বান্ধি, সিহঁতক পৰিণত কৰে
হেতাওপৰা লগোৱা এজাক কৰুণ ফপৰীয়া শিয়াললৈ।
এটা হুমুনিয়াহ কাঢ়ি যেন
বাঘটোৱে মূৰ নমালে,
গহীন খোজেৰে আঁতৰি গ'ল লাহে লাহে।
কেৱল ফেউৰাৰ ক্ষীণ হৈ অহা অভিশাপ
চৰাইবোৰৰ কিচিৰ মিচিৰ
বান্দৰবোৰৰ জয়ধ্বনিয়ে
কিছুপৰ জাননী দি থাকিল, সি আহিছিল।

হীৰেন গোহাঁই

২১৩

# নৰকত বসন্ত

এটা নষ্ট ৰঙালাউৰ বাবে ডাষ্টবিনত
অন্তহীন টনা—আঁজোৰা-
হিংস্রতাত ইজনে-সিজনৰ নেলু চেপি ধৰে
গেলা আবৰ্জনাত বাগৰ খায় নিৰন্নৰ স্বাধীনতা
বাইশ বছৰীয়া চফল ডেকাই
ৰঙীন চশমাৰ ফাঁকেদি ৰঙ চায়।
হঠাতে ক'ৰবাত যেন কাঁচ ভঙাৰ শব্দই
ৰজনজনাই যায় ঘৰ—দুৱাৰ- বিশ্ব সংসাৰ....
ভৰিৰ তলৰ পৰা মূৰলৈকে তাৰ ৰক্তপ্ৰবাহ
চিৰিক্‌কৈ জঁপিয়াই উঠে,
কিবা এটা যেন উল্কাপিণ্ডৰ দৰে
প্ৰচণ্ড বেগেৰে বুকুৰ পৰা ওলাই আহিব খোজে।

ডাষ্টবিনত ৰঙালাউৰ স্থূলতাত
নাগৰিক যন্ত্ৰণাই চক খায়,
গোলাপৰ সুৰভিত মূৰ্চ্ছা যোৱা মানুহজনে হাঁহে।
তথাপি বহাগ আহে।
কৃষ্ণচূড়া ৰঙে ৰঙে আৰু ৰঙা হয়,
বাটৰ কাষৰ নঙঠা ল'ৰাটোৱে
লঘোনত মাকজনী মৰাৰ পিছত
বাছষ্টপত থিয় হৈ
বৈ বৈ সুহুৰি দি কুলিৰ মাত মাতে।
আঃ নৰকত এতিয়া বসন্ত।

**ৰবীন্দ্ৰ সৰকাৰ**

২১৪

# এজন কবিৰ কবিতা পঢ়ি

কাৰণ তেওঁ এজন মানুহ।
কাৰণ তেওঁ এজন কবি।
তেওঁ
বেলিটো বুকুত লৈ
আকাশলৈ
মেলি দিয়ে হাত
দৃষ্টি
নক্ষত্ৰৰ ফালে স্থিৰ।
তেওঁ
জোনটোকো
নমাই আনিব বিচাৰে
চহোৰা মাটিত
আৰু জাৰকালিত
উলঙ্গ শিশুটিৰ বাবে
চিলায়
এটি গৰম কামিজ।
আজন্ম
তেওঁ যুঁজে
নিজৰ বিৰুদ্ধে
শত্ৰুৰ বিৰুদ্ধে
আৰু জৰাজীৰ্ণ
প্ৰাচীৰখনক
ভাঙি গুৰিয়াই
ধাতৱ ঝঙ্কাৰেৰে আনে
মুক্তিৰ দিন।
কাৰণ তেওঁ এজন স্বাধীনতাকামী মানুহ।
কাৰণ তেওঁ এজন শান্তিকামী মানুহ।

ৰবীন্দ্ৰ সৰকাৰ

২১৫

# শব্দবোৰৰ নখৰ আঁচোৰ

পলসৰ পৰা গজি উঠা
কিছুমান অশ্ৰুত শব্দৰ বুকুত
গুঁজৰি গুমৰি আছে
এজাক পছোৱা বতাহ.
এখন উত্তাল নদী।

সূৰ্যটোৰ প্ৰচণ্ড উত্তাপেৰে
উত্তপ্ত এই প্ৰবুদ্ধ শব্দবোৰৰ
কুকুৰনেচীয়া বাঘৰ দৰে
কি যে ক্ষিপ্ৰ, তীক্ষ্ণ গতি!

দিশে দিশে
কিছুমান মানুহে
উৰ্ব্বৰা উদং পথাৰৰ
দুখবোৰ খামুচি লৈ
এই শব্দবোৰ বিচাৰি ফুৰে।

জ্বলি থকা জুইৰ পোহৰত
যন্ত্ৰণাৰ হাত ধৰি
আমাৰ সমস্ত শৰীৰত
এতিয়াও জিলিকি আছে
শব্দবোৰৰ নখৰ আঁচোৰ

ৰবীন্দ্ৰ ৰভা

২১৬

# কবি আৰু কবিতাৰ কাৰণে

শ্বহীদ নহ'লো।
গুলিয়াগুলিলৈ যোৱা নাই।
লাঠি-গোৰ খাবলৈ
সমদল নুলিয়ালো।
কথা নক'লোঁ
প্ৰতিবাদ নকৰিলোঁ একোৰেই।

ল'ৰাৰ মৃত্যুত
ছোৱালীজনী হেৰুৱাত
আত্মীয়সকলে এৰি যোৱাত
নাকান্দিলো।

আঙুলিবোৰ কাটি দিয়াত
জিভাখন টানি উলিওৱাত
মই মৰিলোঁনেকি
মোৰ মৃত্যু হোৱাত?

যদি কৰ্কটে নাখায়
ৰক্তক্ষৰণত মোৰ মৃত্যু নহয়
তেনেহ'লে অকস্মাৎ
মোৰ উদ্যত চুৰি বহুৱাওঁ বন্ধু,
তোমাৰ হৃদয় আলোড়িত কৰো
অথবা হত্যা কৰোঁ নিৰ্জকৈই

কাৰণ মই নাজানো
মোৰ ৰক্তক্ষৰিত মাটিত
কি গজে
গোলাপ নে সাগৰ-ফেনা

তথাপি কি এনে ইচ্ছাৰ তাড়না
মতলীয়া মই তোমাৰ সুৱদী মাতৰ বাবে
শেৱালিৰ সুবাসত কবৰী খোলা হেঁপাহ
দৌৰি আহোঁ ইয়ালৈ
তুমিও কি সুহৃদ
তুমিও কি অম্লজান ভক্ষণ কৰা
বতাহত
হে কবি
নে তুমি এতিয়াও শিশু
প্ৰতিদিনৰ প্ৰসূতিগৃহৰ ভৱিষ্যত তুমি

ইয়ালৈ কিয় আহিলো
এটা কবিতা পঢ়িম
বাহ্‌বা দিবা
ৰুমালেৰে ঘাম মচিম
চিগাৰেট যাচিবা

মই ইমান অস্থিৰ
এটা কবিতাৰ কাৰণে
মোৰ জন্ম
মোৰ জন্মান্তৰ।
সপোন দেখিছিলোঁ কেতিয়াবা
এতিয়া দুঃস্বপ্নৰ
ৰাতি-দিন।

ল'ৰাই সোধে
অৰঙে-দৰঙে ইজনে-সিজনে সোধে
কাউৰী শগুণ শিয়ালে খায়নো কি
অজাতি কাউৰী অজাতি শিয়াল
অজাতি শগুণে কিহেৰে বোলায় ঠোঁট?

মানুহ কি খায় জীয়ে
কি খাই জীয়ে পানীপিয়া চৰায়ে?
দ্ৰুতগামী যানক সহজেই বাট এৰি দি কাষৰ কাটো
বাট এৰি দিওঁ মাতাল হাতীক
নুঠোঁ টুলুঙা নাৱত পাৰত থাকি সিপাৰো
উজায় নাৱৰীয়া
ভঁটিয়াই যোৱাৰ ইচ্ছা মোৰো নাই
তথাপি দেখোঁ পাৰত গড়া খহি যায় আকস্মাৎ!

এয়ে নেকি এক্সিডেন্ট? সঁচায়েনে দুৰ্ঘটনা?
আচলতে কথা পাতো—
ৰুমালেৰে জেপত মেৰিয়াও ছুৰি
ময়েই তোমাক মাৰোঁ— খেয়ালবশতঃ
তুমি মোক নামাৰা সেই দেখি।

অবনী চক্ৰবৰ্তী

২১৭

# শিকলি

অনাদিকালৰপৰা কোনোবাই যেন ৰাখিছে চেপি আমাৰ স্থিতি
নিৰ্বাকভাৱে কান্ধ পাতি ল'লো সোণ যেন লগা লোহাৰ ভাৰ
টোপনিৰ জাল ভঙাৰ পিছতো ছিঙা নাই কিয় এতিয়াও আমি
বহুদিন আগতে মামৰে ধৰা নিত্য ক্ষয়িষ্ণু শিকলৰি হাৰ.....

চিৰঞ্জীৱ জৈন

২১৮

# তেজেৰে মোৰ

মোৰ চকুযুৰি
চকুযুৰি মোৰ পচাৰে খুঁচি নিয়া
আৰু তোমালোক ত্রিনয়ন হোৱা

মোৰ জিভাখন
জিভাখন মোৰ দুছেও কৰা
তোমালোক কালী হোৱা

মোৰ কাণ দুখন
কাণ দুখন মোৰ হোলোঙাৰে কাঢ়ি নিয়া

মোৰ চুচুৰ্মৈ কলিজাৰে
তোমালোকে পৰশু তিলক পিন্ধোৱা

মোৰ টুকুৰা টুকুৰ হাড়েৰে
তোমালোকে দধীচি সজোৱা

তোমালোকৰ বাবে
মোক তোমালোকে উন্মাদ হ'বলৈ নক'বা।

জ্ঞান পূজাৰী

২১৯

# তেজীমলা

(হাজাৰ বুধেশ্বৰীৰ ধৰ্ষণ আৰু হত্যাৰ কৰুণ সোঁৱৰণত)

সাউদৰ ডিঙা ঘূৰি অহা নাই
পাহাৰ টিলাত উঠি চালি
শইচৰ বুকুত বৈ চালি

সাউদৰ ডিঙা ঘূৰি অহা নাই

তোৰ গাত কুৰুৱা বতাহ

তেজীমলা

তোৰ মুখত চুলিৰ ছায়া

উশাহত নাচিছিল অ' তেজীমলা
বুকুৰ ভাঁজত তোৰ নিটোল এযুৰি মঙহ-মাদল

ডিঙাৰ টিঙত উঠি সপোনৰ চোতালত তয়েতো নাচিছিলি
নাচিছিলি তেজীমলা শীতল পানীৰ দৰে
এবাটি পিয়াহ হৈ ভোকৰ আখলত তোৰ দিন ৰাতি দিন

ঘূৰি যে নাহিল সাউদৰ ডিঙা

থৰ হলি থৰ হলি তই

কোন ব্যাধৰ শৰে হৰি নিলে আহি তোৰ
অমাতৰ মৌ—মাত মঙহৰ অমৃত

থৰ হলি থৰ হলি তই

নুশুনিলি তোৰ
তেজৰ বীজত ফুলা শইচৰ বাঁহী

নেপালি তোৰ
তিল-ফুল নাকত লৈ বহাগৰ কেতেকী

সাউদৰ ডিঙা যে ঘূৰি অহা নাই

অ' তেজীমলা

আজি, ধূলিয়ৰি অৰণ্যত
আজি পৰি আছে তোৰ

দ্ৰৌপদী দেহা

সাউদৰ ডিঙা যে ঘূৰি অহা নাই!

ঘূৰি অহা নাই!

ৰফিকুল হোচেইন

২২০

# তোমাৰ ওচৰলৈ যোৱা এই যে তৰুণ কবি

তোমাৰ ওচৰলৈ যোৱা এই যে তৰুণ কবি
তুমি চাগে' কোনোদিনেই কামনা কৰা নাই তেওঁৰ পদাতিক
শব্দবোৰত কোনো বিস্ফোৰণ
কামনা কৰা নাই তোমাৰ হৃদয় অথবা যকৃতৰ ভিতৰতে উজ্জ্বল
সূৰ্যোদয়

অথচ প্ৰত্যেক কবিৰেই ভাল পোৱাৰ ক্ষমতা আছে
হৃদয়ক কোনো পথাৰৰ দৰে বিস্তৃত কৰি তাত ফুল ফুলাবলৈ
মই জানো শস্যৰ খেতি কৰিবলে'আগ্ৰহী প্ৰত্যেকজন কবি—
অন্ততঃ ভাৰতীয় কবিৰ শব্দত মাজ নিশা সাৰ পায়
নিষ্পেষিত মানুহৰ হৃদয়ত যুদ্ধাকাংক্ষা
তৰুণ কবি
তোমাৰ ওচৰলৈ গ'ল আৰু উভতি আহিল ধুমুহাৰ দৰে এই যে

এই তৰুণ কবিৰ প্ৰাণময়তাত উদগ্ৰীৱ অনন্ত নিষ্পেষিত মুখ
মই জানো কবিৰ হৃদয় কঁপে—
কঁপে তেওঁৰ সমগ্ৰ চেতনাত আৰক্তিম বিপ্লৱী পতাকা

তুমি চাগে' কোনো দিনেই এই শব্দ বিচাৰি যোৱা কবিৰ মনত
আবদ্ধ
তোমাৰ দেশৰ প্ৰতি অনন্ত ভাল পোৱা বসন্তৰ কথা নাজানা
অথচ মই জানো তেওঁৰ নিৰহংকাৰী প্ৰেমৰ কথা প্ৰণয়ৰ কথা

তোমাৰ ওচৰলৈ যোৱা এই যে তৰুণ কবি
যাৰ চকু আৰু হৃদয়ত উৰি যায় মুক্তিৰ অস্থিৰতা—
তুমি চাগে' কোনোদিনেই তেওঁৰ পদাতিক শব্দবোৰত

কামনা কৰা নাই কোনো বিস্ফোৰণ
কামনা কৰা নাই নিষ্পেষিত হৃদয়ক ভাল পোৱাৰ বাবে
তোমাৰ হৃদয় অথবা যকৃতৰ ভিতৰতে সূৰ্যোদয়

অথচ প্ৰত্যেক কবিৰেই ভাল পোৱাৰ ক্ষমতা আছে
মই জানো. অন্ততঃ ভাৰতীয় কবিৰ হৃদয়ত উৰি যায় অনন্ত
বিদ্ৰোহী বসন্ত

সনন্ত তাঁতি

২২১

# জোনাক ৰাতি তোমাক খোজ কাঢ়ি যোৱা দেখিছোঁ

শিল্পীবন্ধু জ্ঞানেন্দ্ৰ বৰকাকতি, ধ্ৰুৱ ডেকা, প্ৰণবেন্দুবিকাশ ধৰ,
আমিনুল হক, নৰেন দাস আৰু কমল পাটগিৰি প্ৰিয়বৰেষু

জোনাক ৰাতি তোমাক খোজ কাঢ়ি যোৱা দেখিছোঁ
জলফাইবনৰ ফালে
আহ বুকুখন মোৰ বিষায়!
বাৰুদে নষ্ট কৰিছে তোমাৰ সোণসেৰীয়া মাটি
জুৰিৰ জল-দপোণত তাহানিৰ দৰে আজি আৰু মুখ নেদেখি
তোমাৰ মুখৰ শোভা, তোমাৰ পৃথিবীৰ মুখ
ই কি তোমাৰ মুখত তেজ!

আহা, ফেদেৰিকো ফেদেৰিকো সিহঁতে তোমাক হত্যা কৰিলে

মই শুনিছিলো কিদৰে শোকত ভাগি পৰিছিল আন্দালুচিয়াৰ নাৰী
ওৰে নিশা তৰাবোৰে চাইছিল তোমাৰ মুখৰ ফালে
তুমিতো এটিবাৰো মেলি নাচালা চকু ঈশ্বৰে কিদৰে লজ্জাত ঢাকি ধৰিছিল মুখ
ফেদেৰিকো, ফেদেৰিকো পিয়ানোত আজি আৰু কোনে বজাব সেই সুৰ

সূৰ্যয়ো পঢ়িছিল তোমাৰ কবিতা। কাৰখানাৰ কাষেদি যাওঁতে ৰাতিপুৱা ক'লে
শ্ৰমিকবোৰেও শুনিলে তোমাৰ কথা
মোৰ শিল্পীবন্ধুসকলে হেনো আঁকিব এখন ছবি তোমাৰ ভাষাৰে
তুমি যে কৈছিলা— জয় কৰিব লাগিব মৰণৰ অনন্ত নীৰৱতাক

আহা, ফেদেৰিকো ফেদেৰিকো সিহঁতে তোমাক হত্যা কৰিলে

চিভিলগাৰ্ড, চিভিলগাৰ্ড
ইয়াতো আছে সেই হিমশীতল ভয়
জল, মাটি আৰু মানুহৰ কথা ক'লে কাটি পেলোৱা হ'ব জিভা
আহা মোৰ নিসৰ্গ চিত্ৰ, মোৰ ফলৰ বাগিচা, নাৰী আৰু শিশুৰ
সঁতে মোৰ বনগীতৰ মায়া
ফেদেৰিকো ফেদেৰিকো আহ, বুকুখন মোৰ বিষায়।

সমীৰ তাঁতী

২২২

# তোমালোকক মই দেখিছোঁ

তোমালোকক মই দেখিছিলোঁ বধ্যভূমিৰ মাজত
প্ৰাচীন শালগছৰ দৰে নীৰৱ আৰু কঠিন

সেই কথা ভাবিলে আজিও মোৰ বুকুত গৰ্ব উপচি পৰে

তোমালোকৰ সেই আপোচহীন যুদ্ধ আৰু অতুলনীয় সাহস
গোটেই আকাশজুৰি আবৰি আছিল
যেন কাহানিও সেও নমনা এক স্বাধীন পতাকা

মই চাইছিলোঁ তোমালোকৰ মুখৰফালে
তোমালোকে যেন কৈছিলা চিঞৰি চিঞৰি
পাশৱিকতাক জয় কৰিব লাগিব
মানৱতা আৰু গণতন্ত্ৰৰ হকে

সেই কথা ভাবিলে আজিও মোৰ বুকুত গৰ্ব উচপি পৰে

মই আজিও দেখোঁ সুদূৰৰ পৰা ধাননি আৰু নীল পাহাৰৰ চূড়াত
তোমালোকৰেই মুখৰ শোভা
তোমালোকৰ বিজয়ৰ গান

দোকমোকালিৰ ঘণ্টাধ্বনিৰ দৰে পৱিত্ৰ  সেই কণ্ঠ
মই আজিও শুনো
বিয়পি যায় চউপাশে চৰাইৰ  মাতৰ দৰে

বিদায় কমৰেড, আকউ দেখা হ'ব আমাৰ
এক নতুন পৃথিৱীত।

সমীৰ তাঁতী

# স্মৃতি আৰু স্বপ্ন



ৰিণি ৰিণি পৰিছে মনত
অতীতৰ মধু সোঁৱৰণী,
ল'ৰালিৰ ওমলা-জামলা
এৰি থৈ অহা ঘৰখনি.......

যতীন্দ্ৰনাথ দুৱৰা

২২৩

# ফুলকোঁৱৰ

## (প্ৰথম দৃশ্য)

ব’হাগী ৰাতিত শীতল পাটীত
আগ চোতালত শুই;
সোণ-বৰণীয়া জোনাকী পৰুৱা
দেখি ফিৰিঙতি জুই।
জোনাক নিশাত মলয়াৰ বাত
সাধুকথা শুনি শুনি,
শুলোঁ হৰিষত আইৰ বুকুত
কত কিবা যে গুণি গুণি।
দুখ সোঁৱৰণি অতীত কাহিনী
মনত পৰিলে হায়!
হিয়া তলি ফুটি হুমুনিয়া উঠি
হিয়াতেই মাৰ যায়।
সেই ল’ৰা কাল সুখৰ ভঁৰাল
ঘূৰি কি দুনাই পাম;
ঘূৰি কি দুনাই ল’ৰাকাল পাই
সাধুৰ মালিতা গাম?
সাধুত শুনিলোঁ শুনি ভোল গ’লো
বিমান ঘোঁৰাত উঠি,
শ্ৰীফুল কোঁৱৰে আহিল ৰঙেৰে
‘দিহিং-দিপাং’ ফুৰি।
পুৰণি কালৰ সেই মনোহৰ
সাধুটি পৰিছে মনে,
দূৰণি দেশত প্ৰবাসী ঘৰত
আজি মোৰ ঘনে ঘনে।

মাউৰা কোঁৱৰ দুখত ডাঙৰ
অযত্নত ডেকা হ'ল,
প্ৰিয় সহচৰ মন্ত্ৰী পুতেকৰ
লগত প্ৰবাসলৈ গ'ল।
"কাঠৰ পখী ঘোঁৰা জেউতি চৰিল
উৰি যাওঁ উৰি যাওঁ কৰিল,
ছমাহৰ বাটকে গৈ একেদিনে
বিশ্বনাথ নগৰত পৰিল"।

আনন্দচন্দ্ৰ আগৰৱালা

২২৪

# বলম

লাহে লাহে কত কথা মনোমাজে উদিছে,
অতীতৰ কত স্মৃতি অহা-যোৱা কৰিছে।

বলমৰ দলঙত,
বহি মই হৰিষত,
এদিন সন্ধিয়া বেলা নিজঞ্জাল মনেৰে
প্ৰকৃতিৰ শোভা চালোঁ অতি হাবিয়াসেৰে।

কত ল'ৰালিৰ কথা,
অভিমান মনোব্যথা,
সমনীয়া বন্ধু লগে ৰংমনে ফুৰিলোঁ,
কত খেলা খেলি দিন আনন্দত থাকিলোঁ।

অতি হৰষিত হই
সমনীয়া লগ লই
পথা লনি কানে নাচি বাগি ফুৰিলোঁ
একে একে একে সকলোকে সুঁৱৰিব ধৰিলোঁ।

এই বলমতে হায়!
লগৰীয়া পাই,
নাদুৰি-সাঁতুৰি কত শত বুৰ মাৰিলোঁ
কুলু কুলু কুলু মাত কতবাৰ শুনিলোঁ।

গাত ছকঠীয়া লই,
জাৰ কাতি কৰি থই,
মেজিৰ কাষত আহি কতবাৰ বহিলোঁ,
মাঘৰ বিহুৰ মেজি কতবাৰ দেখিলোঁ।

আৰু কত কিযে কথা,
লাগে যেন সাধু কথা,
পমি যায় হিয়া মোৰ বৰকৈ শুনিলে
আজিও হৰিষ লাগে সেইবোৰ শুনিলে।

নিজম জোনাক নিশা,
অথবা হেঙুলী উষা
বাঁহীৰ মধুৰ মাত উজাগৰে শুনিলে,
অথবা বীণাৰ ধ্বনি শ্ৰৱণত পৰিলে,

প্ৰবাসী ঘৰত থাকি
মানসী পটত আঁকি,
তোমাৰ পাৰৰ ধূলি—ধেমালিক ভাবিলে
শৈশৱৰ সোঁৱৰণি মনোমাজে জাগিলে,

নাই পোৱা তেনে হৰ্ষ,
যদিও অনেক বৰ্ষ,
নিলগে নিলগে আছোঁ আঁতৰত সুখেৰে
ইচ্ছা হয় পুনৰায় ফুৰোঁগৈ ঠগেৰে।

দৌল সাজি, নাদ খানি
লগৰী গোটাই আনি,
বালিমাহী খেদি যেন পুনৰায় লৰবোঁ,
সাঁতুৰি সাঁতুৰি যেন পাৰো মানে ভাগৰোঁ,

সোণালী ল'ৰালি কাল,
নাজানিলোঁ বেয়া ভাল,
ফুৰিছিলোঁ হাঁহি-মাতি মুকলিয়া মূৰেৰে,
বসন্তৰ পক্ষী যেনে দিন গ'ল সুখেৰে।

তেতিয়াৰ সেই ঘাট,
গছ-লতা, বালি বাট,
সকলো চিনাকি মোৰ ভাল লাগে দেখিলে,
মোকো যেন ভাল পায় গছ-লতা সকলে।

পুঁৱতী নিশাৰ হায়!
সুখৰ সপোন প্ৰায়,
আকাশৰ ৰঙা মেঘ এচপৰা যেনিবা,
সি সুখৰ দিন মোৰ গুচি গ'ল কেনিবা।

তেতিয়াৰে পৰা নই,
তুমি কিন্তু আছা বই
সান্ত্বনা আমাৰ তুমি পথাৰক কৰিছাঁ,
কাষৰ গাঁৱৰ তুমি উপকাৰ সাধিছা।

কত মাহ, বৰ্ষ কত
ক্ৰমে ক্ৰমে হ'ল গত,
তুমি কিন্তু একেদৰে ধীৰে বব লাগিছাঁ,
বতাহৰ লগ পাই ঢউ খেলা কৰিছাঁ,

পৰ্বত জীয়াৰী নই
ভৈয়ামত বই বই,
সজনে বিজনে কত লীলা খেলা কৰিছাঁ
কত পাৰ ভাঙি-পাতি ঘূৰি-পকি ফুৰিছাঁ।

গাঁৱৰ ওচৰ পাই
উলাহত ঠাই নাই,
এতিয়া বাৰিষা নাও কত তুমি বইছা
বেপাৰীৰ বেপাৰৰ সহায়তা কৰিছাঁ।

সন্ধ্যাৰ সমীৰ আহি,
উৰাই ফুলৰ পাহি
ভাগৰুৱা পথিকক প্ৰাণ জুৰি উৰিছে,
সন্ধ্যাৰ ৰাঙলী ছবি নই বুকে পৰিছে।

ইমান বছৰ গ'ল,
কত লৰচৰ হ'ল,
তুমি কিন্তু একে ভাবে কুলু কুলু ব'ইছা,
যত পাৰা সৰু মুখে বিভু গুণ গাইছাঁ।

লুইত নইৰ বান,
তোমাৰ লক্ষ্যৰ স্থান,
তালৈকে ধাউতি ৰাখি নিৰন্তৰ বইছা।
বাধা বিঘ্নি অতিক্ৰমি অবিৰাম চলিছাঁ।

মানৱ জীৱন হায়।
মায়া ডোলে বান্ধ খাই,
থাকিব কিমান দিন লক্ষ্যস্থান পাহৰি,
দুদিনীয়া ছায়াবাজীত ধেমালিত বাগৰি

তোমাৰ নিচিনা কই
আমাৰো জীৱন লই,
জগতৰ হিত সাধি, পাৰিমনে চলিব,
বিভুগুণ গাই শেষে অনন্তত মিলিব?

আনন্দচন্দ্ৰ আগৰৱালা

২২৫

# স্মৃতি

পৰেনে মনত সেই ৰিণিকি মনত পৰা;
মলয়া বায়ুৰ দৰে মুকলি মুৰেৰে উৰা;
চিনা-জনা নাই এৰো,
দেখা নাই কোনে কাকো,
আপোন মনেৰে দুয়ো আপুনি উমলি ফুৰা?

আছেনে মনত সেই হঠাতে এদিন গৈ
দেখাদেখি হোৱা দুয়ো কদম তলত সেই;
চকুত চকুটি পৰি,
আকৌ আহিল ঘুৰি,
হিয়াৰ কথাটি কিবা বেগত সলাই লৈ?

আছেনে মনত সেই চাবলৈ মন যোৱা;
ছল চাই ছেগ মাৰি লুকাই লুকাই চোৱা;
চাবল'কো মন যোৱা
চাবও নোৱৰা হোৱা,
চকুত পৰিলে চকু ঠাইতে তললৈ চোৱা?

আছেনে মনত সেই লাজত ৰঙাটি হোৱা;
আছেনে মনত সেই ঘনাই উশাহ লোৱা;
ঘনে ঘনে লাজ পোৱা,
আকৌ দুনাই চোৱা,
দুইৰো দুইকো চাই হেঁপাহ নুগুচা হোৱা?

আছেনে মনত সেই দেখি থাকি ভাল পোৱা;
অলপ নেদেখা হ'লে থাকিব নোৱৰা হোৱা,
একোতে নপৰে মন,
কিবা ছাটি—ফুটিখন,
কিবা বুলি কিবা কৰা ঘনাই বাটলৈ চোৱা?

আছেনে মনত সেই কিবা ভাবি ৰ' লগা,
কিবা ভাবি ভাবি সেই একেথিৰে চাই থকা;
আগ নাই গুৰি নাই,
ভাবোঁ মানে বাঢ়ি যায়,
ভাবোঁতে ভাবোঁতে সেই বেয়া লাগি ভাল লগা?

আছেনে মনত সেই দেখিলে উথলি যোৱা;
নেলাগে ওলাব বুলি যতনৰে ঢাকি থোৱা;
ৰঙৰ হাঁহিটি সেই,
বিৰিঙি ওলাই গৈ,
লাজ ওৰণিৰে আৰু ঢাকিব নোৱৰা হোৱা?

আছেনে মনত সেই মাতোঁ বুলি আগবঢ়া;
মাতিব নোৱাৰি পাছে ধৰা পৰি গুচি অহা;
ঘনেপতি আগবঢ়া,
ঘনেপতি ধৰা পৰা,
ঘনেপতি তাকে দেখি ঠাইতে মিচিকি হঁহা?

আছেনে মনত সেই প্ৰথমতে কথা কোৱা;
ওৱাপাতি লওঁতেই জ্বৰ ঘামে ঘামি যোৱা;
শুনি বেয়া লগাকৈ,
কম বুলি ভাবি থৈ,
ছটা-মুটাকৈ সেই কিবা বুলি কিবা কোৱা?

আছেনে মনত সেই নিজম যমুনা-ঘাট;
দুবৰিৰে ঢকা সেই যমুনা-দাঁতিৰ বাট;
বনৰ ধুনীয়া ফুল,
যমুনাৰ কুলকুল
দূৰৰ গাঁৱত মতা কুলিৰ শুৱলা মাত?

আছেনে মনত সেই যমুনাৰ গা—ধোৱা;
পানী-যুঁৱলিত বহি থাকোঁতে দুপৰ হোৱা;

বালিত পুখুৰী খানি,
লিৰিকি বিদাৰি পানী,
নভবা-নিছিগা সেই মিছামিছি কথা কোৱা।

ওপৰে আকাশ নীলা দেখি মন মোহ যোৱা;
তলত বননি শ্যাম দেখি চকু জুৰ হোৱা;
আছেনে মনত সেই,
যমুনা পাৰত গৈ,
ভালপাওঁ বুলি দুয়ো সৰল শপত খোৱা?

আছেনে মনত সেই পছোৱা বতাহ মৰা;
চাই থাকোতেই সেই থিতাতে আন্ধাৰ পৰা;
পছোৱা বতাহে পাই,
কেনিবা উৰাই লৈ,
ততালিকে সাগৰৰ দুয়োকে দুপাৰ কৰা?

আজিও যমুনা বয় কৰি সেই কুলকুল;
আজিও কুলিয়ে মাতে, ফুলে বনৰীয়া ফুল;
আছে সি যমুনা ঘাট,
দুবৰিৰে ঢকা বাট,
শ্যামল বননি সেই, সেই কদমৰ মূল।

এতিয়াও কেতিয়াবা সেই ঘাটলৈকে গৈ;
যমুনাৰ পানী চাওঁ শ্যামল পাৰত বৈ;
বহোঁ সেই বননিতে,
ফুৰো সেই বাটে বাটে,
শুদা লাগে মন, নাই আগৰ অমিয়া সেই।
নোৱাৰিলো পাহৰিব অতীতৰ স্মৃতি সেই;
কিবা দেখোঁ ভাল পাওঁ, ভাবি থাকি অকলৈ;
সদায় মনত গুণো,
নহয় সিদিনা পুনু,
য'তে আছা থাকা ভালে, কৰোঁ অভিলাষ এই।

চন্দ্ৰধৰ বৰুৱা

২২৬

# নাৱৰীয়া যায় ভটিয়াই

বসন্তৰ ফুল কুঁৱৰীয়ে
কোঁচ ভৰি মাধুৰী বিলায়,
উজনিত উলাহ বিলাহ
নাৱৰীয়া যায় ভটিয়াই।

ৰিণি ৰিণি পৰিছে মনত
অতীতৰ মধু সোঁৱৰণী,
ল'ৰালিৰ ওমলা-জামলা
এৰি থৈ অহা ঘৰখনি।

পদুলিৰ শেৱালি জুপিয়ে
শৰতত সৰি তল ভৰি,
এতিয়াও আগৰ দৰেই
চেনেহৰ বিলায় বাতৰি।

এতিয়াও পুৱাৰ কিৰণে
বাঁহনিৰ মাজে সুৰুঙাই,
জালিকটা ৰিহাৰ আঁচল
চোতালত পাৰি থৈ যায়।

কত কথা দূৰ অতীতৰ
একোখনি ধুনীয়া পটত,
নাচি নাচি দেখা দিয়ে পুনু
উটি যায় সোঁতৰ লগত।

সমুখৰ শৰালি হালিয়ে
জিলিকায় পাখি পোহৰত,
ৰংমনে মিলনৰ মেলা
পাঁতি দিয়ে পানীৰ মাজত।

পুৱাতেই ঘাটৰ কাষত
পানী লই কলহ ভৰাই,
গাঁৱলীয়া বোৱাৰী-জীয়াৰী
একেথৰে নাওখনি চায়।

বুকুভেদি এটি হুমুনিয়া
উঠে তাৰ অন্তৰ কঁপাই,
থাকোঁ থাকোঁ নোৱাৰে থাকিব
নাৱৰীয়া যায় ভটিয়াই।

দুপৰীয়া পৰেহি কাণত
উৰি অহা উলাহৰ গীত,
হাঁহি মাতি গাঁৱৰ ডেকাই
বালিভাত খায় চাপৰিত।

নাৱৰীয়া তলমূৰ কৰি
উটি যায় সোঁতৰ মুখত,
কোনে জানে কেতিয়া চাপিব
নাও তাৰ জিৰণি ঘাটত।

লাহে লাহে পছিমৰ পিনে
বেলিটিয়ে হেঁপাহেৰে চায়,
গৰু লই আবেলি বেলিকা
গৰখীয়া ঘৰলই যায়।

এৰি থৈ অহা মাতষাৰি
পৰে যেন কাণত দুনাই,
এবো খুলি নোৱাৰে এৰিব
সোঁতে তাৰ নাৱক কঁপায়।

ৰিহাখনি ডিঙিত মেৰাই
লখিমীয়ে সন্ধিয়া পৰত,
আথেবেথে চাকিটি জ্বলাই
সেৱা কৰে তুলসী তলত।

জিৰণিৰ পৰশ বুলাই
ধীৰে ধীৰে আন্ধাৰ নামিছে,
বিশ্ববীণ নীৰৱ নিমাত
আকাশত তৰা জিলিকিছে।

সপোনক আঁকোৱালি ধৰি
আপোনাক কৰি দিলি পৰ,
এতিয়াযে যাব অকলই
নাৱৰীয়া! ক'ত তোৰ ঘৰ?

জগতৰ চেনেহৰ সুৰে
ৰই ৰই মাতে ৰিঙিয়াই ,
নাও তাৰ চলিছে সোঁতত
সুদূৰৰ পোহৰ থিয়াই।

যতীন্দ্ৰনাথ দুৱৰা

২২৭

# সোণৰ সপোন

দূৰৰ পাহাৰ তুমি গহীন নিমজ,
ভাল পাওঁ নিলগৰপৰা ;
নাচাপোঁ তোমাৰ কাষ ভাগিব সপোন,
তুমি মোৰ মনেপতা দৰা।

আছে যদি খলা-বমা তোমাৰ বুকুত,
মই তাক চাবলৈ নাযাওঁ;
ভাল পোৱা যদি তুমি ৰাঙলী মেঘক,
মই তাত কথাটি নকওঁ।

নাচনী চপলা যদি আঁকোৱালি ধৰি
চুপি যায় তোমাৰ অধৰ,
প্ৰকাশি মনৰ কথা নিজানে নীৰলে
কবলই নাচাপোঁ ওচৰ।

যোতিয়া আবেলি মই নিজৰা সখীৰে
ফুৰি ফুৰোঁ বননি মাজত,—
কৰা যদি সম্ভাষণ নোৱাৰোঁ মাতিব
কথাষাৰি থাকিব প্ৰাণত।

নিলগে নিলগে যদি কোমল চকুৰে
চাই যোৱা মোৰ মুখলই,
নাপাবা বেজাৰ প্ৰিয়! আঁতৰি আঁতৰি
যাওঁ যদি তলমুৰা হই।

তোমাৰেই মেঘমুক্ত বিমল ছবিটি
আঁকি লই হৃদয়-পটত,

প্ৰণয় কুসুমে মই গুপুতে পূজিম,
কোনেও নাজানে জগতত।

যদিও বেলিটি থাকে কোটি যোজনত
পদুমীৰ তথাপি আপোন;
নহবা চঞ্চল প্ৰিয় আকৰ্ষণ কৰি
নাভাঙ্গিবা সোণৰ সপোন।

যেতিয়া মিলিবা তুমি নীলিমা বুকুত
মই হ'ম অনন্তত লীন
এটুপি চকুৰ পানী অসীম বিশ্বত
থই যাম চেনেহৰ চিন।

**শৈলধৰ ৰাজখোৱা**

২২৮

# মৰু-প্ৰবাসীৰ আক্ষেপ

দুপৰৰ চোকা ৰ'দ পাতলি আহিছে ধীৰে
মাৰ যায় আকুল পিয়াহ;
উগুল-থুগুল মন যাব খোজে পিছুৱাই
এৰি অহাখিনি যেন
পাবলই কতনো হেঁপাহ!

এতিয়া উলটি গ'লে পামনে সকলো বাৰু,
একেদৰে আছেনে সকলো?
জনমৰ ঠাই মোৰ আই-ভাই, বাই-ভনী,
পামনে সকলো তাতে,
য'ত মই এৰি আহিছিলোঁ?

দুখীয়া পঁজাত মোৰ নাছিল অভাব একো,
দয়া-ময়া সাদৰী বচন;
সৰগৰ সুধা যেন সাদৰী হাঁতৰ ভাত,
মন বুজি যাচি দিয়া
দুখীয়াৰ ক্ষুদ্ৰ আয়োজন।

দিনৰ ভাগৰ লই সন্ধিয়াৰ লগে লগে
উলটিলে ঘৰমুৱা হই,
দুখনি সাদৰী হাত, কতনো চেনেহী চকু
ৰই থাকে দুৱাৰত
হেঁপাহেৰে আদৰিবলই।

ঠেহ-পেঁচ অভিমান  অথলে নাযায় য'ত,
সলনিত মধুৰ বুজনি;
মৰি-পৰি যতনেৰে  মনৰ যোগান ধৰি
নকৰিলে শাঁত মোক
শৰীৰত নাথাকে তৰণি।
চেনেহত পমি যোৱা  কতনো ধুনীয়া চকু
ৰই থাকে চউপাশে মোৰ;
পাতলিলে অভিমান  কাষ চাপি সকলোটি
খেলৰ লগৰী হই
পাহৰায় দিনৰ ভাগৰ।

মোৰ যে দুখত দুখী  সুখত আনন্দময়
স্বাৰ্থহীন কৰুণা আধাৰ,
কতনো সৰল হিয়া  অযাচিত চেনেহত
আবৰি ৰাখিলে নিতে
পাহৰাই কঠুৱা সংসাৰ।

এতিয়া উলটি গ'লে  পামনে সকলো বাৰু
এৰিলোঁ যি কৰি অনাদৰ?
মৰীচিকা পাছে লৰি  আকুল পিয়াহ দেখো
দুগুণে উথলি উঠে,
আশা মোৰ নুপূৰে প্ৰাণৰ।

মৰুৰ মাজত হায়!  নেদেখোঁ শীতল পানী,
দেখোঁ মাথোঁ ৰূপালী ৰহণ;
চিকিমিকি জিলিকনি  দেখাত শুৱনী মাথোঁ,
চাপি আহি কাষ তাৰ
পিয়াহত বিয়াকুল মন!

বেলিৰ পোহৰ পাই ওপৰৰ বালিকণা
তুচ্ছ কৰি তলৰ তৰপ,
বাহিৰে জিলিকে মাথোঁ বুজিছে অন্তৰে তাৰ
নীৰস মৰুত পৰি
সহে কেনে নিদাৰুণ তাপ!

ধুমুহা এছাটি আহি ওপৰৰ বালিবোৰ
উৰুৱাই পুতিলে তলত,
তলৰ তৰপ উঠি দুদিন জিলিকি পিছে
পাই সেই একে দশা
ছাটি-ফুটি কৰে পিয়াহত।

ইয়াকে বিচাৰি হায়! নিজৰাৰ বালিকণা
আহিছিলো ভৰ দুপৰত!
এতিয়া উলটি গ'লে পামনে দুনাই মই
এৰি অহা থান মোৰ
চেনেহৰ নিজৰা বুকুত?

শৈলধৰ ৰাজখোৱা

২২৯

# পূৰ্বস্মৃতি

আজি গধূলিৰ
ভৰিৰ ধূলিত
চকুৰ পানীৰে তিতি,
আনিছোঁ মনলৈ মোৰ
তোমাৰেই সেই
পূৰ্বৰ হিয়া-নিয়া স্মৃতি।

পৰিছে মনত বসন্ত অন্তৰ সেই
ম্লান পৰা মোৰ
সন্ধিয়া পৰত জ্বলি
স্নিগ্ধ কৰা—
তোমাৰ সি দীপ্ত দুটি
চকু তৰা;
তৃপ্তি ঢালি অতৃপ্ত চকুত মোৰ
চকুৱে চকুৱে মিলি
হিয়া জুৰ কৰা
ঢেউ খেলি তড়িতৰ
মউ সৰি পৰা।

তেতিয়াও সৰল সুখীয়া মই
হোৱা নাই যৌৱন ঘোষণা,
ফুলোঁ নে নুফুলোঁ কই বেদনা উন্মুখী
উষাৰ নিচিনা।

তুমি যেন ভোটা-তৰা হৈ
সেই উষা সময়ত
দীপ্তি ঢালি হৃদযত
নৱ যৌৱনৰ মোৰ কৰিলাঁহি
প্ৰভাত সূচনা
চৰালাঁ যে তুমিয়েই শতমুখী
আৱেগৰ ৰঙা বগা ফিৰিঙতি ; —
প্ৰাণ দহি
উগ্ৰ উদ্দীপনা।

কি যে তৱ চকুৰ চাৱনি!
প্ৰাণে মোৰ নাপালে ঠাউনি।
বোধ হ'ল তুমি মোৰ
কোন নন্দনৰ পুৰ।

বননি কঁপাই ফুলনি ফুলাই।
বিৰহেৰে ভৰপূৰ
ৰহস্যৰ চিৰ নব
কিবা এটি সুৰ,
যৌৱনৰ ছিদ্ৰ ধৰি বাজি উঠা
জীৱনৰ চিৰ সুমধুৰ।

**ৰত্নকান্ত বৰকাকতী**

২৩০

# মোৰ গাঁও

আজি এই যৌৱনৰ শেৱালি বনত পৰি
সুশীতল শেতেলীখনিত,
বনৰ ছায়াঁৰ দৰে কত স্মৃতি আহে যায়
মনৰ মাজত মোৰ, কত অশ্রু-আনন্দজনিত!
কমাৰফদীয়া! এই সৰু গাঁওখনি মোৰ
ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ;
ইয়াতে শৈশৱ-লীলা, ইয়াতে এদিন মোৰ
কোনোবা শৰত ৰাতি, যৌৱনৰ ধীৰ জাগৰণ!
দুটি চকু মেলিয়েই ইয়াতে পোনতে দেখোঁ
বিনন্দীয়া সৃষ্টিৰ পোহৰ;
ইয়াতে পোনতে ভাগে আবেগৰ মুৰ মোৰ—
মোৰ আই, বাই, ভনী সকলোটি কেনে হেঁপাহৰ!
লগৰ লগৰী স'তে ইয়াতেই পোনতে
হইছিল হিয়া দিয়া-দিই,
বুকুৰ বওহে স'তে ডিঙিত সাবটি ধৰি
হায়, কত চেনেহেৰে হইছিল কথা কোৱা-কুই!
পুহৰ জাৰত থই গাৰ 'ছকঠীয়া'খনি
মেজি-খৰি গোটালো কতনা;
পথাৰে পথাৰে লৰি গৰু-যুঁজ চাই চাই
কত ৰঙ লভিছিলোঁ, নাই আৰু আজি সেই দিনা!
সৰু গাঁওখনি! তোক কত ভাল পাইছিলোঁ!
ভাল পাওঁ আজি শতবাৰ;
মোৰ জন্ম জন্মান্তৰ কত স্মৃতি আজিও যে
কত যে যতন কৰি আছ লই, যেন আপোনাৰ!
সেই যে অযুত কথা, মোৰ হৃদি-শোণিতেৰে
ধুই ধুই নতুন নিতউ,
নতুন সি জোন বেলি, নতুন সি গছ-লতা,
সেই সকলোকে লই ন মোৰ শৈশৱ আকউ!

গহীন দিখউ নই আজিও বৈছে ধীৰে,—
কত দিন গইছে উকলি!
মোৰ কত লগৰীৰ চিতাৰ জুইৰে হায়
এদিন ইয়াৰ পাৰ হৈ গ'ল ধুৱলি-কুঁৱলি!!
সেই গাঁও, সেই দিন, গ'ল আজি সকলোটি
একেলগে সকলো হে্ৰাল;
আগৰ সকলো আছে, তথাপিও কিবা যেন
কাঁহ পৰি জীণ যোৱা, সকলোটি নিমাত-নিতাল!
ভাওনা-সবাহ পাতি ডেকাল'ৰা সকলোটি
জুমে জুমে নুফুৰে বাটত,
চাপিলে বিহুৰ কাষ গাঁৱৰ গাভৰু ডেকা
নহয় পুনৰ কিয় মতলীয়া ঢোলৰ মাতত!
বিশ্বৰ সৌন্দৰ্য-খনি! জন্মভূমি তই মাথোঁ
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া;
ওলায় চকুলো মোৰ, দেখিলে আগত তোৰ
বুকুৰ সৌৰভ যত কাল আহি কাঢ়ি লই যোৱা।
আগৰ নিচিনাকই গঞাৰ মাজত আৰু
নাই সেই বান্ধ সমাজৰ,
মিলাপ্ৰীতি-একতাৰ জকা মাত্ৰ অৱশেষ
কূৰ্চুট-কপট মাথোঁ সকলোৰে ৰজা হৃদয়ৰ।
জাতীয় উছৱ আদি কোনো ৰঙ-ধেমালিতে
নাই প্ৰাণ আগৰ সিদৰে,
ধনকে মাথোন চিনি মৰম নিচিনা হ'ল,
ধনেই কেৱল হ'ল দয়া-স্নেহ মূলতে সবাৰে।
তাৰে লগে লগে হায় দাৰিদ্ৰ্যই বিন্ধিছেহি—
খাবলই বছৰ জোৰাই
নাটে দেখি, লাহে লাহে এঘৰ-দুঘৰ কই
উঠি গই গঞালোক ফুৰিছেগে' অনাই-বনাই।
হয়তো দুদিন পাছে এই গাঁও, এই বাৰী,
গুচি হ'ব নতুন পাতনি;

তেতিয়া, তেতিয়া মোৰ এই গাঁও, এই স্বপ্ন,
হ'ব নেকি সঁচাকৈয়ে সকলোটি এথানি-এবানি।
চেনেহৰ গাঁও মোৰ! যদি দুদিনীয়া হই
বহুদিন আছো প্ৰবসুৱা,
ব্ৰহ্মাণ্ডত চালি-জাৰি ক'তো হ'লে পোৱা নাই
এদিনৰ কাৰণেও, সৰলতা আজি তেনেকুৱা।
জগতৰ চাৰিফালে উন্নতিৰ উঠি ঢউ
দিছে আহি সিমান ধুৱাই,
সিমানে আঁতৰি যায় এই হেঁপাহৰ ধন।—
কোনে পুনু আনি তাক দিব মোক ওচৰ চপাই?
'আই' বুলি, 'ভাই' বুলি, 'ককাই', 'দেউতা' বুলি
সকলোৰে ডিঙিত ওলমি
যিবা সৰলতা শিক্ষা কৰিছিলো তাহানিয়ে,
তোৰ বুকুৰেই বান্ধ, সৰগৰ মৰমত পমি;
সেই শিক্ষা আদি মোৰ, সেই শিক্ষাতেই শেষ,
সেই শিক্ষা সবাৰে শিৰত;
সভ্যতাৰ মুখা পিন্ধি মানুহক ভুৱা দিয়া
জগতৰ মিছা শিক্ষা থক তাৰ চৰণ-তলত।
আৰু এশবাৰ ক'ম, এশবাৰ পাম ভাল
তোক মোৰ চেনেহৰ গাঁও!
জনমে জনমে মোক তোৰ সৰলতা সানি
দে এই দুচকুত, জগতক প্ৰাণভৰি চাওঁ।

ডিম্বেশ্বৰ নেওগ

২৩১

# বিৰহ

এই আকাশক ঢাকি আহিব ডাৱৰ
অতি ঘন ঘোৰ,
লুকাব তিমিৰ ফালি
কিৰণ-কণিকা ঢালি
ৰাশি ৰাশি তৰা,
প্ৰলয়ৰ জঁটাৰে আবৰা
বিশ্ব-বিৰহৰ মহাদেৱে
বিজুলী-ত্ৰিশূল লই
থমকি নাচিব ঠেৱে ঠেৱে।
এই পৰভাত
গমনৰ ফৰকাল বাট
উঠিব সাপৰ দৰে কেৰমেৰ কৰি
ফুলি ৰ'ব ঘাঁহবন ফুলৰ বাবৰি
বনৰীয়া আভাসেৰে।
মনক মেৰাই বিস্ময়েৰে।
চিত্ত যাব কদমৰ ফুল
তাত ৰ'ব ৰুদ্ৰৰ ত্ৰিশূল
খন্তেক কুণ্ঠিত হই
তেজৰ নিচানখনি থই।
পছোৱাৰ বতাহত কঁপি উঠা পাতে
কই যাব এদিন ইয়াতে
কাৰোবাৰ বাঁহী বাজি উঠি চিৰকাললই লীন গ'ল
তাৰ স্বপ্ন ৰ'ল।
এদিনৰ সোণোৱালী বেলি
ৰঙীন আশাৰে ভৰা হৃদয় দুৱাৰখনি বাৰে বাৰে ঠেলি
পশ্চিমাচলত মাৰ গ'ল,
তাৰ সোঁৱৰণী লৈ বাৰিষাৰ উদ্দাম কল্লোল
গগনে গগনে ঘোৰ ক'লা ছবি আঁকি
বিৰহ-চকুলোবোৰ মাটিৰ বুকুত দিব বাকি।

কমলেশ্বৰ চলিহা

২৩২

# টীয়ক

শান্ত, শীতল, মধুৰ বিমল
বৈ আছা মোৰ শুৱনি নৈ,
কিমান কালৰ, কিমান ভাৱৰ
কথা তুমি আছা সদায় কৈ,
ব্যক্ত নোহোৱা, সুৰদী কবিতা
সুৰতে তোমাৰ বুজিছো মই,
কুলুকুলু ৰবে, মন প্ৰাণ হৰি
একেটি সুৰেৰে আহিছা বই।
যেতিয়াই তুমি যিটো ৰূপ ধৰা।
তাকেই সদায় দেখিছো ভাল,
নিজ শকতিৰে কৰ্তব্য সুঁৱৰি
লুইতৰ সুৰতে ধৰিছা তাল।
গাঁও ভুঁই ঢাকি পানীৰে তোমাৰ
খণ্ড প্ৰলয় যেতিয়া কৰা,
তেতিয়াও মই ভাল পাওঁ হেৰা
বিপদেই কৰে সম্পদ চৰা,
কোনো খৰালিত' বালি মাথোঁ থাকে
জিৰ জিৰ কৰি এসুঁতি বয়,
তোমাতে বিচাৰে তথাপিও পানী
—তেতিয়াও দেখো তোমাৰে জয়।
আবেলি, গধূলি, পুৱা তিনিবেলি
গাঁৱৰ লখিমী কলহ লই,
নিজ নিজ বাটে তোমাকে উদ্দেশি
যায় কত কথা তোমাৰে কই।
আজি কত দিন পাৰ হৈ গ'ল
এতিয়াও আছে মনত মোৰ,
হাতেৰেই খানি বালিত পুখুৰী
বুকুৱাই দিয়া কলহবোৰ।

তোমাৰ পাৰৰ বহল চাপৰি
সুন্দৰ অতিকে আপোন ঠাই,
চাপৰিত চৰা গৰু ছাগ
চিনে যেন মোক আপোন পাই।
তোমাৰ পাৰৰ এজাৰ গছৰ
মনোমোহা সেই ৰাঙলী ফুল,
এই জনমত কেনেকে পাহৰো
জীৱনত যদি নহয় ভুল।
দেশ বিদেশৰ পৰা ঘূৰি আহি
পালেহি তোমাৰ চিনাকি পাৰ,
অজান ভাবত হিয়া নাচি উঠে
শত ভাবনাই মানে যে হাৰ;
মনত পৰিছে জোনালী নিশাৰ
তোমাৰ পাৰৰ মধুৰ মেল,
গীতৰ লহৰী স্মৃতিত বাগৰি
আহি যেন মাৰে বুকুত শেল।
সি মধু কণ্ঠ কাল সাগৰত
অকালতে হায় ওপঙি গ'ল,
আপোনজনক জলা-কলা কৰি
দুখ-বেজাৰৰ স্মিৰিতি ৰ'ল।
কাল সাগৰৰ সোঁতত ওপঙি
কোন ক'ত আজি আছোঁবা নাই,
তোমাৰ পাৰৰ মধুৰ মেলৰ
স্মৃতিটি কিন্তু থাকিব হায়।
তুচ্ছ ভাবেৰে সৰু নৈ বুলি
কতই তোমাক চায়ো নাচায়,
পৰৰ জননী চিনিও নিচিনে
নিজ জননীৰ চেনেহ পাই।
মইতো তোমাক নোৱাৰো নিচিনি
তুমি যে মোৰ আপোন অতি,
লুইতৰ সৰু চেনেহী জীয়ৰী

সঙ্কটি হ'লেও বৰত ৰতি।
তোমাৰেবা কত গৌৰৱৰ দিন
উটি গুচি গ'ল কোনেনো ক'ব,
সিদিনাৰ মাথোঁ বুৰঞ্জী পাতত
কালৰ লিখনি কিমান ৰ'ব?
জয়ধ্বনি কৰি নিজা নৃপতিৰ
কতবা সৈনিকে পথালি পাৰ,
মহা আটোপেৰে পাৰ হৈ গ'ল
চমকিত কৰি পাৰৰ গাঁও।
ভৰিত যদিও শুকালে তোমাৰ
বৈ বৈ যোৱা ফটিক জল,
বীৰৰ চৰণ পৰশ সুখত
দুখ দুৰ্গতিৰ পৰিল তল।
নোৱৰা সহিব বেজাৰৰ বোজা
যৌৱন কালতো তটিনী তুমি,
নীচ মতি যায় যেতিয়া সিদৰে
কলঙ্কিত কৰি জনমভূমি।
দুখত সুখত দেশ বিদেশত
নেপাহৰো মোৰ শুৱনি নৈ,
প্ৰৱাসৰ দুখ আঁতৰাই দিওঁ
তোমাৰ কথাটি নিজক কৈ।
যাক দেখিলেই সংসাৰ ভাৱনা
জীৱন মৰণ পাহৰি যাওঁ,
যাৰ মাত শুনি বুকু উঠে ফুলি
সৰগৰ সুখ ইয়াতে পাওঁ।
অতদিন যাৰ ডৌকাৰ আঁৰত
পোৱালিৰ দৰে কটালো কাল,
নুবুজিলো যাৰ মৰমৰ গুণে
সংসাৰৰ দুখ মায়াৰ জাল।
সেই মৰমৰ সাঁফুৰাটি আনি
তোমাৰ পাৰতে কৰিলো শেষ,

অন্ত পৰিল আমাৰ কাৰণে
সহিবলগীয়া সকলো ক্লেশ।
বৰফৰ দৰে গোট মাৰি গ'ল
চকুৰ লোতক সিদিনা ৰাতি,
বুকুৰ কঁপনি বুকুতে মৰিল
শিল যেন বুকু পৰিল ফাটি।
বজ্ৰাহতৰ শৰীৰৰ দৰে
ঠৰ হৈ ৰ'লো চকুৰে চাই,
কি ৰূপে দহিলে শুৱনি শৰীৰ
তোমাৰ পাৰত সিদিনা হায়!
মাক বাপেকৰ একেটি ৰতন
আপোন জনৰ বুকুৰ ধন,
তোমাৰ পাৰতে থলো এই হাতে
পাহৰিব জানো, ভাবুক মন?
যাৰ নিৰ্বিকাৰ বুকুত ইদৰে
অতি আপোনকো আহিলো থৈ
সুখত দুখত পাই আছো সদা
কিদৰে পাহৰো তোমাক নৈ!
জনা নাই হেৰা আজলী তটিনী
তুমি যেনে দৰে বৈছা আজি,
টীয়কৰ সেই বহল চাপৰি
বিদাৰি অতিকে ৰঙত সাজি।
সেইদৰে মোৰ হিয়া চাপৰিৰ
মাজেদি তোমাৰ এসুঁতি বৈ,
য'তে থাকো লাগে যেনেকি ভাৰত
তোমাৰ কথাটি থাকিব কৈ।
জানা বা নাজানা তুমি সৰু নৈ
সংসাৰত মাথোঁ তোমাকে জনা,
আছে কত জন আছিলে বা কত
তোমাকেই অতি আপোন মনা।
পৰা নাই মই ভাবেৰে ব্যক্ত

কৰিব তোমাত কিমান ৰতি,
ভাষাৰ ছন্দে তোমাৰ গৰিমা
গাইছো যদিও হেঁপাহে অতি।
কত শত জনে হিয়াৰ ছন্দে
বন্দে তোমাক চকুলো ঢালি,
গাই চিৰকাল তোমাৰ মহিমা
নহয় মাথোন, আজি বা কালি।
মোৰ দৰে এটি ক্ষুদ্ৰ মানৱে
গাওঁ বা নেগাওঁ তোমাৰ গীতি,
যুগ-যুগান্তৰ গাই আছে গাব
অন্ত নোহোৱা সঙ্গীত সিটি।
খোজা নাই মই তোমাক তটিনী
অমৰ কৰিব কবিতা লেখি,
মোতকৈ তুমি এনেয়ে অমৰ
জানো সি সত্য শুনিবা দেখি।
নেথাকা যদিও চিৰকাল, কিন্তু
বহুকাল দিবা ধৰাত থিত,
কোনোবা কবিয়ে তোমাৰ পাৰত
লিখিবও পাৰে তোমাৰ গীত।
তেতিয়া কবিক তোমাৰ ভাষাৰে
দুৰাশাৰ কথা জনাবা মোৰ,
লিখো বুলি লৈ দুৰ্ব্বল ভাষাৰে
কিদৰে ভাবৰ ভাঙিলে ঠোৰ।
তেতিয়া কবিয়ে গাঁথিব তোমাৰ
মহিমা বখানি কবিতা মালা,
ভাবৰ ভাষাত ছন্দ ফুলেৰে
মোহি বীণাপাণি ত্ৰিদিব বালা।

বিনন্দচন্দ্ৰ বৰুৱা

২৩৩

# ৰংপুৰ

ৰংপুৰ। ৰংপুৰ।
ৰং ৰসে ভৰপূৰ
ৰঙেৰে ৰাঙলী ৰং চৰা,
পথিকৰ মন প্ৰাণ হৰা
ৰংপুৰ ৰঙৰ নিজৰা,
আছে তাত ৰঙৰ সঁফুৰা।
ৰূপহীয়ে দিনে ৰাতি,
ৰূপ যেন পানী ছাটি,
নগৰৰ পৰা নিয়ে বৈ,
কৰ ভাৰ লয় বৰ নৈ
আদৰি সাদৰি অতি কৈ।
শাৰী শাৰী সৰোবৰ,
পদুমেৰে মনোহৰ,
পানী যেন ফটিকৰ ধাৰ,
গুণ গুণ তাতে ভোমোৰাৰ,
সুধুৰৰ মধুৰ সম্ভাৰ।
আহল বহল আলি,
ইটাৰ সেন্দুৰ ঢালি,
বুকু পাতি আছে পৰি পৰি,
স্বৰ্গদেৱে দিয়ে তাতে ভৰি,
লেখ নাই কোঁৱৰ-কুঁৱৰী।
ৰাজ-ফুলনিৰ ফুল,
নাচোনত বিয়াকুল,
কুঁৱৰীৰ খোপাৰ ভূষণ,
গাভৰুৰ আদৰৰ ধন,
নগৰৰ ৰূপৰ ৰহণ।
পদুলিৰ ফুলা ফুল,-
ডেকা গাভৰুৰ থুল,

তেজে গাল ফুটো ফুটো কৰে,
নগৰৰ তাতে ৰূপ চৰে,
আন শোভা কোনে লেখ ধৰে।
ৰংপুৰ ৰংঘৰ,
ৰঙেৰে ৰঙালী বৰ,
ৰঙালী বহাগ বিহু পালে,
বিহুৱাই বিহু নাম গালে
হাত-চাপৰিৰ তালে তালে।
যুঁজে ম'হ যুঁজে হাতী,
দোপনিত ফাটে মাটি
বিষয়াই মেলে আনি শেণ
সাৱধানে চাই দিন খেণ,
স্বৰ্গদেৱে ৰঙ পাই যেন।
ৰংঘৰে ৰং কৰি,
বোকোচাত শাৰী শাৰী,
দেৱ যেন মৰত বিহাৰি,
তুলি লয় কোঁৱৰ কুঁৱৰী
গৰৱত আপোন পাহৰি।
সৈনিকৰ দলদোপ,
ফুটে ঘনে বৰটোপ,
শতৰুৰ পালে মানে গম,
অসমত নাই যাৰ সম,
ৰঙৰ মাজতো থাকে যম।
ৰংপুৰে ৰং কৰি
শকতিৰ গুৰি ধৰি,
শাসিলে অসম অসমীয়া,
ৰংপুৰ নহয় দুখীয়া,
নাই তাৰ কোনো সমনীয়া।
শদীয়া শৰাইঘাটী,
ৰংপুৰে মেলি ছাতি,
কত যুগ ৰাখিলে আবৰি
বুকুৰ শোণিত শেষ কৰি,

ৰংপুৰ অতিকে সাদৰী।
একে ঘাটে বাঘে ছাগে,
পানী খাই ভাগে ভাগে,
সবলৰ মিছা অহংকাৰ,
দুৰ্বলৰ নাই হাহাকাৰ,
ৰাজ দাঁৰি সমান সবাৰ।
ভিতৰে বাহিৰে গড়,
অসীম শকতি ধৰ,
মাজত কাৰেং থাকে তাৰ,
কাৰ সাধ্য সীমা হয় পাৰ,
অনুমতি বিনা বিষয়াৰ।
এনে ৰংপুৰ আজি,
দীন হীন বেশে সাজি,
কাৰেঙৰ অৱশেষ লৈ,
হাবি-গড়ে অৰক্ষিত হৈ,
পথাৰত আছে মাথোঁ ৰৈ।
ৰংঘৰে তুলি শিৰ,
বেজাৰতে ধীৰ স্থিৰ,
আছে আজি গণি মাথোঁ কাল,
ভাবি সংসাৰৰ মায়া জাল,-
সুখ দুখ আহে পালে পাল।
ৰূপহী শুকাই গ'ল,
বুকুখনি উদি হ'ল,
ঢাকিলে শৰীৰ দলে ঘাঁহে,
ফটিকৰ পানী আৰু নাহে,
বিহমেটেকাই দেখি হাঁহে।
পথাৰ পিটনি হ'ল,
নগৰ মৰহি গ'ল,
কাৰেঙে কুটিৰ বেশ ধৰি,
আছে যেন জীয়াতেই মৰি,
নৰ-নাৰী নাহে ভয় কৰি।

এককালৰ বৃন্দাবন,
একালত পৰে চন,
নিয়তিৰ এনুৱা বিধান,
বুৰঞ্জীয়ে দিয়ে সমিধান,
ক্ষণস্থায়ী মান-অপমান।
কালৰ চকৰি ঘূৰি,
উঠা-নমা দুটি কৰি,
জগতক আহিছে চলাই,
আদি অন্ত তাৰ কোনে পাই?
ক্ষন্তেকতে আছে আৰু নাই।
জহি পমি মৰে কবি,
বেজাৰৰ দেখি ছবি,
অৰি তাৰ নিজে সৃষ্টি কৰ,
দিলে তাক শক্তি ভাবিবৰ,
নভবাৰ বেজাৰ কিহৰ?

বিনন্দচন্দ্ৰ বৰুৱা

২৩৪

# গড়গাঁও

গড়গাঁও, গড়গাঁও কথা শুনি তল যাওঁ
বাট দেখি পিছলেযে পাব;
দিখৌৰ সোঁতত যোৱা, ভটিয়নী বল পোৱা
উভতিব খোজে মাৰ-নাও;
ওচৰতে দেখি গড়গাঁও।

ওলট্-পালট্ দেশ, কথাৰে নহয় শেষ,
কটাৰীৰো ডাবে তাৰ কাটে;
বাঘ-গৰু হালে হালে, একে ঘাটে পানী খালে,
নগৰৰ দেও—লগা ঘাটে;
দেও তাত ফুৰে হাটে বাটে।

বিদেশীৰ চকু থিৰ, স্বদেশীৰ ওখ শিৰ,
দেও-লগা মানুহৰ দেশ;
উজুটিত ভাগে দাঁত, কোঢ়ালত হৰে মাত,
অহা-যোৱা নাই তাত শেষ;
জনে জনে ভিন্ ভিন্ বেশ।

সকলোৰে আছে কাম, নোহোৱাৰ নাই নাম,
কাপুৰুষে সদা পাই লাজ;
নাই দিন, নাই ৰাতি, নাই পানী, নাই মাটি,
আদেশ মাথোন হয় 'সাজ';
ইচ্ছা যেনে স্বৰ্গ মহাৰাজ।।

বিলত নগৰ হয়, নগৰত নৈ বয়
ঢোদে তাত বান্ধে ৰাজআলি
কাৰেঙৰ দেও-ইটা, শিল যেন চটা চটা
গাঁথে তাত হাঁহকণী ফালি
বনুৱাৰ নিছিগেই লালি।

শাৰী শাৰী চোংঘৰ, দাঁতিত মাটিৰ গড়,
আছে ভৰি সেনা জাক-জাক;

একেৰাহে দিন-ৰাতি, চন্তৰী বাব খাটি
নগৰত মাৰে ঘনে পাক;
সৰু বৰ বুলিবানো কাক?

পুৰঠ ভীমৰ কায়, ভ্ৰান্তি অকণো নাই,
যুঁজৰ কুকুৰা যেন দেখি,
কুহুম-বুলীয়া পাগ, শিৰে স'তে কৰে আগ,
ৰজাক জীৱন দিলে লেখি,
বৰ ভাল লাগে সাহ দেখি।

একে একে সকলোটি, বান্ধে গড়, খানে মাটি,
জাঁত জাঁত মাৰে বৰ নাও;
ব'ঠা নাই, আছে হাত, দা নাই, আছে দাঁত,
এনে সেনা ৰাখে গড়গাঁও,
সেই দেখি শুনি তল যাওঁ।

যুঁজৰ বাতৰি পালে, হেংদান তুলি ল'লে
জাকে জাকে বাঢ়ি গ'ল আগে;
ল'লে ঘোঁৰা, ল'লে হাতী, হিলৈ, বৰছা, যাঠি,
যাৰ যেনে আছে পতা ভাগ;
শাৰী শাৰী দেখি মাথোঁ পাগ।

গিৰিপ্ গিৰিপ্‌কৈ গড়গাঁও পাৰ হৈ
যায় সেনা হৈ-ধ্বনি কৰি;
ভৰিত শুকায় নৈ, শিল যায় ধূলি হৈ,
বসুমতী যায় যেন লৰি,
ৰণচালি কোবে কোবে চৰি।

ঢোলত চাপৰ মাৰে, ডবাত একোব পৰে,
ভোৰতালে খাওঁ খাওঁ কৰে;
মূৰত মথুৰা পাগ, বিষয়াটি বাঢ়ে আগ,
ৰণুৱাই ৰণচালি ধৰে;
গড়গাঁও টল্‌মল কৰে।

বেৰে-ছালে আছে কাণ, গড়গাঁও নোহে আন,
দ্ৰোহিয়াৰ মূৰ কটা যায়;
ৰজাৰ কুশল হকে, প্ৰজা আহি বলি যাচে,
নিজ নিজ দেহাটি শোধাই;
এনে ৰজা পাবলৈকে নাই।

ৰাজসভা কিনো চাবা, স্বৰগ হাতত পাবা,
চাই চকু জল্-মল্ কৰে;
পিতলৰ দাপোণত, এটি মাথোঁ মানুহত
চাৰি-পাঁচ গোট হৈ পৰে;
দেখি বুকু ঘনকৈ লৰে।

জালি কটা সুৰুঙাই, ভয়ে ভয়ে সুমুৱাই
বেলিয়েও পোহৰৰ ছাটি;
বাৰৰ ফুলত পৰি, বতাহত লৰি লৰি
ওৰে দিন দিয়ে ভাগ খাটি
যাব পাৰে আহিলেহে ৰাতি।

শাৰী শাৰী থাকে পৰা পাটী-খেৰ থঙা-ঢৰা,
মানে মানে বহে মানখোৱা;
কটকী দুৱৰী থাকে, ডাং ধৰা জাকে জাকে,
ৰাজসভা চালে চকু-ৰোৱা;
আছে কত অহা আৰু যোৱা।

স্বৰ্গদেৱ মহাৰাজ, পিন্ধিলে ৰজাৰ সাজ
সোণ-চৰা সিঙ্খাপ চোলা;
হাতে তুলি হেংদান দেশৰ ৰাখিব মান,
জুৰি বহে আসনৰ কোলা;
—সুকোমল কপাহৰ জোলা।

দেশৰ বাতৰি লৈ, কটকী চোৱাৰী গৈ,
আঁঠু কাঢ়ি সেৱাৰে জনালে;
মন্ত্ৰণা-সভা কৰি, দণ্ড হাতত ধৰি,

ৰাজ-কাজ সকলো কৰিলে;
ৰাজসভা জিলিকি উঠিলে।।

সপোনৰ শেষ ৰাতি, গড়গাঁও গ'ল উটি,
কাল-সাগৰত ঢৌ খেলি;
কোনো জনে সাৰ পায়, কোনোৱে উভতি চায়
একেথৰে আছে চকু মেলি;
ভাগে মোহ দিলে লোকে ঠেলি।

গড়গাঁও আজি তাত, জিলিৰ শুনিবা মাত,
ভাবি চালে পিছলিব পাৰ;
নোলটেও, ভয় নাই, দিখৌৰেদি যোৱা নাই
ভটিয়নী সোঁতে মাৰ-নাও;
ভাবি ভাবি বিচূৰ্তিযে খাওঁ।

নাই সেনা, নাই হাট, নাই পানী, নাই বাট
নাই ৰজা, ৰাজসভা তাত;
কাৰেঙৰ চিন আছে, দেৱে তাত ৰাতি নাচে,
মৰণৰ মেলা আছে তাত;
গড়গাঁও পৰি গ'ল শাঁত।

শ্মশান-বলিয়া কৰি, শোকৰ বিচাৰি ছবি,
আছে তাত বহি ৰাতি-দিন;
হুমুনিয়া এটি পাই, বতাহেও লৈ যায়,
তাকে আনি দিয়ে মাথোঁ চিন;
বাকী সকলোটি কালে লীন।

পগলা কবিৰ গাত, মাৰে যেন চাট্ চাট্
কাৰেঙৰ ইটা খহি আহি;
শ্মশান বিচাৰি ফুৰা, লাগে মাথোঁ জুইকুৰা,
থাকিবযে নোৱাৰে সি নাহি;
শ্মশানতো ফুলে ফুলপাহি।

বিনন্দচন্দ্ৰ বৰুৱা

২৩৫

# হাফিজ আৰু মই

মনত পৰিছে যেন ময়েই এদিন
পাৰস্যৰ পৰিমল মদিৰাৰ ধাৰ—
অতৃপ্ত ৰসনা লই কৰিছিলোঁ পান,
কুল্‌কুল্‌ সঙ্গীতেৰে মোহিছিলোঁ প্ৰাণ!

খায়েম-হাফিজ যেন আছিলোঁ ময়েই,
দীঘল-দৰীয়া বেশ, মুদা মুদা চকু
সপোন কুঁহেলিসনা মুখৰ বৰণ,
প্ৰেমময় আবেগত উল্লসিত মন?

ছোৰাই বাগৰি থকা আঙ্গুৰ ৰসৰ
গুলপীয়া ৰহণত মতলীয়া হৈ,
গছে পাতে, বনে-বনে দেখিছিলোঁ যেন
এই যায় আবেগৰ এনে এটি খেন?

আনাৰকলিৰ যেন গঠন এটিত
দেখিছিলোঁ ৰহস্যৰ সাগৰ এখন!
অদৃশ্য জনৰ যেন কথাটি মনৰ
আছিল একোটি ৰেশ প্ৰিয়া সঙ্গীতৰ?

ময়ে যেন চিৰাজীত ৰাগী মিহলাই
কবিতাৰ কোমলতা দিছিলোঁ বিলাই।

আনন্দচন্দ্ৰ বৰুৱা

২৩৬

# ডিহাৰ স্বপ্ন

১

তৰুলতা স্তব্ধ।
জিৰ্ জিৰ্ শব্দ
সৰু সৰু ধ্বনি লৈ
বননিতে মুগ্ধ।

২

নিঃসময় বন।
কিশলয় ঘন।
গছে গছে আছে যেন
গীতি অভগন!

৩

বাল্মীকি কবি
তাতে যেন বহি
মনে মনে আঁকি আছে
জানকীৰ ছবি!

৪

টোপ্ টোপ্‌কৈ
অশ্ৰুৰ নৈ
জানকীৰ বেথা লৈ
আছে যেন বৈ!

৫

সেইখনি মোৰ
স্মৃতি ভৰপূৰ
মৰমৰ ডিহা-কোষ
দিঠকৰ ওৰ!

৬

প্ৰাণ-দেৱতাৰ
মিহি কবিতাৰ
মৃদু মধু লয় ভৰা
তাতে অভিসাৰ।

৭

সাত সুৰ ছুই
সাত নৈ ধুই
জ্বলিছিল তাতে মোৰ
প্ৰথমৰ জুই!

আনন্দচন্দ্ৰ বৰুৱা

২৩৭

# স্মৃতি

বাগেশ্বৰী পাহাৰত দুয়োজনে ফুৰোঁ ঘুৰি ঘুৰি
আঁহত গছৰ ছাঁত বহি পৰোঁ ভাগৰি-জুগৰি।
শিলৰ চটাত বহি খুন্দি লিখোঁ মোৰ নাম,
ওচৰা-উচৰি দুয়ো, দুয়োৰে আকুল মন প্ৰাণ।

লাজুকী হাঁহিৰে সতে চাই থাকি খন্তেক সময়,
'মোৰো লিখিছানে নাম?' ফুলেশ্বৰী দৈমাৰীয়ে কয়।
সন্ধিয়াৰ বতাহত উৰিছে আঁচল দখনাৰ,
সুলকি পৰিছে ফুল তা'ৰ সেই নেঘেৰী খোপাৰ।

তোৰো নাম? মোৰো নাম?
পাহাৰৰ শিলৰ চটাত?
অনন্ত কালৰ সোঁত,
স্মৃতি জানো ৰ'বই ধৰাত?

দূৰত বাঁহীৰ সুৰ, গৰখীয়া ঘুৰিছে ঘৰত,
সন্ধিয়া নামিছে সউ সুদূৰৰ বাঁহৰ বনত
মুখামুখি বহি ৰওঁ, সন্ধিয়াৰ এন্ধাৰ বিৰাজে,
সিদ্ধেশ্বৰী মন্দিৰত আৰতিৰ শংখ ঘন্টা বাজে।

সীতানাথ ব্ৰহ্মচৌধুৰী

২৩৮

# কলঙ্-পাৰত

আজি এই কলঙৰ নিজান পাৰত বহি কত কিযে
দেখিছোঁ সপোন;
সিপাৰৰ এজাৰৰ ৰূপৰ অনল-শিখা, সোণাৰুৰ
সোণালী যৌৱন
লাগিছে আপোন মোৰ। উটি অহা-মেটেকাৰ ৰনৰীয়া
বিহফুল পাহি,
চকুলোৰো সিপাৰৰ দুখৰ কাহিনী কিবা সিঁও মোক
কয় হাঁহি হাঁহি।
ভাবিছোঁ অকলে কোন দিনা কোন ম্লান সন্ধিয়া পৰত
মাগিম বিদায়,
বিনন্দীয়া পৃথিৱীৰ নিতউ নতুন শোভা ল'ম বাৰু
শেষবাৰ চাই।

ভাবিছোঁ নীৰৱে বহি মোৰ দৰে ব্যথাহত দুৰ্ভগীয়া
কোন সি তৰুণ,
আকুল গীতেৰে তাৰ কলঙৰ দুটি পাৰ কৰি গ'ল
কোমল কৰুণ।
কোনেনো জানিলে তাক? নিৰলে লেৰেলি গ'ল ব্যৰ্থতাৰ
তুচ্ছ ইতিহাস,
কোনেনো শুনিলে তাক? কবিতাৰ পূৰ্ণতাৰে নোৱাৰিলে
কৰিব প্ৰকাশ
বুকুৰ বেদনা সি। ময়ো যাম, সময়-সোঁতত উটি
আৰু কত যাব;
আহিব নতুন কবি কলঙ-পাৰত বহি যৌৱনৰ
আৰতি শুনাব।
হয়তো গানত তাৰ কান্দিব বাৰিষা-মেঘ চকুলোৰ
বৰষি অমৃত;

হয়তো ছন্দত তাৰ ধৰা দিব ৰুদ্ধ-কণ্ঠ শতাব্দীৰ
উদ্দাম সঙ্গীত।

কত ডেকা গাভৰুৰ নাচিব তেজত' সেই আনন্দৰ
চঞ্চল মূৰ্চ্ছনা,
কত যুতি মালতীয়ে নীৰৱে সজাব সেই তৰুণৰ
ফুলাম অৰ্চনা,
বুৰঞ্জীয়ে দিব তাক জীৱনৰ জয়মাল্য, সভ্যতাই
কৰিব বৰণ
নৱ-যুগ-ৰবি বুলি, বিস্মৃতি-সাপৰ বিহ হয়তো সি
কৰিব হৰণ।

আৰু আমি? বীণত নুঠিল যাৰ বাজি হায় অন্তৰৰ
পৰিপূৰ্ণ বাণী
প্ৰেমৰ পদুম ফুলি উঠা নাই ভেদি যাৰ হৃদয়ৰ
ব্যথা-পঙ্ক-গ্লানি,
আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ
মিছা ইতিহাসে,
আমাক পাহৰি যাব প্ৰভাতৰ পূবেৰুণে, সন্ধিয়াৰ
সুন্দৰ আকাশে।

যদিও ই কলঙৰ নিভৃত পাৰত বহি, ইন্দ্ৰধনু
বিৰচি ছন্দৰ,
আমিও ৰঙাই গ'লোঁ পুৱাৰ অৰুণ-ৰাগ, গধূলিৰ
হেঙুলী ডাৱৰ।

দেৱকান্ত বৰুৱা

২৩৭

# কটন কলেজলৈ

লাজতে লুকালো লৰালিকালৰ কুমলীয়া জলছবি
লাহৰি হাতেৰে সাবটি ধৰিলা সিদিনা আদৰি লৈ,
তোমাৰ চকুৰ দাপোণত যেন নিজকে পালোঁহি চিনি,
একেটি দীঘল চুমাত, গাভৰু, জনালা পুৰুষ মই।

যৌবনে মোৰ পাহি মেলি দিলে পদুম ফুলৰ দৰে,
দীঘলীৰ বুকু ব'ঠাৰ কোবত ছেদেলিভেদেলি কৰি
লুইতৰ টান কোবাল সোঁতত জাঁপ দিলো একেলৰে
তোমাৰ মধুৰ প্ৰেৰণা, গাভৰু, হৃদয়ত তুলি ধৰি।

হৃদয়-হ্ৰদত সিদিনা কিমান থৌকিবাথৌ ঢৌ,
দৃপ্ত, সবল প্ৰতি খোজে খোজে গেলেৰী গুম্‌গুমাই
ইঘৰৰপৰা সিঘৰলৈকে কতবাৰ যোৱা অহা ঃ
সিদিনাৰ কথা, জানোচা গাভৰু, মনত আছে নে নাই!
'চুডমাৰ্চন' হলত নিতৌ হৃদয়ৰ বিনিময় ঃ
তুমিয়ে শিকালা আভুৱাৰে–ভঁৰা কিতাপৰ পাতখিলা,
ওৰে দেশ যদি সজাত বন্দী, যদি যন্ত্ৰণাময়
প্ৰাণ কোঁচ খায়, বুটৰ তলত, ন্যায়ৰ শাসন ঢিলা।

তিৰিশ বছৰ বয়সত আজি জীৱনৰ মাজুলীত
থিয় দি সুধিছোঁ, গাভৰু, তোমাৰ মনত আছে নে নাই
তোমাৰ কাৰণে ছিঙিছিলোঁ মই এজোপা হাচনাহানা
নিৰ্ষেধৰ বেৰ, বাধাৰ ভ্ৰূকুটি, কাঁটাতাঁৰ আঁতৰাই?

কটা আঙুলিৰ তেজেৰে ৰাঙলী সিজোপা হাচনাহানা
শুকাব নোৱাৰে। আজিও কিজানি তোমাৰ ফুলদানিত
বিচাৰিলে পাবা এডোখৰ লিখা "ছয় ডিচেম্বৰ"
সময়ৰ মুখ উজলাই থকা যেন এটি বনগীত।

মোৰ শোণিতক তোমাৰ নিচিনা নচুৱাব পৰা নাই
কোনেও এনেকে'। কটন কলেজ, টেনিচ পথাৰ এৰি
মই উটি গ'লোঁ জনতা সোঁতত পোহৰবলিয়া ডেকা
কণ্ঠত মোৰ চেৰিনেড্ হ'ল বলিয়া প্ৰভাতফেৰী।

চিৰযৌৱনা কটন কলেজ, তিৰিশৰ ভালপোৱা
নালাগে তোমাক, চিৰ ওঠৰৰ লগত তোমাৰ প্ৰেম।
আজিও তোমাৰ দুৱাৰডলিত ওঠৰৰ অহা-যোৱা,
আজিও তোমাৰ হাঁহিয়ে ভাঙিছে শুকান তপৰ ভেম।

তথাপি তোমাৰ পুৰণিকলীয়া স্মৰণৰ দাপোণত
বাৰে বাৰে কঁপে ফুকনৰ মাত, বাণী কাকতিৰ হাঁহি
বাৰে বাৰে কঁপে মোৰো মুখখনি, লাজকুমলীয়া মুখ
তোমাৰ খোপাৰ পদুমকলিৰ খহি পৰা এটি পাহি।

তুমি অসমৰ দৃপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি-জুই,
তোমাৰ নাচৰ ছেৱে ছেৱে ফুলে আশাৰ পাপৰিবোৰ
উঠি অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া,
লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ!

অমলেন্দু গুহ

২৪০

# স্মৃতি

শৈশৱে মাতে মোক সেই সেউজীয়া চাহনিৰ
জোপোহা আঁৰৰ পৰা
কলঘৰে, বংমুৱা লাইনে আৰু বাবুৰ বহাই দি
বৈ যায় স্মৃতিৰ বোবা ছবিবোৰ
আছে বাকা, অৰ্জুন, বৰ বাবু আৰু যত বিস্মৃত মানুহ
হুমুনিয়া চাৰি
মাদলৰ ছেৱে ছেৱে চুক্ৰীইঁতৰ নাচে ৰাতিৰ তৰাক নচুৱাই
ঘোঁৰাত লেকাম টানি বৰ বাবু কামজাৰি যায়
চাহাবে চাবুক মাৰে আৰু তাক্
নিচা খাই সিহঁতে মচিব খোজে যাতনাৰ সাঁচ।

কেতিয়া যে ঘূৰি আহে মণিৰাম দেৱানৰ ভূত
নিজে পতা চাহনিৰ বুঢ়া গছডাল এৰি বুঢ়া ডাঙৰীয়া হৈ
মূৰত পাগুৰি তেওঁৰ গাত চাপকন।
ঘূৰি আহে চুকাফাৰ বীৰ পুত্ৰবোৰ
হাতে হাতে হেংডান, কঁকালত টঙালি কঠিন
মাটিৰ তলৰ পৰা ভাস্কৰবৰ্মা আহে আৰু ভগদত্ত।

পুৱাৰ ফেঁচুৰ মাতে অন্তৰ টানি নিয়ে বালকৰ নীলা নভলৈ
এতিয়া যে তাত মাথোঁ কেৱল ডাৱৰ
থাকি থাকি দেখা দিয়া অৰূপ আকাশ
তথাপিও কেতেকীয়ে আৰু গছৰ ডালৰ সেই চিনাকি
চৰাইবোৰে
আকুল মাতেৰে মোক মাতে ঘৰলৈ।
শুনো চোতালত মৰণা ফুৰোৱা গৰুৰ খুড়াৰ শব্দ,
লেমৰ নৰম দীপ্তি বাপ আৰু মোহনৰ মুখত পৰিলে
কাল-মায়াজাল ভেদি নামি আহে চহা ছবি এটি চমকত।
মৰণা-ফুৰোৱা চোতালত নাচনীইঁতে যে নাচে পখিলা নচাদি

যেতিয়া বহাগী আহে বিহুৰ কুঁৱৰী হৈ কপৌ ফুলেৰে খোপা বান্ধি,
আপোনা-আপুনি বাজে ম'হৰ শিঙৰ পেঁপা অন্তৰত।
বাঢ়নী পানীত উটি গ'লে সোণালী প্ৰসাদ ভোগ আহাৰমহীয়া
শূন্য এক হাহাকাৰে দিনতে আন্ধাৰ কৰে মোহন-বাপৰ হিয়া।
দেখো দেখো যেন কৰে সেই মলিন মুখনি বুঢ়ী আইতাৰ
নাতিনীক সাধু কৈ থাকোতেই জুহাল নুমায়, ফুটা চালে
ঘৰষুণ সৰি,
টেকেলাৰ ৰাক্ষসী আক্ৰোশে ভঁৰালৰ ধান আৰু
বৰ পেৰাৰ বানবাটি,
বছৰি বছৰি কাঢ়ি নিয়ে।
তেতিয়া কাণত পৰে ফেঁচা আৰু হুদুৰ চিঞৰৰ ঘৰৰ মূধত।
লেমৰ নৰম দীপ্তিত দেখো শয়েকৰ মুখ,
শেখ-ব্ৰাহ্মণ মিলি কৰিছিল পণ, পাথৰিঘাটৰ ৰণ,
ছেফিউননিছা নাচে মোহনৰ স'তে কালান্তক নাচ।
ভয়াবহ মাজনিশা গহীন হাবিত কেতিয়াবা ফেউৰাই মাতে
কেতিয়াবা কলহৰ কাণে ঢলা বৰষুণ-নিশা, আতুৰ
কাউৰীবোৰে গছত চিঞৰে,
চোতালত মৰাশ থৈ নিঃসহায় আত্মীয়ই হিয়া ধুনি কান্দে
কেতিয়াবা গৰুৰ গাড়ীত যোৱা উলিয়াই দিয়া ছোৱালীৰ
বিননিত গছপাত সৰে
কেতিয়াবা হত-প্ৰেম আজলীয়ে চকুৰ ধোঁৱাৰ আঁৰ লৈ
উচুপি চকুলো টোকে।
সেইবোৰ দুঃখ উলটি আহিছে আলৰ বুঢ়ীৰ দৰে হাতত
লাখুটি লৈ।
মোৰ ই হৃদয় হজুৱা দুঃখৰ বৰজপা
সকলো কুটীৰ মোৰ লগা-ভগা।

মোক মাতে ৰজাৰ দিনৰে ওপচা পানীৰ পুখুৰীয়ে,
খৰস্ৰোতা অনেক নদীয়ে
জলৰ কুঁৱৰীহঁতে সাঁতুৰি-নাদুৰি তাত মোহিনী জগাই গুচি যায়,
পাৰত পেলাই থৈ হাবাথুৰি খোৱা প্ৰেমিকলে',সৰা ক'লা চুলি।

খৰাং দিনত শুকান পুখুৰীজুৰি গীত শুনো প্ৰাণেশ্বৰী
কমলাৰাণীৰ
মই যেন তৃষ্ণাকাতৰ প্ৰজা,
সঞ্জীৱনী পানী পাওঁ, মূল্য যাৰ কমলাৰ সমস্ত জীৱন।

সেই মোৰ প্ৰথম নগৰ! মৃত আৰু জীৱিত বন্ধুৰে মাতে
মোক চকুৰ ঠাৰেৰে।
কুমুদৰ ঘৰলৈ, য'ত দেওবাৰে দেওবাৰে হয় সহপাঠীসকলৰ
নাচপতি-মেল,
কোমল কল্পনা পৰি থাকে লেটি লৈ অহা-যোৱা বাটৰ ধূলিত,
ইমান মমতাভৰা বসন্তৰ কুঁহিপাত লগা মৌন গছবোৰ,
ইমান সুন্দৰ বৰপুখুৰীৰ মৌন পাৰ, নিজঞ্জাল কাছাৰী পথাৰ
প্ৰতিটি ক্ষণত থাকে কত আশা লিখা.....
শ্ৰেণীৰ বেঞ্চত বহি দেখো, ডিম্বেশ্বৰ ছাৰ আহে, পঢ়ুৱায়
খোনায় খোনায়
পৃথিৱী তেতিয়া ফুলে শব্দৰ ধ্বনিত।

জেহিৰত ছাৰে দিয়ে পঢ়িবলৈ' বাহিৰা কিতাপ,
ডবিয়াই খুলি দিয়ে মনৰ দুৱাৰ,
সমস্ত সংসাৰ বহুৰূপী বেশ লৈ প্ৰতিভাত হয় পাতে পাতে,
দ্বিতীয় জীৱন যেন।
অমূল্য অৰ্জিত সেই দিনবোৰ পিছ দুৱাৰেদি আহে......
আকৌ দেখিছোঁ যেন ৰজা-মৈদামৰ স'তে চক
বজাৰৰ বিযোৰ মিলন,
পকীঘৰ কুটীৰৰ খকা-খুন্দাখন,
কাছাৰী ফিল্ডত জ্বলা স্বৰাজৰ জোঁৰ
আপোন আপোন যেন লগা মুক্তি দূতবোৰ
মুখে মুখে ফুটিছিল যাৰ নব আই নাম।
জয়ৰ তিলক পিন্ধি চেঙেলীয়া কল্পনাই যাচিছিল
লাওলোৱা বাপ মোহনক সাতোটা ভঁৰাল
সাতজনী নিগনিক খীৰোৱাৰ সুখ,
গোলামিত দগ্ধপ্ৰাণ বাকা-অৰ্জুনক মুক্তিৰ সপোন।

মোৰো বুকুত ফুটিছিল মুকলিৰ গান ঃ
'কোনকোন আহিছ আইক পূজিবলে',আইৰ পূজাৰ বেলি হ'ল।'

মোৰ মন মুকুলিত হ'ল আহি প্ৰাগজ্যোতিষৰ অমৃত স্পৰ্শত
লুইতে ভাঙি নিলে কত শত বালি মথাউৰি
দেখা পালো লক্ষ্য মোৰ মহাসাগৰত।
উৰ্বশীৰ দীৰ্ঘশ্বাসে জগাই তুলিলে মোৰ মুক্তিৰ পিয়াহ
এদিন শুনিলোঁ সৈনিকৰ কবৰ স্থানত
সৰ্বদেশৰ মানুহৰ অমৰ শান্তিৰ হাবিয়াস,
লাচ দেখা পালোঁ।
খালি মৰে; দুৰ্ভিক্ষত, সমৰত, কন্দলত; খালি মৰে
যোদ্ধা-প্ৰতিযোদ্ধা সকলোৰে প্ৰাণ কলিতে মৰহে!
দেখা পালো এখন ৰুটিৰ বাবে দুজন ভিখাৰী
কুকুৰৰ দৰে যুঁজে,
দেখা পালোঁ তন্ত্ৰ, যন্ত্ৰ ৰাজসভা সকলো বিকল
সবান্ধৱে জানিলোঁ এদিন, কলেজ-পাঠতকৈ বৰ
মানুহৰ পাঠ।
সকলো সীমান্ত দাঙি আকলুৱা মন হঠাতেই হ'ল সৰ্বগামী
অসীম সত্যৰ জোঁকাৰত, সেই দিন ধৰি,
সৰু জুৰি মিলি গ'ল লুইতৰ প্ৰবল সোঁতত।
আজি বৰ জাৰ, বৃষ্টিত উঠিছে কঁপি হৃদয়ৰ তাঁৰ
উঁকি শুনো অলেখ স্মৃতিৰ, উঁকি শুনো সত্য সাধনাৰ
ঘৰ বান্ধি স্থিৰ হ'লে, ঘৰ ভাঙি যাওঁ বাৰম্বাৰ
যিবা পাওঁ, সব যায়, অশান্ত আত্মাৰ হাহাকাৰ
একো মোৰ নাই, কেৱল মনত এটি অনন্ত প্ৰত্যয়।

জানো মই, এই ক্ষুদ্ৰ সত্য এক ক্ষুদ্ৰ জীৱনৰ জোঁৰ।
এখনি পাগলাদিয়া যেন
সুঁতি ভাঙি এনি তেনি বিচিত্ৰ পথেদি
গৈ আছোঁ সেই এক মহালুইতৰ অভিমুখে।

**বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য**

২৪১

# এজনী বান্ধীবৰ মৃত্যুত

সেউজখিনি ছিটিকি হেৰাই গ'ল
মোৰ খোজৰ শবদত।
সৰু সৰু চামুচেৰে জুখি দিয়া
জীৱনৰ একোটা মুহূৰ্ত্ত
বেলিৰ পোহৰত তিৰবিৰ কৰি থকা
চাই আছিলোঁ
অন্যমনস্কতাৰ শিকলিত বান্ধ খাই।
অতি সাহসী মইনাকেটাৰো
দুভৰিত যেন ক্লান্তি নামিছে
দুৰন্ত বতাহজাকে
বন-ফৰিঙৰ পাখিবোৰ
স্প্রিঙেৰে বান্ধি পেলালে।

মই চাই ৰ'লোঁ
ধূসৰ দিগন্তৰ
ম্লানিমা সনা
হাত-বাউলি
আৰু দেখিলোঁ
পাৰ হৈ যোৱা দিনবোৰ
কাঁচৰ বাকচত থকা মণিটোৰ দৰে
মোৰ দুহাতৰ মাজত
তিৰবিৰাই আছে।

হৰি বৰকাকতি

২৪২

# কোনোবা শীতৰ এটা বগা সন্ধিয়াত

কোনোবা শীতৰ এটা বগা সন্ধিয়াত
পাক খোৱা কুঁৱলিৰ সাপ-চেঁচা আঙুলিত লাগি
মনে যদি কয় তুমি পাহৰিব খোজা কথাবোৰ,
অবচেতনাৰ আঁৰে আঁৰে জী থকা কথা।
কল্পনাৰ ৰেখাবোৰ যদি হই পৰে একা—বেঁকা,
পুৰণি দিনৰ শিহৰণ লাগি উচলি উঠে
মৰহি পৰা প্ৰাণৰ বিগত যৌৱন,
অস্বীকাৰ নকৰিবা তাক।
কাণ পাতি শুনি যাবা ৰিক্ত প্ৰাণৰ শতিকাময় ইতিহাস।
মোৰ কথা তাতে পাবা হেৰাই যদিও মই যাওঁ।
সিয়ে ক'ব, মই কোৱা দৰে—
....স্বপ্ন দেখিছিলোঁ,
বাটৰ দাঁতিত হই ক'লা বগা শিল
ৰ'ই যাম বহুত শতিকা।
কেতিয়াবা কোনোবাই প্ৰাণ নিজৰাৰ পানী সিঁচি
জগাই তুলিব মোক আকউ এবাৰ।
পাৱা যদি দুচকুত চিনাকি অঞ্জন সানি
পুৰণি দিনৰ স্মৃতি
তুলিবা জগাই
বাটে-ঘাটে পৰি ৰোৱা
বনপোৰা ছাই কণিকাৰে।......
ভগা-ছিগা টুকুৰাটুকুৰ কথাবোৰ
আকউ জোৰাই চাবা
অৰ্থ তাৰ পোৱা নে নোপোৱা।
সেয়া মোৰে, ময়ে ভুলে-চুকে কোৱা কথা।

সৃষ্টিৰ কঠীয়া সিঁচি
ডলাৰ বগৰি হই বাগৰি ফুৰোঁতে
পৃথিৱীৰ কোমল বুকুত মোৰ
সেইবোৰ দুভৰিৰ ৰেখা।
মচা নাই সেইবোৰ, জানো মই
আৰু জানো, তুমি তাকে নিতউ বিচাৰি যাবা।
সেয়ে মোৰ শেষ অনুৰোধ
কোনোবা শীতৰ এটা বগা সন্ধিয়াত.....।

হৰি বৰকাকতি

২৪৩

# চিনাকি গাঁৱৰ বাট

চিনাকি এইটো বাট হ'বা নেকি চিনাকি তুমিও বাৰু
দিব পাৰো অলপ চিনাকি তাৰ
বহাগত এই বাটেৰেই আহে গৰুৰ গাড়ীত উঠি
খোজলাহি মাটিমলা দূৰৰ গাঁৱৰ
খোপাত ওৰণি টানি নতুন বোৱাৰী হয় এখন ঘৰৰ
ইয়াৰ কাষতে ফুলে ছজিনা গছৰ ফুল
মদাৰৰ পলাশৰ সোণাৰুৰ বহে য'ত খেলা
ইয়াতে থমকি ৰয় ৰঙৰ পোহাৰ মেলি ঋতুৰ কোঁৱৰ
ইয়াতে দুপৰ বেলা
এজন ডেকাই আহি গগনাটো এনেয়ে বজাই চায়
ঢউ তোলে বতাহত সুৰে তাৰ গগন কঁপায়
সুৰৰ এইটো বাট ৰঙৰ এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট দিব পাৰো তোমাকো চিনাকি কৰি
বহুদূৰ খোজ কাঢ়ি জেঠৰ ৰ'দত
পথিকে জিৰাই যায় কিছুপৰ ইয়াতে গছৰ ছাঁত
ইয়াৰে গছৰ পৰা ল'ৰাইতে পাৰি আনি পকা আম
তলত নীৰৱে বহি চোহে তাৰ শাহৰ কোমল আঁহ
ইয়াতে ধুলিত জ্বলে চিকিমিকি হেজাৰ বালিৰ ছন্দা
বতাহত ভাহি ফুৰে ছিগা ছিগা আকাশী পৰীৰ চুলি
ইয়াৰ কাষতে বহি আঁক পাৰি মাটিত এখন ঢাল
খেতিয়কে খেলি লয় বছৰৰ শেষ খেলাখন
ছায়াৰ এইটো বাট মায়াৰ এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট তুমি মাথোঁ নোপোৱা অকণো চিনি
এইটো বাটেৰে গ'লে খাব পাৰা হঠাৎ উজুতি
দূৰণিৰ আকাশত
শুনি উঠে আষাঢ়ৰ সুগভীৰ মেঘৰ গাজনি

ধাৰাসাৰ বৰষুণে ধুই নিয়ে বাটৰ এবোজা ধূলি
বেলিয়ে পাছতে আহি নিমিষতে পাতৰ ফাঁকেৰে আঁকে
সেমেকা বাটত তাৰ পোহৰৰ হেজাৰ আঙুঠি
ইয়াৰ কাষৰে আছে খলাবমা গাঁৱৰ পথাৰ
নতুন পানীয়ে ধুই কৰি তোলে কোমল জীপাল
জোঙা জোঙা জিভা মেলি
মনে মনে পোখা মেলে এটি-দুটি ধানৰ গজালি তাত
সেমেকা এইটো বাট চিকুণ এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট ক'বা নেকি চিনাকি নহয় বুলি
শাওণৰ ৰাতিপুৱা
এইটো বাটতে থাকে থূপ খাই এথোপা কজলা মেঘ
বিজুলীয়ে আঁকে তাতে একোবাৰ চিকণ সোণৰ ৰেখা
লাহে লাহে নামি আহে পকোৱা মেঘৰ সূতা
কিন কিন টিপ টিপ ওৰে দিন নামে বৰষুণ
উলাহতে ভেকুলীয়ে ঘনে পতি সোধে আকাশক
দিবা নেকি দিবা নেকি বৰষুণ আকৌ এজাক
নাইনে চিনাকি বাৰু এইটো বাটৰ সতে
উপচি পৰেহি য'ত আকাশৰ সোলোকা খোপাৰ চুলি
পিছল এইটো বাট কজলা এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট তুমি মাথোঁ নোখোজা চিনাকি হ'ব
ভাদৰ ভদীয়া বান
উঠে তাৰ মাজে মাজে কিবা অঁকৰামুৰীয়া খং
হেঁচুকি ছিঙেহি বাট কেতিয়াবা কোনোবাখিনিত
সাঁকো পাৰি খেতিয়কে অহা-যোৱা কৰে কিছুদিন
উভতি যেতিয়া যায় খঙাল বানৰ পানী
ৰ'দত কৰাল মাৰে এই একে বাটতে তেতিয়া
বোকা পানী নগণি নমণি চলা গাড়ীৰ চকাৰ সাঁচ
এই একে বাটেদিয়ে
উলহ মালহকৈ গঞাইঁতে আদৰি সাদৰি নিয়ে
গুৰুৰ তিথিত আহে যদি ক'ৰবাৰ আলহী গোঁসাই
এইটো বাটতে বয় হৰিনাম ৰসৰ অমিয়া ধাৰা

সজল এইটো বাট আৰু এটি দিওঁনে চিনাকি তাৰ
আহিনৰ সন্ধিয়াত
বেলেগ এবিধ বোকা যাব লাগে ফেনেকি গচকি
জোনৰ কাঁহীৰ পৰা সৰে য'ত সোণৰ টোপালবোৰ
তাতে আহি বাকি দিয়ে ৰাতি হ'লে নিভাঁজ নীলাৰ মায়া
যৰকাল নীলৰঙী এখন আকাশে
কাঢ়িব তেতিয়া পাৰি নওঠা ভৰিৰে খোজ
চুমা খায় ঘনে ঘনে তলুৱাত বাটৰ জোনাকে য'ত
দিনত মলয়া বয় গছে তাৰ মাথোন উমান পায়
ভুল হয় কাৰোবাৰ উশাহৰ কোমল কঁপনি বুলি
জোনৰ পোহৰে ধোৱে বেলিয়ে কেৱল ছোৱে
এইটো বাটকে আহি আলফুলে এইটো বাটৰে ধূলি
জোনালী এইটো বাট সোণালী এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট দিব পাৰো হেজাৰ চিনাকি যাৰ
কাতিৰ কাঙাল ৰূপ
তথাপিও ৰ'দজাক ৰাতিপুৱা যথেষ্ট উমাল তাৰ
ইয়াৰ কাষতে বহি বননি নিৰাই থকা এজন বুঢ়াৰ
চুৰ কৰি পিঠিটোত চুমা খায় মৰমী ৰ'দৰ ওঁঠে
ইয়াৰ কাষেদি বোৱা বাৰিষাৰ ভৰা নদীখন
হঠাতে খীণাই আছে
এখনি হাতৰ দৰে খাৰুপাট সুলকি ওলাই যোৱা
পাহৰিছো ক'বলই আৰু এটি কথা
প্ৰথম গধূলি তাৰ পথাৰত কঁপে এটি দীপশিখা
লখিমী বোৱাৰী আহি নিজেই জ্বলাই যায় সেৱা এটি কৰি
তাকে দেখি ধাননিত থোৰ মেলে ধানৰ নতুন চেৰা
ৰ'দালি এইটো বাট ৰূপালী এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট লাগে নেকি তথাপি চিনাকি বেছি
আঘোণত উচপিচ
পূৰঠ বীজৰ স'তে কাষে কাষে সোণালী ধাননিডৰা
পূৰঠ বীজৰ সতে মাটিমলা মাটিৰ বুকুৰ তৰা
এইটো বাটেৰে যায় পথাৰলৈ' হাতত কাচিৰ স'তে

এজনী ৰূপহী নাৰী শিৰল'কে ভৰিৰ নখৰ পৰা
দুপৰীয়া বতাহত
কাষৰ মাটিৰ পৰা উৰি আহে ৰবাব টেঙাৰ গন্ধ
উৰি আহে আৰু এটি মুঠি ধান কাটিবে কটাৰ ছন্দ
এইটো বাটেৰে জানা
কঁপি কঁপি কলাফুল ওৰেদিন কৰা অহা-যোৱা
বাৰে বাৰে পাৰ হয় এই বাটে সুগন্ধি ধানৰ ভাৰ
বাটৰ ধূলিত সৰে তাৰে পৰা দুছিৰা মণিৰ ধাৰ
কামৰ এইটো বাট ঘামৰ এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট নাই নেকি চিনাকি তোমাৰ স'তে
পুহৰ পুৱতি নিশা
থৰ লগা মকৰাই ইয়াতে উমান লয়
ৰূপালী জালত তাৰ লাগিল কিমান বাৰু নিয়ৰ মুকুতা
নমণি বাটৰ চিন কুঁৱলিয়ে থয় তাক ছানি
বতাহে কেৱল জানে সানিব কেনেকে লাগে
সেমেকা হাতেৰে তাৰ
পানী অনাগাভৰুৰ গালে মুখে এমুঠি হিমানী
আৰু জানে কেৱল আমনি দিব গছৰ আঁৰৰ পৰা
জোঙা জোঙা কাঁড় মাৰি এমুঠি বেজীৰ কাঁড়
যাবকে নোৱাৰি জানা এইটো বাটেৰে
গধূলি-ধুঁৱলি হয় এইটো গাঁৱৰ বাট
ফাঁচ্ লাগি ডাৱৰত ইয়াতে ওলমি থাকে
ছয়া-ময়া এমুঠি গধূৰ ধোঁৱা
ধুঁৱলি এইটো বাট দিব পাৰোঁ কত যে চিনাকি তাৰ
মাঘে মাথোঁ টোকে চকুপানী
বতাহত সৰি পৰে কঁঠালৰ শুকান এখিলা পাত
ধৰণীত খহি পৰে বননিৰ সেউজী পাতৰ সাজ
কাঁহ পৰি জীণ যায় এই বাট এদিন কোনোবা দিনা
এগচি জোঁৰৰ সতে এদল গাঁৱৰ লোকে
মোলোকাৰ মৰা-দেহ এই বাটে লৈ যায়
শিমলু তলত থকা সউ শ্মশানখনৰ পিনে

এই একে বাটেৰেই
ঘৰলৈ উভতি আহে সোণতৰা উদুলি-মুদুলি
শুৱলা মাথোন নাহে, যদিও অহাৰ কথা
আইতাকে চাই থাকে দুৰণিত চকু দুটা থাপি
চকুলো মলচি চায় বাট কিয় ধুঁৱলি-কুঁৱলি
কৰুণ এইটো বাট গভীৰ এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট লাগে নেকি নিভাঁজ চিনাকি তাৰ
ফাগুনৰো আছে এটি ৰূপ
নহয় যদিও সি কুঁৱলিৰে ছয়াময়া ধুঁৱলি-কুঁৱলি
তথাপি বাটত উৰে বতাহত শুকান ধুলিৰ ফাকু
কাষে কাষে মদাৰৰ সজাতিৰ জৰথৰ জেতুকাৰ
থোৰ মেলে আকৌ এবাৰ কোমল নতুন কুঁহি
বাটে বাটে ঘাঁহনিত ফাটি পৰে ৰঙা গৰুখিচ্
ভুল হ'লে হ'ব পাৰে তেজৰ টোপাল বুলি
চাব পাৰা ফাগুনক পদূলিত থমকি এবাৰ
এইটো বাটেৰে আহে গধূলিৰ গৰখীয়া
ধানৰ নৰাৰে সজা কলা লগা পেঁপাটো বজাই
গোধূলিৰ পোহৰত জিলিকে ভৰিৰ ধুলি
একেলগে চৰি উঠি ঘূৰি অহা এজাক গৰুৰ
ৰঙীন এইটো বাট সঁজাল এইটো বাট এখন গাঁৱৰ
চিনাকি এইটো বাট নাই জানা একোকে চিনাকি আৰু
কওঁ বাৰু নঙঠা চ'তৰো কথা
এইটো বাটেৰে গ'লে খাব পাৰা অলপ উচপ্
নিজেই গচকি উঠি তলসৰা শুকান পাতৰ দ'ম
পাখি মেলি শিমলুৱে ক'লা ফাটি বতাহত উৰে
পাখি সৰা পখিলাই
ইয়াতে সপোন দেখে নতুন পাখিৰ
শালিকাই সৰুৱায় খুটি খুটি আমৰ মলৰ থোপা
এটি দুটি ফুটুকা ফুলৰ স'তে
ৰঙা হয় আকৌ এবাৰ পাতসৰা ফুটুকলাজোপা
মউ চোহে ভোমোৰাই বিষ শোহে মকৰাই

এইটো বাটতে ফুলা কিবাকিবি অচিন ফুলৰ পৰা
থাকিলে থাকিব পাৰে কিবা এটি নুবুজা সাঁথৰ
নিথৰ এইটো বাট ছুই যায় কতনা হেজাৰ গাঁও
মাথোঁ তাৰ নামবোৰ কিয় জানো পাহৰি পাহৰি যাওঁ
জনমৰ প্ৰথমৰ প্ৰথম উষাৰে পৰা দেখিছো এইটো বাট
সেইবাবে কেতিয়াবা
নাকেৰে উমান লওঁ আৰু চকুৰে চেলেকি চাওঁ
তাৰ বেছি একোকে চিনাকি নাই।
মোৰ সতে অচিনাকি তোমাৰে নিচিনা
মাথোন চিনাকি আছে গোপনে নীৰৱে ফুলৰ পাহিৰ পৰা
বিহ শোহে মকৰাই মউ চোহে ভোমোৰাই
মই তাৰ ওচৰেদি খচকি ফেনেকি গৰকি গচকি যাওঁ
আছে যদি সপোনৰ সিপাৰৰ গোপন চিনাকি কিবা
মাটিৰ ধূলিত আঁকা এইটো বাটৰ স'তে
মই তাৰ একোকে নেজানো
মই মাথোঁ ক'ব পাৰো মই ভাল পাওঁ
অহাৰ এইটো বাট যোৱাৰ এইটো বাট এখন গাঁৱৰ।

মহেন্দ্ৰ বৰা

২৪৪

# এইখন চোতালতে

দেখোন নিজেই তই পৃথিবীৰ এটা কিঁবা অমৰ কবিতা
তথাপিও কিয় তই খুজিলিহি
কবি বুলি মিছাকৈয়ে মাতি মোক
তুলাপাত-কাগজত চিয়াঁহীৰে লিখা এটা খুচুৰা কবিতা
তোৰ চোতালত এই তপত ধুলিৰ খেলিমেলি এইবোৰ
বতাহত উৰি অহা শুকান গছৰ পাত
মই তাৰে এখিলা শুকান পাত বুটলি আনিছোঁ ৰ'বি
তোৰে সাধু তোকেই শুনাই যাওঁ
মোক মাথোঁ তই নুবুলিবি একেবাৰে আভুৱা কথাৰ কবি

এইখন চোতালৰে এমুঠি ধুলিক এনেয়ে ৰূপালী কৰি
ওৰেদিন বেলিটোৱে পোহৰৰ সিঁচে কাঁচগুৰি
ঘূৰণীয়া জোনটোৱে কুঁৱলিৰ চাকনিৰে বাকি দিয়ে
গাগৰি উজাৰ কৰি সোণপানী সোণৰ নিজৰা
ইয়াৰে ধুলিত জ্বলে চিক্‌মিক এচোতাল সুৰৰ চেঁকুৰা
বতাহত উপচি ওপঙি থাকে
সপোন সাবটি ধৰা জিলমিল জীৱনৰ মায়া
পৃথিৱীৰ ফৰকাল হাঁহি আৰু দুটোপাল চকুলোৰ নীৰৱ আৰতি

এইখন চোতালতে উমলি মানুহ হ'ল কতনা হেজাৰ শিশু
ধূলিৰ কাৰেং সাজি ধূলিতে মিহলি কৰি
সময়ৰ সুৰুঙাৰে সৰকি কিশোৰ হ'ল
বয়সৰ জখলা বগাই উঠি কিশোৰ তৰুণ হ'ল
দেউতা হোৱাৰ বাট খচকি শেষত হ'ল এজাক নাতিৰ ককা
সম্ভাৱনা সিযে সৃষ্টি-প্ৰবাহৰ চিৰ পুৰাতন সাধু
আধা ফুটা মাত হয় কথাৰ মঞ্জৰী কথা হয় সুৰৰ কাকলি
সেই সুৰে কেতিয়াবা
কঁপায় গগন বনে বনে মনে মনে জ্বলাই অগনি

এইখন চোতালতে ককাৰ কোলাত বহি কোনোবা নাতিয়ে শুনে
সপোনেৰে ধুঁৱলি-কুঁৱলি হেজাৰ নিশাৰ সাধু
আৰু শুনে চকু মুদি নাতিদলে
জুই আখৰেৰে লিখা সেই অমৰ কাহিনী
কোন দূৰ অতীতত কাৰ কলিজাৰ তেজেৰে ৰাঙলী হ'ল
মৰুভূ'ৰ বুকুৰেদি ব'ই যোৱা ফোৰাতৰ নীলচীয়া পানী
নাতিৰ চমক জাগে মন তাৰ উৰা মাৰে সপোন দেশলে'
ককাৰ চকুতো ভাহে আলফুল সপোনৰ ছবি
এইখন চোতালতে নিয়ৰে তিয়াই খোৱা পদূলি গচকি
আহিব এদিন মোৰ নাতি-বোৱাৰী
মোৰ পিৰালিত উঠিব নীৰৱে ফুলি হাচনাহানাৰ পাহি

এইখন চোতালৰ সাধু ক'ব পাৰোঁ শতেক হেজাৰ নিশা
যাৰ প্ৰতিটো ধূলিৰ কণাত আছে অলিখিত বহু ইতিহাস
ইয়াতে এদিন বহিছিল ৰাইজৰ মহামেল
খঙাল কৃষকে ক'লে থিয় হওঁ মাৰ বান্ধি কৰোঁ প্ৰতিকাৰ
হলধৰ বিদ্ৰোহৰ বলিষ্ঠ কণ্ঠৰ ধ্বনি বিয়পিলে আকাশে-বতাহে
কিবা এটি মায়া আছে এই চোতালৰ ৰূপালী ধূলিৰ
মাজে মাজে ৰঙা হয় হঠাতে উজলি উঠি পকা-অ ঙঠাৰ দৰে
জুই-ছায়া উৰি যায় চকুবোৰ ৰঙা পৰে মণিবোৰ কৰে তিৰবিৰ

এইখন চোতালতে এদিন বহিল মেল নাতি ল'ৰা এজাকৰ
থুনুক থানাক মাত মাতি সিহঁতে পাতিলে মেল
দেউতা মোমাই আৰু দূৰগএগা বহুতৰে ঠেও ধৰি ধৰি
আলচিলে বহু কথা চোতালত এইটো কিহৰ ছাঁ
মুখবোৰ এনেয়ে খঙাল হ'ল চকুবোৰ ঘোপা
কপালৰ ৰেখাবোৰ কোঁচ খাই খাই হ'ল গাঁথি থোপা
সিহঁতো ওলাই গ'ল আধাফুটা মাতেৰে কিৰিলি পাৰি
সিহঁতৰ কিৰিলিত শুনিছিলোঁ প্ৰতিধ্বনি
পাহৰা দিনৰ সেই হলধৰ বিদ্ৰোহৰে যেন জয়ধ্বনি
জুই-ছায়া উৰি উৰি সিহঁতৰো চকুবোৰ ৰঙা ৰঙা ধুঁৱলি-কুঁৱলি
এইখন চোতালৰ সিযে এক ঢুকিয়ে' নোপোৱা কিবা এটি মায়া

এইখন চোতালত থাকি গ'ল আধা গঢ়া কাৰেঙৰ ধূলিৰ গাঁথনি
কণমান নাতিটোৰ আঙুলিৰে ধূলিৰ ফলিত লিখা
আধা-ডুখৰীয়া সেই কথাখিনি নমচিবিদেই তইঁতে কোনেও
তাৰ কলিজাৰ তেজেৰে ৰাঙলী হ'ল ফোৰাতৰ নীলচীয়া পানী
সিহঁতৰ দৰে সিয়ো এই চোতালৰেপৰা সিদিনা ওলাই গ'ল
সিহঁত কিৰিলি পাৰি ৰণ জিকি উভতি আহিল
সময় উকলি গ'ল উভতি অহাৰ
ছাঁ লেখি গা লেখি সিহঁতে উমান পালে
সিযে হায় সঁচাকৈয়ে উভতি নাহিল.....

এইখন চোতালতে বহিছে আকৌ এয়া দূৰগঞা ৰাইজৰ মেল
চোতালৰ ধূলিত জিলিকি আছে আধা গঢ়া কাৰেঙৰ গা
আৰু সৌ এচুকত সিয়ে ৰুই থৈ যোৱা
কণমান সৌটো চেগুন গছৰ পুলি
পোখা মেলি বাঢ়ি অহা সিজোপা চেগুন হ'ব মহামহীৰুহ
উভতি ঘৰলে' অহা নাতিবোৰ এদিন দেউতা হ'ব নতুন কালৰ
সিহঁতে জিৰণি ল'ব তাৰ ছায়াতেই ল'বহি খন্তেক জুৰ
সিহঁতৰ থুনুক থানাক মাতবোৰ কথা হ'ব সুৰ হ'ব
গম্ গম্ ওজাপালি বিয়াহৰ সুৰ

এইখন চোতালৰ বতাহত জিলমিল সেইটো তাৰেই ছাঁ
বতাহত খেপিয়াই আঙুলি ফুৰাই পাইছোঁ বিচাৰি তাক
লাটুমণি ওঁঠ তাৰ ডালিমৰ গুটি গুটি দাঁত
অশৰীৰী তাক মই দেখা পাওঁ
বতাহত জিল্মিল সউমুঠি তাৰে জোনাকী মুখৰ হাঁহি
উভতি নাহিল জানো
উভতি আহিল সি পৃথিৱীৰ আৰু এটি অমৰ কবিতা হৈ
তথাপিতো এখিলা শুকান পাতৰ দৰে
সেউজীয়া ৰং হায় বতাহত হ'ল হুমুনিয়া'
সিযে হায় উভতি নাহিল.......

মহেন্দ্ৰ বৰা

২৪৫

# গৰখীয়া সপোন

বহাগৰ এজোপা তিৰ্‌বিৰ আঁহত তলত
তাহানি এদিন দুপৰীয়া দীঘল দি,
অহা-যোৱা ডাৱৰবোৰ চাইছিলোঁ
মনিও নমনা ওপৰত চিলনী এটা
ঘূৰিছিল;
সুখ আৰু দুখৰ টাকুৰি ঘূৰণ,
অদূৰৰ হাবিখন এটা
ঝিলীৰ চিঞৰেৰে ভৰপূৰ—
সুখৰ কামনাৰ উজনি-ভাটি
স্তব্ধ পূৰ্ণতাত কোমল নিদ্ৰাৰ
বিচনী বুলন,
অনুচ্চ স্বৰত গোৱা শুৱলা নিচুকনিৰ গতিৰে
নিদ্ৰাই মোক আগুৰিলে;
কিন্তু খকমক্‌কৈ টোপনি ভাঙি দিলে
এটা সপোনে ঃ
দেখিলোঁ এটা ফেঁটী সাপৰ ফণাৰ ছাঁত
শুই থকা
সাধুকথাৰ সেই গৰখীয়া ল'ৰাটোক
যি পিছত ৰজা হৈছিলগৈ,
চকু মেলি ফেঁটী সাপৰ ফণা
অৱশ্যে দেখা নাপালোঁ,
কোনো জ্ঞানী বাটৰুৱাই
অবাক হৈ মোক চাই থকাও নাছিল,
মাত্ৰ ঝিলীৰ ওপচা মাতে
ভঙা টোপনিটো আকৌ পূৰাব খুজিছিল।

এতিয়া গছতলৰ গৰখীয়া সপোনটোৰ কথা
মনত পৰি হাঁহি উঠে যদিও
সপোনটো ঘূৰি ঘূৰি আহে,
কাৰণ দুপৰীয়া গছতলত
সেই দিনা সাৰ পাই উঠা নাই ঃ
ফেঁটীৰ ফণাৰ ছাঁত শুই থকা
সেই সপোন।

হীৰেন্দ্ৰনাথ দত্ত

২৪৬

# স্বগতঃ

এদিন মুনি-চুনি বেলিকা মাজ পথাৰত
এটা বলিয়াই চিঞৰিছিল
মাত ভাগি যোৱালৈকে,
বিহু দিয়া জানত
ঢেলপোঙা দিয়া মাছবোৰ
উচপ খাই উঠালৈকে
ৰিঙিয়াইছিল,
চবকাত পৰা গৰুজাকে
তধা লাগি চোৱালৈকে
ঘুমটিয়াই থকা কণামুচৰিটোৱে
চকু মেলি যোৱালৈকে
জৰি গছজোপাৰ কাউৰীজাক
জাঙুল খাই নুঠালৈকে
টোকনি পুখুৰীটোৰ পুণিবোৰ
মেল নোখোৱালৈকে
ৰিঙিয়াইছিল ঃ
"আমি খৰি লুৰা হাবিখন গ'ল ক'লৈ
গৰু চৰোৱা চাপৰিটো লুকাল ক'ত
আৰু বাঁহপাতেৰে ঢকা আলিটো?
পথাৰৰ মাছবোৰ, গলধন ধৰা ম'হবোৰ
গছী ধানৰ ভঁৰালবোৰ নিলে কোনে,
হেৰ' কোন ক'ত মৰিলিগৈহঁক?"

তেতিয়া ভাবিলোঁ
হাবিতলীয়া গাঁৱৰ পুৰণি সোঁৱৰণি
মাথোন আবৰি-বাবৰি
জপাত থলেও বৰ কাপোৰ
পোকে কুটে,

কালৰ গতিৰ বিপৰীতে
বলিয়াইহে বলকে।

এতিয়া, বাঁহপাতেৰে ঢকা
আলিটোৰপৰা দূৰলৈ
আহি আছোঁ মানে
এটা পুৰণি বিষে উকোৱাৰ দৰে
ভাব হৈছে—

গাঁৱৰ ল'ৰা বুঢ়া চহৰৰ চুবুৰিনি
ওলালহিহেঁতেন জানো
যদি আমাৰ চৰণীয়া চাপৰিটো
থাকিলহেঁতেন,
যদি আমাৰ খৰি লুৰা হাবিখন
ৰাখিব পাৰিলোহেঁতেন?
বাঁহনিৰ ছাঁ আৰু কাঠনিৰ এন্ধাৰ
আমাৰ বোপা-ককাৰ তেজ,
বাঁহনিৰ আগত দেখা
ধুমুহাৰ দৰে
যি উঠিছিল নামিছিল।

হীৰেন্দ্ৰনাথ দত্ত

২৪৭

# আঘোণ

কাঁচিৰ সুতীক্ষ্ণ সুৰ
নৰাৰ পেঁপাৰ মাত
দোৱা পথাৰত গৰু ছাগলীৰ
এৰাল উভালি অনা দীঘলীয়া ক্ষুধা—
মোৰ আঘোণৰ এয়া চিনাকি বসুধা

তপত আশাৰে স্ফীত দাৱনী আঘোণে
দিনে নিশা মেটমৰা ডাঙৰিৰ নূপুৰ বজায়
আৰু ক্লেশৰ ঘামৰ এই সোণগুটি বোকাবোৰ
কুঁৱলিৰ দৰে বগা সাজপানী হয়

নিতৌ দোভাগ ৰাতি শাৰী শাৰী গৰু-গাড়ী
দূৰৰ পামৰ পৰা উভতি আহোঁতে
কামুক কিৰিলি পাৰি শৰীৰ গৰম কৰে
বেপৰোৱা কত গাৰোৱানে

মুগা বৰণীয়া গোটা সুগন্ধি ডাঙৰি
জোনে লেও দিয়া চোতালত
ৰাতি ৰাতি মৰণাৰে দলি
ভঁৰাল নিটোল কৰে কত খেতিয়কে

ন-ধান খাই আঁৰা আঁৰা কণী পাৰে
হাঁহ কুকুৰাই
আৰু খেতিয়কে লুকুৱায় কুহুমবুলীয়া স্বপ্ন
খেৰ- হালধীয়া এই দ'ম দ'ম
আঘোণৰ আকাশী মেজিত,

এৰিয়াৰ উম লগা তপ্ত নিশাহত
মনৰ বাটৰ ধূলি উৰে
আঘোণৰ বাটবোৰে পোৱালি মেলোতে
পথৰুৱা ধূলিবোৰ পুৱাতেই উৰে,

পুৱাতে চপাই আনে কত দূৰণিৰ পখী
আঘোণৰ সোণোৱালী ধানে
আৰু মাটিমুখী ৰবাব টেঙাৰ দৰে
বেলিটোৱে কুঁৱলি হেঁচুকি
পৃথিৱীলৈ দোঁ খাই আহে ঃ
মনৰ বাটৰ ধূলি খন্তেক জিলিকে।

হীৰেন্দ্ৰনাথ দত্ত

২৪৮

# চিনাকি গাঁৱৰ বাটে

ফাগুনে পোৱালি মেলা
চাপৰিৰ বিলৰ পাৰেদি
আহি আহি কাষ চাপোঁ
চিনাকি গাঁৱৰ বাট
বাৰিষাৰ পলসুৱা বোকাই
বুকুত সাবটি লোৱা
বহুবোৰ অচিনাকি খোজে
আজি যেন খৰালিত
প্ৰকাশ কৰিব খোজে নীৰৱ ভাষাৰে
শাওণৰ বহুত কাহিনী এইটো বাটৰ—
গুচি যায় কমলা-বিমলা
একাঁঠু পানীত নামি মেখেলা উজাই
গাঁৱৰ সিমূৰে থকা পথাৰডৰালৈ।
পিছে পিছে গৰু লৈ অহা
এধানৰ মাত শুনি
হাতৰ মেখেলা এৰি
বুকুৰ আঁচল টানে ৰঙা-চঙা পৰি
সঘনে পিছল খোৱা এইটো বাটত।
গাঁৱৰ কাষেদি যোৱা
গৰু-বাটৰ বহি থকা খোজবোৰে
বাৰে বাৰে সোঁৱৰাই
শাহুৰ লগত ভুঁই ৰুই ঘৰমুৱা হোৱা
ন-বোৱাৰীৰ স্মৃতি
পালেঙ আলনা লৈ
সগৌৰৱে উভতি অহা
কোনো এক চিনাকি বাছুৰ
ভিতৰত চকু-পানী টোকা
বহাগৰ কোনোবা দিনৰ।

চিনাকি গাঁৱৰ বাটে
গুচি যায় লৰালৰি ক'ই
আঘোণত মেটমৰা
ডাঙৰিৰ ভাৰ লোৱা
মঘাই কৰিমহঁত
গাঁৱৰ মূৰত থকা চাৰিআলি ল'ই
বাঁহৰ চাঙত বহি
কথা পাতে ধনহীন জীৱনৰ
দীঘলীয়া খেলিমেলি বহুত কাহিনী।
চাৰিআলি ৰখি থকা মঁজা বকুলে
বুকুত গজাল লাই
ৰঙা আখৰেৰে লেখা
কাগজৰ কথাবোৰে
সিহঁতৰ চকু টানি নিয়ে
'নাঙলৰ মুঠি যাৰ
মাটিত অধিকাৰ তাৰ'
মনত দীঘলীয়া প্ৰশ্নবোধকৰে স'তে
সিহঁত উভতি আহে
সেই একে বাটেদিয়ে
কাচুটি পিন্ধাৰ পৰা
নাঙলত মুঠি থলে
সিহঁতৰ নাম কিন্তু নাই মাটিৰ পটাত।
গাঁৱৰ এইটো বাটে
কেতিয়াবা কোনো বছৰত
চকুপানী নদীৰ পানী
একাকাৰ কৰি—
ব'ই যায় কোবাল নদীৰ সোঁত
ঘৰ-বাৰী একোকে নগণি।
পাহৰে সোঁতৰ কথা
পাহৰে দুখৰ কথা—
কাণ পাতি গঞাই শুনে

এইটো বাটেদি আহি
ঘোঁৰা বান্ধি আঁহত তলত
নামঘৰৰ থাপনাৰ কাষৰতে
বুঢ়া ডাঙৰীয়া বহি
নাম লোৱা শেহ নিশা
ভাদৰেই কোনোবা দিনত।
কুঁৱলিৰ আঁৰে আঁৰে
আহিনত চিনাকি বাটেদি
কাবুলীয়ে অহা-যোৱা কৰি
থিয় দিয়ে সৰুধনৰ আগ-চোতালত
বহুতো শুকান দেহাই
কাঢ়ি কাঢ়ি হুমুনিয়া
চাই থাকে চকু থিৰ কৰি
সৰুধনে দুশ ৰূপ হাত পাতি লয়
থিতাতেই সুদ কাটি লোৱা।
জীয়াই থকাৰ বাবে
আঘোণত হাঁহি থকা পথাৰ ডৰাৰ
লখিমী বুটলি আনি
আধাভাগ মাটিৰ মালিকক যাচি
বাকী আধাৰে বেচি-কিনি
সুদে-মূলে কাবুলীক দি
সাতোটি প্ৰাণীৰে সৈতে
সৰুধনৰ সংসাৰ চলিব।
চিনাকি গাঁৱৰ বাটে অনাটনে
খৰকৈ খোজ দিয়ে ভৰ গাঁৱলৈ—
তথাপি চিনাকি বাটেদি আহি
পথাৰৰ লখিমীয়ে
নতুন সাজটি পিন্ধি ভঁড়াল সোমায়—
পদুলিত আদৰিলে জীয়ৰী-বোৱাৰী আহি
হেঁপাহৰ শলিতাৰে চাকিটি জ্বলায়।
এইখন গাঁৱলৈ গাঁৱৰ বাটেদি

ধূলিৰ ধুমুহা ল'ই উতলা ফাগুন আহে
ঢাপে ঢাপে পলাশ মদাৰ ফুলি
গাঁওখন শুৱনি কৰিলে
উদং পথাৰত গৰু মেলা গৰখীয়াই
আম'ৰ ডালত পৰি মাতি থকা কুলিটিক
বাৰে বাৰে সিঁয়ৰি জোকালে।
চিনাকি এইটো বাটত
গুৰুৰ তিথিত উখল-মাখল লাগে
খোল তাল শবদৰে
নামঘৰ ৰজন-জনাই
ওচৰৰ গাঁৱৰ পৰা কৰিম-ৰহিম আহি
মধু আৰু যদুৰ লগতে
ৰুক্মিণী-হৰণ চায় একেলগে বহি।
চিনাকি এইটো বাটৰ
সিদাঁতিৰ সিখন গাঁৱৰ
আকাশত পবিত্ৰ ঈদৰ জোন
পদুম খেলিলে মিলি হেঁপাহেৰে চায়।
মগ্‌ৰীবৰ আজানত
গঞ্জা ৰাইজ সাৰ পাই উঠে
চিনাকি বাটৰ এই
দুকাষৰ দুখন গাঁৱৰ।
বিহু আৰু ঈদে আহি
সাবটা সাবটি কৰে
ভ্ৰাতৃত্বৰ স্মৃতি থকা
চিনাকি বাটৰ এই বহু পদুলিত।
চিনাকি এইটো বাট
চ'ত আৰু বহাগৰ তেনেই চিনাকি
এই বাটেদি নি
মাখিয়তী দীঘলতি ল'ই
গৰু আনে গৰখীয়াই ঘৰমুৱা ক'ই
সিহঁতক মৰম জনায়

ধোঁৱাৰে গুলুম বন্ধা পদূলি মুখত।
ঢোলত চাপৰ পৰে
শিশুৰ পেঁপাটি বাজে
মন কঁপা বাহু কঁপা
নাচনীৰ নাচোনত দুবৰি নগজে
চিনাকি গাঁৱৰ এই পথাৰৰ আঁহত তলত
বহাগৰ ৰঙালী দিনত।

বীৰেন বৰকটকী

২৪৯

# অকস্মাৎ

শব্দ বিহীন স্তব্ধ নিশাৰ
ৰুদ্ধ কাৰাৰ অন্ধ গুহাত
দুহাত বন্ধা বন্দী প্ৰাণৰ
মুক্ত পখীৰ ডেউকা কোবাই
বাসনা জাগে উৰি যোৱাৰ।

স্বপ্ন মধুৰ উঠিল ভাহি
দগ্ধ দাৰুণ শূন্য হিয়াত
উঠিল বাজি অগ্নি বাদন
সুৰৰ ধলে উটাই নিলে
বন্দী প্ৰাণৰ যতেক গ্লানি।

এক নিমিষে উঠিল জ্বলি
নয়ন দুটি আলোক মণি
জিলিকি উঠে অকস্মাতেই
অমানিশাৰ আন্ধাৰ কাৰা
বৰ্ষাৰ যেনে তড়িৎ শিখা

**নীলিমা দত্ত**

২৫০

# মনদিয়া নদী

মনদিয়া নদীৰ দখিন পাৰত যি জাৰণি
তাৰ কাষে কাষে আমাৰ তুলসী জহাৰ খেতি
সৰিয়হ ফুল, হালধীয়া তৰা
পাঠক, যোনে আপোনাক ভাল পালে বুলি
আপুনি ভুলতে ভাবিলে তেওঁ তাত নাথাকে।

বহুতো য'ত ৰজনীগন্ধা, কাগজৰ ফুল, হালধীয়া মমবাতি
কিছুমান ভ্ৰম, কিছুমান ভয়, মকৰাজালত ধূলি
অৱন্তী নগৰ সেয়ে
পীচ গলা আৰু কেঁচা কয়লাৰ ধোঁৱাৰ গোন্ধেৰে ছোৱা
পাঠক, যাক আপুনি ভাল নাপালে বুলি
আপুনি ভুলতে ভাবিলে
তেওঁ আৰু তাত নাই।

অজিৎ বৰুৱা



## দেশপ্ৰেম

অ' মোৰ চেনেহী দেশ          তোমাৰ দুখীয়া পঁজা
ৰচা তাত শান্তিৰ সৰগ
ক'ত পাম এনে প্ৰীতি          সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ ?
দুখীয়া ভগা পঁজা          একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি          দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম।

নলিনীবালা দেৱী

২৫১

# অসম অসম সোণৰ অসম

অসম অসম সোণৰ অসম
অ' আই তোৰ চেনেহী বেশ।
কোন খনিকৰে গঢ়িলে প্ৰতিমা
কোনে দিলে তোক লাহতী কেশ।।

অ' মোৰ সাদৰী আই,
তোৰ মান শুৱনী নাই
তোৰ মান লাৱণি নাই
দিলে ফেঁহুজালি পুৱালি বেলিয়ে
সোণালী কপালী তোকে পিন্ধায়।

তোৰ সেউজীয়া আঁচলে আঁচলে
নাচনি ফুলৰে মেল
বিৰিণা বিৰিখে দিছে দহি বাটি
লুইতে বাছিছে শেল;
তোৰ জীয়াৰীয়ে গৈ
কাষতে গাগৰি লৈ
আবেলি বেলিকা না'মৰে সুৰেৰে
ভুলায় বোৱতী নৈ।
ৰান্ধনী বেলিয়ে আশা পালি পালি
শুনি যায় বৈ বৈ।

লাহতী ফাগুনে দিয়ে কাণে কাণে
বহাগী বিহুৰে জান
উঠে গাঁৱে গাঁৱে নামৰ অমিয়া
সুৰৰ সুৰদি তান

আই তোৰ চেনেহী মুখ
দেখিলে পাহৰো দুখ
চেনেহী কোলাৰ আঁচলতে আছে
সাতো সৰগৰে সুখ।।

মিত্রদেৱ মহন্ত

২৫২

# অসম-গৌৰৱ

আজি তোমাৰ প্ৰেমৰ মহা আকৰ্ষণে আনিছে হে আই, টানি,
ই মহামিলন দেখি গম্ভীৰে
আশিষিছে নীলাচল যোগীবৰে
উমানন্দ-কমণ্ডলুৰে ঢালে শান্তিয়নী পানী।
দিয়াচোঁ জননী, তোমাৰ পুৰণি অমোঘ মন্ত্ৰ দান,
সেৱোঁ শ্ৰীচৰণ তৱ সন্তানে হিন্দু মুছলমান।

কেনে প্ৰশান্ত সৌম্য মূৰতি আছা তুমি আই, ধৰি;
চোঁৱৰ তোমাৰ শীতল মলয়,
শিতানত পৰি আছে হিমালয়;
বয় শিৰে শিৰে পুণ্য প্ৰৱাহ তোমাৰ অঙ্গ ভৰি।

যদিও নিজান তোমাৰ আকাশ জিলিকে ইয়াতো তৰা,
জিলিকি কতনো মহাকবি, সতী
ধৰ্ম-কৰ্ম বীৰ, সেনাপতি,
উজলাই তব মুখৰ কান্তি উজলালে বসুন্ধৰা।

নোহোৱা জননী নিচলা দুখুনী, তুমি বসুধাৰ ৰাণী।
অতীত স্মৃতিৰ মুক্তা মণিৰে
শোভিছে কণ্ঠ পুণ্য জেউতিৰে
তোমাৰ তটিনী-বিহগ— কণ্ঠে শুনে মহিমাৰ বাণী।

অকল আমাৰ চকুতে তুমিতো নোহোৱা কাম্যভূমি,
মুনি-মনোহৰা তোমাৰ কান্তি,
বিচাৰি তোমাৰ বুকুৰ শান্তি
আহিল বশিষ্ঠ, গালৱ, গোকৰ্ণ আদি কত মহামুনি।

ধৰাৰ মাজত তুমিয়ে জননী এখনি শুৱনী ধৰা।
কতনো তীৰ্থ, সৰিৎ, সাগৰ,
কত মন্দিৰ, কত গিৰিবৰ,
আছা জনজাতি বুকুত সাবটি অমিয় চেনেহ ভৰা।

আনিছো জননী হিয়াৰ অৰ্ঘ্য তোমাক পূজিম বুলি;
দিয়াঁ দিয়াঁ আই চেনেহ-নিৰ্মালি,
হিংসা স্বাৰ্থ দিম আজি বলি,
পাতিছো হেঁপাহে জাতীয় যজ্ঞ ভাই-ভনী মিলি-জুলি।

পদ্মধৰ চলিহা

২৫৩

# ব্ৰহ্মপুত্ৰৰ প্ৰতি

হে বিশাল ব্ৰহ্মপুত্ৰ, কত শত বৰষৰ কত শত বেদনাৰ কথা
তোমাৰেই অন্তৰত গঁথা;
কত প্ৰাণ মুঞ্জৰিলে তোমাকেই সাক্ষী ৰাখি কত হিয়া উথলি উঠিলে
লুকুৱালে বিৰহৰ ব্যথা।
জয় জয় জয় ৰবে দশোদিশ গুঞ্জৰি বিভৱৰ উড়ালে নিচান,
কত কি যে গীত হ'ল গান,
সোণোৱালী অতীতৰ পৰাণ পুলক কৰা সুধা-সনা কথাকে সুঁৱৰি
হলানেকি তুমি ম্ৰিয়মান?

কুণ্ডল-কুঁৱৰী সেই কুহকিনী ৰুক্মিণীৰ ৰূপৰাশি যেতিয়া উথলি
আপোনাতে পৰিলে উচলি;
তেতিয়া মলয়ে দেহি— তাৰে একণিকা লৈ বসন্তক দিলে উপহাৰ,
কুঞ্জবন উঠিলে উজলি;
মধুময় ভঙ্গিমাৰে ললিত হিল্লোল তুলি
শুনা গ'ল ৰি-নি-নি-জি-নি-নি
শ্ৰীকৃষ্ণৰ নূপুৰৰ ধ্বনি;
অশিথিল প্ৰেম-পাশ, নূপুৰে যে হাবিলাষ, ৰুক্মিণী যে আকুল উদাস
কত আশ, কত হেন্দোলনি।

টল্‌মল্ যৌবনৰ মতলীয়া পৰশত উষা হ'ল থউকি-বাথউ,
অন্তৰত বাগৰিল ঢউ;
সপোনতে কোনে আহি পিয়লা ভৰাই আনি
পিয়ালেহি মোহন মদিৰা—
এনে মিঠা, এনে নো যে মউ;
শোণিতপুৰৰ পৰা বায়ু-বেগে চিত্ৰলেখা পাবলৈ দ্বাৰকা নগৰী
উষাৰেই কথাকে সুঁৱৰি;
অনিৰুদ্ধ কোঁৱৰক থাপ'তে উড়াই আনি সখীয়াক দিলে উপহাৰ
নিজৰো যে স্বাৰ্থ পৰিহৰি।

এনে কত গীত-কথা, এনে কত কবিতাৰ মূৰ্তিমতী সুৰৰ ঝঙ্কাৰ
উঠিছিল কৰি তোলপাৰ,
আনন্দ-আৱেগে ভৰা উচ্ছ্বাসৰ কলৰোল সকলোটি হ'ল লালকাল
আথে-বেথে কোলাতে তোমাৰ,
আকাশে বতাহে মাথোঁ কিবা এটা হুমুনিয়া,
কিবা এটি হাহাকাৰ-ধ্বনি
উঠে আজি গুজৰি-গুমৰি,
হে বিশাল ব্ৰহ্মপুত্ৰ, আহিলে বাৰিষা তুমি দশোদিশে তুলি খলকনি
দিয়ানেকি তাৰেই বাতৰি?

ফুকন

২৫৪

মেলিলো প্ৰথম চকু    তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত
মুদিম আকৌ চকু    তোমাৰ কোলাত শুই
জীৱনৰ শেষ সন্ধিয়াত।
মৰাৰ পিছতো যেন    পাওঁহি আকৌ ঠাই
চেনেহৰ শিতলী কোলাত
ভাগৰুৱা আতমাই    শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ছায়াত।
পখী হৈ আকাশৰ    বুকুত ফুৰিম উৰি
বাহ লম ওখ বিৰিখত
পুৱতিৰ লগে লগে    জগাম তোমাক নিতে
বনৰীয়া সুৱদী গীতত।
আকাশৰ তৰা হৈ    ৰ লাগি চাম ৰৈ
সেউজীয়া শুৱনি জেউতি
জোনাকত মিল হৈ    বিমান পথত ৰৈ
ওৰে ৰাতি কৰিম আৰতি।
হিমালয় পৰ্বতৰ    শুকুলা টিঙত গৈ
ফুলি ৰম মানসী বিলত
মলয়াৰ চৌৰৰত    পাৰিজাত ৰেণু সানি
ঢুলাম তোমাৰ চৰণত।
নদী হৈ পখালিম    দুখানি চৰণ নিতে
মাটি হৈ মিলিম বুকুত
সোণোৱালী মেঘ হৈ    ৰঙা হাঁহি বিৰিঙাম
শেঁতা পৰা দুখনি ওঁঠত।
তোমাৰ ধূলি-বালি    তোমাৰ আকাশ বায়ু
আই মোৰ সৰগৰ বাস

তুমি মোৰ মৰতৰ পুণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰভাস।
অ' মোৰ চেনেহী দেশ, তোমাৰ দুখীয়া পঁজা
ৰচা তাত শান্তিৰ স্বৰগ
ক'ত পাম এনে প্ৰীতি সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ?
দুখীয়াৰ ভগা পঁজা একোখন তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম।

নলিনীবালা দেৱী

২৫৫

# জন্মভূমি

স্বৰ্গতো অধিক এই জন্মভূমি মোৰ,
আছে জানো আৰু এনে ঠাই?
প্ৰথমে জ্ঞানৰ চকু মেলিলো ইয়াত
এনে ঠাই কল্পনাতো নাই।

কোমলতে পৰি যোৱা কুমলীয়া গাঁচ
বঢ়ালো যি বায়ু পানী পাই,
পাৰো জানো পাহৰিব জীৱনত মোৰ,
হিয়া য'ত দিলা উদণ্ডাই?

ইয়াৰেই জল বায়ু ইয়াৰ মাটিতে
মিলি মোৰ জেউতি চৰায়,
নাই পৰা সৰি সৰি সৰগৰ পৰা
এটি এটি ফিৰিঙতি প্ৰায়।

অমৃত বৰষা মাত জননী মুখৰ
সৰি পৰা শুনিলো ইয়াত,
তাৰেই মোহত পৰি পাহৰি সকলো
ভোল গ'লো জননী কোলাত।

যিখনি কোলাত বহি অমৃত ভোগিলো
জন্মভূমি তাৰো যে আধাৰ,
যি অমৃত পান কৰি হ'লো এতেখিনি,
বলে ভাঙি ইয়াতেই পাৰ।

আনন্দৰ বিষাদৰ নতুবা ভয়ৰ
শুনো সেই একেষাৰি মাত,
অন্তৰো অন্তৰৰ মৰ্ম্মস্থল ভেদি
তাতে উঠে ঘাত-প্ৰতিঘাত।

একে বেলি একে জোন বিশ্ব জগতৰ
তাতো যেন আছে ভেদ পৰ,
আপোন নহয় যেন পৰৰ দেশত
স্বদেশত নিজৰ নিজৰ।

একেই গঢ়েৰে স্ৰজা সকলো মানৱ
তাতো দিলে ভাব ভেদ পৰ,
একেখনি জন্মভূমি একেষাৰি মাতে
কৰিলে কোনোক সহোদৰ।

পৰ্ব্বত পাষাণ ভৰা নতু মৰুভূমি
যেই হক জন্মভূমি মোৰ,
সুখৰ দুখৰ ভৰা সকলোটি ভাবে
ইয়াতেই মেলি দিলে ঠোৰ।

যদি মোৰ জন্মভূমি কৰি পৰিহাস
ইতিহাসে বিদ্ৰূপেৰে চায়,
বুজিব নোৱাৰো কিয় ক্ষুদ্ৰ হিয়াখনি
বেজাৰত যেন ফাটি যায়।

শুনিলে কাহিনী যাৰ গৌৰৱেৰে ভৰা,
উত্তেজিত হিয়া উঠে ফুলি,
নাজানো কি মায়াপুৰী এই জন্মভূমি
সাদৰো সম্ভাষো কিনো বুলি!

চকুত চমক লগা সুখে ভৰা ধৰা
হয় হক গোটেই সংসাৰ,
যদিও নিঃকিন এই জন্মভূমি মোৰ
তুলনাত সকলো অসাৰ।
জনমে জনমে পুনু ইয়াতে জনম
ইয়াতে মৰণ যেন হয়,
ভিখাৰীৰ লাওলোটা ল'বলৈও হ'লে,
স্বদেশত যেন মতি ৰয়।

স্বদেশ, স্বজাতি আৰু স্বধৰ্মত থাকি
শুনো যেন স্বদেশৰ ভাষা,
স্নেহময়ী জননীৰ মৌ-সনা মাত
তাতে মাথোঁ নিঃকিনৰ আশা।

স্বৰ্গতো অধিক কৰি স্ৰজিলা যেতিয়া
প্ৰভু মোৰ প্ৰিয় জন্মভূমি,
জনমে জনমে যেন ইয়াতেই থাকো
তোমাৰ অভয় পদ চুমি।

বিনন্দচন্দ্ৰ বৰুৱা

২৫৬

# লাচিত ফুকন

লাচিত ফুকন! লাচিত ফুকন! মোৰ স্বদেশৰ বীৰ!
দেশৰ কাৰণে তাহানি এদিন যাচিলা নিজৰ শিৰ।
দেশৰ কাৰণে, মুক্তিৰ হকে, অন্যায় ৰোধি বীৰ।
নৰ-শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ।
দেশৰ কাৰণে শুনিলা এদিন মৃত্যুৰ আবাহন,
জাতিৰ বুকুত জগাই তুলিলা দুৰ্মদ যৌবন।

পছোৱা বিনাই যায়,
তাৰ আঁৰে আঁৰে করুণ সুৰেৰে কোনে যেন কয়, "হায়
এয়ে সি বিৰাট গড়,
যি ঠাই এদিন বলিশাল হ'ল অপৰাধী মাতুলৰ।"

শুনিছোঁ বন্ধু! ইব্ৰাহিমৰ কাহিনী বীৰত্বৰ,
দেৱতাৰ হকে পুত্ৰবুকুত হানিছিল খঞ্জৰ।
সিদিনা আহিল দেবদূত নামি দূৰ সৰগৰ পৰা,
পুত্ৰ-হন্তাৰ নামতে আজিও গৌৰৱময়ী ধৰা।
হে অসমৰ ত্যাগৰ মূৰ্ত্তি! মাতুল-ঘাতক নবী!
তোমাৰ আৰতি কৰিলে সিদিনা অসম-ভাগ্য-ৰবি।

দেশৰ বাতৰি শুনিবানে বীৰ? নিদিওঁ তোমাক ফাঁকি,
তোমাৰ অসম নাই আৰু আজি জঁকাটোহে তাৰ বাকী।
লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া,
মৰি হজি ঢুকাল সকলো, চিন-চাব নাইকিয়া।
"অসমৰ এই কাম্যভূমিত" চৰিছে গাধৰ পাল,
বোজা বই বই পৰিল কঁকাল পিঠিৰ ছিগিল ছাল।
তেওতো অকণো কাণসাৰ নাই, কত যে ৰঙেৰে চৰে,
এমুঠি দানৰ কাৰণে সকলো প্ৰভুৰ পিছত লৰে।

তাতো যে সবেও পায় আনন্দ, নিৰুপায়! নিৰুপায়!
হায় সময়ৰ সোঁত,
সিংহৰ হ'ল সন্তান গাধ, অদ্ভুত! অদ্ভুত!

আনফালে সউ আপোন অন্ধ নকললবীছ দল,
মুক্তি-বন্ধৰ মক্‌ফাইট কৰি ফাঁকিৰ আনিছে ঢল।

পিয়ানো বজাই পূজাৰ আৰতি, বেদীত মন্ত্ৰৰ বাতি
জ্বলাই আনিব দেশৰ মুক্তি, পুৱাব দুখৰ ৰাতি।
দেশ-জননীয়ে বিনায় শোকত শুনি এই আৱাহন,
মুক্তি পলাল দেখিয়ে পূজাৰ অদ্ভুত আয়োজন।

স্বদেশ প্ৰেমৰ কোবাল সোঁতত দেশ আজি টল্‌মল্,
স্বদেশৰ গছ, স্বদেশৰ শিল, স্বদেশৰ বাঁহ-তল,
সকলোতে আজি স্বদেশী কবিৰ কবি-অন্তৰ জাগে;
দেশৰ মানুহ নেখাই মৰিছে সন্ধান কোনে ৰাখে?

বাহিৰত সউ ঘটে বিপ্লব; অশেষ যত্ন কৰি
আমি নিৰূপিলোঁ কানিৰ মূল্য, কিমানত কেইভৰি।
শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথোঁ থিত
মৰ-আঁউসীত হাল বালে লাগে কেই ধেনু পৰাচিত।
ত্ৰিশদিন আৰু এঘাৰ দিনৰ গচ্চকত হাই পৰি,
দুখুনী অসম জননীৰ দেহি কোঙা হ'ল হাত ভৰি।
বক্তৃতা দি আকাশ কঁপাই, চিএৰত টেঁটু ফালি,
বাঁহৰ কামীত চূণ সানি লৈ ধৰোঁ আমি ৰণছালি।
বছৰি বছৰি স্মৃতি-সভা পাতি বীৰ-পূজা কৰি বীৰ, তোমাৰ
হাবাথুৰি খাওঁ বিচাৰি চাকৰি আবগাৰী দাৰোগাৰ।
এয়ে সি অসম দেশ,
দুখৰ কাহিনী কিমান শুনিবা? নপৰিব তাৰ শেষ।
দেশৰ মানুহ! তুমি তো বুজিছা স্বদেশৰ এই গ্লানি,
তুমিতো দেখিছা মৰণৰ ছাঁ অসম আকাশ ছানি।

প্ৰভুৰ কাষত কামৰ মূল্য, চৰ, ভুকু, কিল পায়,
স্বদেশ পূজাৰ মন্দিৰ যাৰ কেবল লোকেলবৰ্ড,
জ্ঞান-সাগৰৰ দুইপাৰ যাৰ চিভিল-পিনাল-ক'ড,
মন্ত্ৰিত্ব যাৰ শেষ কল্পনা, এচেম্বলী যাৰ আশা,
সিনো কি বুজিব হে বীৰ! তোমাৰ ৰণ-দুৰ্মদ ভাষা?

দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ হিয়া,
দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দিয়া,
আকউ এবাৰ শুনোৱা তোমাৰ ৰণ-আহ্বান-বাণী,
আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগা পানী।

দেৱকান্ত বৰুৱা

২৫৭

# স্বয়ংবৰা

মোৰ আমঠুৰ কোঁহে কোঁহে তাইৰ নাম লিখা।
তাই-এ মনে মনে ধানৰ শিহত গাখীৰৰ কণ হৈ আহে,
নেমুটেঙাৰ কোমল পাতত তাইৰে চেনেহৰ মসৃণতা,
বৰদৈচিলা হৈ
তায়ে প্রতি বহাগত ধুমুহা বোৱাই দি যায়।

পৰশুৰাম কুণ্ডৰপৰা ধুবুৰীৰ বন্দৰলৈকে বিস্তাৰিত
সৌমাৰ, কামৰূপ আৰু বিশাল পৰ্বত ভূমিৰ
ৰূপৱতী নায়িকা তাই।
তাই বৰদা, নীল পর্বতবাসিনী।
সুমথিৰা, চাহনি, শালগছ,
মাটিৰ তলৰ প্রেট্রলৰ পাইপলাইন,
জুৰি, ডোঙ, ডেৰিক, নাম-ধৰা, ভোৰতাল—
সকলো তাইৰ পাদপ্রদীপ ঃ
আবির্ভাৱৰ প্রতীক্ষাত দীপ্যমান।
আকৌ তায়ে বৰঘৰ-শুৱনি।
তাঁতশালৰপৰা বেঙেনাবাৰীলৈকে খৰ-খেদা কৰি
তত নাইকিয়া
তায়ে পীৰা পাৰি বহুৱাই
নিতো আগবঢ়াই দিয়ে
খাৰ, টেঙা, মাটিমাহ আৰু আহুধানৰ ভাত।

সেই কেঁচুৱাকালত মাৰ স্তনবৃন্ত দাঁতত কামুৰি ধৰি
তাইক বিচাৰিছিলোঁ।
লালকাল টোপনিৰপৰা জগাই
যেতিয়া মাজনিশাৰ আকাশৰ সৈতে
চিনাকি কৰাই দিছিল দেউতাই—

এয়া ধ্রুৱনক্ষত্র, কালপুৰুষ, সপ্তৰ্ষিমণ্ডল বুলি
তায়ে অৰুন্ধতী হৈ আৰু অৰুন্ধতী তাই হৈ
অস্পষ্ট জলছবিৰ দৰে
মোৰ কৈশোৰৰ স্বপ্নালু চকুত
জিলিকি উঠিছিল।
আকৌ যৌৱনত মাঘ বিহুৰ দোকমোকালিত
লুইতত গা ধুই উঠি
জবাকুসুমসঙ্কাশ উদয়সূৰ্য্যক সেৱা জনাওঁতে
মোৰ দেহোত্থিত প্ৰথম শিহৰণ
তৰঙ্গিত, উদ্বেলিত হৈ
মহাদিগন্তত তাইৰে ৰূপৰ সমুদ্ৰত মাৰ গৈছিল।
আজন্ম মই উত্তাল, উত্ৰাৱল হৈ ঘূৰি ফুৰিছোঁ
তাইৰ ভালপোৱা বিচাৰি।
মোৰ কামনাই বৰণ সলাইছে বহুবাৰ!
অৱশেষত ৰামধেনুৰ দৰে সাতৰঙৰ সাতবাহু মেলি
প্ৰথম মিলনৰজনীৰ অপেক্ষাৰ আকুলতা লৈ
সৌমাৰ, কামৰূপ আৰু পৰ্বতভূমিৰ বিশালতাক
সাবটি ধৰিছোঁ।
কিন্তু মোৰ ঠেক বাহুৰ গণ্ডীৰপৰা
পিছলি, সৰকি গৈছে তাই।
সৌমাৰ, কামৰূপ আৰু পৰ্বতভূমিৰ বিশালতাও
তাইৰ বাবে সঙ্কীৰ্ণ।
সৰ্থেবাৰীৰ দৃঢ়বাহু কঁহাৰৰ ঘৰত,
লুইতেদি ভটিয়াই ইলীহ্ মাছ ধৰা নাৱৰীয়াৰ মেলত,
পৰস্পৰৰ পিঠি খজুৱাই থকা
বজৰুৱা সাহিত্যিকৰ আড্ডাত,
ডেকাচাং, নামঘৰ, অলেখ নাম-নজনা গাঁও,
আনকি মৰিশালিতো
তাইৰ সন্ধান কৰিছিলোঁ।
কিন্তু ক'তো তাইৰ ভু পোৱা নাই।
মই যেন মহাকাশৰ কক্ষপথ খেদি ফুৰা এক ৰাহু

আৰু তাই মোৰ হেৰাই যোৱা
বিয়াত্ৰিচে।

সাউদৰ ঘৰত তেজীমলা হৈ তায়ে উপজিছিল।
ঢেঁকীৰ খুন্দাত গুড়ি গুড়ি হৈছিল
তাইৰ হাত, ভৰি, হৃদয়—
গোটেই ছোৱালীজনী তাই।
তথাপি আকৌ
সেই চূৰ্ণবিচূৰ্ণ অস্থিমজ্জা আৰু
ৰক্তাক্ত মেখেলা-চাদৰৰপৰা,
অনিৰ্বাণ কণ্ঠস্বৰ আৰু চোতালৰ মাধুৰি ফুলৰপৰা,
তাই, তেজীমলা,
পুনৰ্জন্ম পাই উঠি আহিছিল।
তাই, তেজীমলা, উঠি আহিছিল
মিঙিমহা বান্দুলাই অলেখ মানুহৰ শৰেৰে সজাই থৈ যোৱা
চিতাখনৰপৰা।

নিৰাশাই মোক ছাটি ধৰিব নোৱাৰে,
(ৰাহুৰ ভাগৰ নাই)।
কিয়নো, তেজীমলা মৃত্যুহীনা,
কাল নিৰৱধি,
পৃথ্বী বিপুলা।
মোৰ অনুভৱক অৱশ কৰি যেতিয়া বলিয়ালিৰ টিংখং বাজি
উঠিছিল,
বান্দুলাৰ তেজকণিকাবোৰ হঠাতে সাৰ পাই
আমাৰ ধমনীত এক অন্ধকাৰ
আলোড়নৰ সৃষ্টি কৰিছিল,
চুবুৰীয়া, মানুহ, ভাই........ এইবোৰ শব্দ
অভিধানত থকা বুলিও ক'বৰ সাহ পোৱা নাছিলোঁ,
তেতিয়াও জানিছিলোঁ
তাইৰ কণ্ঠস্বৰ ক'ৰবাত ফুল হৈ ফুলি আছে।

যেতিয়া খণ্ডাল  মাহীমাকে
আশ্ৰিতা অকণমানিৰ আঁচলত জ্বলন্ত এঙাৰ বান্ধি দিছিল,
পগলাফাটেকৰপৰা সদ্যহতে ওলাই অহা
কোবাল, উত্তাল উন্মত্ত তাই
ঘৰে ঘৰে গৈ ধানখেৰত পেট্ৰল সিঁচিছিল,
তেতিয়া ঘৃণা, খং আৰু অভিমানৰ বাষ্পেৰে
মোৰ চকুহাল অন্ধ হৈ গৈছিল।
কিন্তু পিছদিনাই
ভস্মীভূত গাঁও, নিৰাশ্ৰয় গঞা আৰু
ট্ৰিগাৰ-বলিয়া এচাম ডেকাৰ সৈতে
ময়ো বিস্মিত আৰু অভিভূত হৈ চালোঁ—
নকৈ পতা গাঁওবোৰৰ প্ৰতিখন বাৰীচুকত
তেজীমলা আকৌ লাউ, কোমোৰা, জলকীয়া হৈ গজিছে!

বহু ৰূপিনী তাই
মোৰ সকলো কামনা-বাসনা, চিন্তাৰ কেন্দ্ৰবিন্দু।
তাই মানৱতাৰ তুলসীতলত জ্বলি থকা
মাটিৰ প্ৰদীপ।

কল্পনাত তাইৰ দুই তুঙ্গ স্তনৰ মাজডোখৰৰ শীতলতাত
মোৰ ভয়াৰ্ত্ত, আনত মুখখন চেপি ধৰি
প্ৰাৰ্থনা জনাওঁ ঃ
জ্বলাই থ, প্ৰিয়তমা, এই দীপ;
আঁচলেৰে ঢাকি ধুমুহা বজ্ৰপাতৰপৰা
বচাই ৰাখ্।
দিনে দিনে তাই মোৰ চেতনাত
আৰু ৰূপৱতী হ'ব ধৰিছে।
কামৰূপ, সৌমাৰ আৰু পৰ্বতভূমিৰ নিঃসঙ্গতা পাৰ হৈ
পগ্‌লাদিয়া, মোমাইকটাগড় আৰু মধুপুৰ সত্ৰ এৰি আহি,
শ্ৰীমন্ত শঙ্কৰৰ মহৎ পদ-যাত্ৰাৰ বাটে বাটে,
তাই এতিয়া ভাৰতবৰ্ষৰ বিশালতা।

সুদূৰ ৰাজধানীৰ পাঁচ মহলাৰ বাৰাণ্ডাত বহি
মৌচুমী মেঘৰ আগমনিত
তাইৰ আৰণ্যক, নিবিড় চুলিৰ গোন্ধ পাই আছোঁ।
মোৰ হাতত থকা চাহৰ পিয়লাত
তাইৰে ওঁঠৰ মদিৰতা,
চুবুৰীয়াৰ চৌতালত অৰ্কিডৰ নিঃশব্দ বৰ্ণালীত
তাইৰ উপস্থিতিৰ কোমলতা।
মোৰ আকাঙ্ক্ষাৰ লৌহদলঙে লুইত মেখলা তাইৰ
কঁকাল বেঢ়ি ধৰিছে।
আৰু তাই
ক্ৰেন, প্লেন, গেছ টাৰ্বাইন, ডেৰিক,
আকাশচাৰী হেলিকপ্টাৰ আৰু
মৌচুমী বৰষুণৰ ডবাপিটা সমাৰোহৰ মাজত
মোৰ ডিঙিত বৰমাল্য পিন্ধাবলৈ
স্বয়ংবৰা।

অমলেন্দু গুহ

২৫৮

# মোৰ আইতা

জীৱনত কোনোদিন মোৰ আইতাই
পঢ়াশালি দেখা নাই,
শুনা নাই পৃথিৱীৰ বহুত খবৰ;
দুমাইল দূৰত থকা আমাৰ ঘৰৰ
বৰ লুইতৰ ঘাট— তাৰ দূৰে দূৰে—বিষণ্ণ গভীৰ শ্যামলিমা,
আইতাৰ বাবে, পৃথিৱীৰ সেয়ে শেষ সীমা।
তাৰ সিপাৰত
য'ত যি বিস্ময় আছে সাগৰ-নগৰ-বন্দৰত,
বিশাল ভুবন ভৰা অগণ্য বিচিত্ৰ নৰ-নাৰী,
অদ্ভুত আশ্চৰ্য কাৰিকৰী,
আইতাৰ চেতনাত সিবোৰৰ নাই কোনো ঠাই,
শাস্ত্ৰতো উল্লেখ তাৰ নাই।
চিনাকি পৃথিৱীখনি মোৰ আইতাৰ
নিচেই এধানমানি; সীমা তাৰ
এফালে মোমাইৰ ঘৰ, আনফালে লুইতৰ ঘাট ;
কত কি যে ঘটনা বিৰাট
ঘটে তাৰ মাজতেই; মানুহ ওপজে আৰু মৰে;
ন-পানী বঢ়া দি বাঢ়ি আহে
কিশোৰী দেহত দৃপ্ত যৌৱনৰ তৰঙ্গিত ধাৰা;
বসন্ত-সন্ধ্যাই কৰে আত্মহাৰা
প্ৰেমিক হৃদয়,
মাজে মাজে সময় থমকি ৰয়;
ধোঁৱা উৰে, পীতাভ ধূসৰ ধোঁৱা, নদীৰ পাৰৰ শ্মশানত;
গ্ৰীষ্মৰ দুপৰ বেলা খিন্ন কুকুৰৰ করুণ মাতত
সময় থমকি ৰয়;
স্থিৰ হয়।
ক্ষুদ্ৰ এই জীৱনৰ বাহিৰৰ যত কথা
আইতাৰ অবিদিত। কিন্তু আইতাই জানে বহু সাধুকথা।

কত যে মধুৰ স্মৃতি সেইবোৰ সময়ৰ
এতিয়াও সঁচা আছে মোৰ হৃদয়ৰ
গোপন তলিত। চোতালত পাটী পাৰি জহৰ দিনত,
জাৰৰ গধুলি জুশালত,
আইতাই সাধু কয়,
বহুত দূৰৰ পৰা অচিন বতাহ আহে বৈ
বোকোচাত কঢ়িয়াই চকুৰে নেদেখা জগতৰ
বিচিত্ৰ বাৰতা; করুণ ধূসৰ আন্ধাৰৰ
ফাকে ফাকে ভিৰ কৰে কত যে বিচিত্ৰ সত্তা, অশৰীৰী
দেৱতা, দানৱ, ভূত, প্ৰেত, অপেশ্বৰী।
আইতাই সাধু কয় মহাভাৰতৰ
অযোধ্যাৰ শ্ৰীৰামচন্দ্ৰৰ।
আইতাই সাধু কয়.... আৰু বিস্ময়-বিমুগ্ধ মোৰ শিশুমন
শুনি কোন দূৰ সুদূৰৰ নিমন্ত্ৰণ,
হঠাৎ বাহিৰ হয় তাৰ আলোকিত পথে পথে
ৰহস্য-ধূসৰ সেই জগতৰ; তাত, শ্বেতাশ্বৰ ৰথে অৰ্জুনৰ
প্ৰকম্পিত কৰি তোলে কুৰুক্ষেত্ৰ সমৰ প্ৰান্তৰ,
কৈলাস-শিখৰস্থিত আশ্ৰমত হৰ-পাৰ্বতীৰ
ভীমসেনে গৰু ৰখে; ভাটৰ মুখত বাৰ্তা শুনি ৰুক্মিণীৰ-
শ্ৰীকৃষ্ণ লৰৰি আহে বহু দূৰ দ্বাৰকাৰপৰা।
লঙ্কাত বন্দিনী সীতা,
উদ্ধাৰৰ বাবে যাৰ, সাগৰ-সঙ্কাশ সেনা শ্ৰীৰামচন্দ্ৰৰ—
সমুদ্ৰত সেতু বান্ধে,......... সেই দূৰ—ছায়া-ম্লান জগতৰ
সাধু কয় আইতাই......।
জীৱনত কোনো দিন মোৰ আইতাই
পঢ়াশালি দেখা নাই,
পাৰ হোৱা নাই কোনোদিন, নিজৰ গাঁৱৰ ঠেক সীমা।
কিন্তু কত দূৰ সমুদ্ৰৰ অগাধ নীলিমা,
অনন্ত শুভ্ৰতা চিৰ-তুষাৰৰ,
আসমুদ্ৰ হিমাচল ভাৰতবৰ্ষৰ,

আইতাৰ পৰিচিত। ক'ত সিবোৰৰ স্থান
ভূগোলত— আইতাৰ নাই সেই জ্ঞান।
কিন্তু তেওঁ জানে নিজহাতৰ ৰেখাৰ দৰে, আপোন চিত্তত,
নাম-হীন- ই দেশৰ নদ-নদী, জনপদ, অৰণ্য-পৰ্বত।
আত্মাৰ আৱাসভূমি....... চিৰন্তন,
বিশাল ভাৰতবৰ্ষ আইতাই হৃদয়ত কৰিছে ধাৰণ।

হোমেন বৰগোহাঞি



# সহজ সুখৰ সুধা

আমাৰ কাৰণে শান্তি
জীৱিকাত জীৱনৰ আবিৰ সানিব খোজা এমুঠি মৰম।
আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লৈ
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম-চেঁচা ছাল।

**নৱকান্ত বৰুৱা**

২৫৯

# আমাৰ গাঁও

শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছেৰে ভৰা;
ডাল ভৰি ভৰি ফলফুল লাগে,
কত পাওঁ তল-সৰা,
শুৱনি আমাৰ ধাননি পথাৰ,
ধানেৰে উপচি পৰে;
শুৱনি নদীৰ পানী-ভৰা ঘাট,
মুদৈয়ে বেপাৰ কৰে।
চালত কোমোৰা, লাও জিকা, ভোল,
ভঁৰালত জহাধান,
গোহালিত গৰু, পুখুৰীত মাছ,
বাৰীত তামোল পাণ।
গছৰ ডালত শুৱনি চৰায়ে
শুৱলা সঙ্গীত গায়,
শাকনিত শাক, ফুলনিত ফুল,
দেখিলে হিয়া জুৰায়।
ঘৰে ঘৰে ৰং ধেমালিৰ হাট
ঘৰে ঘৰে হাঁহি-মুখ।
ঘৰে ঘৰে ভাল চেনেহা-চেনেহী
ঘৰে ঘৰে দেখোঁ সুখ।
ভাৱনা-সবাহ গীত ভাল পোৱা,
মধুৰ মুৰুলী তান,
'দহোটাৰ কাম একে জনে কৰা,
চহাৰ সৰল প্ৰাণ।

আনন্দচন্দ্ৰ আগৰৱালা

২৬।০

# সন্ধিয়া

সন্ধিয়াৰ ৰঙা বেলি ধীৰে ধীৰে গই
পছিমাকাশত ডুবি গ'ল;
পেঁপাটি মুখত লই গৰখীয়া ল'ৰা
গৰু স'তে ঘৰমুৱা হ'ল।

ফুলোঁ ফুলোঁ গোলাপৰ ধুনীয়া কলিটি
মলয়াৰ ধীৰ ছাটি পাই;
ৰঙতে বিভোল দেহি নাচিব ধৰিলে
নিজৰ জেউতি নিজে চাই।

মৃণাল ভুঞ্জিব এৰি ৰাজহাঁহ- জাক
দিহা-দিহি গ'ল এৰি বিল;
ফিৰিলে ঘাটৰ পৰা বোৱাৰী জীয়াৰী
সন্ধিয়াৰ চাকিটি জ্বলিল।

হাটৰুৱা বাটৰুৱা চাপিলেহি ঘৰ
শেৱালিৰ বলিল সুৱাস, '
পূব আকাশৰ পৰা ক'লা ঢাকনিয়ে
দেখুৱালে নিশাৰ আভাস।

লুইতৰ পাৰে পাৰে নাৱৰীয়াবোৰে
ধীৰে ধীৰে বান্ধিলেহি নাও;
গাঁৱৰ দৌলৰ পৰা ডবা-শঙ্খ ধ্বনি
বিয়পিলে সন্ধিয়াৰ ৰাও।

সিংহদত্ত দেৱ অধিকাৰী

২৬১

# বিহুৱান

অসমৰ আকাশে-বতাহে
প্ৰাণে প্ৰাণে মিলন হেঁপাহে
আজি পুত্ৰ বিৰহ-কাতৰা
আছে য'ত বহি শোকাতুৰা
তাতে তই মোৰ কবিতাই
জননীক কবি নিচুকাই-
য'ত কোনো বিৰহী-প্ৰিয়াই
চকুলোৰে আঁচল তিয়াই
সেই শেঁতা গাল দুখনিৰপৰা
কবি-'প্ৰকৃতিযে আজি হাঁহিভৰা
য'ত দূৰ প্ৰবসুৱা জনে
অপেক্ষিছে আমনে-জিমনে
বিদেশৰ কোৱা-চিলা হই
'এয়া মই বিহুৱান লই
য'ত প্ৰিয়জনলই বোলা
এটি মাথোঁ চেনেহ-টোপোলা
বুকুৰ মাজত লুকুৱাই
কবি তই আনি উলিয়াই-
'বুঢ়া মেজি কুশলার্থে' য'ত
মোৰ কবিতাই গৈ ত'ত
আজি তাৰ শিখায় শিখায়
স্বাৰ্থ, দুখ, হিংসা পাহৰাই
অসমেই সঁচা স্বৰ্গ আজি,
মিলন-দুন্দুভি উঠে বাজি

বিয়পিল ভোগৰ বতৰা;
লোৱা এই সুখৰ বতৰা।
জননীয়ে বাটিটি সজাই
নওলাৰ মুখলৈ চাই;
গাবিগৈ আগমনী গীত,
'আই, তুমি হোৱা হৰষিত।'
ধৰি পিছ-দুৱাৰ, বেৰত,
শোক-চিন্তা-আবেগ-ভৰত;
নিবি মচি বিৰহ-পৰশ,—
তুমি কিয় অকলে বিৰস!'
অসমৰ ফালে মূৰ কৰি
স্বদেশৰ পবিত্ৰ বাতৰি;
কবিগৈ বতাহী কবিতা :-
পালোহি যে মৰমৰ মিতা!'
আধৰুৱা কবিতা এফাকি
লাজতে দিবলে' আছে বাকী;
থোৱা সেই প্ৰীতি-উপহাৰ
'কিয় লাজ ইমান তোমাৰ?'
উঠিছে সঘনে জয়-বোল,
মঙ্গলৰ খলকনি তোল;
পূৰ্ণাহুতি ঢালি দিয়া হক;
ভাতৃ-ভাব বিয়পি পৰক।
উৰি গ'ল দুখৰ ডাবৰ;
প্ৰাণে প্ৰাণে পবিত্ৰ ভাবৰ।

আজি এনে সুখৰ নিশান
এনে পুণ্য মিলনৰ গান
আজি এই শুভ মুহূৰ্তই
পৰ্বত, ভৈয়াম, হাবি, নই,
সুখ-উশাহেৰে ভৰপূৰ
এই পূৰ্ণ মিলনৰ সুৰ

দেশে দেশে লই ঘূৰি ফুৰা,
সুধা কণ্ঠে সবাকে বিতৰা।
জগতত যুগমীয়া হ'ক;
সবাতে আনন্দ বিৰিঙক।
হ'ক আজি জগত সুখীয়া,
উলাহেৰে ধৰা, অসমীয়া।

ডিম্বেশ্বৰ নেওগ

২৬২

# ভৱানীৰ আলুপিটিকা

'আহে সখীসৱ, সত্বৰে আৱ।
শুনা হে মমিকা, শুনা হে বীথিকা, চোৰ্ৰাঁ হেৰা ভাই মালিকা,
এইখন আকৌ আমাৰ ছাৰৰ খোৱা বস্তুৰ তালিকা।'
ভৱানী ভনতি, 'ৰ'বাঁ, ৰ'বাঁ, ৰ'বাঁ, সৰহ নক'বাঁ, হেইৰা অবোধ বালিকা।
চোৰ্ৰাঁচোন বাৰু তালিকাখনত লাগিছে নেকি কিবা কালিকা।
আৰু যদি ভাই কিবাটো লাগিছেহে দেও-ভূত চকু-টেলেকা নাক-জিলিকা
টিলিকা টিলিকা পিলিকা,
তেনেহ'লে মই কৈছো নহয়, মোৰ জান,
ভয়ো ভাই সাৱধান।।
বিশ্ব গোসাঁইৰ ফৰমান।
নিকটে মিলয় জান।।

"চেনি বুলি তিনি সিকি দি নিকিনিবাঁ হ'লে কিচ্‌কিচীয়া পিপীলিকা,
তেজপাত বুলি নিদিবাঁ তেলত ভূৰ্জপত্ৰিকা,
কিনিলে কিনিবাঁ বজাৰত বিকা
ৰাই-সৰিয়হ, অলপ বেহাৰ বগা আৰু নিকা
তাৰে জাৰি-ফুকি গুচাব লাগিব তালিকাৰপৰা জিগিনী ফিচাহী কালিকা।
নহ'লে জৰুৰ মশহুৰ আদ্‌মিৰ পাঠা-মাংস হ'ব মণ্ডহৰ শাক,
তেতিয়াহে আৰু নিৰুপায় হ'বা টিলিকা-টিলিকী পিলিকা-পিলিকী-বালিকা-বালিকী- জাক
উপায় থাকিব এই ভৱানীৰ সিদ্ধ আলুৰ পিটিকা;
সেয়ে হ'ব জানো হে'ৰা বালিকা
ভোকৰ চৰাই ধৰাৰ টিটিকা?"

কাতিমাহৰ কাজিয়া
লাগোঁতে লাগোঁতে হ'লহি তেনেই সন্ধিয়া

সন্ধিয়া নামিছে, পূৰবী জুৰিছে
হাবিৰ চুটিয়া-শালিকা;
ৰন্ধন-শালাত বিশ্বই গুঁঠিছে
কুক্কুট-ডিম্বৰ মালিকা।
আকাশত সৌৱা সাত-ভাই-চম্পা,
যাৰ নাম হ'ল কৃত্তিকা;
কপালত এয়া ভবানী ঠাকুৰে
আঁকিছে গংগা-মৃত্তিকা।

শুনা পুণ্যৱতী বালিকা,
নুবুজিবা তাৰ কালিকা।।

মহেশ্বৰ নেওগ

২৬৩

# মোৰ স্বৰ্গ

স্বৰ্গ দেখা নাই,
দেখা নাই— কেনুৱা চোঁৱৰ ল'ই, কোন দেৱবালা গৈ বিধাতাক
কি দৰে সজায়,
দেৱতাই আল ধৰে,
কিন্নৰীৰ সঙ্গীতত সৰি পৰে গোলাপৰ পাহি,
উৰ্বশীৰ খহি যোৱা ৰিহাৰ আগত জ্বলে সপোনৰ সাতৰঙী হাঁহি—
—মই দেখা নাই
নাই দেখা সৰগৰ সোণালী ধূলিৰ কণা,
কাৰ খোজে ৰচে তাত তেজৰ ফুলনি,
লেধাই-শামুকে তাত কিহৰ গামোচা পিন্ধে,
কঁকাল ঘূৰাই নাচে ক'ৰ ম'ৰাজনী ;
দেখা নাই- মউজোল নৈ বয়,
গাখীৰৰ দিয়ে বৰষুণ,
ভৰিৰ তলেদি যায় দ্বাদশীৰ ৰূপোৱালী জোন
দিন দুপৰতে আহি দুৱাৰমুখত ৰ'ই
থাকেহি সপোন।
সেই স্বৰ্গ মোৰ পৰা বহুত দূৰত
তৰাভৰা সউ মোৰ আকাশৰ নেদেখা মূৰত।
— সেই স্বৰ্গ মই দেখা নাই!!
পৃথিবীত পিঠি ৰাখি
যিদিনা প্ৰথম মোৰ দুচকু মেলিলোঁ,
এই মোৰ জগতৰ প্ৰথম পোহৰ পাই
সিপাৰৰ সৰগৰ সুৰ-সনা সোঁৱৰণি
সব পাহৰিলোঁ।
আকাশৰ সৰগক কোনোবা কালতে মই
এৰি থ'ই আঁতৰি আহিলোঁ।
ফেঁহুজালি দিয়ে—
পূবালিৰ দুৱাৰত ফেঁহু-বৰণীয়া মেঘ

ৰঙা বোল সানে তাতে
সাৰ পোৱা কেঁচা বেলিটিয়ে,
আকাশৰ নীলা আৰু বেলিৰ হেঙ্গুল মিলি
নিয়ৰত তৰে স্বপ্নজাল,
জগতৰ দুৱাৰত জ্বলি উঠে জীৱনৰ
মহা ফৰকাল,
শিশুৰ মিচিকিভৰা ওঁঠৰ ৰেখাটি
আকাশত ৰামধেনু হৈ, মাতে মোক সউ দূৰল'ই
সপোনৰ মহামেলা পাতি।
হাতমেলি চোতালৰ পৰা,
'আহা' বুলি মাতোঁ জোনবাই,
বাটতে থমকি ৰৈ জোনায়ে উজাৰ কৰি
দুবৰিত পোহৰৰ প্ৰাণ সিঁচি যায়।
এই মোৰ মাটিৰ ধৰাত,
এই মোৰ আহিনৰ সেউজীয়া দুবৰিডৰাত,
কুমলীয়া বতাহৰ নতুন নাচোন লাগি
সৰগৰ মায়া যায় ভাগি।
ঋতুৰ পিছত ঋতু আহে,
মাঘৰ শেষত মোৰ বুকু-ভৰা বসন্তই হাঁহে
জীৱনৰ ৰঙা তেজ জ্বলি যায়, গলি যায়
মৰা পৃথিৱীৰ আঁহে আঁহে,
ফুলে হাঁহে, পাতে হাঁহে,
সন্ধিয়াৰ সমীৰত অজান দেশৰ ক'ৰ
সুৰ আহি ভাহে।
পুত্ৰ যায় দূৰল'ই
কন্দা চকু ঢাকি ৰাখি, আকাশক ৰাখি সাক্ষী
মাতৃ থাকে দুৱাৰত ৰৈ
মৰমৰ থমা-দৈ লৈ।
জেং- খৰি পুৰি ধৰি জুই
ককাৰ কোলাত শুই চকু মুদা নাতি দলে
জুহালতে গঢ়ে ৰংঘৰ,
কাঠৰ ঘোঁৰাত উঠি ৰজাৰ কোঁৱৰে স'তে
উৰি উৰি ফুৰে ঘূৰি
ৰচি ৰচি সৌধ সপোনৰ!

বেলি মাৰ যায়—
গৰখীয়া ঘুৰি আহে গৰু-গাই দামুৰি চপাই,
ধানৰ নৰাৰ সেই কলা লগা পেঁপাটি বজাই।
গৰুৰ ভৰিৰ পৰা উৰি আহে ধুঁৱলীয়া ধূলি,
চকু মুদি গৰখীয়াই লয় তাকে সন্ধিয়াৰ
সোণৰেণু বুলি,
আকাশেদি উৰি যায় সন্ধিয়াৰ ঘূৰি অহা পখী
পোহৰক পিছলৈ ৰাখি
হৰষৰ গীত গাই গাই,
ৰ লাগি শুনে সন্ধিয়াই।
সন্ধিয়াৰ ডবা-কাঁহ
মচজিদৰ মধুৰ আজান,
আকাশৰ পখীৰ সঙ্গীত,
ঘূৰি অহা গোপালৰ গান।
তাকে লৈ পৃথিৱীয়ে সৰগক দিয়ে সমিধান।
ৰাতিৰ নিথৰ নীৰৱতা,
মাৰ যোৱা জোনে স'তে সৰি পৰা শেৱালিৰ কথা,
এই সকলোৰে স'তে
ধৰণীৰ প্ৰতি অণু গাঁথা;
— দিয়ে মোক স্বৰ্গৰ বাৰতা।
আৰু এই ৰাঙলী ফাগুন,
এই মোৰ ফুলে ফুলে, পাতে পাতে
ভাষাহীন হৰষৰ চপল নাচোন,
চকুৰ পতাত লাগি টোপনিৰ বোল সনা
পূৰ্ণিমাৰ জোন।
যেতিয়া পৰশ লাগে, যৌৱনৰ পাৰ ভাগে
অচিনাকি হয়হি আপোন,
— এই যে ফাগুন।
তাৰ স'তে মোৰ পৰিচয়
— আজিৰ নহয়,
মাঘৰ শেষত সেয়ে নতুনৰ অভিসাৰ লৈ
নিতে মোৰ সৰগক পাহৰাই থয়।

ভুল আৰু আশা লই
সপোনৰ দ'ল সজা
চিৰ শিশু এই যে মানুহ।
নুফুলা ফুলত সানি কল্পনাৰ ৰঙা বোল,
উছৱৰ মগ্ন সমাৰোহ!
কিমান ধুনীয়া!
সকলো যে মোৰ লগৰীয়া!
মোৰ চউদিশে ঘেৰি পাওঁ মই এই পৃথিৱীক
পাওঁ মই জীৱনৰ সীমাহীন সুৰ।
পাওঁ মই সৰগৰ মঙ্গল আশিষধাৰা
আকাশৰ কৰুণা মধুৰ—।
মৰণ— সিও যে মোৰ পুৰণি চিনাকি
সি যে মোৰ জীৱনৰ শেষ হ'লে
আন্ধাৰত আলোকৰ চাকি
—সৰগৰ সুধা দিয়ে বাকি।
'জীৱন-মৰণ লৈ এই যে সংসাৰ,
অন্তহীন সৌন্দৰ্যৰ মহা পাৰাবাৰ,
হঁহা-কন্দা, ৰং-অভিমান,
ভুল কৰা, ভাল পোৱা ছন্দহীন গান।'
স্মৃতি আৰু আশা লৈ
জীৱনৰ শান্ত অভিযান।
-ই যে মোৰ সৰগ সমান।
ই যে স্বৰ্গ মোৰ
মৰমৰ, মৰণৰ, হাঁহি আৰু তপ্ত চকুলোৰ,
মৰম মঙ্গল লৈ উৰিছে নিতৌ ইয়াত—
সৰগৰ ধুলি-কণাবোৰ।
মাটিৰ মানুহ মই,
ভাল পাওঁ মাটিৰ সৰগ,
ভাল পাওঁ মাটিৰ মৰম,
সিপাৰে বিধাতা, আৰু ইপাৰে হিয়াৰ খলকনি,
— মই তাৰ সন্ধি অনুপম।

চৈয়দ আব্দুল মালিক

২৬৪

# বোধিদ্রুমৰ খৰি

'As long as there are fools in the world, there will be hope--' G.B.S.

পৃথিৱীক কোনে ভাল পালে,
কাৰ প্ৰেমে কষটিত কোনো চিন দিব নোৱাৰিলে
তাৰ
জমা-খৰচৰ বহী লেখোঁতে অকলে
দ্বিধাৰ বতাহ আহি উৰা-বাতৰিৰে
মোৰ জীৱনৰ খিৰিকি কঁপালে;
প্ৰদীপৰ শিখা নকঁপিল।

জীৱন গলাই জ্বলা মমবাতি শিখাৰ মাজত
তোমাৰ শৰীৰ জ্বলে, অমিতাভ, জ্ঞান জ্বলে।
জ্ঞান স্থিৰ— মৃত্যুৰ বতাহে যাৰ শিখা নকঁপায়।
জ্ঞান জ্বলে। হেজাৰ বসন্ত পুৰি ছগাক চঞ্চল কৰা
মমৰ পোহৰ জ্বলে মউমাখি গোলাপৰ প্ৰেমৰ ক্লীবতা জ্বলে।

জ্ঞান জ্বলে। সিপাৰত
গছনীলা কুৰুৱা পাহাৰ জ্বলে। জ্ঞান স্থিৰ।
জ্ঞান ধ্ৰুৱ। জ্ঞান মৃত্যু। নিজে নিৰ্বিকাৰ
তাৰ অখণ্ড শিখাই আমাৰ উশাহ পোৰে ।
প্ৰেম পোৰে। (পুৰণি ধূপৰ দৰে ধোঁৱাৰে
কবিতা আঁকি মায়া গঢ়ে— সুৰভি নিদিয়ে)
স্মৃতি পোৰে।
লাজ পোৰে প্ৰথমা প্ৰিয়াৰ। ভোগালীৰ মেজি
পোৰা গৰখীয়া ল'ৰাটিৰ
বহাগী সপোন পোৰে।
শিশুৰ মুখৰ হাঁহি পুৰি কৰে ৰেলত হকাৰ।

পোহৰত শান্তি নাই; অগ্নিত আশ্ৰয় নাই;
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।

আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে—
চিৰশিশু মানুহৰ মহা-মূঢ়তাত;
তামোলৰ পিকসনা আইতাৰ জধলা চুমাত।

আমাৰ কাৰণে শান্তি
জীৱিকাত জীৱনৰ আবিৰ সানিব খোজা এমুঠি মৰম।
আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লৈ
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম-চেঁচা ছাল।

নৱকান্ত বৰুৱা

২৬৫

# স্বনিমন্ত্রিত

হয়তো নহয় বন্ধু, সঁচাকৈয়ে আছে, মই জানো
শান্তিৰ অকণি এটি দ্বীপ— য'ত আছে বাট চাই
দেহত বসন্ত সাঁচি তোমাৰ প্রেয়সী, যি অমৃত
তোমাৰ নিশ্বাসে বিহ কৰি তোলা নাই— তাৰ
আস্বাদ দিবৰ বাবে।

মই জানো, আছে বন্ধু,
মন আৰু মগজুৰে ঘোলা কৰা লুইতৰ
কোনোবা অংশতে আত্মাৰ মাজুলি আছে
তোমাৰ প্রেমৰ— য'ত তোমাৰ প্রিয়াৰ কলাফুল
মিলি থাকে সৰিয়হ ফুল আৰু কুঁহুমীয়া
ৰ'দালি উমত। জ্বলা-জ্বলা গোন্ধ সনা
চকুৰ পানীয়ে য'ত বাট দেখুৱায় সভ্যতাৰ
চাৰ্কাচত ব্যৰ্থকাম বহুৰাবোৰকো......

তুমি যদি সহ্য কৰা,
মোৰ নৰকৰ পৰা এদিনৰ ছুটি লৈ
তোমাৰ আলহী হৈময়ো তাত খন্তেক থাকিম
.... অন্ততঃ দুপৰ এটা.... কপৌৰে নিস্তব্ধ
কৰা বহাগৰ এটা দুপৰীয়া। পাৰিলে
কান্দিম। আৰু ঘূৰি আহি....
ঘূৰি আহি......??

হায় ঘূৰি যে আহিম!

নৱকান্ত বৰুৱা

২৬৬

# কুঠৰী

সৰু গাঁও-চহৰৰ অনেক আঁতৰ,
এফালে পৰ্বতমালা
আনফালে গভীৰ অৰণ্য।
পৰ্বতত অৰ্দ্ধনগ্ন আদিম এদল
আনফালে ৰক্ষিত জন্তুৰ দল
তাৰেই মাজত মই বাস কৰোঁ
আদিমৰ নৱ সংস্কৰণ;
অন্তৰত আদিমৰ উদ্দাম প্ৰবাহ,
মেজত টোপনি যোৱা
বিশ্বকবি ৰবীন্দ্ৰৰ
মহা গ্ৰন্থমালা।

আদিমৰ উপহাৰ এবটল সুৰা
আৰু হৰিণৰ এডোখৰ,
তাকে খাই সুৰাসক্ত মনে ভাৱে গ্ৰন্থমালা-
কবিতাই আঁকি যোৱা ছবি. কথা,-
হঠাৎ ভুমুকি মাৰে বুকুত মেঠনি মৰা
অৰ্দ্ধনগ্ন গাভৰুৰ ছবি....
সেইয়েই কুঠৰী

চন্দ্ৰ ফুকন

২৬৭

# উপহাৰ

থুৰি কলাপাত গৰকি বাট হেৰুওৱা
বতাহৰ সুহুৰি

মই মৰো নে জীও বতাহৰ
শুকুলা গোন্ধত
পাওঁ নে হেৰুৱাওঁ সহজ সুখৰ ছাঁ

তুমিতো নাজানা প্ৰত্যেক ফুলৰ
উৰণীয়া গোন্ধত, প্ৰত্যেক পখীৰ
সৰল সুহুৰিত
দিক্‌চৌ বাটৰ ইঙ্গিত।

মোৰ ভিতৰৰ মানুহটো
কাতৰ হৈয়ো অকাতৰ
কৰপুটে সি কেৱল তুলি লয়
তোমাৰ সকলো উপহাৰ
—প্ৰেমৰ অথবা ঘৃণাৰ।

লক্ষহীৰা দাস

# বৰ্ণানুক্ৰমে কবিসকলৰ নাম আৰু কবিতা থকা পৃষ্ঠা-সংখ্যা


অজিৎ বৰুৱা — ১৫৭, ২০৭, ২০৮, ২৭১, ৩৩৩, ৩৩৪, ৩৫৯, ৪৭৯
অতুলচন্দ্ৰ হাজৰিকা — ১৪৬, ২৬০, ২৬৩, ২৬৪
অমলেন্দু গুহ — ৩১৫, ৪৪৯, ৪৯৭
অমূল্য বৰুৱা — ৩৭৪
অম্বিকাগিৰী ৰায়চৌধুৰী — ১৪, ১৫, ১৬, ১০৭, ২৯০, ২৯২, ২৯৩
অৱনী চক্ৰৱৰ্তী — ৩৯৫

আনন্দচন্দ্ৰ আগৰৱালা — ৯৬, ৪০৯, ৪১১, ৫০৭
আনন্দচন্দ্ৰ বৰুৱা — ২৬৮, ৩০৪, ৩০৫, ৪৪৪, ৪৪৫
আনন্দেশ্বৰ শৰ্মা — ৩৫১
আনিছ উজ জামান — ১৭৪

কবীন ফুকন — ২১৪, ৩৩০
কমলেশ্বৰ চলিহা — ১৪২, ১৪৩, ১৪৪
কৰবী ডেকা হাজৰিকা — ৩৪৭
কিশোৰ ভট্টাচাৰ্য — ২১৫, ২১৮
কেশৱ মহন্ত — ১৯৮, ৩২০

গণেশ চন্দ্ৰ গগৈ — ৩০১

ঘনশ্যাম চলিহা — ২৯৯

চন্দ্ৰ ফুকন — ১৮৯, ৫২০
চন্দ্ৰকুমাৰ আগৰৱালা — ৪, ৫, ৮৫, ৮৬, ৮৭, ২৩০, ২৩৪, ২৩৮, ২৩৯
চন্দ্ৰধৰ বৰুৱা — ৪১৫
চিৰঞ্জীৱ জৈন — ১৮৪, ৩৯৮
চৈয়দ আব্দুল মালিক — ১৫২, ৫১৩
চৈয়দ আব্দুল হালিম — ৮১

জ্যোতিপ্ৰসাদ আগৰৱালা — ১৩৪, ১৩৫, ২৫৬

জ্ঞান পূজাৰী — ৩৯৯
জ্ঞানানন্দ শৰ্মা পাঠক — ২৮৩, ৩৪৫

| | |
|---|---|
| ডিম্বেশ্বৰ নেওগ | ৫৩, ৪২৭, ৫০৯ |
| তৰুণ বৰুৱা | ৩৪৬ |
| তোষপ্ৰভা কলিতা | ১৭৬ |
| দিনেশ গোস্বামী | ৩৬৪, ৩৬৫ |
| দুৰ্গেশ্বৰ শৰ্মা . | ১৭, ১৮, ১৯, ১০৮. ১০৯, ২৫২, ২৫৩ |
| দেৱকান্ত বৰুৱা | ৫৮, ৬০, ৬২, ৩০৮, ৩১০, ৩১২, ৪৪৭, ৪৯৪ |
| ধৰ্মেশ্বৰী দেৱী বৰুৱানী | ৩৪ |
| ধীৰেন দত্ত | ৩৮৮ |
| নলিনীধৰ ভট্টাচাৰ্য | ৩৭৯, ৩৮০ |
| নলিনীবালা দেৱী | ৫০, ১১৯, ৪৮৯ |
| নৱকান্ত বৰুৱা | ৬৭, ৭০, ১৬০, ১৬২, ১৬৩, ১৯৫, ১৯৬, ৩১৭ |
| নিৰ্মলপ্ৰভা বৰদলৈ | ২৭৩, ৩২৬, ৩৩৯, ৩৫৩ |
| নীলমণি ফুকন | ৭৭, ১৭০, ৩২৭, ৩৪০, ৩৪১, ৩৫৪, ৩৬২ |
| পদ্মনাথ গোহাঞিবৰুৱা | ১১, ৯২, ৯৫, ২৪২ |
| পাৰ্বতিপ্ৰসাদ বৰুৱা | ৫৬, ১৪০, ২৫৯ |
| প্ৰফুল্ল ভূঞা | ৩৬১ |
| প্ৰবীণা শইকীয়া | ৩২৮ |
| প্ৰসন্নলাল চৌধুৰী | ১২০, ১২৪, ১২৭ |
| বিনন্দচন্দ্ৰ বৰুৱা | ৪৩১, ৪৩৬, ৪৪০, ৪৯১ |
| বিপুলজ্যোতি শইকীয়া | ১৮৫, ২৮৪, ২৮৬ |
| বীৰেন বৰকটকী | ৪৭৩ |
| বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য | ১৫৮, ৩৮২, ৪৫১ |
| বীৰেশ্বৰ বৰুৱা | ৭৫, ৭৬, ২০৬, ৩৮৪ |
| ভগৱতীপ্ৰসাদ বৰুৱা | ৩৫ |
| ভবেন বৰুৱা | ৮০, ৩৪২,, ৩৪৩, ৩৪৪, ৩৫৫ |
| ভোলানাথ দাস | ৯০ |
| মফিজুদ্দিন আহমেদ হাজৰিকা | ৬, ৮ |
| মহেন্দ্ৰ বৰা | ৭১, ৩৩৫, ৩৩৬, ৪৫৮, ৪৬৪ |
| মহেন্দ্ৰনাথ ডেকাফুকন | ১৩০ |

মহেশ্বৰ নেওগ ১৪৯, ১৫০, ২৭০, ৫৫১
মিত্রদেৱ মহন্ত ১১৭, ৪৮৩
মহিম বৰা ৭৩, ৭৪, ২৭২, ৩২২

যতীন্দ্রনাথ দুৱৰা ২০, ২২, ২৪, ২৫, ২৮, ৩০, ৩১, ৪১৮

ৰঘুনাথ চৌধাৰী ১২, ১০১, ১০৪, ১০৫, ১০৬, ২৪৪
ৰত্নকান্ত বৰকাকতী ৪১, ৪৩, ৪৪, ৪৬, ৪৭, ১১৮, ২৯৬, ৪২৫
ৰফিকুল হোচেইন ১৮২, ৪০০
ৰবীন্দ্র বৰা ৩৬৮, ৩৯৪
ৰবীন্দ্র সৰকাৰ ৩৯২, ৩৯৩
ৰাম গগৈ ১৬৫

লক্ষহীৰা দাস ১৬৭, ৫২১
লক্ষ্মীনাথ ফুকন ২৫৫
লক্ষ্মীনাথ বেজবৰুৱা ৩, ২২৩, ২২৪, ২২৬, ২২৭, ২২৮
লক্ষ্মীধৰ শৰ্মা ৪৮

শশীকান্ত গগৈ ৬৩, ২৬৯, ৩১৪
শৈলধৰ ৰাজখোৱা ১১১, ৪২০, ৪২২

সনন্ত তাঁতি ১৭৯, ১৮১, ৪০২
সমীৰ তাঁতী ৪০৪, ৪০৬, ৪০৭
সিংহদত্ত দেৱ অধিকাৰী ৫০৮
সীতানাথ ব্ৰহ্মচৌধুৰী ৪৪৬
সূৰ্যকুমাৰ ভূঞা ৩৭, ৩৯, ১১৪, ২৯৪

হৰি বৰকাকতি ২০৩, ৪৫৫, ৪৫৬
হৰেকৃষ্ণ ডেকা ১৭২, ২১০, ২১২, ৩৬৬, ৩৬৭
হিতেশ্বৰ বৰবৰুৱা ৯৯, ১০০
হীৰেন গোহাঁই ৩৯০
হীৰেন্দ্রনাথ দত্ত ৭৮, ২৮১
হীৰেন ভট্টাচাৰ্য ১৬৮, ১৬৯, ২০৯, ৩৩৭, ৩৩৮, ৩৫২, ৩৮৫
হেম বৰুৱা ৬৫, ১৯২
হেমচন্দ্র গোস্বামী ২৪০, ২৮৯
হেমাঙ্গ বিশ্বাস ৩৭১, ৩৭৩
হোমেন বৰগোহাঞি ১৬৪, ৩২৩, ৩২৫, ৩৬০, ৫০২